মঙলদৈ মহাবিদ্যালয়

# আলোচনী



সম্পাদক
দ্বীপ কিশোৰ শইকীয়া

# মঙলদৈ মহাবিদ্যালয় আলোচনী

৩৭ তম সংখ্যা

ইং ১৯৯৮-৯৯ বৰ্ষ

তত্বাবধায়ক

ড° বিজয় কুমাৰ শৰ্মা

এম.এ. (ডবল), বি.টি., পিএইচ.ডি.

সম্পাদক

শ্ৰীদ্বীপ কিশোৰ শইকীয়া

# মঙলদৈ মহাবিদ্যালয় সংগীত

ৰচনা
**শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী**

সুৰ আৰু স্বৰলিপি
কুমাৰ আনন্দ নাৰায়ণ দেৱ

তাল
দাদৰা (ভাতখাণ্ডে পদ্ধতিত স্বৰ লিপি কৰা হৈছে)

মহাজীৱনৰ মহাসাধনাৰ
আশাৰ গজালি তুমি
জ্ঞান গৰিমাৰ ধ্যান-ধাৰণাৰ
মহান পুণ্যভূমি ॥১॥
অজ্ঞনতাৰ তমসা ৰাতিত
জনতা আছিল ডুবি ,
জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা
সুধা সঞ্জীৱনী ।
বিকশিত আজি শত শত দল
তোমাৰ চৰণ চুমি ॥২॥
বিয়পি পৰিছে চৌদিশে আজি
তোমাৰ জ্যোতিৰ বাণ ,
শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান ।
তোমাৰ আভাও হওক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি ॥৩॥

মঙলদৈ মহাবিদ্যালয়ৰ সংগীতটি আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদক শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰীদেৱে ৰচনা কৰিছিল । গীতটিৰ সুৰ দিছিল শ্ৰীআনন্দ নাৰায়ণদেৱে । কিন্তু গীতটোৰ স্বৰলিপি স্থায়ীভাৱে ৰাখি নোথোৱাত ইয়াৰ পূৰ্বৰ সুৰ ভালেখিনি পৰিবৰ্তন হৈছে ।


**সম্পাদক**

স্থায়ী

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | o | | | X | | | o | |
| গ | গ | গপ | গৰ | গৰ | ম | গ | গ | -প | গৰ | গৰ | স |
| ম | হা | জী | ৱS | নS | ৰ | ম | হা | Sসা | ধS | নাS | ৰ |
| ম | ৰগ | ম | ম | মধ | প | স | ম | ধ | - | - | - |
| আ | শাS | ৰ | গ | জাS | লি | ত | মিS | S | S | S | S |
| ধ | ধ | ধ | ধন | ধ | প | প | প | প | মধ | স | গ |
| জ্ঞা | ন | গ | ৰিS | মা | ৰ | ধ্যা | ন | ধা | ৰS | না | ৰ |
| ৰ | ৰ | ৰ | ৰগ | মগ | প | নৰ | স | - | - | - | - |
| ম | হা | ন | পুS | SS | ণ্য | ভূS | মি | S | S | S | S |
| ১ম অন্তৰা | | | | | | | | | | | |
| X | | | o | | | X | | | o | | |
| প | প | ধন | নধ | ধন | ধপ | প | প | ধন | নধ | ধন | ধপ |
| অ | S | জ্ঞাS | নS | তাS | Sৰ | ত | ম | সাS | ৰাS | তিS | Sত |
| প | ধন | ন | ধন | পধ | গ | প | ধ | - | নধ | পধ | - |
| জ | নS | তাS | আS | ছিS | ল | ডু | ৰি | S | S | S | S |
| ন | ন | নৰ | নধ | পধ | প | প | প | - | - | - | - |
| জ | নS | তাS | আS | ছিS | ল | ডু | বি | S | S | S | S |
| প | পধ | ন | নধ | ধন | ধপ | প | প | ধন | নধ | ধন | ধপ |
| জ্ঞা | নS | ৰ | প্ৰ | দীS | Sপ | শি | খা | ৰেS | বিS | লাS | লাS |
| প | সন | - | ধন | পধ | গপ | প | ধ | ন | নধ | পধ | ন |
| সু | ধাS | S | সন | SS | জীS | ৱ | নী | S | SS | SS | S |
| ন | ন | নৰ | নধ | পধ | প | ধ | প | - | - | - | - |
| সু | ধা | সন্ | SS | জী | SS | ৱ | নী | S | S | S | S |
| প | প | প | পধ | ম | মৰ | ম | ম | Sম | ম | গমপ | ৰ |
| বি | ক | শি | তS | আ | জিS | শ | ত | Sশ | তS | দSS | ল |
| ৰ | ৰ | ৰ | ৰ | গম | প | নৰ | স | - | - | - | - |
| তো | মা | ৰ | চ | ৰS | ণ | চুS | মি | S | S | S | S |
| ২য় অন্তৰা | | | | | | | | | | | |
| X | | | o | | | X | | | o | | |
| ম | ৰ | গপ | গ | ৰ | গৰস | স | ৰ | গপ | গ | ৰগ | ৰস |
| বি | য় | পিS | প | ৰি | ছেSS | চৌ | S | দিS | শে | আS | জিS |
| স | ধ | ধ | পধ | গপ | ধ | - | - | - | - | - | - |
| তো | মা | ৰ | জ্যোS | তিS | ৰ | বা | S | S | S | S | ন |
| ন | ন | ন | ধন | পধ | গধ | প | - | - | - | - | - |
| তো | বা | ৰ | জ্যোS | তিS | Sৰ | বা | S | S | S | S | ন |
| স | ৰ | গপ | গৰ | ৰগ | ৰস | স | ৰ | গপ | গৰ | ৰগ | ৰস |
| শ | ত | প্ৰS | দীS | পS | Sৰ | চৌS | S | দিS | শেS | আS | জিS |
| স | ধ | ধ | পধ | গ | প | ধ | - | - | - | - | - |
| তু | মি | যে | দ্বীS | প্ | তি | মা | S | S | S | S | ন |
| ন | ন | ন | ধন | পধ | গধ | ধ | প | - | - | - | - |
| তু | মি | যে | দ্বীS | Sপ্ | তিS | মা | S | S | S | S | ন |

(পুনৰ স্থায়ীলৈ এবাৰ গায় শেষ কৰিব)

# শ্ৰদ্ধাঞ্জলি




''ভাঙি গ'ল বীণখনি ছিগি গ'ল তাৰ
ৰৈ গ'ল অৱশেষ মাথো অমিয় জোকাৰ''

**সম্পাদনা সমিতি**

# উছৰ্গা

## মহাবিদ্যালয় তোৰণ



‘চৰৈৱেতি চৰৈৱেতি’

সম্পাদনা সমিতি

# বিদায় সম্বৰ্দ্ধনা



**ড° লোকেশ্বৰ নাথ,**

অধ্যক্ষ, মঙলদৈ মহাবিদ্যালয়

নিযুক্তি দিনাংক : ০১-০৮-৬৬

অৱসৰ গ্ৰহণ : ৩১-০৩-৯৯




**শ্ৰীশৰৎ চন্দ্ৰ শৰ্মা**

মূৰব্বী অধ্যাপক, অৰ্থনীতি বিভাগ

নিযুক্তি দিনাংক : ০১-০৯-৬৯

অৱসৰ গ্ৰহণ : ৩০-০৯-৯৯



**শ্ৰীখড়ি ৰাম সূত**

তদাৰকী সহায়ক,

মঙলদৈ মহাবিদ্যালয়

নিযুক্তি দিনাংক : ১৪-০২-৬৩

অৱসৰ গ্ৰহণ : ৩১-০৩-৯৯

# অশ্ৰুঅঞ্জলি



**স্বৰ্গীয়া নাহাৰুণ নেছা**

অধ্যাপিকা, অসমীয়া বিভাগ

জন্ম : ০১-০৮-১৯৬৬

মৃত্যু : ৩১-০৩-১৯৯৯



**স্বৰ্গীয়া বিদ্যুৎ প্ৰভা দাস**

মৃৰব্বী অধ্যাপিকা, প্ৰাণীবিদ্যা বিভাগ

জন্ম : ০১-০৩-১৯৪৪

মৃত্যু : ০৮-০১-২০০০


*"হাঁহি আৰু চকুলোৰ মধুৰ মিলন*
*এয়ে হায় ক্ষন্তেকীয়া মানৱ জীৱন"*



**৺ লক্ষ্যণ ডেকা**

জন্ম : ০১-০৩-৭৭

মৃত্যু : ১২-০৮-৯৯



**৺ জ্যোতিৰঞ্জন শৰ্মা**

জন্ম : ২২-০১-৮২

মৃত্যু : ০২-০৭-৯৯



**৺ দিগন্ত শৰ্মা**

জন্ম : ০৫-০৪-৮১

মৃত্যু : ০২-০৮-৯৯

অসমৰ সাহিত্য, সংস্কৃতি আৰু সমাজ জীৱনৰ পৰা হেৰাই যোৱা পূণ্যাত্মা সকলৰ স্মৃতিত অশ্ৰুঅঞ্জলি নিবেদন কৰিলোঁ । — সম্পাদনা সমিতি

# মঙলদৈ মহাবিদ্যালয় আলোচনী

## ৩৭ তম সংখ্যা
## ইং ১৯৯৮-৯৯ বৰ্ষ

### সম্পাদনা সমিতি

সভাপতি : ড° অমিয়া দেৱী, ভাৱপ্ৰাপ্ত অধ্যক্ষা

উপদেষ্টা : শ্ৰীমতিৰাম মেধি, অধ্যাপক
শ্ৰীবিচিত্ৰ কুমাৰ মেধি, অধ্যাপক
শ্ৰীডিম্বেশ্বৰ বৰুৱা, অধ্যাপক

তত্বাৱধায়ক : ড° বিজয় কুমাৰ শৰ্মা, অধ্যাপক

সম্পাদক : শ্ৰীদ্বীপ কিশোৰ শইকীয়া

সদস্য : শ্ৰীসাধিৰাম বড়া, হিচাপ পৰীক্ষক
শ্ৰীহেমন্ত শইকীয়া
শ্ৰীউপেন্দ্ৰজিৎ কলিতা
শ্ৰীলৱ কুমাৰ শৰ্মা
শ্ৰীমৃত্যুঞ্জয় কুমাৰ দেৱ শৰ্মা
শ্ৰীৰুবুল নাৰায়ণ দেৱ
শ্ৰীনিপুঞ্জয় বড়া

বেটুপাত : শ্ৰীমৃত্যুঞ্জয় কুমাৰ দেৱ শৰ্মা

স্কেচ্ : শ্ৰীদিলীপ চহৰীয়া

অংগ সজ্জা : সম্পাদক

মুদ্ৰণ : *প্ৰিণ্ট'মেটিক্‌চ*
মঙলদৈ
ফোন - ২৩৬৩০



ড° অমিয়া দেৱী
সভাপতি



শ্ৰীমতিৰাম মেধি,
উপদেষ্টা



শ্ৰীবিচিত্ৰ কুমাৰ মেধি
উপদেষ্টা



শ্ৰীডিম্বেশ্বৰ বৰুৱা
উপদেষ্টা



ড° বিজয় কুমাৰ শৰ্মা
তত্বাৱধায়ক



শ্ৰীদ্বীপ কিশোৰ শইকীয়া
সম্পাদক



শ্ৰীসাধিৰাম বড়া
সদস্য



শ্ৰীহেমন্ত শইকীয়া
সদস্য



শ্ৰীউপেন্দ্ৰজিৎ কলিতা
সদস্য



শ্ৰীলৱ কুমাৰ শৰ্মা
সদস্য



শ্ৰীমৃত্যুঞ্জয় কুমাৰ দেৱশৰ্মা
সদস্য



শ্ৰীৰুবুল নাৰায়ণ দেৱ
সদস্য



শ্ৰীনিপুঞ্জয় বড়া
সদস্য

## মহাবিদ্যালয়ৰ প্ৰতীকৰ তাৎপৰ্য্য


"নিহিত সম্ভাৱনাৰ বিকাশেই জীৱন"
এই বিকাশৰ মূলকথা ঘাত-প্ৰতিঘাতৰ মাজত
খেলুৱৈৰ মনোভাবেৰে আৰু নিৰ্লিপ্ত চিত্তেৰে স্থুলৰ পৰা সুক্ষ্মলৈ,
ক্ষুদ্ৰৰ পৰা বৃহত্তলৈ, স্বাৰ্থপৰতাৰ পৰা নিঃস্বাৰ্থ ভাবলৈ,
ব্যক্তিকেন্দ্ৰিকতাৰ পৰা সামাজিকতালৈ, - মুঠতে অন্ধকাৰৰ পৰা পোহৰলৈ গতি।
এনে বিকাশৰ অৰ্থে প্ৰথমতে প্ৰয়োজন বিশেষ চাৰিত্ৰিক গুনৰ, বিশেষ দক্ষতাৰ,
গভীৰ অভিজ্ঞতাৰ, অফুৰন্ত উদ্যম আৰু কৰ্মৰ। দ্বিতীয়তে প্ৰয়োজন সেইবোৰ সমাজমুখী, বিস্তাৰমুখী,
ত্যাগমুখী আৰু মঙ্গলকামী গতি। শিক্ষাৰ এই মূল অৰ্থৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয় প্ৰতীকত
সেয়ে মূলকথা হিচাবে দিয়া হৈছে ভাৰতীয় সভ্যতাৰ মূল ভেটি উপনিষদৰ মহৎ বাণী
**- তমসো মা জ্যোতিৰ্গময়।**
পৰিসীমাৰ ঢালৰূপে সূচাইছে খেলুৱৈৰ মনোভাৱ আৰু নিৰ্লিপ্ত চিত্ত।
মাজৰ যোগ চিহ্নই সূচনা কৰিছে অভিজ্ঞতা, দক্ষতা, চাৰিত্ৰিক গুণ আৰু
উদ্যমৰ লগত প্ৰাণৰ সংযোগ। ৰেখাবোৰৰ ৰঙা ৰঙে সূচাইছে শক্তি আৰু প্ৰাণ,
পশ্চাদভূমিৰ নীলা ৰঙে সংযম আৰু অভিজ্ঞতাৰ জ্ঞান, কেন্দ্ৰৰ বগা ৰঙে শুদ্ধতা আৰু পবিত্ৰতা।
জ্ঞানেই আনন্দ, জীৱনৰ সাৰ্থকতা আৰু সমৃদ্ধি। সোণালী শস্যৰ ঠোক এটাৰ মাজত স্পষ্ট হৈ কৰিছে
জীৱনৰ এই আনন্দ ভিত্তিক সমৃদ্ধি আৰু প্ৰাপ্তি। এই প্ৰাপ্তি কিন্তু স্বাৰ্থপৰ নহয়।
ই সীমিত নহয়। ই স্থিতিশীল নহয়। ই গতিশীল, সমাজমূখী, মঙ্গলকামী আৰু অসীম।
পূৰণ চিহ্নৰ মাজত আছে বিস্তাৰৰ প্ৰেৰণা আৰু চতুৰ্দিশে বিস্ফুৰিত
জ্যোতিকণাৰ মাজত আছে প্ৰাণময় জীৱনৰ মঙ্গলময়
বিকাশ আৰু তাৰ গতি।"

### শলাগৰ শৰাই

- সকলো সময়তে দিহা-পৰামৰ্শৰে সহায় কৰি অহা শ্ৰদ্ধাৰ প্ৰাক্তন অধ্যক্ষ ড° লোকেশ্বৰ নাথ, বৰ্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা ড° অমিয়া দেৱী, ভাৰপ্ৰাপ্ত অধ্যাপক ড° বিজয় কুমাৰ শৰ্মা চাৰৰ লগতে পাণ্ডুলিপি পৰীক্ষা কৰি দিয়া শ্ৰদ্ধাৰ অধ্যাপক শ্ৰীবিচিত্ৰ কুমাৰ মেধি, ইদ্ৰিছ আলি, মতিৰাম মেধি আৰু মণিমুগ্ধ বৰঠাকুৰ চাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।
- সম্পাদনা সমিতিৰ সমূহ সদস্যৰ উপৰিও বেটুপাতৰ শিল্পী তথা স্কেচ শিল্পী শ্ৰীমৃত্যুঞ্জয় কুমাৰ দেৱশৰ্মা আৰু দিলীপ চহৰীয়াদালৈ কৃতজ্ঞতা নিবেদিছোঁ।
- যি সকল লেখকৰ লিখনিৰ দ্বাৰা আলোচনীখন সমৃদ্ধ হ'ল তেওঁলোকলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।
- যি কোনো ক্ষেত্ৰতে দিহা-পৰামৰ্শৰে সহায় কৰা মোৰ সমূহ বন্ধু-বান্ধৱীলৈ আৰু প্ৰিন্ট'মেটিক্‌চৰ কৰ্মীবৃন্দলৈ শলাগৰ শৰাই আগবঢ়ালোঁ।

**সম্পাদক**





# সম্পাদকীয়

একবিংশ শতিকাৰ দুৱাৰ দলিত আৰু মঙলদৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱ আয়োজনৰ প্ৰাক্‌মুহূৰ্ত্তত ঠিয় হৈ প্ৰথমতে সকলোলৈ শ্ৰদ্ধা ও শুভেচ্ছা যাচিছোঁ ।

যি সকল ব্যক্তিৰ আশাশুধীয়া চেষ্টাৰ ফলত মঙলদৈ চহৰৰ দৰে ঠাইত মহামিলনৰ, মহাসাধনাৰ আশাৰ গজালি ৰোপণ কৰি বিভিন্নজনৰ জ্ঞানৰ চকু মোকলাবৰ বাবে মঙলদৈ মহাবিদ্যালয় সৃষ্টি হ'ল তেওঁ লোকলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম।

মহাবিদ্যালয়ৰ ১৯৯৮-৯৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক হিচাবে নিৰ্ব্বাচিত হোৱাৰ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো ।

সাহিত্যৰ শক্তি অসীম । সাহিত্য কলা হিচাপে স্বীকৃত হৈ আহিছে যদিও ইয়াত জীৱনবোধো প্ৰকাশ পায় । সংসাৰ সমুদ্ৰত হাহাকাৰ কৰি থকা সকলে সাহিত্যৰ মাজতেই প্ৰকাশ পায় আশাৰ তৰী । সাহিত্যত আছে সৃষ্টিৰ আনন্দ আৰু জ্ঞানৰ ভাণ্ডাৰ । মহৎ সাহিত্য সৃষ্টি কৰোতে সাহিত্যিক সকলে কৰা সাধনা কঠোৰ । জীৱনৰ গভীৰতা উপলব্ধি কৰিবৰ বাবেই এনে কঠোৰ সাধনাৰ প্ৰয়োজন হৈ পৰে । ভাৰতবৰ্ষত ৰত্নাকৰ নামৰ ব্যক্তিগৰাকী বাল্মিকীলৈ পৰ্য্যবসিত হোৱাটোৱেই বোধকৰো ইয়াৰ বাবে পৰ্য্যাপ্ত উদাহৰণ ।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উৎকৰ্ষৰ সমলো লুকাই আছে সাহিত্যৰ মাজতেই । নাৰদৰ ঢেকীৰ পৰা এৰোপ্লেন, সঞ্জয়ৰ দিব্যচকুৰ পৰা টেলিভিছন, কৌৰৱৰ জন্মপ্ৰক্ৰিয়াৰ মাজত টেষ্টটিউব বেবীৰ ধাৰণা লুকাই আছে । পুৰুষৰ সন্তান ধাৰণৰ ক্ষমতাও লুকাই আছে জহ্নুমুনিয়ে জাহ্নৱীক জন্ম দিয়া কাহিনীৰ মাজত । যুগে যুগে লাভ কৰা অভিজ্ঞতাৰ সঞ্চিত ফল পুৰণি অসমৰ কাব্য বোৰৰ মাজতে লুকাই থকাৰ দৰে প্ৰজন্মৰ মাজতো উৎস যে নোলাব তাক নুই কৰিব নোৱাৰি।

নবীনৰ মন 'নখ নলগা ফুলৰ কলি আৰু গোন্ধ নোলোৱা ফুলৰ' দৰে । তেনে সুন্দৰ মনৰ মাজত লুকাই থকা কোমল আৰু মিঠা ভাববোৰ ভাষাৰে প্ৰকাশ কৰি নিজে মিঠা জীৱন যাপন কৰাৰ লগতে আনকো তাৰ সোৱাদ বিলাব পাৰে । এনে মিঠা অভিজ্ঞতা আৰু কোমল মনৰ গৰাকী হ'বৰ বাবে প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীয়ে নৈতিকতাৰ পতন ৰোধি, মানৱতাৰ স্খলন ভেদি, অজ্ঞানতাৰ আন্ধাৰ নাশি এক সৰ্বাঙ্গসুন্দৰ নিকা সমাজ গঢ়িবৰ বাবে আৰু হিংসা দ্বেষ পৰিহাৰ কৰি জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে এক ভাৰতীয় জাতি হিচাপে আগুৱাই অহাৰ পন কৰি নৱ প্ৰজন্মৰ বাবে গঢ়ি তুলিব লাগিব এটি সুদৃঢ় আদৰ্শৰ ভেটি ।

ছাত্ৰ-ছাত্ৰী দেশৰ ভৱিষ্যত । দেশৰ ভৱিষ্যত উন্নতিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ উন্নতি অপৰিহাৰ্য্য । সেয়েহে ছাত্ৰ-ছাত্ৰীৰ সৰ্বাঙ্গীন উন্নতিৰ হকে চাবিবেৰৰ মাজৰ শিক্ষাত আবদ্ধ নহৈ তেওঁলোকৰ দৈহিক, বৌদ্ধিক, মানসিক বিকাশৰ ক্ষেত্ৰতো মনোনিবেশ কৰি মহাবিদ্যালয়ৰ উন্নতি সাধন কৰাৰ লগতে দেশৰ সুসন্তান হিচাবে প্ৰতিস্থিত হৈ উত্তৰ পুৰুষক চানেকি দেখুৱাব বুলি আশা ৰাখিলো ।

এই ক্ষেত্ৰত অন্য এক পদক্ষেপ হিচাপে প্ৰথম বাৰৰ বাবে মহাবিদ্যালয় সপ্তাহত আলোচনী বিভাগৰ দ্বাৰা স্ব-ৰচিত কবিতা লেখনি প্ৰতিযোগিতা আয়োজন কৰা হয় । বিভিন্ন অসুবিধা হেতু মহাবিদ্যালয়ৰ আলোচনীখন সময়মতে প্ৰকাশ কৰিব নোৱাৰিলো । তথাপিতো আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত সাধ্যানুসাৰে চেষ্টা চলাইছো । বিভিন্নজনে বিভিন্ন ধৰনৰ লেখনি প্ৰকাশৰ বাবে প্ৰেৰন কৰিছিল যদিও কিছু-সংখ্যক লেখনি বাদ দি আলোচনীখনৰ সামূহিক মানদণ্ড উন্নত কৰাৰ হেতু যঠেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীৰ লেখনিক স্থান দিয়া হৈছে ।

মহাবিদ্যালয়ৰ আলোচনী শিতানত দেখা দিয়া আৰ্থিক অনাতনৰ হেতু আলোচনীখন বৰ্দ্ধিত কলেবৰত প্ৰকাশ কৰিব পৰা নগ'ল । এই ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই ভৱিষ্যতে চকু দিব বুলি আশা ৰাখিলো । প্ৰকাশ থাকে যে আলোচনীখনৰ ভৱিষ্যত উন্নতিৰ হকে আগন্তুক বৰ্ষৰ পৰা আলোচনীৰ বাবদ কিছু বৰ্দ্ধিত মাচুল লোৱাৰ ব্যৱস্থা পৰা হৈছে।

আলোচনীখনত প্ৰকাশ হোৱা লেখনিয়ে অসমীয়া সাহিত্যৰ ভঁৰালৰ এচুকত ঠাই পাব বুলি আশা কৰিছোঁ । আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধাৰ অধ্যক্ষা ড° অমিয়া দেৱী, আলোচনীখনৰ তত্বাবধায়ক ড° বিজয় কুমাৰ শৰ্ম্মা চাৰ, শ্ৰীযুত বিচিত্ৰ কুমাৰ মেধি আৰু শ্ৰীযুত মতিৰাম মেধি চাৰৰ লগতে সম্পাদনা সমিতিৰ সদস্য সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ ।

"জয়তু মঙলদৈ মহাবিদ্যালয়"
"জয়তু ছাত্ৰ একতা সভা"
"জয় আই অসম"

দ্বীপ কিশোৰ শইকীয়া
সম্পাদক, আলোচনী বিভাগ,
মঙলদৈ মহাবিদ্যালয় ।

# সূচীপত্ৰ

## প্ৰবন্ধ


পাণিনীৰ অষ্টাধ্যেয়ী — ড° অমিয়া দেৱী / ১
ইতিবৃত্ত মঙলদৈ কলেজৰ — ড° গিৰীশ চন্দ্ৰ গোস্বামী /২
এন্ধাৰত এগছি বন্তি — ড° খলিলুৰ ৰহমান/ ৫
অসমৰ খনিজ তেল আৰু চাহ উদ্যোগৰ এটি চমু খতিয়ান — পৰেশ শৰ্মা / ৭
সমৰ কলা — বিশ্বজিৎ ৰবা /৮
অসমত দুঃসাহসিক ক্ৰীড়া : পৰ্বতাৰোহণ — জ্যোতিষ কুমাৰ নাথ /৯
ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ উপন্যাসৰ কেইটামান নাৰী চৰিত্ৰ — ৰূপৰেখা দেৱী/১০
শৈক্ষিক পৰিবেশৰ উন্নয়নত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা — নৱজ্যোতি কুমাৰ / ১২
আই.এ.এছ আদি পৰীক্ষা আৰু অসমীয়া ছাত্ৰ — শ্বাহনাৱাজ আহমেদ / ১৪
চুটিগল্পৰ ইতিবৃত্ত — জ্যোতি প্ৰসাদ কলিতা / ১৫
দূৰদৰ্শন কাৰ্য্যসূচী প্ৰচাৰ আৰু গ্ৰহণৰ কৌশল — বিৰলু ডেকা / ১৬
ক্ৰীড়া জগতত বিজ্ঞানৰ ভূমিকা — মহেশ শৰ্মা / ১৮
লোকউৎসৱঃ সুৱাগুৰি তোলা — মিতালী শইকীয়া / ১৯
মানৱ জীৱনত কিতাপৰ অৱদান — কুন্তিলা ডেকা / ২০
ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী — প্ৰণৱ কুমাৰ শৰ্মা / ২১
ৰহস্যজনক এক প্ৰাকৃতিক বিভীষিকা বাৰ্মুডা — সত্যৰঞ্জন শৰ্মা / ২২
লোক বিশ্বাস — সাধিৰাম বড়া / ২৩
হাঁহি সম্ৰাট লক্ষ্যধৰ চৌধুৰীদেৱৰ সতে হোৱা অন্তৰঙ্গ আলাপ — কুশল কলিতা / ২৪, কুৰি শতিকাৰ বেঙণিৰে বিশ্বত যুদ্ধ আৰু শান্তি — মৃদুল কুমাৰ শৰ্মা / ২৬, ৰামানুজন আৰু বিংশ শতিকাৰ ভাৰতীয় গণিত শাস্ত্ৰত তেওঁৰ অৱদান — জয়া শৰ্মা / ২৮
(ক) সোঁৱৰণি ঃ জীৱন বৈচিত্ৰ — ডিম্বেশ্বৰ বৰুৱা / ৩০
(খ)মৃৰব্বী অধ্যাপিকা বিদ্যুৎ প্ৰভা ৰাইদেউলৈ শ্ৰদ্ধাঞ্জলি — বুদ্ধিন হাজৰিকা / ৩২


## গল্প


নদীৰ সৈতে — ছাহিদা খাতুন / ৩৫, প্ৰত্যাগমন — অৰূপজ্যোতি মহন্ত / ৩৭, বহাগতে বহাগীৰ বিয়া — বুলু শইকীয়া / ৩৮
জীৱনৰ ছন্দ বিচাৰি — হৰেকৃষ্ণ শইকীয়া / ৩৯
কৰুণা — কস্তুৰী দেৱী / ৪১, এটা নষ্টালজিয়া — নমিতা ডেকা / ৪২
বিভ্ৰান্ত বন্যাভূমি — মিতালী দেৱী / ৪৩, এপ্ৰিল ফুল — মোক্তাদছ আলী / ৪৫, আহত পখীৰ ক্ৰন্দন — মাণিক চহৰীয়া / ৪৬ চেঙা তেল — জিতেন কুমাৰ কলিতা / ৪৮, পথৰ সন্ধান — হেমন্ত শইকীয়া / ৪৯,
✷ ভ্ৰমণ কাহিনী ঃ সমুদ্ৰ পাৰৰ মধুৰ স্মৃতি — বাণীকান্ত বনিয়া / ৫১
✷ চুটি গল্প ঃ বৌ মাছৰ মূৰিঘণ্ট — জয় চন্দ্ৰ শৰ্মা / ৫৩


## কবিতা


কলমৰ প্ৰতিধ্বনি — হিতেশ কুমাৰ ডেকা / ৫৭
দাপোনত কুৰি শতিকাৰ প্ৰতিবিম্ব — ফজলুম কৰিম / ৫৭
উকথা পঁজা — চৈয়দা জেছমিন মেৰী / ৫৮
স্মৰণ — ছাহজাহান আলি / ৫৮, অস্থায়ীক্ষণ — কবিতা ৰায় / ৫৮
নতুন সমাজ — প্ৰেমলতা কলিতা / ৫৯, এজন বিপ্লৱীৰ মৃত্যুত — মৃণাল কুমাৰ শৰ্মা / ৫৯, সন্ধান — জুলফিকাৰ আলি / ৬০, আৰ্তনাদ — পৰেশ কুমাৰ বড়া / ৬০, কি নাম দি মাতিম — মঞ্জুলা শৰ্মা / ৬০
সংগ্ৰাম — ওৱাহিদা আখতাৰ খানুম / ৬১
কাৰ্গিলৰ পৰা তোমালৈ — বৰুণ চন্দ্ৰ কলিতা / ৬১
স্মৃতিৰ এচমকা অনুৰাগ — সৈব্যা বাভা / ৬২
সমীক্ষা — গীতিকা শইকীয়া / ৬২, হে মঙলদৈ মহাবিদ্যালয় — মৃদুল কুমাৰ শৰ্মা / ৬৩, ক্লান্তিহীন অপেক্ষা — অনামিকা নাথ / ৬৩
ধুমুহাৰ চাকনৈয়া — ৰাণা বশিষ্ঠ / ৬৩
তোমাৰ বাবেই — নিতু কুমাৰ কলিতা / ৬৪, প্ৰতিচ্ছবি — লৱ কুমাৰ ডেকা / ৬৪, অহিংসা — জয়ন্ত ৰায় / ৬৫, দুঃসময় — মুনিন্দ্ৰ বৈশ্য / ৬৫,
ধৰ্ষিতা সময় — অনামিকা চহৰীয়া / ৬৬
তেজীমলা সপোন ইত্যাদি — মহাদেৱন বৰুৱা / ৬৬
দুঃসময় — ভূপেন ডেকা / ৬৭, সৈনিকৰ স্মৃতিৰে — ক্ষীৰোদ চহৰীয়া / ৬৭, আবেগ — সোণমণি দাস / ৬৮, মোৰ ভাৱ হয় — হেমন্ত কুমাৰ বৰুৱা / ৬৮
বন্ধুৰ স্মৃতি — ভাস্কৰজ্যোতি শৰ্মা / ৬৯, মন ফুলৰ আশা — কাজল দাস / ৬৯, মোৰ প্ৰেম — দীপক শৰ্মা / ৬৯, নিহাৰিকালৈ আমন্ত্ৰণ — কুশল কলিতা / ৭০, প্ৰেম কথা — শশাংক হাজৰিকা / ৭০, আকাশ — শৰৎ চন্দ্ৰ নাথ / ৭১, বৰ্তমান মোৰ আই — বিনয় ভট্ট / ৭১, মৌনতা — অজিত ৰাজৱংশী / ৭১, আবেলিৰ কৰবী — শশীন শৰ্মা / ৭২, দুঃসময় — বিনীতা চলিহা / ৭২, আলোকৰ বাটেৰে — মালবিকা নাথ / ৭২,
✷ মহাবিদ্যালয়ৰ বেঙণি / ৭৩, ✷ মহাবিদ্যালয়ৰ গৌৰৱ / ৭৫


## ENGLISH SECTION


Good manner change failurs into success — Manos Baruah /79,
English as an International Language — Kiran Devi /80
My Love to you — Ranjana Rani Dutta /81
In the Moon light — Tulashi Gopal Goswami /81
The velentine day — Sofiqul Islam /82
It burns this heart to mine — Pranabjyoti Sarma /82
Vain hopes — Alal Uddin Ahmed /83
Is it love — Hussain Md. Ershad Alam /83
Fifty International Organisations — Kuladip Saikia /84
✷ বিভাগীয় সম্পাদকৰ প্ৰতিবেদন / ৮৮-১০০ ✷

# প্ৰবন্ধৰ সঁফুৰা

মূল্যবোধৰ অৱক্ষয় প্ৰতিৰোধ কৰাৰ প্ৰচেষ্টা প্ৰবন্ধ বা ৰচনা সাহিত্যৰ এটা গুৰুত্বপূৰ্ণ দায়িত্ব । সাহিত্যিক, ছাত্ৰসকল আৰু বুদ্ধিজীৱিসকলে আত্মকেন্দ্ৰিক প্ৰতিষ্ঠাৰ ক্ষমতাপুষ্ট নৈতিকতাৰ ওচৰত নতশিৰ নহৈ নতুন মূল্যবোধৰ সাহসী যোদ্ধা হ'ব লাগিব। প্ৰবন্ধ বা সাহিত্যৰ লিখা মূল্যবোধ নিজৰ জীৱনত প্ৰয়োগ কৰি নিজেই নতুন মানুহৰ দৃষ্টান্ত হ'ব লাগিব । সাহিত্যৰ উদ্দেশ্য জীৱনক সুন্দৰ, সত্য আৰু উন্নত কৰা । তেতিয়াহে আহিব প্ৰবন্ধ সাহিত্যৰ সাফল্য ।

— আনন্দেশ্বৰ শৰ্মা

# পাণিনিৰ অষ্টাধ্যেয়ী — প্ৰাচীন ভাৰতৰ ইতিহাসৰ সমল

ডঃ অমিয়া দেৱী,
ভাৰপ্ৰাপ্ত অধ্যক্ষা

পাণিনিৰ অষ্টাধ্যেয়ী সংস্কৃত ভাষাৰ ব্যাকৰণৰ বিষয়ে লিখা এখন বহুমূলীয়া পুথি। বহুতো পশ্চিমীয়া পণ্ডিত আৰু ভাৰতৰো ডঃ আৰ. জি. ভাণ্ডাৰকাৰৰ মতে পাণিনিৰ অষ্টাধ্যেয়ী খৃঃপূঃ ৭০০ শতিকাত লিখা। কিন্তু মেকডালনৰ মতে পাণিনিৰ সময় খৃঃ পূঃ ৩৫০। অৱশ্যে এই ক্ষেত্ৰত বহুতো বিতৰ্কৰ থল আছে। সাধাৰণভাৱে খৃঃপূঃ ৫০০ শতিকাৰ ঠিক পৰৱৰ্তী সময়খিনিত পাণিনিয়ে বাস কৰিছিল বুলি অনুমান কৰা হয়।

এই ব্যাকৰণখন সম্পূৰ্ণৰূপত পোৱা হোৱা নাই। বিভিন্ন ঠাইত পোৱা উদ্ধৃতি সমূহৰ পৰা হে ইয়াৰ ধাৰণা এটা লোৱা হৈছে। তেওঁ উল্লেখ কৰি যোৱা ভাৰতৰ সেই সময়ৰ ঠাই সমূহ হ'ল কলিঙ্গ, সিন্ধু, তক্ষশিলা, কচ্ছ আৰু শ্বোৱাত উপত্যকা। সেই সময়ত ভাৰতৰ ২২ খন জনপদ অৰ্থাৎ ডাঙৰ নগৰ আছিল বুলি তেওঁ উল্লেখ কৰি থৈ গৈছে। সেই সমূহ হ'ল গান্ধাৰ, অৱন্তি, কাম্বোজ, কুৰু, মদ্ৰ, কোশন, উশিনৰ, বৃজ্জি, মগধ ইত্যাদি। তেওঁ কিছু সংখ্যক প্ৰাচ্য জনপদৰ বিষয়েও উল্লেখ কৰি থৈ গৈছে।

এই জনপদ সমূহত ক্ষত্ৰিয় ৰজাসকলে শাসন কৰিছিল। তেওঁলোকৰ উপাধি আছিল জনপদিন। একেখন জনপদৰে বাসিন্দা সকল সজনপদ হিচাপে জনাজাত হৈছিল। প্ৰত্যেকখন জনপদতে নিৰ্দিষ্ট সীমা আছিল। জনপদ সমূহৰ প্ৰশাসনীয় বিভাগ সমূহ আছিল বিষয়, নগৰ, গ্ৰাম আদি। গাঁৱৰ মূৰব্বীজনক গ্ৰামনি বোলা হৈছিল।

পাণিনিয়ে প্ৰাচীন ভাৰতীয় সাহিত্যৰ বিষয়েও উল্লেখ কৰি গৈছে। সেই সমূহ হ'ল ঋকবেদ, সামবেদ, যজুৰবেদ, ব্ৰাহ্মণ সমূহ, ছন্দ, কল্পসূত্ৰ সমূহ, ব্যাখ্যান, গাথা, কথা আৰু মহাভাৰত। পঢ়াশলীয়া ল'ৰাক ছাত্ৰ বোলা হৈছিল কাৰণ তেওঁ শিক্ষকৰ তত্বাৱধানত থাকিছিল। শিক্ষকক অধ্যাপক বোলা হৈছিল। একেজন শিক্ষকৰ অধীনত শিক্ষা গ্ৰহণ কৰা ছাত্ৰসকলক সব্ৰহ্মচাৰী বোলা হৈছিল। ছোৱালীবো শিক্ষা গ্ৰহণৰ ব্যৱস্থা আছিল। অধ্যয়নৰত ল'ৰা-ছোৱালীৰ বাবে সুকীয়া সুকীয়া বাসগৃহ আছিল। তেওঁ পৰিষদ নামৰ এটা অনুষ্ঠানৰ কথা উল্লেখ কৰিছিল। এই পৰিষদে বেদৰ অৰ্থৰ ওপৰত লোৱা সিদ্ধান্ত সকলোৱে গ্ৰহণ কৰাতো বাধ্যতামূলক নিয়ম আছিল।

অৰ্থনৈতিক দিশত জনসাধাৰণ যথেষ্ট আগবঢ়া আছিল বুলি তেওঁৰ লিখনিৰ পৰা অনুমান কৰিব পাৰি। জনসাধাৰণে বিভন্ন ধৰণৰ জীৱিকাৰ পথ গ্ৰহণ কৰিছিল। চৰকাৰী কামত নিযুক্ত ব্যক্তিক যুক্ত আৰু অধ্যক্ষ হিচাপে জনা গৈছিল। বনুৱাসকলক ধনেৰে নাইবা উৎপাদিত সামগ্ৰীৰে কামৰ বানচ দিয়া হৈছিল। কিছু সংখ্যক লোকে সুদৰ বিনিময়ত ধন ধাৰে দিছিল আৰু তেওঁলোকে শতকৰা দহ ভাগ সুদ দাবী কৰিব পাৰিছিল।

অষ্টাধ্যেয়ীত হালবোৱা আৰু গুটি সিঁচা কামৰ উল্লেখ আছে। যিটো মাহত যি শস্য বোৱা হয় সেই মাহৰ নামৰ বিপৰীতে সেই শস্য সমূহৰ নাম লিখি থৈ গৈছে। শস্যৰ নামৰ বিপৰীতে পথাৰ সমূহৰ নাম উল্লেখ কৰি গৈছে। পথাৰ সমূহৰ পৰা পৰিভ্ৰমণকাৰী সাধুসকলেও শস্য চপাইছিল বুলি তেওঁৰ লিখনিৰ পৰা জনা যায়।

তেওঁৰ লিখনিৰ পৰা সেইসময়ত কাপোৰ বোৱা আৰু কাপোৰত ৰং কৰা এই দুই শিল্পত জনসাধাৰণৰ আগ্ৰহ আছিল বুলি জানিব পাৰি। মাটিৰ বাচন বনোৱা লোকক কুলান বুলি উল্লেখ কৰা হৈছে। সেই সময়ত বিভিন্ন ধৰণৰ সংগীতৰ প্ৰচলন আছিল, নৃত্য বিশাৰদ আৰু বাদকসকলৰ বিষয়েও উল্লেখ কৰি গৈছে। বিভিন্ন হস্ত বিদ্যাৰ বাবে সংঘ সমূহ আছিল। মদৰ কাৰখানা সমূহ আছিল আৰু তাৰপৰা বুজন পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰা হৈছিল বুলি তেওঁ উল্লেখ কৰি থৈ গৈছে।

জোখ-মাখৰ বিভিন্ন ভাগ সমূহ আছিল খাৰি, পাত্ৰ, বিস্ত, সংমন, অধক, পুৰুষ, দিস্তা আদি। সেইদৰে কৰ্ষপন, নিষ্ক, পন, মাচা আদি আছিল বিভিন্ন মানৰ মুদ্ৰাৰ নাম।

অষ্টাধ্যেয়ীৰ বিভিন্ন দফাত কুল, বংশ, গোত্ৰ, শৰণ, সংঘ আদিৰ উল্লেখ আছে। কুল শব্দই পৰিয়ালৰ নাম বুজায়। এটা উপাধিকুল দীঘলীয়া কাল থাকিলে সেইটো এটা বংশত পৰিণত হয়। একে উপৰিপুৰুষৰ পৰা জন্ম হোৱা সকল একে গোত্ৰৰ হয়। সেই সময়ত আঙ্গিৰা, অত্ৰি আৰু ভৃগু উল্লেখনীয় গোত্ৰ আছিল।

সেই সময়ত দুইধৰণৰ সংঘ আছিল। সেইবোৰ আছিল গণ আৰু নিকায়। গণ আছিল ৰাজনৈতিক সংঘ আৰু নিকায় ধৰ্মীয় সংঘ। সংঘ সমূহক ক্ষত্ৰিয়সকলে নিয়ন্ত্ৰণ কৰিছিল। সেই সময়ৰ বিভিন্ন ৰাজনৈতিক দল সমূহক বৰ্গ বোলা হৈছিল। এই বৰ্গ সমূহৰ মাজত ক্ষমতাৰ বাবে সততে সংঘৰ্ষ চলিছিল। সংঘ সমূহৰ প্ৰশাসনীয় কামৰ ক্ষেত্ৰত এক গণতান্ত্ৰিক নীতি অৱলম্বন কৰা হৈছিল। তেওঁৰ লিখনিৰ পৰা সেই সময়ত ৰজাৰ পৰিষদ আছিল বুলি জনা যায়। এই পৰিষদে ৰজাক ৰাজকাৰ্য পৰিচালনাত উপদেশ দি সহায় কৰিছিল।

পাণিনিৰ অষ্টাধ্যেয়ীৰ পৰা আমি প্ৰাচীন ভাৰতৰ সমাজ, ধৰ্ম, ৰাজনীতি, অৰ্থনীতি, প্ৰশাসনীয় ব্যৱস্থা আদিৰ বিষয়ে বহুতো কথাই জানিব পাৰো।

Ref. : V.D. Mahajan — Ancient India.
R.C. Mahajan — Ancient India.

চিন্তাই মানুহৰ আন্তঃপ্ৰকাশ ঘটায় —— উপনিষদ

# ইতিবৃত্ত — মঙলদৈ কলেজৰ

ডঃ গিৰীশ চন্দ্ৰ গোস্বামী
মুখ্য প্ৰবক্তা, ভূগোল বিভাগ

তাহানিৰ কথা ১৯৫১ চন। বৰ্তমানৰ দৰং জিলা তেতিয়া মঙলদৈ মহকুমা। জনসংখ্যা ৪০২,৫০১ জন। বিদ্বানলোকৰ সংখ্যা সীমিত যদিও বিদ্যোৎসাহীৰ সংখ্যা তাকৰ নহয়। তেতিয়াৰ মহকুমাটোৰ ৩৪৮১ বৰ্গকিলোমিটাৰ এলেকাত জনসংখ্যাৰ ঘনত্ব প্ৰতি বৰ্গকিলোমিটাৰত ১১৬ জন। ভূতে বাহ লোৱা হাবিয়নী, গোপচাৰ, শ্মশানভূমি আৰু আঙুলিমূৰত লেখিবপৰা ৰাস্তাপথ — এইবোৰেই আছিল মহকুমাটোৰ সাধাৰণ লেণ্ডস্কেপ। শিক্ষানুষ্ঠান আছিল তেনেই সীমিত। প্ৰাথমিক আৰু মজলীয়া স্কুলক বাদ দি হাইস্কুলেই আছিল উচ্চশিক্ষাৰ প্ৰধান কেন্দ্ৰস্থল। শিক্ষিত লোকৰ হাৰো সীমিত — শতকৰা ১৬ জন। স্ত্ৰীশিক্ষা পুতৌলগা। শিক্ষিতা মহিলাৰ হাৰ ৫ শতাংশ মাত্ৰ। কলেজীয়া শিক্ষা সুদুৰ পৰাহত। কটন কলেজৰ প্ৰজ্বলিত বন্তিগোছৰ বিকিৰিত পোহৰে মঙলদৈ মহকুমাৰ মাত্ৰ দুই এজন সৌভাগ্যশালী যুৱকক আলোকিত কৰাৰ বাহিৰে গৰিষ্ঠসংখ্যক সাধাৰণ ৰাইজে কলেজীয়া শিক্ষাৰ পোহৰ পোৱা নাছিল।

তেনে এক সন্ধিক্ষণত দৰঙৰ কেইজনমান বিদ্যোৎসাহীলোকৰ মানসপটত জিলিকি উঠিল এক উজ্বল স্বপ্ন — মঙলদৈত কলেজ স্থাপন কৰাৰ। সবল মানসিকতাৰে অনুষ্ঠিত হ'ল কলেজ স্থাপনৰ বাবে প্ৰথমখন ৰাজহুৱা সভা ১৯৫১ চনৰ জুন মাহৰ ২৫ তাৰিখে। গুৰি ধৰিলে তেতিয়াৰ মহকুমাধিপতি পৰম পাথেয় ৺ অমিয় ভূষণ দাসগুপ্ত ডাঙৰীয়াই। মহকুমাটোৰ বহু ভদ্ৰলোকে যোগদান কৰিলে এই মহৎৰত সভাত। সিদ্ধান্ত গ্ৰহণ কৰা হ'ল — সেই বছৰৰপৰাই মঙলদৈত এখন Intermediate Arts College স্থাপন কৰাৰ। কলেজ স্থাপনৰ দশোদিশ পৰ্য্যবেক্ষণৰ বাবে এখন শক্তিশালী কমিটি গঠন কৰা হ'ল। তাত অন্তৰ্ভুক্ত হ'ল মাননীয় অমিয় ভূষণ দাসগুপ্ত, বিপিন চন্দ্ৰ মেধি, পুৰন্দৰ শৰ্মা, বদৰুদ্দিন আহমেদ, ৰামেশ্বৰ শৰ্মা, ভৱানন্দ ৰাজখোৱা আৰু সন্ধিৰাম চহৰীয়া।

দ্বিতীয়খন ৰাজহুৱা সভা অনুষ্ঠিত হ'ল ১৪ জুলাই তাৰিখে। দাসগুপ্ত ডাঙৰীয়াই সভাপতিত্ব কৰা উক্ত সভাত ৬২ জন গণ্যমান্য ব্যক্তিৰ যোগদানেৰে পুনৰ গৃহীত হ'ল — কলেজ স্থাপনৰ প্ৰস্তাৱ। পৰিচালনা সমিতিখন গঠন কৰা হ'ল গুণীজ্ঞানী লোকৰ সমাহাৰেৰে। তাত অন্তৰ্ভূক্ত হ'ল — অমিয় ভূষণ দাসগুপ্ত, সভাপতি

ৰামেশ্বৰ শৰ্মা, সম্পাদক
পুৰন্দৰ শৰ্মা
বিপিন চন্দ্ৰ মেধি
শুকলাল ঘোষ
বদৰুদ্দিন আহমেদ
তপেশ্বৰ শৰ্মা
সত্যেশ দাসগুপ্ত
সন্ধিৰাম চহৰীয়া

কলেজ স্থাপনৰ কাৰণে আৱশ্যকীয় বিত্তসংগ্ৰহৰ দায়িত্ব দিয়া হ'ল ৩৮ জন বিশিষ্ট ব্যক্তিৰে সংগঠিত এটি শক্তিশালী গোটক আৰু তাৰ গুৰু দায়িত্ব বহনৰ আগভাগ লবলৈ ওলাল স্বয়ং মহকুমাধিপতি নিজেই। কাণ্ডাৰী হ'ল মাননীয় ৰামেশ্বৰ শৰ্মা।

কলেজ পৰিচালনা সমিতিৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হ'ল ২৮ জুলাইত। তাত সিদ্ধান্ত লোৱা হ'ল — Mangaldai Intermediate Arts College খনত ইংৰাজী, মাতৃভাষা, বুৰঞ্জী, পৌৰবিজ্ঞান, দৰ্শন আৰু সংস্কৃত বিষয়েৰে পাঠদান আৰম্ভ কৰাৰ।

চেপ্তেম্বৰ মাহৰ ২১ তাৰিখৰ দিনা নৈশক্লাচ হিচাপে কলেজৰ পাঠদানৰ শুভাৰম্ভ কৰা হ'ল মঙলদৈ ৰাজহুৱা পুথিভঁৰাল গৃহত। শিক্ষাৰ্থীৰ সংখ্যা ৬০ জন। চালুকীয়া কলেজখনৰ পাঠদানৰ গুৰুদায়িত্ব অবৈতনিকভাৱে দিয়া হ'ল — শ্ৰদ্ধাৰ পুৰন্দৰ শৰ্মা (অধ্যক্ষ), ৰামেশ্বৰ শৰ্মা, সত্যেশ দাসগুপ্ত, ভৱানন্দ ৰাজখোৱা, শশীন্দ্ৰ মোহন বসু, বকদুল আলি আৰু ধৰ্মনাথ শাস্ত্ৰীদেৱক। কেইমাহমান যোৱাৰ পিছত অৱশ্যে সদাশিৱ চক্ৰৱৰ্তী, হৰকান্ত মহন্ত আৰু শ্ৰীকৰুণাকান্ত শৰ্মা অৰ্হতাসম্পন্ন শিক্ষক হিচাপে নিয়োজিত হ'ল। কলেজখনৰ জন্মলগ্নৰেপৰাই জীৱন চন্দ্ৰ শৰ্মাই নামমাত্ৰ পাৰিশ্ৰমিকৰ বিনিময়ত কাৰ্য্যালয় সহায়কৰূপে সেৱা আগবঢ়াই গ'ল। অৰ্হতাসম্পন্ন শিক্ষক হিচাপে ক্ৰমে নতুন মুখৰ আবিৰ্ভাৱ হ'ল — হৃদয়ৰঞ্জন দাস আৰু গজেন্দ্ৰ নাথ ঠাকুৰীয়াৰ। কিছুমান বিশেষ অসুবিধাৰ বাবে কিছুদিনৰ কাৰণে মঙলদৈ ছোৱালী হাইস্কুলত পাঠদানৰ ব্যৱস্থা কৰিবলগীয়া হ'ল।

নৈশক্লাচ হলেও তেতিয়া কলেজত সহশিক্ষাৰ ব্যৱস্থা আছিল। তেতিয়া মঙলদৈত বিজুলীবাতিৰ ব্যৱস্থা নথকাৰ বাবে পেট্ৰ'মাক্স লাইট জ্বলাই পাঠদান কৰা হৈছিল। বৰ আমোদজনক কথা যে দুই এগৰাকী ভদ্ৰলোকে নিজৰ ছোৱালীক বাতি কলেজলৈ অনানিয়া কৰিবলগীয়া হোৱা বাবে পাঠদান চলি থকা ৩/৪ ঘণ্টা সময় বাহিৰত থাপ পাতি বহি থকাতকৈ নিজেও কলেজত নাম ভৰ্ত্তি কৰি লৈ পিতৃ-দুহিতাই একেলগে বহি শিক্ষাগ্ৰহণ কৰিছিল। এইখিনিতে শ্ৰদ্ধেয় ৺ ভোগৰাম পাটোৱাৰী আৰু তেখেতৰ দুহিতা বিদ্যাৱতীৰ নাম উল্লেখ নকৰি নোৱাৰিলো। পোহৰ ব্যৱস্থাৰ সৰ্বময় কৰ্ত্তা আছিল মতিৰাম ডেকা।

১৯৫২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে ডঃ অশ্বিনী কুমাৰ বৰকাকতিদেৱক কলেজ পৰিদৰ্শন কৰিবলৈ পঠালে। কলেজখনৰ শিক্ষকসকল আৰু ছাত্ৰছাত্ৰীৰ বাহিৰে তেখেতক দেখুৱাবলৈ তেতিয়া আন একোৱেই নথকাত প্ৰথমতে তেখেতে বহুত আসোঁৱাহ উলিয়ালেও শেষত কিন্তু পৰীক্ষা দিয়াৰ অনুমতি প্ৰদান কৰিলে। গুৱাহাটীৰ কটন কলেজত গৈ পৰীক্ষা দিবলগীয়া হোৱা স্বত্বেও প্ৰথম বছৰতেই ১৯৫৩ চনত ফল যথেষ্ট উৎসাহজনক হ'ল — ১২ জনে পাছ কৰিলে, তাৰে তিনিজন

সকলো বিপদৰ একমাত্ৰ ঔষধ হৈছে ধৈৰ্য্য — প্লেটো

প্ৰথম বিভাগত। এই ফলেই উৎসাহ যোগালে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হোৱাত আৰু তেতিয়াই পাঠদানৰ স্থান সলনি কৰিবলগীয়া হ'ল মঙলদৈ চৰকাৰী হাইস্কুললৈ।

লাহে লাহে কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িল। অৰ্হতাসম্পন্ন শিকৰ নিযুক্তিও বাঢ়িবলৈ ললে। তথাপিতো পুৰন্দৰ শৰ্মাদেৱে অধ্যক্ষৰ সেৱা আগবঢ়োৱাৰ উপৰিও প্ৰায়ে ইংৰাজী, পৌৰবিজ্ঞান আৰু বাণিজ্যিক ভূগোলৰ ক্লাচ লবলগীয়া হৈয়েই থাকিল।

কলেজৰ স্থায়ী ভৱন নিৰ্মানৰ বাবে প্ৰাথমিক বাছনিত ভিন ভিন ঠাইৰ প্ৰস্তাৱ উত্থাপন হ'ল যদিও কলেজ পৰিদৰ্শক বৰকাকতিদেৱেও বৰ্তমান কলেজৰ স্থান, তেতিয়াৰ উপহপাৰা গোপচাবৰ ৫০ বিঘা উচ্চভূমিকেই উৎকৃষ্ট বুলি পৰামৰ্শ আগবঢ়ালে। ১৯৫৫ চনত বংবহইচৰ মাজেৰে নতুন স্থানত কলেজৰ গৃহ নিৰ্মানৰ কাম আৰম্ভ কৰিলে তেতিয়াৰ মহকুমাধিপতি কুসুম কুমাৰ ফুকনে। সুনন্দৰাম ডেকাৰ তত্বাৱধানত গৃহ নিৰ্মাণৰ কাম দ্ৰুতগতিৰে আগবাঢ়িল আৰু ১৯৫৬ চনত উপহুপাৰা বিজাৰ্ভ বাঁহনিৰ ঠাইত জিলিকি উঠিল ১২,১৬০ টকাৰে নিৰ্মিত মঙলদৈ কলেজৰ নিজা কলেজভৱন। সুদূৰ সমুখত নীল-হৰিৎ-বঙ-ৰঞ্জিত সুশোভনেৰে সুবিশাল হিমালয় পৰ্বতৰাজিক আৱাহন জনাই ৰাজপথৰ দাঁতিত বিৰাজিত হ'ল মহকুমাটোৰ একমাত্ৰ উচ্চশিক্ষাৰ কেন্দ্ৰ মঙলদৈ কলেজ। আনন্দত উৎফুল্লিত হ'ল দৰঙীয়া ৰাইজ। সকলোৰে হিয়াৰ আমঠু হ'ল এই বিদ্যামন্দিৰ। সেই একে বছৰতে কলেজভৱনৰ লগত একে লেথাৰিয়ে গঢ় লৈ উঠিল কলেজৰ জনজাতীয় ছাত্ৰাবাস।

১৯৫৭ চনত মঙলদৈ কলেজত নৈশ শাখাৰ শ্ৰেণীও আৰম্ভ হ'ল আৰু ১৯৫৯ চনৰপৰা স্নাতক মহলাৰ শ্ৰেণী খুলি কলেজখনক ডিগ্ৰী কলেজলৈ উন্নীত কৰা হ'ল। ১৯৬০ চনত মঙলদৈ কলেজে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্ভূক্তি (affiliation) লাভ কৰিলে। ১৯৬০ চনৰ শেহভাগত দহ বছৰতকৈয়ো অধিক কাল অবৈতনিক সেৱা আগবঢ়াই অহা অধ্যক্ষ পুৰন্দৰ শৰ্মাদেৱক স্থায়ী বেতনভোগী অধ্যক্ষৰূপে মনোনয়ন দিয়া হ'ল। ১৯৬১ চনত প্ৰথম বাৰৰ বাবে বি.এ. পৰীক্ষাত অৱতীৰ্ণ হৈ ৫ জন ছাত্ৰই স্নাতকডিগ্ৰী লাভ কৰিলে। এইখিনি সময়তে কলেজৰ বিত্তীয় অৱস্থা টনকিয়াল কৰাৰ কাৰণে তেতিয়াৰ মহকুমাধিপতি আৰ. নটৰাজনৰ প্ৰচেষ্টাত ২৭২০ টকা সংগৃহীত হ'ল আৰু অসম চৰকাৰেও কলেজ উন্নয়নৰ বাবে ২০,০০০ টকা আগবঢ়ালে। তথাপিতো কলেজৰ এটা নিৰ্দিষ্ট পৰিমাণৰ স্থায়ী পুঁজি দেখুৱাবলৈ অসুবিধা হোৱাত সন্ধিৰাম চহৰীয়াদেৱে তেখেতৰ নিজৰপৰা ৫০০০ টকা কলেজৰ পুঁজিত জমা দি সেই সংকট দূৰ কৰিলে। বহুবছৰৰ মূৰতহে কলেজ কৰ্তৃপক্ষই তেখেতৰ এই ঋণ পৰিশোধ কৰিলে। সেই দিশত চহৰীয়া নমস্য ব্যক্তি।

১৯৬২-৬৩ বিত্তীয় বৰ্ষত মঙলদৈ কলেজে অসম চৰকাৰৰ ঘাটি মঞ্জুৰীপ্ৰাপ্ত কলেজৰ তালিকাত অন্তৰ্ভূক্ত হ'ল। ১৯৬৫-৬৬ শিক্ষাবৰ্ষৰপৰা এই কলেজত ৰাজনীতি বিজ্ঞান, বুৰঞ্জী আৰু ইংৰাজী বিষয়ত সন্মান (Honours) পাঠ্যক্ৰম খোলা হ'ল যদিও বিশেষ অসুবিধাত পৰি ইংৰাজী বিষয়টো পিচৰ বছৰতে বাদ দিবলগীয়া হ'ল। ১৯৬৬-৬৭ চনত অৰ্থনীতি আৰু ১৯৭২-৭৩ শিক্ষাবৰ্ষৰপৰা ভূগোল বিষয়তো সন্মান পাঠ্যক্ৰমৰ আৰম্ভ কৰা হ'ল। অতি গৌৰৱৰ বিষয় যে প্ৰথমবাৰৰ বাবে সন্মান পাঠ্যক্ৰমসহ ফাইনেল পৰীক্ষাত অৱতীৰ্ণ হওঁতেই ভূগোল বিষয়ত শ্ৰীমান মতিৰাম মেধিয়ে (বৰ্তমান এই কলেজৰে প্ৰবক্তা) গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ উত্তীৰ্ণ হোৱাৰ উপৰিও আন ৫ জন ছাত্ৰ-ছাত্ৰীয়ে দ্বিতীয় শ্ৰেণীৰ শীৰ্ষস্থানবোৰ দখল কৰি উত্তীৰ্ণ হ'বলৈ সক্ষম হ'ল। সমগ্ৰ দৰঙীয়া ৰাইজে এই কৃতিত্বত অতিশয় আনন্দ প্ৰকাশ কৰিলে।

১৯৬৫ চন। মঙলদৈ কলেজৰ বাবে সুখৰ বতৰা। এই বছৰতে বিশ্ববিদ্যালয় অনুদান আয়োগে মঙলদৈ কলেজলৈ নতুনকৈ আগবঢ়ালে বিত্তীয় অনুদান— তিনিবছৰীয়া স্নাতক পাঠ্যক্ৰম প্ৰবৰ্তনৰ বাবে। দৰঙীয়া ৰাইজৰ অন্য এক দীঘদিনীয়া আকাংক্ষা পূৰণৰ বাবে ১৯৬৬-৬৭ শিক্ষাবৰ্ষৰপৰা মঙলদৈ কলেজত আৰম্ভ কৰা হ'ল বিজ্ঞান শাখাৰ পাঠ্যক্ৰম। সেই বছৰৰে ছেপ্তেম্বৰ মাহত অৱসৰ গ্ৰহণ কৰিলে কলেজখনৰ প্ৰতিষ্ঠাতা অধ্যক্ষ পুৰন্দৰ শৰ্মাদেৱে আৰু তেখেতৰ খালী আসনখন সুশোভিত কৰিলে প্ৰবীণ শিক্ষাবিদ শ্ৰীযুত প্ৰবোধ চন্দ্ৰ গোস্বামীদেৱে। নিপুন অৰ্থনীতিবিদ আৰু সুবিশাল প্ৰজ্ঞাৰ অধিকাৰী গোস্বামীদেৱ অতি কম দিনৰ ভিতৰতে সকলোৰে আপোন হৈ ৰহিল।

> তথাপিটো যেন মঙলদৈ কলেজ এতিয়াও স্বয়ংসম্পূৰ্ণ হ'ব পৰা নাই। এতিয়াও ইয়াত আৰু বহু আধুনিক পাঠ্যক্ৰম আৰু বহুতো বৈজ্ঞানিক অনুশীলন-পৰিশীলনৰ অভাৱ অনুভূত। বাৰ লক্ষ দৰঙীলোকৰ উপৰিও তাহানিতে কলেজ পতাৰ সোণালী সপোন ৰচা পৱিত্ৰ পুণ্যাত্মাসবেও যেন চিঞৰি চিঞৰি ক'ব লাগিছে — এতিয়াও আৰু বহু দূৰ .......।

স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত অতি পিছপৰা দৰং জিলাতো (তেতিয়াৰ মঙলদৈ মহকুমা) লাহে লাহে মহিলাৰ উচ্চ শিক্ষাৰ অভাৱ পূৰণ হ'বলৈ ললে। অসুচল যাতায়ত ব্যৱস্থা, সামাজিক বান্ধোন আৰু অৰ্থনৈতিক অনগ্ৰসৰতাই দীৰ্ঘদিন ধৰি কাবু কৰি ৰখা স্ত্ৰী শিক্ষাৰ জগতখনো মঙলদৈ কলেজৰ বিকিৰিত আভাই আলোকিত কৰিলে। ১৯৬৯-৭০ চনত ডেৰ লক্ষাধিক টকা ব্যয়ৰ বিনিময়ত গঢ়ি উঠা সুপৰিকল্পিত মঙলদৈ কলেজৰ ছাত্ৰীনিবাসৰ নিৰ্মাণৰ লগে লগে জিলাখনে আৰু এটা পদক্ষেপ আগবঢ়াবলৈ সক্ষম হ'ল। কলেজৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ জলযোগৰ সুব্যৱস্থাৰ অৰ্থে সেই বছৰতে কলেজ চৌহদৰ ভিতৰতে গঢ় লৈ উঠিল — কলেজ কেন্টিনখন।

তোমাক নিজকে বুজাটোৱেই হৈছে তোমাৰ জীৱনৰ আটাইতকৈ জটিল কাম —— থ'লেচ

১৯৭২ চনৰ গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ কলেজ ফুটবল টুৰ্ণামেণ্টৰ আতিথ্য আগবঢ়ালে মঙলদৈ কলেজে। অতি কৃতিত্বৰে টুৰ্ণামেণ্ট পৰিচালনাৰ অন্তত সংগৃহীত ৰাহি ধনেৰে নিৰ্মাণ কৰি উলিওৱা হ'ল আটক ধুনীয়া 'প্ৰেক্ষা-প্ৰকোষ্ঠ'। আন্তঃ কলেজ টুৰ্ণামেণ্টৰ ইতিহাসত ৰাহি ধনেৰে প্ৰেক্ষা-প্ৰকোষ্ঠ নিৰ্মাণ কৰাটো মঙলদৈ কলেজৰ এক অভিনৱ কৃতিত্ব।

মঙলদৈ কলেজৰ ইতিহাসত ১৯৬৭-৭৪ চনৰ সময়চোৱা কলেজৰ শ্ৰেণীকোঠা, লেবৰেটৰী, প্ৰশাসনিক কাৰ্য্যালয়, অধ্যক্ষৰ বাসভৱন আদি বিভিন্ন গৃহ নিৰ্মাণৰ বাবে উল্লেখনীয় সময়। ১৯৭৬ চনত এই কলেজেই অতি নিয়াৰিকৈ উত্তৰ-পূব ভাৰত ভূগোল সংস্থাৰ ৫ম দ্বি বাৰ্ষিক অধিৱেশন অনুষ্ঠিত কৰি কৃতিত্ব লভিলে। অসমৰ উপৰিও অৰুণাচল, মণিপুৰ, নগালেণ্ড, মেঘালয়, বিহাৰ, উত্তৰপ্ৰদেশ আৰু ৰাজস্থানৰ পৰা মুঠ ১২০ জন প্ৰখ্যাত ভূগোলবিজ্ঞানীয়ে এই অধিৱেশনত যোগদান কৰিলে। গুৱাহাটী বিশ্বদ্যািলয়ৰ তেতিয়াৰ উপকুলপতি ডঃ হীতেন বৰুৱাদেৱে আনুষ্ঠানিকভাৱে উদ্বোধন কৰা এই এদিনীয়া অনুষ্ঠান মহাসমাৰোহেৰে উদ্‌যাপিত হ'ল।

এইবোৰৰ উপৰিও ১৯৫৮ চনৰপৰা প্ৰচলিত জাতীয় শিক্ষাৰ্থী বাহিনী (N.C.C.), ১৯৬২ চনতেই সংগঠিত পৰিকল্পনা সভা (Planning Forum), ১৯৭০ চনত গঠন কৰা কলেজ সাহিত্য চ'ৰা, ১৯৭২ চনৰপৰা প্ৰচলিত জাতীয় সেৱা আঁচনি (N.S.S.), তৰ্কসভা, আলোচনা সভা আদি মঙলদৈ কলেজৰ উল্লেখনীয় অনানুষ্ঠানিক পাঠ্যক্ৰম — যিবোৰে এই কলেজলৈ সময়ে সময়ে অনেক কৃতিত্ব কঢ়িয়াই আনিছে।

মঙলদৈ কলেজৰ অন্য এক অভিনৱ কৃতিত্বৰ পৰিচায়ক আছিল ১৯৬৯ চনত প্ৰৱৰ্তন কৰা 'উপাৰ্জক শিক্ষাৰ্থী আঁচনি' (Earner-Learners' Scheme)। চৰকাৰী অনুদানপ্ৰাপ্ত এই অভিলাষী আঁচনিৰ অধীনত কলেজ চৌহদৰ পতিত মাটিত খেতি কৰি নিজৰ পঢ়া খৰচ উলিওৱাৰ সুবিধাৰ্থে ৪৫ জন উপাৰ্জক ছাত্ৰ থাকিব পৰাকৈ ছাত্ৰাবাস সাজি দি, প্ৰতিজনকে উপাৰ্জনৰ বাবে একো একোডোখৰ মাটি দিয়া হৈছিল। এই ফাৰ্মৰ পঢ়ুৱৈ-কৃষক শ্ৰীমান ইন্দ্ৰ কুমাৰ কোচে কৃতিত্বৰ পৰিচয় দিব পৰাত ভাৰত চৰকাৰৰ সৌজন্যত তেওঁ ব্ৰহ্মদেশ, জাপান আৰু শ্ৰীলংকা ভ্ৰমণ কৰাৰ সুবিধা লাভ কৰিছিল।

পূৰ্বতে কলেজ চৌহদৰ পিচফালেৰে পুনিয়া-গোসাঁইগাঁও আদিৰ ওচৰেৰে বৈ গৈ নোৱানদীৰ সৈতে লগলাগি ব্ৰহ্মপুত্ৰত মিলিত হোৱা মঙলদৈ নদীখনে প্ৰতিবছৰে প্ৰায় ১৪ খন গাঁৱত বানৰ প্লাৱন আনি গঞাৱাইজক হাৰাশাস্তি কৰিছিল। ১৯৭৭-৭৮ চনত মঙলদৈ কলেজ জাতীয় সেৱা আঁচনিৰ জৰিয়তে মঙলদৈ নদীখন পোনবাটে খান্দি ব্ৰহ্মপুত্ৰত পেলাই দি গঞাৱাইজক বানৰ প্ৰকোপৰপৰা সকাহ দিয়াৰ কৃতিত্ব একমাত্ৰ মঙলদৈ কলেজৰ।

কলেজৰ আন আন কেইটিমান সক্ৰিয় আৰু প্ৰাসংগিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ তালিকাত আছে — ১৯৬৬ চনতে আৰম্ভ কৰা মঙলদৈ কলেজ শিক্ষক-কৰ্মচাৰী সঞ্চয় আৰু ঋণদান সমবায় সমিতি, ১৯৭৪ চনত আৰম্ভ কৰা মঙলদৈ কলেজ সমবায় ভাণ্ডাৰ আৰু ১৯৬৬ চনত স্থাপিত কলেজ উপ-ডাকঘৰ (পূৰ্বে মঙলানগৰ উপ-ডাকঘৰ) আদি।

১৯৭৬-৭৭ চনৰ সন্ধিক্ষণত মহা আৰম্বৰেৰে উদ্‌যাপন কৰা হ'ল মঙলদৈ কলেজৰ ৰজত জয়ন্তী মহোৎসৱ। চাৰিদিনীয়া কাৰ্য্যক্ৰমণিকাৰে আয়োজন কৰা এই মহাসমাৰোহত তেতিয়াৰ অসমৰ ৰাজ্যপাল লালন প্ৰসাদ সিং, মুখ্যমন্ত্ৰী শ্ৰীশৰত চন্দ্ৰ সিংহ আদি সহস্ৰজন ৰাজনৈতিক নেতা আৰু বিদ্বান-বিদ্যোৎসাহীলোকৰ সমাগম হয়। তিনি লক্ষ টকা সংগ্ৰহৰ বৃহৎ অভিলাষী আঁচনিৰে আৰু দৰভীয়া ৰাইজে মুক্তহস্তে দিয়া দান-বৰঙণিৰে এই মহোৎসৱৰ সম্পন্ন কৰি ইয়াৰ ৰাহি ধনেৰে 'মঙলদৈ কলেজ প্ৰেক্ষাগৃহ'ৰ নিৰ্মাণৰ প্ৰাৰম্ভিক কাৰ্য্যসমূহ সম্পন্ন কৰা হ'ল। অৱশ্যে ইয়াৰ সম্পূৰ্ণীকৰণ এতিয়াও বহুত বাকী।

১৯৭৮-৭৯ চনত ১০০ জন ছাত্ৰৰ বাসৰ উপযোগীকৈ মঙলদৈ কলেজ ছাত্ৰাবাস আৰু অধীক্ষকৰ বাসভৱন নিৰ্মাণ কৰা হয়।

১৯৭৭ চনত প্ৰথিতযশা অধ্যক্ষ শ্ৰীযুত প্ৰবোধ চন্দ্ৰ গোস্বামীদেৱে অৱসৰ লোৱাৰ পিছত কলেজখনৰ উন্নতিত কিছু জটি পৰিল। কিছুদিন পিছতে Earner-Learner Scheme যো বন্ধ হৈ গ'ল।

শৈক্ষিক দিশত এই কলেজৰ সুনাম অৱশ্যেই উল্লেখনীয়। ১৯৭২-৯৬ চনৰ সময়ছোৱাত এই কলেজত কলা আৰু বিজ্ঞান শাখাৰ প্ৰায়বোৰ বিষয়ৰেই শিক্ষাদানৰ ব্যৱস্থা কৰা হ'ল। বৰ্তমানলৈ ইয়াৰ প্ৰায় আঠাইকেইটা বিষয়তে গুৰু পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হৈছে। ফলাফলো যথেষ্ট সন্তোষজনক। এই কলেজৰপৰাই ভূগোল বিভাগৰ ছাত্ৰই গুৱাহাটী বিশ্ববিদ্যালয়ৰ গুৰু পাঠ্যক্ৰমত চাৰিবাৰ প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ উত্তীৰ্ণ হোৱাৰ উপৰিও এই বিভাগত এতিয়ালৈ মুঠ ২১ জন ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণী লৈ উত্তীৰ্ণ হৈছে। প্ৰথম শ্ৰেণী লৈ উত্তীৰ্ণ হোৱা আন বিভাগবোৰ হ'ল অসমীয়া, অৰ্থনীতি, শিক্ষা, দৰ্শন, অংকশাস্ত্ৰ, পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান, উদ্ভিদবিজ্ঞান আৰু প্ৰাণীবিজ্ঞান।

১৯৮৩-৮৪ চনৰ অসম আন্দোলনৰ বহুতো কুফলে এই কলেজখনকো ছুই গৈছিল যদিও বৰ্তমান তাৰ সম্পূৰ্ণ উপশম ঘটিছে। বৰ্তমান ইয়াৰ সকলো বিভাগৰে পাঠদান আৰু ফলাফল সন্তোষজনক। অসম আৰ্হিৰ কলেজভৱনবোৰ অকল দেখাত আটকধুনীয়াই নহয়, সম্পূৰ্ণৰূপে প্ৰশস্তও। এই ভৱনবোৰত এতিয়া ৩৫০০ ছাত্ৰ-ছাত্ৰীয়ে একেলগে বহি শিক্ষাগ্ৰহণ কৰাৰ সুবিধা হৈছে। চৌহদত শাৰী শৰীকৈ থকা অলেখ দেশী-বিদেশী বৃক্ষৰাজিৰ সমন্বয়ে মঙলদৈ কলেজক দ্বিতীয় বিশ্বভাৰতীৰ মৰ্য্যদা প্ৰদান কৰিছে। ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দক্ষিণপ্ৰান্তত ৫০ বিঘা উচ্চভূমিৰে আবৃত প্ৰায় ১৩৫০ ফুট দৈৰ্ঘ্যৰ এই কলেজ চৌহদ সেয়েহে দূৰদূৰণিৰপৰা যাতায়ত কৰা শতসহস্ৰ পথচাৰীৰো অন্যতম চাক্ষুস আনন্দৰ সমল।

তাহানিৰ ১৯৫১ চনৰ মাত্ৰ যাঠিজন ছাত্ৰ-ছাত্ৰীৰ পৰা সময়ৰ দুৰ্বাৰ গতিৰ লগত সমতা ৰাখি আজি ইয়াৰ মুঠ সংখ্যা প্ৰায় ৩০০০ জন। ৮৩ জন অৰ্হতাসম্পন্ন শিক্ষক-শিক্ষয়িত্ৰীয়ে নিয়মিতভাৱে পাঠদান কাৰ্য্য সুসম্পন্ন কৰে এই বিদ্যামন্দিৰত। অন্য ৪৫ জন নিয়োজিত ব্যক্তিয়ে ইয়াৰ বিভিন্ন প্ৰশাসনিক আৰু অন্যান্য কাম-কাজত ভাগ লয়। প্ৰায় ৫০,০০০ খন মূল্যবান গ্ৰন্থৰ মেটমৰা সমাৰোহেৰে এই কলেজৰ গ্ৰন্থাগাৰটোৱে সুধীসমাজলৈ অক্লান্তভাৱে দৈনন্দিন সেৱা আগবঢ়ায়।

তথাপিটো যেন মঙলদৈ কলেজ এতিয়াও স্বয়ংসম্পূৰ্ণ হ'ব পৰা নাই। এতিয়াও ইয়াত আৰু বহু আধুনিক পাঠ্যক্ৰম আৰু বহুতো বৈজ্ঞানিক অনুশীলন-পৰিশীলনৰ অভাৱ অনুভূত। বাৰ লক্ষ দৰঙীলোকৰ উপৰিও তাহানিতে কলেজ পতাৰ সোণালী সপোন ৰচা পৱিত্ৰ পুণ্যাত্মাসবেও যেন চিঞৰি চিঞৰি ক'ব লাগিছে — এতিয়াও আৰু বহু দূৰ ....... । □

প্ৰত্যেক দিন জীৱনৰ শেষদিন বুলি কাম কৰি যোৱা — জিম কৰবেট

# এন্ধাৰত এগছি বন্তি

ডঃ খলিলুৰ ৰহমান
প্ৰৱক্তা, পদাৰ্থ বিজ্ঞান বিভাগ

বুদ্ধদেৱ, মহাত্মা গান্ধী, মাদাৰ টেৰেছা আদি মহামানৱসকলৰ সান্নিধ্য লাভ কৰাৰ সৌভাগ্য সকলোৱে নঘটে ; দেশ কালৰ অনতিক্ৰম্য ব্যৱধানে আমাক সেই সৌভাগ্যৰপৰা বঞ্চিত কৰিছে। মাত্ৰ বিভিন্ন লিখনীৰ মাজেৰেহে আমি তেওঁলোকৰ মহা-মানৱীয়তাৰ কিছু আভাস পাওঁ । কিন্তু আমাৰ মাজৰ কোনো কোনো ব্যক্তিৰ মাজত কেতিয়াবা তেনে মহামানৱীয় গুণৰ জিলিঙনি চকুত পৰে ; তেনে এজন ব্যক্তি আছিল, মোৰ বোধেৰে প্ৰয়াত অধ্যাপক অৰবিন্দ কুমাৰ সেন ।

অধুনালুপ্ত পূৰ্ববঙ্গৰ যশোহৰ জিলাত ১৯৩১ চনৰ পহিলা জানুৱাৰীত তেওঁৰ জন্ম ; পিতৃ শ্ৰীঅতুল কৃষ্ণ সেন, মাতৃ শ্ৰীমতী ৰাজলক্ষ্মী দেৱী । দেশ বিভাজনৰ পিছত ক্ৰমবৰ্ধমান সাম্প্ৰদায়িক পৰিস্থিতিত থাকিব নোৱাৰি ভাৰতলৈ প্ৰব্ৰজন কৰে সেন পৰিয়ালে । ভাৰতলৈ অহাৰ পিছত ডেকা অৰবিন্দ সেনে পৰিয়ালটিৰ প্ৰায় গোটেইখিনি বোজা পিঠি পাতি লৈ যি অমানুষিক পৰিশ্ৰম আৰু প্ৰচেষ্টাৰে তেওঁ পৰিয়াটিৰ অন্ন-বস্ত্ৰ সংস্থাপনৰ পৰা আদি কৰি ভায়েক-ভনীয়েকহঁতক প্ৰতিষ্ঠা কৰে— সেই চকমপ্ৰদ আৰু হৃদয়স্পৰ্শী সংগ্ৰামৰ কাহিনী তেওঁৰ মুখত শুনিছিলো ; মোৰ অক্ষম লেখনীৰে সেই কথা বৰ্ণনাৰ বৃথা প্ৰয়াস নকৰোঁ । ইয়াৰ মাজতে সেনে প্ৰাইভেটকৈ পৰীক্ষা দি ইংৰাজীৰ দুটা গ্ৰুপত দুবাৰ এম.এ. ডিগ্ৰীও লয় । গান্ধী, ৰবীন্দ্ৰনাথ তথা ঔপনিষদিক আদৰ্শৰে উদ্বুদ্ধ সেন ডাঙৰীয়াই স্কুল-শিক্ষকতা, ডাক-তাঁৰ বিভাগ ইত্যাদি বিভিন্ন স্থানত চাকৰি কৰি অৱশেষত পশ্চিমবঙ্গ চেক্ৰেটেৰিয়েটত উচ্চবৰ্গৰ কেৰাণীৰূপে প্ৰতিষ্ঠিত হৈছিল যদিও তেওঁ আদৰ্শগত কাৰণত এই কামত সন্তুষ্টি লাভ কৰিব পৰা নাছিল । শিক্ষকতাৰ মহান আদৰ্শৰ প্ৰতি অনুৰক্ত সেনে অৱশেষত ১৯৬৪ চনৰ নৱেম্বৰ মাহত ইংৰাজীৰ প্ৰৱক্তাৰূপে মঙলদৈ মহাবিদ্যালয়ত যোগদান কৰে । অতি নিষ্ঠাৰে এই শিক্ষকতাকাল সমাপন কৰি ১৯৯০ চনৰ শেষদিনা তেওঁ অৱসৰ গ্ৰহণ কৰে । অৱসৰ গ্ৰহণৰ পিছতো তেওঁ এই মঙলদৈতেই তেওঁৰ কৰ্মক্ষেত্ৰ বাছি লয় । স্থানীয় বাণিজ্য মহাবিদ্যালয়ৰ কৰ্মকৰ্তাসকলৰ অনুৰোধক্ৰমে তেওঁ অধ্যক্ষৰূপে চলুকীয়া মহাবিদ্যালয়খনৰ কাৰ্য্যভাৰ গ্ৰহণ কৰে । এই অনুষ্ঠানটোৰ প্ৰতিষ্ঠাৰ বাবে প্ৰয়োজনীয় ফাণ্ড, লাইব্ৰেৰী-কিতাপ ইত্যাদি সংগ্ৰহৰ বাবে তেওঁ অহোপুৰুষাৰ্থ কৰে আৰু এই কৰ্মব্যস্ততাৰ মাজতেই হঠাতে অসুস্থ হৈ পৰে । গুৱাহাটী, কলিকতাৰ পিছত ভেলোৰত গৈ তেওঁৰ দুৰাৰোগ্য ব্যাধিৰ কথা যেতিয়া জানিব পৰা যায় তেতিয়া তেওঁ চিকিৎসাতীত অৱস্থান । অৱশেষত ১৯৯৪ চনৰ ১৫ এপ্ৰিল তাৰিখে কলিকতাস্থিত পুত্ৰৰ গৃহত তেওঁ জীৱনাৱসান হয় ।

> শিক্ষকতাক তেওঁ জীৱনৰ ব্ৰত হিচাপে লৈছিল ।
> মহাবিদ্যালয়ত নিয়মিত নিষ্ঠাৰে পাঠদান কৰাৰ ওপৰিও তেওঁৰ সৰু পঁজাত প্ৰায় সদায়ে ভৰি থকা বহু ছাত্ৰ-ছাত্ৰীক তেওঁ পাঠত সহায় কৰিছিল ।
> মুখ্যতঃ সমাজৰ দুখীয়া নিৰন্ন মানুহেই যে প্ৰকৃততে শিক্ষক এজনক পোহপাল দি ৰাখিছে — এই কথা তেওঁ কোনোদিনেই পাহৰা নাছিল ।
> সেইকাৰণে কাৰোবাক পঢ়ুৱাই পইচা লোৱাৰ কথা তেওঁ ভাবিব পৰা নাছিল ।

নিয়মীয়া যোগাসনেৰে আঁটিল দেহাৰ অধিকাৰী আৰু খোজত খৰ, পৰিপাটি আৰু শুধ বগা ধুতি-পাজাবী পৰিহিত, মধ্যমীয়া উচ্চতাৰ এই ব্যক্তিজনৰ দেখাত ইয়াৰ বাহিৰে অসাধাৰণত্ব বিশেষ নাছিল । কিন্তু প্ৰজ্ঞা, জীৱন দৰ্শন, জীৱন ৰীতি আৰু মানসিকতাত তেওঁ অৱশ্যেই অসাধাৰণ আছিল । প্ৰজ্ঞাৰ সাধনাত তেওঁ আজীৱন ব্ৰতী হৈ আছিল । সমগ্ৰ জীৱনৰ সঞ্চিত সম্পদ বোলোতে তেওঁৰ আছিল মাত্ৰ ব্যক্তিগত সংগ্ৰহৰ বেছকিছু কিতাপ। বিশ্বসাহিত্যৰ খ্যাত বহু কিতাপ বা তাৰ অনুবাদৰ ওপৰিও দৰ্শন, ধৰ্ম, বুৰঞ্জী, ৰাজনীতি আদি বিভিন্ন বিষয়ৰ কিতাপ তেওঁ সংগ্ৰহ কৰি পুঙ্খানুপুঙ্খভাৱে অধ্যয়ন কৰিছিল ; প্ৰতি কিতাপৰ পাতে পাতে তেওঁৰ স্বহস্ত লিখিত টোকা আৰু আণ্ডাৰলাইনে তাৰ সাক্ষ্য দিছিল । শেইক্সপীয়েৰ, ডিকেন্স, গ্যেটে, হাৰ্ডি, টলষ্টয়, ৰবীন্দ্ৰনাথ, বিবেকানন্দ, শ্ৰীঅৰবিন্দৰ ৰচনাৱলীৰ লগতে পূৰ্ণাঙ্গ বেদ, উপনিষদ, ৰামায়ণ, মহাভাৰত, পুৰাণ, সংহিতা, কোৰাণ, বাইবেল, জাতক, হজৰত মহম্মদ, বুদ্ধৰ জীৱনী, ফ্ৰেজাৰৰ গোল্ডেন বাউ, পলিটিকাল হিষ্ট্ৰি অব

শান্তি বিচৰা কাৰো দোষ নুখুচিৰিবা —— মা সাৰদা

এচাম, কম্যুনিষ্ট মেনিফেষ্ট' তথা মাৰ্ক্স আৰু এঙ্গেলচৰ আনবোৰ কিতাপ ; কিমান কিতাপ যে আছিল তেওঁ সংগ্ৰহত ! সময় পালেই তেওঁক সদায় এই কিতাপবোৰ মাজত ডুবি থকা দেখা গৈছিল। কিছুমান কিতাপ তেওঁ একাধিকবাৰো অধ্যয়ন কৰিছিল। পৰিণত বয়সৰ অধ্যয়নে একেখন কিতাপৰ পৰাই বহু ধাৰণা আৰু পৰিষ্কাৰ কৰি দিয়ে — এয়ে আছিল তেওঁৰ অভিমত। যেতিয়াই তেওঁ কোনো ভাল কিতাপৰ সন্ধান পাইছিল যেনেকৈ নহওক সেইখন কিতাপ তেওঁ সংগ্ৰহ কৰিহে এৰিছিল। এই জ্ঞান-সমুদ্ৰ মন্থন কৰি তেওঁ যি অমৃত পাইছিল তাৰ কিছু প্ৰসাদ তেওঁৰ সান্নিধ্যত অহা ব্যক্তিসকলেও পাইছিল। তেওঁৰ অধীনত প্ৰজ্ঞা তেওঁ তেওঁৰ জীৱনতো সফলভাৱে প্ৰয়োগ কৰি গৈছে।

শিক্ষকতাক তেওঁ জীৱনৰ ব্ৰত হিচাপে লৈছিল। মহাবিদ্যালয়ত নিয়মিত নিষ্ঠাৰে পাঠদান কৰাৰ ওপৰিও তেওঁৰ সৰু পঁজাত প্ৰায় সদায়ে ভৰি থকা বহু ছাত্ৰ-ছাত্ৰীক তেওঁ পাঠত সহায় কৰিছিল। মুখ্যতঃ সমাজৰ দুখীয়া নিৰন্ন মানুহেই যে প্ৰকৃততে শিক্ষক এজনক পোহপাল দি ৰাখিছে — এই কথা তেওঁ কোনোদিনেই পাহৰা নাছিল। সেইকাৰণে কাৰোবাক পঢ়ুৱাই পইচা লোৱাৰ কথা তেওঁ ভাবিব পৰা নাছিল।

মানুহৰ মাজত কোনো প্ৰভেদ তেওঁ স্বীকাৰ কৰা নাছিল। জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে তেওঁ সকলোকে আপোন বুলি ভাবিছিল। বোধকৰো সেইকাৰণেই তেওঁৰ সংস্পৰ্শত অহা প্ৰতিজন মানুহেই তেওঁক পৰমআত্মীয় ৰূপে ভাবিব পাৰিছিল। সমাজৰ দুৰ্বলতম মানুহজনেও তেওঁৰ পৰা আন মানুহৰ সমানেই সমাদৰ পাইছিল। ধোবি বা বন কৰা মানুহ এজনকো তেওঁ তেওঁৰ সদায় ব্যৱহাৰ কৰা চকিখনত বহুৱাই লৈ গল্প কৰাৰ দৃশ্য তেওঁক ঘৰত মুঠেই বিৰল নাছিল। তেওঁ বিশ্বাস কৰিছিল মানুহে যদি কাৰোবাক আপোন বুলি ভাবিব পাৰে তেনেহলে তেওঁ আপোন হৈ যাবয়েই। মানুহৰ ঘৰত বন কৰি ফুৰা নিৰাশ্ৰয় নিৰক্ষৰ ছোৱালী এজনীক তেওঁ অতি মৰমেৰে ৰাখি লিখা-পঢ়া শিকাই কন্যাৰ মৰ্য্যদা দি ৰাখিছিল। তেওঁৰ শেষ দিনকেইটাত এইজনী ছোৱালীয়ে তেওঁলৈ যি সেৱা আগবঢ়াইছিল সেয়া কোনো কন্যাই অতি মৰমৰ পিতৃলৈ আগবঢ়োৱা সেৱাতকৈ কোনো গুণেই কম নাছিল। সেনে কেবাজনো ওচৰৰ ল'ৰা-ছোৱালীক আপোন কৰিলৈ লিখা-পঢ়া শিকোৱাৰ পৰা সম্ভাব্য সকলো সহায় আগবঢ়াই তেওঁলোকক নিজৰ ভৰিত থিয় কৰাই থৈ গৈছে।

ধৰ্ম সম্বন্ধে তেওঁৰ দৃষ্টি আছিল অতি উদাৰ। বিভিন্ন ধৰ্মৰ ধৰ্মপুস্তক অধ্যয়নৰ দ্বাৰা তেওঁৰ এই উদাৰতা আৰু গভীৰতা ব্যাপক হৈছিল। বিভিন্ন ধৰ্মৰ ধৰ্মগ্ৰন্থ সমূহৰ মূল কথাবোৰৰ যে মূলত কোনো প্ৰভেদ নাই — এই কথা তেওঁ বহুবাৰ দোহাৰিছিল। ৰামকৃষ্ণ পৰমহংসৰ ধৰ্ম সম্বন্ধে "যিমাতে মত, সিমানে পথ" এই তত্বত তেওঁ আছিল সম্পূৰ্ণ বিশ্বাসী। তেওঁ ভাবিছিল, ভাবীকালৰ মানুহৰ ধৰ্ম হ'ব সকলো ধৰ্মমতৰ মূল কথাখিনি। ধৰ্মৰ আনুষ্ঠানিকতাই মুখ্যতঃ ধৰ্মীয় বিভেদৰ সৃষ্টি কৰে বুলি তেওঁ মত দাঙি ধৰিছিল আৰু তেওঁ নিজে কোনো আনুষ্ঠানিক ধৰ্মাচৰণ কৰা নাছিল।

আৰ্ত, পীড়িত তথা দুৰ্বলজনৰ প্ৰতি তেওঁৰ যি মৰম আৰু কৰুণা আছিল সেয়া অতি দুৰ্লভ। ৰাস্তাৰ ভিক্ষুকৰ চিকিৎসাৰ কাৰণেও তেওঁক ডাক্তৰৰ দুৱাৰে দুৱাৰে ঘূৰা দেখিছোঁ। চাকৰিৰ পৰা অৱসৰ গ্ৰহণৰ পিছত যেতিয়া তেওঁৰ নিজৰে আৰ্থিক অনাটন সেই অৱস্থাতো তেওঁ এজনী অনাত্মীয়া লেঙেৰী ছোৱালীৰ ভৰিৰ চিকিৎসাৰ বাবে ঋণ কৰি বহু হেজাৰ টকা খৰচ কৰিছিল (কলিকতালৈ লৈ গৈ তাইৰ ভৰিৰ এম্পুটেচন কৰাবলগীয়া হৈছিল)। বহু ডাল-দৰিদ্ৰ নিছলা মানুহক তেওঁ যথাসাধ্য সহায় কৰি গৈছে। চাপৰি অঞ্চলৰ কেবাজনকো তেওঁ মুগী, ছাগলী বা গৰু পুহি সংস্থাপিত হ'বলৈ সহায় কৰা দেখা পাইছোঁ।

তেওঁৰ বৃদ্ধা মাতৃ জীৱনৰ শেষ দিন কেইটাত তেওঁৰ আশ্ৰয়তে আছিল। এবছৰৰো অধিক কাল ক'মা অৱস্থাত পৰি থকা মাতৃৰ সকলো শুশ্ৰূষা তেওঁ নিজহাতে কৰিছিল। হাঁহিমুখে, মাতৃৰ শেষদিনলৈকে তেওঁ যি ধৰণে শয্যাগতা অৰ্ধমৃত মাতৃক আতোল-তোলকৈ ৰাখিছিল সেই দৃশ্য দেখি যি কোনো জনৰে মূৰ শ্ৰদ্ধাত দোঁ খাই গৈছিল। মনত আছে, দুৰ্গা পূজাৰ সময়ত কোনোবাই তেওঁক প্ৰতিমা দৰ্শনৰ বাবে লগ ধৰাত তেওঁ কৈছিল, 'মোৰ দুৰ্গা দৰ্শনৰ বাবে বাহিৰলৈ যোৱাৰতো প্ৰয়োজন নাই ; মোৰ দুৰ্গা দেখোন ইয়াতেই আছে।'' এইবুলি কৈ তেওঁ হাঁহি হাঁহি শয্যাগতা মাকক দেখুৱাই দিছিল।

অধ্যাপক সেন মানুহৰ প্ৰতি শ্ৰদ্ধাশীল আৰু আশাবাদী আছিল। যুক্তিবাদী বিজ্ঞানেই যে মানুহৰ কুসংস্কাৰ আৰু ভেদাভেদৰ প্ৰাচীৰ ভাঙি মুক্তিৰ বাট দেখুৱাব এই কথা তেওঁ বিশ্বাস কৰিছিল।

বিজ্ঞানৰ অমোঘ সূত্ৰবোৰৰ নিচিনা নৈতিক স্তৰতো কিছুমান সূত্ৰ আছে বুলি তেওঁৰ ধাৰণা হৈছিল। আধিভৌতিক বা অলৌকিক বুলি যিবোৰ কথা মানুহে কয়, বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে এদিন এইবোৰ কথাও যুক্তিগ্ৰাহ্য বিজ্ঞানৰ পৰিসৰৰ ভিতৰত আহিব বুলি তেওঁৰ বিশ্বাস আছিল।

প্ৰাচীন ভাৰতৰ আদৰ্শেৰে অনুপ্ৰাণিত কিন্তু যথাৰ্থ আধুনিক মনৰ এই মানুহজনৰ মনত সদায় প্ৰশান্তি বিৰাজ কৰিছিল। গীতাৰ সেই দুখত অনুদ্বিগ্নমনা, সুখতো বিগতস্পৃহ আৰু লোভ ভয় নিৰ্গত স্থিতপ্ৰজ্ঞ মানুহৰ তেওঁ আছিল এক নিৰ্দৰ্শন। বুদ্ধদেৱৰ 'বহুজন হিতায়, বহুজন সুখায়' আপ্তবাক্যৰ প্ৰতিফলন দেখা গৈছিল তেওঁৰ জীৱনতো। অকল ভাল ভাল উপদেশতেই সীমাবদ্ধ হৈ নাথাকি জ্ঞানসমুদ্ৰ মন্থন কৰি যিবোৰ সত্য তেওঁ উপলব্ধি কৰিছিল সেয়া তেওঁ নিজৰ জীৱনতো প্ৰয়োগ কৰি গৈছে। এই সদা সত্যৰ প্ৰতি অনুগত তেওঁৰ যি দ্বিধাহীন ব্যক্তিত্ব, মই ভাবো ইয়াতেই তেওঁৰ মহত্ব নিহিত হৈ আছে। নিঃস্বাৰ্থ, প্ৰাজ্ঞ, ঋষিতুল্য এই ব্যক্তিজন আজি আৰু আমাৰ মাজত নাই সঁচা কিন্তু তেওঁৰ আদৰ্শ এই হিংসাদ্বেষ স্বাৰ্থপৰতা আৰু অজ্ঞানতাৰ এন্ধাৰত যেন উজ্জ্বল এগছি বন্তি হৈ জ্বলি আছে। □

তোমাৰ এজন বন্ধুৰে ক্ষমতা পোৱাৰ অৰ্থ হ'ল তুমি এজন বন্ধু হেৰুৱালা

— হেনৰী আদামছ

প্ৰলোভনৰ উৰ্দ্ধত থাকিব পৰা জনেহে জীৱনক উপভোগ কৰিব পাৰে — গান্ধীজী

# অসমৰ খনিজতেল আৰু চাহ উদ্যোগৰ এটি চমু খতিয়ান

পৰেশ শৰ্মা
প্ৰবক্তা, অৰ্থনীতি বিভাগ

উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে খনিজ তেল আৰু প্ৰাকৃতিক গেছ যথেষ্ট পৰিমাণে আছে। ভাৰতবৰ্যই আমদানি কৰা দ্ৰব্য সমূহৰ ভিতৰত খনিজ তেলৰ স্থান প্ৰথম। দেশৰ চাহিদা পূৰণ কৰিব নোৱাৰাৰ বাবে প্ৰতিবছৰে কোটি কোটি টকাৰ পেট্ৰোলজাত সামগ্ৰী আমদানি কৰিব লগা হৈছে। ভাৰতবৰ্ষৰ মুঠ উৎপাদনৰ প্ৰায় ৫০ শতাংশ খনিজতেল অসমৰ তেলখাদতেই উৎপাদন কৰা হয়। অসমৰ নাহৰকটীয়া, হুগ্ৰীজান, জুৰাজান, গেলেকী, ৰুদ্ৰসাগৰ, ডিগবৈ আৰু লাকুৱাত তেলৰ খাদ আছে। ভাৰতৰ ভিতৰত অসমৰ ডিগবৈত প্ৰথম খনিজতেল আৱিষ্কাৰ কৰা হৈছিল। অসম ৰেলেৱে এণ্ড ট্ৰেডিং কোম্পানীয়ে ১৮৯০ চনত স্থাপন কৰা ডিগবৈ তেলশোধানাগাৰটোৱেই পৃথিৱীৰ প্ৰথম তেলশোধানাগাৰ। গুৱাহাটীৰ নুনমাটিত ১৯৬২ চনত আৰু বঙাইগাঁওত ১৯৭২ চনত তেলশোধানাগাৰ স্থাপন কৰা হৈছিল। অসমৰ খাৰুৱাতেল পাইপ লাইনৰ যোগেদি বিহাৰৰ বাৰাউনি শোধানাগাৰত শোধন কৰা হয়। গোলাঘাট জিলাৰ নুমলিগড়ে যথেষ্ট চাহিদা পূৰণ কৰিব পাৰিব বুলি আশা কৰিব পাৰি।

অসম তেল কোম্পানী, অইল ইণ্ডিয়া লিমিটেড, তেল আৰু প্ৰাকৃতিক গেছ নিগম আদিয়ে অসমত তেল উদ্ঘাটন আৰু উৎপাদন কৰে। অইল ইণ্ডিয়াই উদ্ঘাটন কৰা তেল ডিগবৈ, গুৱাহাটী, বাৰাউনি আৰু বঙাইগাঁওত শোধন কৰা হয়। খনিজ তেলৰ পৰা পেট্ৰোল, কেৰাচিন, ডিজেল, পলিষ্টাৰ সূতা, সাৰ, আলকাতৰা, মম, নেফটা আদি দ্ৰব্য উৎপাদন কৰা হয়। খাৰুৱা তেলৰ লগত থকা গেছৰ অংশটোক প্ৰাকৃতিক গেছ বোলে। এই গেছ হাইড্ৰ'জেন আৰু এঙাৰ গেছৰ সংমিশ্ৰন। দৈনন্দিন ব্যৱহৃত ৰন্ধন গেছ আৰু ইউৰিয়া প্ৰাকৃতিক গেছৰ পৰাই উৎপাদন কৰা হয়। ১৯৬২ চনলৈকে ভাৰতত কোনো চৰকাৰী শোধনাগাৰ নাছিল। ডিগবৈয়ে সেইসময়ত মাত্ৰ ৫ শতাংশহে শোধন কৰিছিল। গুৱাহাটীৰ নুনমাটি তেল শোধানাগাৰটো চৰকাৰী খণ্ডৰ প্ৰথম তেল শোধানাগাৰ। দ্বিতীয়টো বাৰাউনিত আৰু তৃতীয়টো কয়লীত স্থাপন কৰা হৈছিল। অসমৰ তেলখাদবিলাকত ১৪৪.৯৫ নিযুত টন খাৰুৱা তেল আৰু ১৫১.৬৮ বিলিয়ন কিউবিক মিটাৰ প্ৰাকৃতিক গেছ মজুত আছে বুলি ঠাৱৰ কৰা হৈছে। অইল ইণ্ডিয়া তেল কোম্পানিয়ে দৈনিক প্ৰায় ৪ নিযুত বৰ্গমিটাৰতকৈয়ো অধিক গেছ উৎপাদন কৰে বুলি ক'ব পাৰি। ইয়াৰে প্ৰায় ২.৩ নিযুত বৰ্গমিটাৰতকৈয়ো অধিক গেছ সাৰকাৰখানা, বিজুলি উৎপাদন, চাহবাগিছা, আদিত যোগান ধৰা হয় আৰু বাকী অংশ গেছ প্ৰতিদিনে জ্বলি ধোৱা হৈ যায়।

চাহ উদ্যোগ ঃ

বৈদেশিক মুদ্ৰা অৰ্জনকাৰী আৰু কৰ্মসংস্থান সৃষ্টিকাৰী উদ্যোগ হিচাপে চাহশিল্পই ভাৰতৰ অৰ্থনৈতিক উন্নয়নত এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। ভাৰতবৰ্ষত চাহ আৱিষ্কাৰ হৈছিল উনবিংশ শতাব্দীত। আৰম্ভণিৰ পৰা ১৯৫১ চন পৰ্য্যন্ত চাহ উদ্যোগৰ উন্নতি লেখত লবলগীয়া আছিল। ১৯৫২ চনত ইংলেণ্ডৰ চাহ বিনিয়ন্ত্ৰিত হোৱাত ভাৰতৰ চাহ উদ্যোগ স্থবিৰ হয়। আনহাতে ইংৰাজসকলে চাহ উদ্যোগ সমূহ ভাৰতীয় লোকলৈ হস্তান্তৰ কৰি গুচি যোৱাৰ পিছত চাহ উদ্যোগত কিছুদিনৰ বাবে দক্ষতাৰ অভাৱ হয়।

ভাৰতৰ মুঠ উৎপাদনৰ প্ৰায় ৫০ শতাংশ চাহ অসমৰ বাগিছাত উৎপাদন কৰা হয়। অসমৰ প্ৰায় ২২৯৪২৮ হেক্টৰ মাটিত চাহ বাগিছা আছে। ১৮১৬ চনত চাৰ্লচ আলেকজেণ্ডাৰ ব্ৰুচ চাহাবে অসমৰ হাবিত প্ৰথম চাহগছ আৱিষ্কাৰ কৰিছিল। ১৮৩৯ চনত অসম চাহ কোম্পানী প্ৰথম গঠন কৰা হৈছিল আৰু সেই বছৰতেই অসমৰ চাহ লণ্ডন চাহ নিলাম বজাৰত বিক্ৰী কৰা হৈছিল। কলিকতাত ১৮৬১ চনত, কলম্বোত ১৮৮৩ চনত, কোচিনত ১৯৪৭ চনত আৰু গুৱাহাটীত ১৯৭০ চনত চাহৰ নিলাম বজাৰ স্থাপন কৰা হৈছিল। ভাৰতবৰ্ষৰ কলিকতা, গুৱাহাটী, শিলিগুৰি, অমৃতসৰ, কোচিন, কুনুনৰ আৰু কইম্বাটোৰৰ নিলাম বজাৰত চাহ বিক্ৰী চলি আছে। CTC চাহৰ বাবে গুৱাহাটী চাহ নিলাম কেন্দ্ৰ পৃথিৱীৰ ভিতৰত বৃহৎ বজাৰ হিচাপে স্বীকৃতি লাভ কৰিছে। পৃথিৱীৰ মুঠ চাহ উৎপাদনৰ প্ৰায় ২৯ শতাংশ ভাৰতবৰ্ষই, ২০ শতাংশ চীন দেশে, ৯ শতাংশ শ্ৰীলংকাই, ৭ শতাংশ বাছিয়া, ইন্দোনেচিয়া আৰু কেনিয়াই ৬ শতাংশকৈ আৰু জাপানে ৫ শতাংশ চাহপাত উৎপাদন কৰে।

চাহ উদ্যোগৰ পৰা অসম চৰকাৰে যথেষ্ট পৰিমাণৰ ৰাজহ লাভ কৰে। অসমৰ বৃহৎ আকাৰ চাহ বাগান সমূহ বিৰলা, টাটা, মেগৰ আদি উদ্যোগীয়ে পৰিচালনা কৰে। অসমৰ যোৰহাটত থকা চাহ গৱেষণা কেন্দ্ৰই চাহ উদ্যোগৰ উন্নয়নৰ বাবে বিভিন্ন দিশত গৱেষণা কৰি চাহ উদ্যোগৰ উন্নয়নৰ বাবে বৰঙণি আগবঢ়াই আহিছে। অসম কৃষি বিশ্ববিদ্যালয়য়ে চাহ উদ্যোগৰ বাবে মানৱ সম্পদ প্ৰশিক্ষণৰ বাবে এটি বিভাগৰো ব্যৱস্থা গ্ৰহণ কৰিছে। অসমৰ চাহ বাগিছাসমূহত প্ৰায় ৬ লাখতকৈয়ো অধিক বনুৱাই কাম কৰি আছে বুলি ক'ব পাৰি। বৰ্তমানে কিন্তু যি হাৰত চাহৰ উৎপাদন হৈছে সেই হাৰত চাহৰ বজাৰ সম্প্ৰসাৰণ হোৱা নাই। মৰিচাচত হোৱা চাহ ৰপ্তানি কৰা দেশবিলাকৰ সন্মিলনত প্ৰত্যেক ৰপ্তানিকাৰী দেশে কিমান পৰিমাণৰ চাহ ৰপ্তানি কৰিব পাৰিব তাক নিৰ্দ্ধাৰণ কৰা হেতুকে ভাৰতে ৰপ্তানি বজাৰ সম্প্ৰসাৰণ কৰিব পৰা নাই। মূলধনৰ নাটনি, দক্ষ পৰিচালকৰ অভাৱ ইত্যাদিয়েও ইয়াক অধিক আগবঢ়াই নিব পৰা নাই।

মুঠৰ ওপৰত অসমৰ অৰ্থনৈতিক উন্নয়নত তেল আৰু চাহ উদ্যোগৰ এটি বিশেষ স্থান আছে। অদূৰ ভৱিষ্যতত এই উদ্যোগ দুটাৰ উন্নয়নে অসমৰ অৰ্থনৈতিক উন্নয়নত আৰু অধিক প্ৰভাৱ পেলাব বুলি ক'ব পাৰি। □

মানসিক তিক্ততাৰ দৰে সংক্ৰামক ব্যাধি আৰু একো নাই —— মাদাৰ টেৰেছা

# সমৰ কলা (MARTIAL ARTS)

শ্ৰীবিশ্বজিৎ বৰা
ব্লেক বেল্ট ১ম ডিগ্ৰী
প্ৰাক্তন ছাত্ৰ

সমৰ কলা বুলিলে বুজা যায় যে বিশেষ নিয়ম নীতিৰে যুদ্ধৰ বিভিন্ন কৌশল আহৰণ কৰা। এই সমৰ কলা আয়ত্ব কৰিবলৈ হলে কঠিন নিয়ম-নীতি আৰু কঠোৰ পৰিশ্ৰম কৰিব লাগিব। সমৰ কলাত শাৰীৰিক শক্তিৰ ওপৰত নিৰ্ভৰ কৰা হয় যদিও মানুহৰ মনঃস্তাত্বিক দিশত বেছিকৈ গুৰুত্ব দিয়া হয়। সমৰ কলাত যুদ্ধৰ বিভিন্ন কল-কৌশল শিকোৱা হয় যদিও প্ৰথমে প্ৰশিক্ষাৰ্থীক সততাৰ ওপৰত প্ৰশিক্ষণ বা সততাৰ বিষয়ে জ্ঞান দিয়া হয়, যাতে সমৰ কলা পাৰ্গত কোনো এজন ব্যক্তি সমাজৰ বাবে কোনো ভাবুকিৰ সৃষ্টি নহয়। সমৰ কলা আয়ত্ব কৰাৰ মুখ্য উদ্দেশ্য হ'ল আত্মৰক্ষা আৰু দুৰ্বলীক সহায় কৰা। আজি সমৰ কলা বুলিলে ক্যাৰাটে, টাইকানডো, কংফু, জুডো আদিকে বুজা যায়।



সমৰ কলা বিশেষ নিয়ম-নীতিৰে পোন প্ৰথমে আৰম্ভণি ক'ত হৈছিল সঠিককৈ কোৱাটো টান যদিও ইয়াৰ আৰম্ভণি চীন দেশত হোৱা বুলি কোৱা হয়। কোনো কোনো লোকে ইয়াৰ আৰম্ভণি ভাৰতত বুলিও ক'ব খোজে। তথাপিও বিশেষ নিয়ম-নীতিৰে ইয়াৰ প্ৰশিক্ষণ চীন দেশত বুলি কলেও ভুল নহয়। এইটো জনা যায় যে ছয় শতিকাত (Sixth Century) ভাৰতৰ এজন বৌদ্ধ সন্যাসী এচিয়া মহাদেশৰ বিভিন্ন প্ৰান্তত ভ্ৰমণ কৰি চীন দেশলৈও যায়। তাত তেওঁ দেখে যে তাৰ বৌদ্ধ সন্যাসীবোৰ শাৰীৰিক ভাৱে অতি দুৰ্বল। তেওঁ চাওলিন মন্দিৰত সেই বৌদ্ধ ধৰ্মাৱলীসকলক বিশেষ নীতি-নিয়মেৰে শাৰীৰিক প্ৰশিক্ষণ দি সমৰ কলাৰ প্ৰশিক্ষণ দিছিল। কিন্তু বৌদ্ধ ধৰ্মত অহিংসাই পৰম ধৰ্ম। গতিকে তেওঁলোকৰ সমৰ কলাৰ প্ৰশিক্ষণৰ কিহৰ প্ৰয়োজন? ইয়াৰ কাৰণ হ'ল বৌদ্ধ ধৰ্মী সন্যাসীবোৰে যেতিয়া এটা মন্দিৰপৰা আন এটা মন্দিৰলৈ গৈছিল তেতিয়া তেওঁলোকে সোণৰ মূৰ্ত্তিবোৰ লগত লৈ গৈছিল। আৰু গভীৰ অৰণ্যত প্ৰায়ে ডকাইতৰ সন্মুখীন হৈছিল। গতিকে নিজকে আৰু সোণৰ মূৰ্ত্তিবোৰ বচাবৰ কাৰণে তেওঁলোকক সমৰ কলাৰ অতিকৈ প্ৰয়োজন হৈ পৰিছিল। তেতিয়াই সমৰ কলাৰ আৰম্ভণি হয়। পাছলৈ সমৰ কলাৰ উদ্দেশ্য হৈ পৰিল আত্মৰক্ষাৰ বাবেহে। এই সমৰ কলা পোন প্ৰথমে জাপান তাৰ পাছত গোটেই বিশ্বতে বিয়পি পৰিল।

সমৰ কলাৰ এটা অংগ হ'ল ক্যাৰাটে। জাপানত আৰম্ভণি হয় ক্যাৰাটেৰ প্ৰথম প্ৰশিক্ষণ। ক্যাৰাটেৰ অৰ্থ হ'ল খালী হাত (Kara-Emty, Te-hand) অৰ্থাৎ সহজ ভাষাত খালী হাতৰ কৌশল। আধুনিক ক্যাৰাটেৰ আৱিষ্কাৰ কৰোতাজন হ'ল মহান ব্যক্তি ৺গিছিন ফুনাকুছি। তেওঁক ক্যাৰাটেৰ পিতৃ বুলি কোৱা হয়। তেওঁৰ জন্মস্থান জুৰি, অকিনৱা দ্বীপপুঞ্জ। জন্ম হয় ইং ১৮৬৪ চনত। ক্যাৰাটেৰ অনুশীলন কৰাৰ আগতে তেওঁ এজন সুন্দৰ লেখক আৰু ভাল কবি আছিল। তেওঁ অকিনৱা দ্বীপপুঞ্জৰ শিক্ষক কলেজৰ প্ৰবক্তা আছিল। তাতে তেওঁক ইং ১৯২২ চনত ক্যাৰাটেৰ ওপৰত ভাষণ আৰু প্ৰদৰ্শন কৰিবলৈ আমন্ত্ৰণ জনাইছিল। সেই প্ৰদৰ্শনৰ পাছত টকিঅ চহৰৰ পৰা বিভিন্ন সংস্থাই প্ৰশিক্ষণ দিবলৈ আমন্ত্ৰণ জনাইছিল। গিছিন ফুনাকুছিয়ে যিকোনো লিখা কবিতা বা লেখনিৰ পাছত তেওঁৰ নাম ছ'ট (Shoto) ব্যৱহাৰ কৰিছিল। তেওঁৰ প্ৰথম ক্যাৰাটেৰ স্কুল তেওঁৰ নিজৰ ঘৰতেই। গতিকে তেওঁ আৰম্ভণি কৰা ক্যাৰাটেৰ নাম ছছেকান ক্যাৰাটে। কাণ (Kan) অৰ্থ হ'ল ঘৰ বা স্কুল। পাছত ইয়াৰ নাম হয়গৈ ছটকান ক্যাৰাটে। ইং ১৯৫৫ চনত তেখেতক মুখ্য প্ৰশিক্ষক হিচাপে লৈ ছটকান ক্যাৰাটে সংস্থাৰ (Shotokan Karate Association) জন্ম হয় জাপানত। তেওঁৰ মৃত্যুৰ হয় ইং ১৯৫৭ চনত ৮৮ বছৰ বয়সত।

অসমতো ইয়াৰ বহুল প্ৰচাৰ হৈছে। কিন্তু অন্য ৰাজ্যৰ তুলনাত আমাৰ অসমত ছোৱালীৰ সংখ্যা কম। আমাৰ মঙলদৈয়ো সমৰ কলাত পিছপৰি থকা নাই। মঙলদৈ চহৰত ক্যাৰাটে, কংফু আৰু টাইকানডো এই তিনিটা কলাই আছে। বৰ্তমান মঙলদৈত ক্যাৰাটে প্ৰশিক্ষণ দিয়া হয় মঙলদৈ কলেজৰ খেলপথাৰত। ইয়াৰ মুখ্য প্ৰশিক্ষক হ'ল ছেনছেই 'সীমান্ত বৰ্মন'। বৰ্তমান ক্যাৰাটে মঙলদৈ কলেজৰ খেলা-ধূলাৰ লগত এক অংগ হৈ পৰিছে। প্ৰত্যেক বছৰৰ মঙলদৈ কলেজৰ কলেজ সপ্তাহত ক্যাৰাটেৰ প্ৰতিযোগিতা পতা হয়। আৰু ইয়াৰ পৰাই গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তঃ কলেজ প্ৰতিযোগিতালৈ বাছনি কৰা হয়। আৰু গৌৰৱৰ কথা এই যে ইং ১৯৯৫-৯৬ চনৰ আন্তঃ কলেজ প্ৰতিযোগিতাত পোন প্ৰথমবাৰৰ বাবে শ্ৰীকুশল চহৰীয়া, মনোজ বৰুৱা, জ্যোতিপ্ৰসাদ ডেকাই ক্ৰমে সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পদকেৰে মঙলদৈ কলেজৰ সন্মান কঢ়িয়াই আনিবলৈ সক্ষম হয়।

অসমত সমৰ কলাৰ ভৱিষ্যৎ আছে। গতিকে ক্যাৰাটেক (যিয়ে ক্যাৰাটে কাৰ) সকলে কঠোৰ পৰিশ্ৰম কৰি ক্যাৰাটেৰ প্ৰশিক্ষণ ললে নিশ্চয় এদিন আন্তঃ ৰাজ্যিক পৰ্য্যায়ত খ্যাতি লাভ কৰিব পাৰি।

"Do not think that you have to win,
rather think that you do not have to lose."

"Spirit first —
Technique Second."
— Gichin Funakoshi

মানুহৰ চৰিত্ৰই তেওঁৰ ভাগ্য —— হেৰাক্লিটাছঁ

# অসমত দুঃসাহসিক ক্ৰীড়া ঃ পৰ্বতাৰোহণ

জ্যোতিষ কুমাৰ নাথ
স্নাতক প্ৰাৰম্ভিক বৰ্ষ (বিজ্ঞান)

মানুহ ভিন্ন ৰুচি পূৰ্ণ। মানুহ ভেদে জীৱনৰ আদৰ্শ, ৰুচি ভিন ভিন। এই চিৰসত্যক ভিত্তি কৰিয়েই প্ৰত্যেক মানুহৰ বাবে মনোৰঞ্জনৰ বিভিন্ন ক্ষেত্ৰ গঢ় লৈ উঠিছে। কোনোৱে হয়তো ভাল পায় কিতাপ পঢ়ি, কোনোৱে কথা কৈ, কোনোৱে হয়তো খেলি, কোনোৱে হয়তো পৰ্বত বগাই আৰু কোনোৱে হয়তো তাতোকৈ দুঃসাহসিক কাম কৰি, অভিযান চলাই ৰোমাঞ্চ অনুভৱ কৰে।

আজি এই দ্ৰুত পৰিবৰ্ত্তনশীল সমাজত মানুহৰ মনোৰঞ্জনৰ ৰুচিবোধ তথা ধাৰণাৰো বহু পৰিবৰ্তন ঘটিছে। 'এড্‌ভেঞ্চাৰ' প্ৰিয় এই সমাজত ঘাইকৈ উন্নত দেশবিলাক আগবঢ়া যদিও ভাৰতৰ দৰে আন তৃতীয় বিশ্বৰ দেশসমূহো এই ক্ষেত্ৰত পিছপৰি থকা নাই।

আজি এই দ্ৰুত পৰিবৰ্ত্তনশীল সমাজত মানুহৰ মনোৰঞ্জনৰ ৰুচিবোধ তথা ধাৰণাৰো বহু পৰিবৰ্তন ঘটিছে। 'এড্‌ভেঞ্চাৰ' প্ৰিয় এই সমাজত ঘাইকৈ উন্নত দেশবিলাক আগবঢ়া যদিও ভাৰতৰ দৰে আন তৃতীয় বিশ্বৰ দেশসমূহো এই ক্ষেত্ৰত পিছপৰি থকা নাই।

আজিৰ এই মনোৰঞ্জনে যুৱ সমাজক ঘাইকৈ দুঃসাহসিক ক্ৰীড়াৰ প্ৰতি আকৰ্ষিত কৰিছে। ক্ৰীড়াই মনত পুলক জগাব পৰা শিহৰণকাৰী সোৱাদ দিয়ে। এই ক্ৰীড়া বিলাকৰ ভিতৰত পৰ্বতাৰোহণ, স্কাইড্ৰাইভাৰ বেলুনিং জাতীয় 'Air Sports' হেং গ্লাইডিং সৰ্বাধিক জনপ্ৰিয়।

ভাৰতৰ পূৱপ্ৰান্তৰ আমাৰ অসম এই ক্ষেত্ৰত পিছ পৰি থকা নাই৷ অসমত প্ৰথমে এই দুঃসাহসিক অভিযান মূলতঃ পৰ্বতাৰোহণ আৰম্ভ হয় ১৯৭০ চনত। এই অভিযানত অংশ লোৱা লোকসকল আছিল ডাঃ জেন চেৰিয়ান (চিকিৎসা বিশেষজ্ঞ) অতনু প্ৰসাদ বৰুৱা, ৰোহিণী কুমাৰ ভূঞা আৰু অসমৰ বিভিন্ন প্ৰান্তৰ কেইজনমান অনভিজ্ঞ যুৱক। দলটো বিশেষ পৈনত নাছিল। মাত্ৰ অতনু বৰুৱা আৰু ৰোহিণী কুমাৰ বিশেষ প্ৰশিক্ষপ্ৰাপ্ত আছিল। বাকী কেইজন আছিল মাত্ৰ প্ৰাথমিক প্ৰশিক্ষণপ্ৰাপ্ত। তথাপিও মনৰ জোৰতে এনে এক অসংগঠিত, অপৰিপক্ক দলটো লৈয়েই হিমালয়ৰ (গাঢ়োৱাল) মৃগথুনি (৬৮৫৫ মিটাৰ) আৰু বেথাৰতলি দক্ষিণ (৬১১৯ মিঃ) শিখৰ জয় কৰি ভূঞাদেৱে অসমৰ যুৱশক্তিৰ বাবে দুঃসাহসিক অভিযানৰ এক নতুন দিশৰ সূচনা কৰিলে।

১৯৭৯ চন অসমৰ পৰ্বতাৰোহণৰ ক্ষেত্ৰত দুখৰ বছৰ। দুৰ্ভাগ্যবশতঃ কেদাৰ দোম শৃংগ জয় কৰি ঘূৰি অহাৰ পথত ৰোহিণী কুমাৰ ভূঞাই জীৱনৰ শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ স্মৃতিতেই গুৱাহাটীৰ জাপৰিগোগত "আৰ. কে. ভূঞা মেমৰিয়েল ৰক ফিল্ড" নামৰ এক অনুষ্ঠান স্থাপন কৰা হয় য'ত এতিয়াও পৰ্বতাৰোহণৰ প্ৰশিক্ষণ দিয়া হয়। ইয়াত দিয়া প্ৰশিক্ষণ বিলাকৰ বিষয়বস্তুবোৰৰ ভিতৰত হ'ল - ট্ৰেকিং (Traking), ৰিভাৰ ক্ৰচিং (River Crossing) আৰু লং চিলিং ৰিপোলিং (Long selling Repelling), চিমণিৰ্ম ক্লাইম্বিং (Chimney Climbing) ৰক ক্লাইম্বিং, মনকি ক্লাইম্বিং আদি উল্লেখযোগ্য।

অসমৰ বিভিন্ন প্ৰান্তৰপৰা প্ৰশিক্ষাৰ্থীসকল প্ৰশিক্ষণৰ বাবে উক্ত সংগঠনটোলৈ আহে। এই সংগঠনে ১৯৯৫ চনৰপৰা 'Summer Adventure' নামৰ এক নতুন পদক্ষেপ হৈছে। ইয়াৰ কেম্প আৰম্ভ হয় অৰ্থাৎ কাৰ্য্যসূচী আৰম্ভ হয় স্কুল-কলেজৰ গৰমৰ বন্ধৰ সময়ত ইয়াত প্ৰশিক্ষণ দিয়া ক্ৰীড়া কেইবিধ হ'ল কায়াকিং, কেনয়িং, ৰয়িং, দীঘলি পুখুৰীত পেৰাচুটৰ সহায়ত পেৰাচিচি (ৰৰঝাৰ)।

এই দুঃসাহসিক ক্ৰীড়া প্ৰশিক্ষণৰ আধাৰত সম্প্ৰতি অসমৰ চুকে-কোণে, স্কুলে-কলেজে কিছুমান সংগঠন গঢ়ি উঠিছে। এই সংগঠনবিলাকৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে আজিৰ যুৱ সমাজৰ কৰ্ণধাৰসকলৰ ওপৰত। চৰকাৰৰ উদ্যোগ এই ক্ষেত্ৰত নিঃসন্দেহে কাম্য। অসমৰ ক্ৰীড়া সঞ্চালকালয়ে পৰ্বাতাৰোহণৰ এটা শাখা খুলি এক প্ৰচেষ্টা হাতত লৈছে। ই এক সৎ আৰু সময়োপযোগী প্ৰচেষ্টা।

উপযুক্ত পৰিৱেশ আৰু প্ৰশিক্ষণ দিব পাৰিলে অসমতো দুঃসাহসিক ক্ৰীড়াৰ এক সুন্দৰ ভৱিষ্যত আছে বুলি ক'ব পাৰি। কাৰণ আমাৰ মাজত প্ৰতিভাৰ অভাৱ নাই। অভাৱ মাথো কেইজনমান অভিজ্ঞ সংগঠকৰ। সেয়া আমাৰ বাবে আজিও সপোন। কোনোবা আগবাঢ়ি আহিবনে এই সপোন বাস্তৱৰূপ ৰূপায়িত কৰিবনে ?? □

আমি যেতিয়া আঘাত পাওঁ, তেতিয়া বহুতে ভবাৰদৰে কেতিয়াও প্ৰত্যাঘাত কৰিব নাপায় —— প্লেটো

# ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ উপন্যাসৰ কেইটামান নাৰী চৰিত্ৰ

**ৰূপৰেখা দেৱী**
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (কলা)

........ বাস্তৱবাদী লেখক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ সাহিত্য মূলতঃ মানৱতাবাদৰ ওপৰত প্ৰতিষ্ঠিত। তেখেতৰ সাহিত্যৰ উল্লেখনীয় দিশ কেইটা হ'ল— (১) প্ৰকৃতিবাদ (২) সময় সচেতনতা (৩) ৰাজনৈতিক সমাজবাদ। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই তেওঁৰ উপন্যাসৰ নাৰী চৰিত্ৰসমূহৰ মাজেৰে সময় সচেতনাক প্ৰকাশ কৰিছে।

নাৰীমনৰ বিচিত্ৰ বতৰা দিবলৈ অহোপুৰুষাৰ্থ কৰে ভট্টাচাৰ্য্যই। 'ইয়াৰুইঙ্গম' ৰ বাহিৰে বাকী সৰহ সংখ্যক উপন্যাসবে নাৰীৰ চৰিত্ৰ অংকণ কৰোতে ভট্টাচাৰ্য্যই এজন পৰ্য্যবেক্ষকৰ ভূমিকা পালন কৰিছে। কেতিয়াবা তেখেতে তত্ত্বগধূৰ মন্তব্যবোৰ নাৰী চৰিত্ৰ সমূহৰ মাজেৰে উল্লেখ কৰে। তেতিয়া প্ৰায়ে চৰিত্ৰসমূহে নিজস্ব ভাৰসাম্য হেৰুৱায়। সূক্ষ্ম দৃষ্টিৰে পৰ্য্যবেক্ষণ কৰিলে দেখা যায় ভট্টাচাৰ্য্যৰ অৱচেতন মনত নিজ মাতৃয়ে খোপনি পুতি আছে। তেওঁৰ মনদাপোনত তেওঁৰ মাতৃৰ প্ৰতিচ্ছবি প্ৰতিফলিত হোৱা দেখা যায়।

আমাৰ সমাজ জীৱনত নাৰীক প্ৰধানত দুটা ৰূপত দেখা যায়। এফালে জীয়াৰী-বোৱাৰী, মাতৃ আৰু আইতাকৰ ৰূপত আৰু আনফালে ব্ৰহ্মবাদিনী আৰু বেশ্যাৰ ৰূপত। ভট্টাচাৰ্য্যৰ লিখনিত এই কেইটা ৰূপ প্ৰতিফলিত হৈছে। তেওঁৰ নাৰী চৰিত্ৰসমূহ প্ৰেমৰ দ্বাৰা আত্ম প্ৰকাশ কৰিছে। প্ৰেম শব্দটিৰ তেওঁ এক নিৰ্দিষ্ট অৰ্থ কৰা নাই। চৰিত্ৰ বিশেষে ইয়াক নানা ধৰণে সজোৱা হৈছে। কেতিয়াবা ইয়াৰ পৰিধি ব্যাপক আৰু গভীৰ, কেতিয়াবা পাৰ্থিৱ বা কেতিয়াবা অপাৰ্থিৱ।

ইয়াত মই নিজে পঢ়া বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ কেইখনমান উপন্যাসৰ নাৰী চৰিত্ৰৰ আলোকপাত কৰিবলৈ যত্ন কৰিম।

**'ইয়াৰুইঙ্গম'ঃ**

সমগ্ৰ অসমবাসীৰ পৰা বিপুল সহাঁৰি বোটলা ইয়াৰুইঙ্গম অসমীয়া সাহিত্য তথা পাঠকসমাজলৈ এক বিশিষ্ট অৱদান। জনপ্ৰিয় উপন্যাস 'ইয়াৰুইঙ্গম' ৰ প্ৰধান নাৰী চৰিত্ৰ দুটা চাবেংলা আৰু খুটিংলা; নগা পাহাৰৰ দুপাহ সজীৱ ফুল স্বৰূপ। ভট্টাচাৰ্য্যৰ সাৱলীল সহজ-সৰল ভাষা আৰু মনস্পৰ্শী বৰ্ণনাই চৰিত্ৰ দুটি অধিক হৃদয়স্পৰ্শী কৰিছে।

জীৱনৰ প্ৰতি যাৰ অধিক মৰম তেওঁ সংসাৰৰ হেজাৰ দুখ যন্ত্ৰণাৰ মাজতো মৃত্যু প্ৰবৃতিক দমন কৰি নিজৰ জীৱন প্ৰবৃতিক সজীৱ কৰি ৰাখে। চাবেংলা জীৱন প্ৰেমী নাৰী। চাবেংলাৰ মনৰ কথা লিখকে উল্লেখ কৰিছে, "জীৱনক তাই ইমান ভাল পায় যে আত্মহত্যা কৰাৰ কথা ভাবিলেই এক অজান ভয়ত মন কঁপি উঠে"। হেজাৰ বিপদ-বিঘিনি নেওচিও চাবেংলাৰ জীয়াই থকাৰ প্ৰৱল হেঁপাহে আন নাৰীকো জীৱন প্ৰেমৰ শিক্ষা দিয়ে। ভট্টাচাৰ্য্যৰ সূক্ষ্ম দৃষ্টিয়ে এনে কিছুমান নাৰী মনৰ বতৰা দিয়ে যিবোৰ ভালদৰে নিৰীক্ষণ কৰি যিকোনো নাৰীয়ে তবধ মানিব। যেনে — চাবেংলাক ভট্টাচাৰ্য্যই এগৰাকী দৃঢ় মনৰ অধিকাৰিনী ৰূপত অংকিত কৰিছে। সেই যুদ্ধবিধ্বস্ত নাৰী চাবেংলাই ফানিতফাঙৰ মাকৰপৰা অকণকান মৰম আৰু সহানুভূতি পাই কিদৰে সাধাৰণ কোমল অন্তৰৰ নাৰীৰব দৰে ভাগি পৰিছে, তাক নিৰ্দেশন কৰি লিখিছে "ফানিটফাঙৰ মাকৰ মৰম আৰু সহানুভূতিৰ পৰশত তাইৰ অন্তৰ সেমেকি উঠিল আৰু চকুৰ পানী ওলোৱা কোনোমতে বন্ধ কৰিব নোৱাৰিলে।" ফানিটফাঙৰ মাকৰ কথাত যেন প্ৰতিধ্বনিত হৈছে চাবেংলাৰ মৃত মাকৰ মৰম, সহানুভূতি, আশ্ৰয়, যিখিনি তাই জীৱনৰ বাবে হেৰুৱালে। দ্বিতীয় মহাযুদ্ধৰ বলি হোৱা চাবেংলাৰ মনৰ অৰ্ন্তদ্বন্দ তাইৰ নিকৰুণ অৰ্ন্তবেদনাই পঢ়ুৱৈৰ মন শোকাতুৰ কৰি তোলে। সততাৰ পথ বিচাৰি তাই ব্যাকুল হৈ পৰে। আনহাতে সামাজিক পৰিস্থিতিয়ে তাইক বাৰে বাৰে সংকটৰ মুখলৈ ঠেলি দিয়ে। তাই বাধ্য হৈ পৰে। সৰ্বহাৰা চাবেংলাৰ মানসিক অৱস্থাই সকলোৰে মন চুম্বকৰ দৰে আকৰ্ষণ কৰে।

স্ত্ৰী জাতিৰ ঈৰ্ষাৰ নিখুঁত বৰ্ণনা দিয়াত ভট্টাচাৰ্য্য সিদ্ধহস্ত। খুটিংলাৰ মনৰ ঈৰ্ষাৰ নিৰ্দেশ কৰে এইদৰে, "কিন্তু বিশ্বাঙৰ পুৰণি প্ৰীতিৰ পুনবাবৃতি চকুৰ আগত দেখা পাই তাইৰ আশা যেন মোলান পৰিল আৰু অন্তৰত চাবেংলাৰ প্ৰতি প্ৰৱল ঈৰ্ষা প্ৰজ্বলিত হৈ উঠিল।" ভাবীস্বামী, প্ৰেমাস্পদ বিশ্বাঙৰ জীৱনৰ প্ৰথম নাৰী চাবেংলাৰ ওচৰত খুটিংলাৰ হীনমন্যতা জাগি উঠিল। বিশ্বাঙৰ মন জয় কৰাৰ প্ৰতিযোগিতাত তাই যেন হাৰি যোৱাৰ উপক্ৰম হৈছে। লগে লগে নাৰী মনৰ ঈৰ্ষাই মূৰ দাঙি উঠিছে।

ভট্টাচাৰ্য্যই লিখক হিচাপে নাৰীৰ মনৰ বতৰা দিবলৈ যাওঁতে পৰম্পৰাগত পুৰুষ প্ৰধান সমাজখনক প্ৰাধান্য দি মন্তব্য দিয়ে। যেনে — "আপোন ইচ্ছাতে হওঁক বা বাধ্যত পৰিয়ে হওঁক যাক এবাৰ তাই পতি বুলি গ্ৰহণ কৰিব লগা হয়, তাক সতকাই মনৰ পৰা নিশ্চিহ্ন কৰি দিয়া টান। সেই পুৰুষে গোটেই জীৱনলৈ তাইক এনেভাৱে বান্ধি থয় যে, মানুহে তাইৰ নিজা পৰিচয় পাহৰি যায়, সেই পুৰুষৰ বৈধ বা অবৈধ পত্নী ৰূপেই তাই সমাজত জীয়াই থাকে।"

**'মৃত্যুঞ্জয়'ঃ**

১৯৪২ চনৰ স্বাধীনতা আন্দোলনৰ ওপৰত ভিত্তি কৰি লিখা উপন্যাস 'মৃত্যুঞ্জয়' ৰ নাৰী চৰিত্ৰ কেইবাটাও, তাৰে ভিতৰত কলীয়া বাইদেউ, গোঁসানী আৰু ডিমিৰ চৰিত্ৰই অধিক প্ৰাধান্য লাভ কৰিছে।

কলীয়া বাইদেউ এগৰাকী সদ্য বিবাহিতা গাঁৱলীয়া গাভৰু। '৪২ ৰ স্বাধীনতা আন্দোলনত সক্ৰিয় ভূমিকা লোৱা কলী বাইদেৱে সামাজিক সত্তাৰ লগত নিজৰ ব্যক্তিগত সত্তাক একীভূত কৰাৰ স্পৃহা তেওঁৰ বিভিন্ন কাৰ্য্যক্ৰমণিকাই সুস্পষ্ট কৰি তুলিছে। ৩০ টাকৈ মিলিটেৰীয়ে ধৰ্ষণ কৰা অৰ্ধচেতন সুভদ্ৰাৰ লাৱনী দেহটোলৈ আঙুলিয়াই কলীবাইদেৱে ধনপুৰক কৈছিল, "গাভৰুৰ আচল শত্ৰু নিজৰ দেহটো। সুভদ্ৰাচোন ঈশ্বৰ বিশ্বাসী আছিল। বিপদৰ বেলিকা ঈশ্বৰে তাইক ৰক্ষা নকৰিলে কিয় ?" ঈশ্বৰৰ স্থিতি সম্পৰ্কে কলীবাইৰ মন সন্দিহান। ভালদৰে অনুধাৱন কৰিলে দেখা

শিকিবলৈ জীয়াই থকা আৰু জীয়াই থাকিবলৈ শিকা —— সুভাষীতাশ

যায়ে কলীবাইদেউ ভট্টাচাৰ্য্যৰ মনৰ এটি ideal projection. কলীবাইদেউৰ চৰিত্ৰৰ দ্বাৰা বীৰেন্দ্ৰ কুমাৰে কথা কয়। যেনে — "অত্যাচাৰৰ গোন্ধ; (২) সূত্ৰযজ্ঞৰ নৈতিক, মানসিক, আৰ্থসামাজিক তাৎপৰ্য্য বুজা এগৰাকী গান্ধীবাদীৰ দৰে কলী বাইদেৱে কয় "তোমালোকৰ সূতা কটাৰ অভ্যাস নাই। সেইবাবে মনত আউল লাগিছে।" একেগৰাকী কলীবাইদেউ গাঁৱলীয়া কুসংস্কাৰৰ পৰাও মুক্ত নহয়। গতিকে কলীবাইৰ চৰিত্ৰৰ মাজত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই মাজে মাজে ভূমুকিমৰা বাবে কলীবাইদেউৰ চৰিত্ৰটো বাস্তৱভিত্তিক হোৱা নাই। লিখকে নিজৰ ভাৱানুভূতিক আৰোপ কৰিবলৈ যাওঁতে কলীবাইদেউৰ মাজেৰে নাৰীমনৰ স্পষ্টতা সজীৱকৈ প্ৰকাশ পোৱাত বাধাগ্ৰস্ত হৈছে।

গোঁসানী এগৰাকী পতিব্ৰতা গৃহবধু। স্বাধীনতাৰ আগছোৱাৰ সমাজখনত বৰ্তি থকা নানা ধৰণৰ লোকবিশ্বাস, কুসংস্কাৰ আদিৰ অন্ধকাৰেৰে তেওঁৰ মন আচ্ছন্ন। সেই সময়ৰ বাৰ্তা বহন কৰা চৰিত্ৰৰূপে গোঁসানীৰ চৰিত্ৰ সজীৱ। গোঁসানীৰ চৰিত্ৰ অংকণ কৰোঁতে ভট্টাচাৰ্য্যই এটা সামান্য ত্ৰুটি কৰিছে। গোঁসানীয়ে যাবৰ পৰত গিৰীয়েকৰ মকৰধ্বজ আৰু মবান আদা লগত লৈ যাবলৈ দিহা দি কৈছে, "ময়েই দিলোহেঁতেন কিন্তু বাহী গাবে নোৱাৰো।" তাৰ পিছতে লিখকে লিখিছে 'গোঁসায়ে যৈণীয়েকৰ উপদেশমতে মকৰধ্বজ পালি, মবাণ আদাৰ লগত বটি খাই ললে। সেই অৱসৰতে যৈণীয়েকে গৈ গিৰিয়েকৰ টোপোলাটোত এপালি মকৰধবজ আৰু আদা সুমুৱাই দিলেগৈ।" এক মুহূৰ্ত্তৰ আগেয়ে "বাহী গাবে নোৱাৰোঁ" বুলি কোৱা মানুহগৰাকীয়ে একেটা কামকে বাহী গাবেই কৰিলে।

> জীৱনৰ প্ৰতি যাৰ অধিক মৰম তেওঁ সংসাৰৰ হেজাৰ দুখ যন্ত্ৰণাৰ মাজতো মৃত্যু প্ৰবৃত্তিক দমন কৰি নিজৰ জীৱন প্ৰবৃতিক সজীৱ কৰি ৰাখে। চাৰেংলা জীৱন প্ৰেমী নাৰী। চাৰেংলাৰ মনৰ কথা লিখকে উল্লেখ কৰিছে, "জীৱনক তাই ইমান ভাল পায় যে আত্মহত্যা কৰাৰ কথা ভাবিলেই এক অজান ভয়ত মন কঁপি উঠে"। হেজাৰ বিপদ-বিঘিনি নেওচিও চাৰেংলাৰ জীয়াই থকাৰ প্ৰৱল হেপাঁহে আন নাৰীকো জীৱন প্ৰেমৰ শিক্ষা দিয়ে। ভট্টাচাৰ্য্যৰ সূক্ষ্ম দৃষ্টিয়ে এনে কিছুমান নাৰী মনৰ বতৰা দিয়ে যিবোৰ ভালদৰে নিৰীক্ষণ কৰি যিকোনো নাৰীয়ে তবধ মানিব। যেনে — চাৰেংলাক ভট্টাচাৰ্য্যই এগৰাকী দৃঢ় মনৰ অধিকাৰিনী ৰূপত অংকিত কৰিছে। সেই যুদ্ধবিধ্বস্ত নাৰী চাৰেংলাই ফানিতফাঙৰ মাকৰপৰা অকণকান মৰম আৰু সহানুভূতি পাই কিদৰে সাধাৰণ কোমল অন্তৰৰ নাৰীৰৰ দৰে ভাগি পৰিছে, তাক নিৰ্দেশন কৰি লিখিছে "ফানিটফাঙৰ মাকৰ মৰম আৰু সহানুভূতিৰ পৰশত তাইৰ অন্তৰ সেমেকি উঠিল আৰু চকুৰ পানী ওলোৱা কোনোমতে বন্ধ কৰিব নোৱাৰিলে।"

মাছ বেছা পোহাৰী ৰচকী আৰু টিকৌৰ পৰিবাৰ ৰতনীৰ কথোপকথন নাৰী সুলভ। ৰতনীৰ মাজেৰে প্ৰতিভাত হৈছে পতিসেৱাৰ মাধ্যমেৰে দেশপ্ৰেম।

কাৰ্বি গাভৰু ডিমি জয়মতীৰ ডালিমীৰ প্ৰতিধ্বনি বুলি ভট্টাচাৰ্য্যই নিজেই কৈছে। ডিমি বীৰেন্দ্ৰ কুমাৰৰ কবি হৃদয়ৰ মুৰ্ত্ত প্ৰকাশ। পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ প্ৰতীক। ডিমিৰ মন সবল হৃদয় স্বচ্ছ। হিংসাৰ মাধ্যমেৰে স্বাধীনতা বিচৰা বিয়াল্লিছৰ বিপ্লৱী বীৰ কেইজনৰ মাজত সৰগীয় প্ৰেমৰ মৌজোল বিলাই ফুৰা 'ডিমি' ভট্টাচাৰ্য্যৰ এটি মোহনীয় কবিতা। "তাই মৰমৰ বহঘৰা।" ডিমিৰ দ্বাৰা লিখকে নিজৰ মনৰ অপূৰ্ণ বাসনা পূৰ্ণ কৰিছে।

## 'আই'

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ 'আই' নামৰ উপন্যাসখন নিজৰ মাতৃ ভক্তিৰ প্ৰেৰণাতে লিখিত হৈছিল বুলি অনুভৱ হয়। পুৰাতন আৰ্থসামাজিক ব্যৱস্থাৰ পতন 'আই' উপন্যাসৰ মূল ভেটি। আই অশিক্ষিতা, আদহীয়া, বাৰী তিৰোতা। কিন্তু আচৰণত সাক্ষাৎ লক্ষ্মী। আই পৰম্পৰাগত নৈতিক আদৰ্শৰ প্ৰতিভূ। পুৰণি আৰ্থসামাজিক ব্যৱস্থাৰ পতন হ'লে ব্যৱহাৰিক নৈতিকতাবো পৰিৱৰ্তন হ'বলৈ বাধ্য, এই কথাটিৰ ইঙ্গিত ভট্টাচাৰ্য্যৰ 'আই' উপন্যাসত পোৱা যায়। 'আই' চৰিত্ৰটোৰে দৰাচলতে ভট্টাচাৰ্য্যৰ নিজা মাতৃৰ ব্যক্তিত্বৰ প্ৰতিফলন ঘটিছে। ভট্টাচাৰ্য্যৰ অৱচেতন মনত একছত্ৰী প্ৰভাৱ বিস্তাৰ কৰি থকা মাতৃয়ে ছিদ্ৰ পাই উচ্ছাসেৰে প্ৰতিভাত হ'ল 'আই' চৰিত্ৰত। 'আই' লিখকৰ এটি catharsis অথবা safety valve বুলিও ক'ব পাৰি। কাৰণ সঞ্চিত বাসনাৰ প্ৰচণ্ড চাব উপন্যাসৰ মাজেৰে প্ৰকাশ কৰি লিখকে নিজৰ মানসিক স্বাস্থ্য ৰক্ষা কৰাৰ লগতে যেন 'আই'ৰ মাজেদি পৰোক্ষভাৱে পুত্ৰ ঋণ পৰিশোধ কৰিছে।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই তেওঁৰ উপন্যাসৰ নাৰী চৰিত্ৰৰ মাজেৰে আমাক উপলব্ধি কৰিবলৈ বাধ্য কৰায় "We come face to face with the miracle of the human being – with the body of an animal, the mind of a dreamer, the ability to communicate beyond imagining and a capacity for goodness, for evil, for greatness and for suffering which no other being on earth can ever share."
— Dr. Nilima Sarma.

(বিঃ দ্ৰঃ — ছাঁ লৈ লিখা।)

জীৱনৰ প্ৰতিটো মুহূৰ্ত্ততে একোটা মহৎ উদ্দেশ্য আছে — মেক্সিম গৰ্কী

# শৈক্ষিক পৰিৱেশ উন্নয়নত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা

**নৱজ্যোতি কুমাৰ**
স্নাতক ২য় বৰ্ষ

মানুহৰ জীৱনৰ যি কালছোৱাত বিদ্যা আহৰণ কৰা হয় সেই ছোৱা কালেই ছাত্ৰ জীৱন। এই ছাত্ৰ জীৱনেই হ'ল ব্যক্তিৰ ভৱিষ্যত জীৱনৰ সোণালী দিন। এইছোৱা কালৰ ওপৰতে ব্যক্তিৰ আৰু দেশৰ সৰ্বাংগীন উন্নতি নিৰ্ভৰ কৰে। সমাজ আৰু ব্যক্তি অংগাঙ্গীভাৱে সম্পৰ্কিত। গতিকে ব্যক্তিৰ উন্নতিয়েই সমাজৰ উন্নতি আৰু সমাজৰ উন্নতি মানেই দেশৰ উন্নতি। দেশৰ এনে উন্নতিৰ বাবে অপৰিহাৰ্য্য সম্পদ হ'ল মানৱ সম্পদ। এই বিধ সম্পদ সকলো প্ৰকাৰ সম্পদতকৈ মূল্যবান সম্পদ। কিন্তু এনে সম্পদ যদি উপযুক্ত ভাৱে গঢ়ি তুলিব পৰা নাযায় তেন্তে অন্য বহুত সম্পদ থকা সত্বেও দেশ অনুন্নত হৈয়ে থাকিব।

মানৱ সম্পদক উপযুক্তভাৱে গঢ় দিয়াৰ ব্যৱস্থাটোৱে হ'ল শিক্ষা ব্যৱস্থা। শিক্ষা অবিহনে মানৱ সমাজ পঙ্গু। শিক্ষাই হে মানুহক প্ৰকৃত দৃষ্টি শক্তি দান কৰে। নিৰক্ষৰ মানুহ চকু থাকিও অন্ধ।

শিক্ষা হৈছে এটা জীৱন জোৰা প্ৰক্ৰিয়া। 'Education is a life long process' ব্যক্তিৰ সৰ্ব্বাত্মক বিকাশ সাধন প্ৰক্ৰিয়াটোৱেই শিক্ষা। অৰ্থাৎ শাৰীৰিক, মানসিক, বৌদ্ধিক ও আধ্যাত্মিক বিকাশৰ নামেই শিক্ষা।

শিক্ষা দুবিধ। আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষা। স্কুল, কলেজ ইয়াৰ উদাহৰণ। ইয়াৰ বাদেও মানুহে জীৱন যাত্ৰাৰ বিভিন্ন সময়ত আৰু বিভিন্ন স্তৰত লাভ কৰা বিভিন্ন ধৰণৰ অভিজ্ঞতাপ্ৰাপ্ত শিক্ষাই হ'ল অনানুষ্ঠানিক শিক্ষা। আনুষ্ঠানিক শিক্ষাৰ কেন্দ্ৰস্থলবোৰৰ নাম বিদ্যালয়। শিক্ষাৰ পাঠ্যক্ৰম আৰু শিক্ষাৰ বয়সৰ স্তৰ অনুযায়ী বিদ্যালয়ৰ নাম ভিন ভিন হয়। যেনে প্ৰাথমিক বিদ্যালয়, মাধ্যমিক আৰু মহাবিদ্যালয় ইত্যাদি।

বিদ্যালয় হৈছে সমাজৰ ক্ষুদ্ৰ সংস্কৰণ। যেনেকৈ এখন সমাজত বিভিন্ন জাতি, বৰ্ণ, লিঙ্গ, ভাষাৰ মানুহে পাৰস্পৰিক বুজাবুজিৰে উমৈহতীয়া ভাৱে বসবাস কৰে; ঠিক তেনেদৰে একোখন বিদ্যালয়ত ভিন ভিন ধৰণৰ ছাত্ৰ-ছাত্ৰীয়ে পাৰস্পৰিক মিলা-প্ৰীতিৰে শিক্ষা আহৰণ কৰে। এই বিদ্যালয়েই শিশু বা ছাত্ৰ এগৰাকীৰ শিক্ষা আহৰণৰ উত্তম স্থান। বিদ্যালয় অবিহনে আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰা অসম্ভৱ।

এনে মধুময় জীৱন গঢ়া শিক্ষা আহৰণৰ বাবে কেৱল চাৰিবেৰ যুক্ত এটি বিদ্যালয় নামৰ ঘৰ থাকিলেই যথেষ্ট নহয়। বিদ্যালয় ঘৰৰ বেৰবোৰৰ অৱস্থা যিমানেই উন্নত নহওক লাগিলে তাত যদি শিক্ষাৰ অনুকূল পৰিৱেশ নাথাকে তেন্তে তাৰ পৰা কোনো ভাল ফল পোৱা নাযাব। শিক্ষাৰ মান নিৰূপণ কৰে উপযুক্ত পৰিৱেশেহে।

আমাৰ চাৰিওফালৰ ঘটনাৰ পৰা সৃষ্টি হোৱা পৰিস্থিতিৰ নাম পৰিৱেশ। পৰিৱেশ ভিন ভিন হ'ব পাৰে, যেনে ৰাজনৈতিক পৰিৱেশ, সামাজিক পৰিৱেশ, শৈক্ষিক পৰিৱেশ ইত্যাদি। সমাজ এখনৰ সৰ্বাংঙ্গীন বিকাশৰ বাবে যি অনুকূল পৰিৱেশৰ দৰকাৰ সেয়া সামাজিক পৰিৱেশ। ৰাজনৈতিক প্ৰশাসনৰ বাবে প্ৰয়োজনীয় পৰিৱেশ হ'ল ৰাজনৈতিক পৰিৱেশ, ঠিক তেনেদৰে শিক্ষাৰ বাবে প্ৰয়োজনীয় অনুকূল অৱস্থাৰ নাম শৈক্ষিক পৰিৱেশ। যি ঠাইত শিক্ষাৰ বাবে অনুকূল বাতাবৰণ নাই সেই ঠাইত ভাল শিক্ষা হ'ব নোৱাৰে। সময় যিমানে আগবাঢ়ি গৈছে সিমানে জটিল সমস্যায়ো গা কৰি উঠিছে আৰু সমস্যাৰ পাকচক্ৰত পৰি দেশে কিম্বা সমাজে জটিলতৰ খাণ্ডৱ দাহনত অৱগাহন কৰিব লগা হৈছে। বৰ্তমান দেশৰ সকলো ক্ষেত্ৰতে পৰিৱেশ বিনষ্ট হৈছে, প্ৰদূষণ হৈছে। ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, শৈক্ষিক সকলো দিশতে প্ৰতিকূল পৰিৱেশৰ বাবে দেশ বিপৰ্য্যয়ৰ সন্মুখীন হৈছে। ফলত সামগ্ৰিক উন্নতিত কুটিল যতি পৰিছে।

বৰ্তমান যুগ প্ৰতিযোগিতাৰ যুগ। এনে প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ জয় লাভ কৰিবলৈ যি পৰিৱেশৰ দৰকাৰ সেয়া প্ৰায় বৰ্তমান মৰিচিকা। দেশত দেখা দিয়া বিভিন্ন সমস্যাই পৰিৱেশ ধ্বংস কৰি পেলাইছে। সঘনে হৈ থকা বিক্ষোভ হৰতাল, বিভিন্ন বন্ধ ইত্যাদি ধৰণৰ বন্ধবোৰে দেশৰ উন্নতিৰ প্ৰতিকূলে পথ প্ৰশস্ত কৰিছে। বিভিন্ন দল, সংগঠন আদিয়ে উপৰ্যুপৰি কৰা বিপ্লৱ, আন্দোলন আদিয়ে দেশক অস্থিৰ কৰি তুলিছে। ফলত সকলো প্ৰকাৰৰ উন্নয়নমূলক কামত বাধাৰ সৃষ্টি হৈছে।

উপৰোক্ত ধৰণে বিনষ্ট হোৱা পৰিৱেশে বাৰুকৈয়ে প্ৰভাৱ পেলাইছে শৈক্ষিক দিশত। এনে অনিশ্চিত, থৰক-বৰক গতিৰে শিক্ষা ব্যৱস্থাই শামুকীয়া গতিৰে আগবঢ়িছে। কিন্তু সমাজৰ বা ব্যক্তিৰ বা দেশৰ সৰ্বাংগীন উন্নতিৰ বাবে এনে শিক্ষা ব্যৱস্থাই কোনো সুফল দান কৰিব নোৱাৰে। যদি ফলদায়ক

বৰ্তমান যুগ প্ৰতিযোগিতাৰ যুগ। এনে প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ জয় লাভ কৰিবলৈ যি পৰিৱেশৰ দৰকাৰ সেয়া প্ৰায় বৰ্তমান মৰিচিকা। দেশত দেখা দিয়া বিভিন্ন সমস্যাই পৰিৱেশ ধ্বংস কৰি পেলাইছে। সঘনে হৈ থকা বিক্ষোভ হৰতাল, বিভিন্ন বন্ধ ইত্যাদি ধৰণৰ বন্ধবোৰে দেশৰ উন্নতিৰ প্ৰতিকূলে পথ প্ৰশস্ত কৰিছে। বিভিন্ন দল, সংগঠন আদিয়ে উপৰ্যুপৰি কৰা বিপ্লৱ, আন্দোলন আদিয়ে দেশক অস্থিৰ কৰি তুলিছে। ফলত সকলো প্ৰকাৰৰ উন্নয়নমূলক কামত বাধাৰ সৃষ্টি হৈছে।

প্ৰতিজন মানুহেই অজ্ঞ, মাথো সেই অজ্ঞতাৰ বিষয় বেলেগ বেলেগ —— উইল ৰ'জাৰচ

শিক্ষা ব্যৱস্থাৰ দৰকাৰ তেন্তে গঢ়ি তুলিব লাগিব এটি অনুকূল শৈক্ষিক পৰিৱেশ। এই পৰিৱেশ গঠনত যি সকলে আগভাগ লব লাগিব, তাৰ ভিতৰত মুখ্য ভূমিকা গ্ৰহণ কৰিব লাগিব ছাত্ৰ সমাজে। আজিৰ ছাত্ৰ কাইলৈৰ নাগৰিক। গতিকে নিজৰ উজ্জ্বল ভৱিষ্যত গঢ়ি তুলিবলৈ তেওঁলোকে যত্ন কৰা উচিত। আগতেই কৈ অহা হৈছে যে শিক্ষা অধ্যয়নৰ কালছোৱাক ছাত্ৰ জীৱন বোলে। গতিকে মানৱ জীৱনৰ এইছোৱা কাল আটাইতকৈ গুৰুত্বপূৰ্ণ কাল। যদি প্ৰতিকূল পৰিৱেশত পৰি জীৱনৰ এই সোণালী সময়ছোৱা অথলে যায় তেন্তে ওৱে জীৱন বেদনাময় হয়।

পৰিৱেশ ঈশ্বৰ প্ৰদত্ত নহয়, এয়া মানুহৰ সৃষ্টি। গতিকে পৰিৱেশ এনে নহয় যে হিমালয় পৰ্বতক লৰাব নোৱাৰাৰ দৰে ইয়াক পৰিবৰ্তন কৰিব নোৱাৰি। বটবৃক্ষৰ কণমানি গুটিটিতে এডাল প্ৰকাণ্ড বৃক্ষৰ সম্ভাৱনা লুকাই থাকে। যদি এই গুটিটো সুন্দৰ জলবায়ু আৰু মাটিৰ সুবিধা পায়, তেন্তে ই সুন্দৰকৈ অংকুৰিত হৈ প্ৰকাণ্ড গছ হ'ব। কিন্তু যদি গুটিটো প্ৰকাণ্ড জুই একুৰাৰ ওপৰতে পৰে তেন্তে বিৰাট সম্ভাৱনা থকা সত্বেও সি ভস্ম হৈ যাব। একেদৰে প্ৰতিকূল পৰিৱেশত পৰিলে মানুহৰ জীৱন ধ্বংস হৈ যায়, অনুকূল পৰিৱেশ পালে পূৰ্ণ বিকাশ হ'ব। এই অনুকূল শৈক্ষিক পৰিৱেশ গঢ়ি তুলিবলৈ ছাত্ৰ সমাজৰ কৰণীয়খিনি তলত আলোচনা কৰা হ'ল।

(ক)ছাত্ৰ সকলৰ প্ৰধান কৰণীয় অধ্যয়ন। অধ্যয়ন বিমুখতা শৈক্ষিক পৰিৱেশ ধ্বংসৰ উপাদান। গতিকে যি কোনো ধৰণৰ স্বাৰ্থপৰ দল সংগঠনে দিয়া হুংকাৰত বিচাৰবিহীনভাৱে নৈৰ সোঁতত জাঁজি হৈ উটি নগৈ মুখ্য কৰ্তব্য কৰি গ'লে পৰিৱেশ সংৰক্ষণ হ'ব। মনত ৰখাটো ভাল হ'ব যে নিজ নিজ বিদ্যালয়ৰ পৰিৱেশৰ দায়িত্ব ৰক্ষা কৰিলেই সামগ্ৰিকভাৱে শৈক্ষিক পৰিৱেশ ৰক্ষা কৰা হ'ব।

(খ) অনৈতিকতাই পৰিৱেশ ধ্বংশৰ বাবে অন্যতম দায়ী। নৈতিকতাবিহীন কোনো সমাজেই স্থায়ী হ'ব নোৱাৰে। ছাত্ৰ সমাজেও নৈতিকতা বজাই ৰাখি যাত্ৰা পথত খোজ দিয়া উচিত। ছাত্ৰ শব্দটিক ইংৰাজীত 'Student' বোলা হয়। এই 'Student' শব্দটিৰ ইংৰাজী প্ৰতিটো আখৰৰ অৰ্থ চালেই ছাত্ৰৰ নৈতিকতাৰ বিষয়ে জানিব পাৰি। 'Student'শব্দটি অৰ্থ এনে S = "Study" অৰ্থাৎ অধ্যয়নশীল, T = "Truthfulness" সত্যবাদিতা, U = "Unity" ঐক্যবদ্ধতা, D = "Discipline" শৃংখলাবদ্ধতা, E = "Enthusiasm"উদ্যমী, N= "Neutrality" মানে নিৰপেক্ষতা আৰু T = "Trustworthy" মানে বিশ্বাসী। গতিকে দেখা যায় যে এটি শৈক্ষিক পৰিৱেশৰ বাবে লাগতিয়াল নৈতিকতাৰ গুণৰাজি 'Student' শব্দটিত নিহিত আছে। অৰ্থাৎ ওপৰোক্ত গুণযুক্ত শিকাৰুক হে ছাত্ৰ বোলে। বৰ্তমান ইয়াৰ বিপৰীতে এক বৃজন পৰিমাণৰ ছাত্ৰ-ছাত্ৰীৰে উক্ত গুণৰাজিৰ অভাৱ। ফলস্বৰূপে তেওঁলোক সমাজৰ এক বোজা স্বৰূপ হৈ পৰিছে।

(গ) শিক্ষানুষ্ঠানৰ সপক্ষে কিছুমান নীতি-নিয়ম বান্ধি লোৱা হয়। এনে নীতি-নিয়মে অনুষ্ঠানখনৰ আভ্যন্তৰীণ শৃংখলা বজাই ৰখাত সহায় কৰে। যেনে তোৰণৰ সন্মুখত চাইকেলৰ পৰা নমা, গণবেশ পিন্ধা (Uniform), প্ৰাৰ্থনা কৰা ইত্যাদি এনেবোৰ বাধ্যতামূলক কৰ্তব্য জ্ঞান কৰি পালন কৰা উচিত। কিয়নো এনে কৰিলে শৃংখলা ৰক্ষা হ'ব। শৃংখলাই হে জাতি গঢ়াত সহায় কৰে।

(ঘ) নিজ নিজ শিক্ষানুষ্ঠানবিলাকত মাজে সময়ে বিজ্ঞজনৰ সহায় লৈ শিক্ষা বিষয়ক অলোচনাচক্ৰ, বক্তৃতানুষ্ঠান, তৰ্কসভা ইত্যাদি অনুষ্ঠিত কৰি থাকিব লাগে। এনে কৰিলে সচেতনতা আহিব। সচেতনতাবিহীন লোক অপদাৰ্থ সদৃশ।

(ঙ) দেশৰ আটাইবোৰ ছাত্ৰ-ছাত্ৰীয়ে মিলতি হ'ব নোৱাৰিলেও অন্ততঃ আঞ্চলিক ভিত্তিত হলেও বছৰে, ছমাহে মিলা-মিছা হোৱাৰ ব্যৱস্থা কৰা দৰকাৰ। কাৰণ তেনে কৰিলে ভিন ভিন ঠাইৰ ছাত্ৰ-ছাত্ৰীৰ মাজত মিলা-প্ৰীতি বাঢ়িব। ভাৱৰ আদান-প্ৰদান বাঢ়িব। লগে লগে পাৰস্পৰিক প্ৰতিযোগিতাময় দৃষ্টিভঙ্গীৰে অধ্যয়নত আগবঢ়াত সহায় হ'ব। তদুপৰি ঐক্যবদ্ধতা গুণ বাঢ়িব। অনৈক্যই দুৰ্বলতাৰ ঘাই শিপা।

(চ) শিক্ষানুষ্ঠানত মাজে সময়ে উৎসৱ-পাৰ্বন, খেল-ধেমালী ইত্যাদিৰ দ্বাৰা মিলা-প্ৰীতিৰ এনাজৰীৰ বান্ধোন কটকটীয়া কৰি ৰখা দৰকাৰ। কাৰণ খেল-ধেমালীয়ে ছাত্ৰ-ছাত্ৰীক উদ্যমী কৰি তোলে। উদ্যমবিহীন লোক মৃতপ্ৰায়।

(ছ) ছাত্ৰ-ছাত্ৰীৰ নখ দৰ্পনত থাকিব লাগে নিজৰ সমাজখন। কিয়নো তেওঁলোকো সমাজৰে অংশীদাৰ। গতিকে আজৰি সময় অনাহকত নষ্ট নকৰি সমাজসেৱা কৰিব লাগে। তেনে কৰিলে সমাজেও আগবাঢ়ি আহি তেওঁলোকক সাৰটি ধৰিব।

(জ) বিদ্যালয়খনক সুন্দৰ ৰূপত সজাইপৰাই তোলাত ছাত্ৰ-ছাত্ৰীয়েও ভূমিকা গ্ৰহণ কৰিব পাৰে। কাৰণ, সুন্দৰ আৰু সৌন্দৰ্য্যৰ প্ৰতি হাবিয়াস মানুহৰ আদিম প্ৰবৃতি। সুন্দৰক ধ্বংস কৰিব বহুতে নিবিচাৰে। গছ পুলি বোৱা, ফুলনি সজা, বিদ্যালয় পৰিস্কাৰ কৰা আদি নৈতিকতাৰে কৰি যাব লাগে।

(ঝ) বৰ্তমানে ছাত্ৰ সমাজৰ মাজত দেখা মাৰাত্মক ব্যাধি হৈছে আধুনিকতাৰ নামত গ্ৰহণ কৰা বজৰুৱা সংস্কৃতি। পশ্চিমীয়া অন্ধ অনুকৰণত ছাত্ৰ সমাজৰ একাংশ উটি যাব ধৰিছে। ফলত তেওঁলোকৰ অৱক্ষয় হৈছে। বিভিন্ন ধৰণৰ চিনেমা আদিয়ে তেওঁলোকক অনুকৰণপ্ৰিয় কৰি তুলিছে। আধ্যাত্মিক দিশতকৈ বাহ্যিক বিলাসিতাত তেওঁলোক মছগুল। ফলত অধ্যয়ন বিমুখী হৈছে। পৰীক্ষাত বহি যুদ্ধংদেহি মনোভাবেৰে জীৱন গঢ়িবলৈ যোৱা দেখা গৈছে। ফলত মান বিশিষ্ট ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনলৈ ধুমুহা আহে।

আনৰ দোষ খুচৰি ফুৰা সহজ, কিন্তু নিজে কিমান ভাল তাৰ বিচাৰ কৰাহে টান বুলি কথা এষাৰ আছে। সেয়ে আজিৰ ছাত্ৰ সমাজে আত্ম সমালোচনাৰ নিকা চৰিত্ৰ গঠন কৰি অধ্যয়নত আগবঢ়িলে নিশ্চয় শৈক্ষিক পৰিৱেশ উন্নত হ'ব। ছাত্ৰ শক্তিৰ দৰে মহা শক্তিয়ে নিজৰ অনুকূল পৰিৱেশ গঢ়ি তুলিব নোৱাৰাৰ কোনো কাৰণ নাই। মাথো লাগে একাগ্ৰতা আৰু নৈতিকতা। আশা কৰা যায় ওপৰোল্লেখিত পথেৰে গতি কৰিলে ক্ষয়িষ্ণু শৈক্ষিক পৰিৱেশ উন্নত হ'ব। □

আমি কিমান পঢ়ো সেয়া নহয়, আমি কিমান মনত ৰাখো সেয়াহে আমাক শিকনি দিয়ে —— লেবানন

# আই. এ. এচ. আদি পৰীক্ষা আৰু অসমীয়া ছাত্ৰ

শ্বাহনাৱাজ আহমেদ
স্নাতক ২য় বৰ্ষ

সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত অসমৰ ছাত্ৰ-ছাত্ৰীৰ সফলতাৰ হাৰ একেবাৰেই নগণ্য। গতিকে সৰ্বভাৰীয় প্ৰতিযোগিতামূলক পৰীক্ষাত অসমৰ ছাত্ৰ-ছাত্ৰীয়ে কিয় সফলতা লভিব নোৱাৰে তাৰ প্ৰতিটো দিশ বিশ্লেষণ কৰাৰ প্ৰয়োজন হৈ পৰিছে।

**মূল অভাৱ কি ?** ঃ সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত সফল হবলৈ হ'লে আমাক যি এটা পৰিৱেশৰ প্ৰয়োজন সেয়া অসমত বৰ অভাৱ। অসমত বৰ্তমান যি এক ধ্বংসমুখী পৰিৱেশ সৰ্বত্ৰতে বিৰাজ কৰিছে তেনে এক পৰিৱেশ বা পৰিস্থিতিত কোনো এজন ছাত্ৰৰ পক্ষে আই. এ.এচ. (I.A.S.) আদি পৰীক্ষাত অৱত্তীৰ্ণ হ'ব পৰা যি এক মানসিক প্ৰস্তুতি সেয়া সম্ভৱ হৈ নুঠে। যিবা কিছুসংখ্যক ছাত্ৰ-ছাত্ৰী পৰীক্ষাত অৱত্তীৰ্ণ হয় তেওঁলোকৰো আত্মবিশ্বাসৰ অভাৱ। অগাধ আত্মবিশ্বাস, মানসিক তথা বৌদ্ধিকভাৱে সম্পূৰ্ণৰূপে সাজু হৈ পৰীক্ষাত অৱত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ অভাৱ অসমত বাৰুকৈয়ে উপলব্ধি হয়।

ভাস্কৰজ্যোতি শৰ্মাই (১৯৯৯ চনৰ আই. এ. এচ. পোৱা অসমীয়া ছাত্ৰ) এটা সাক্ষাৎকাৰত কৈছে, "অসমত বিশেষকৈ পৰিৱেশৰ বাৰুকৈয়ে অভাৱ। অসমত বিশেষ অসুবিধা হ'ল ইয়াত প্ৰতিযোগী বন্ধুৰ সতে বিষয়বোৰ আলাপ-আলোচনা কৰাৰ সুবিধা নাই।" ('আমাৰ অসম' ২৯ জুন '৯৯) অসমত আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যাটো হৈছে ইয়াত প্ৰতিযোগী মনোভাবাপন্ন সংগীৰ অভাৱ যাৰ সতে পৰিৱেশ-পৰিস্থিতি, সমসাময়িক ঘটনাৱলী, কাকত-পত্ৰ ইত্যাদিৰ বিভিন্ন প্ৰয়োজনীয় তথ্য, সাধাৰণ জ্ঞান ইত্যাদি সম্বন্ধে বিস্তাৰিতভাৱে আলোচনা কৰিব পৰা যাব। পোনপটীয়াকৈ ইয়াত সমূহীয়া আলোচনা (Group Discussion) কৰিব পৰা বন্ধুৰ অভাৱ! প্ৰতিযোগিতামূলক পৰীক্ষাত সফল হ'বলৈ হ'লে বিভিন্ন সমস্যা, ঘটনা ইত্যাদিৰ ওপৰত Group Discussion ৰ জৰিয়তে আৰ্জিব পৰা বিভিন্ন জ্ঞান আৰু সেইবোৰ সমাধান কৰিব পৰা বুদ্ধি বা কৌশলগত জ্ঞান নিত্যান্তই আৱশ্যকীয়।

সফলতাৰ বাবে প্ৰয়োজনীয় ধৈৰ্য্য, অধ্যৱসায়, কঠোৰ পৰিশ্ৰম এটাও অসমৰ ছাত্ৰ-ছাত্ৰীৰ গাত পৰিলক্ষিত নহয়। একমাত্ৰ পৰীক্ষাত পাছ কৰাৰ নিমিত্তে পাঠ্যপুথি পঢ়াৰ বাহিৰে সাধাৰণ জ্ঞানৰ বাবে বাতৰি কাকত, আলোচনী, বাহিৰা কিতাপ আদি পঢ়া অসমৰ ছাত্ৰ-ছাত্ৰীক খুব কমেই দেখা যায়।

যি কি নহওঁক ফহিয়াই চালে আৰু বহুতো 'অভাৱ' ওলাই পৰিব যদিও এইখিনিতে 'অভাৱ'ৰ বিশ্লেষণ সামৰিছো। এনে 'অভাৱ'ৰ মাজতো 'সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত সফল হ'ব পাৰিম' মনোভাবাপন্ন ছাত্ৰ-ছাত্ৰী নথকা নহয়। এতিয়া আহে তেওঁলোকৰ বাবে প্ৰয়োজন কিহৰ ?

পোনতেই প্ৰয়োজন হ'ব এটা আত্মবিশ্বাসী মনোভাৱৰ। উপযুক্ত জ্ঞান, দক্ষতা, যুক্তিবাদী মনোভাৱ ও চিন্তা আদিৰ এক একত্ৰিত মনোভাৱেৰে নিজকে প্ৰস্তুত কৰি সম্পূৰ্ণ আত্মবিশ্বাসেৰে এই পৰীক্ষাত বহিলে অসফল হোৱাৰ প্ৰশ্নই উঠিব নোৱাৰে। তেনে কৰিবলৈ যাওঁতে —

(১) কাকত-পত্ৰ, আলোচনী, বিভিন্ন গ্ৰন্থ অধ্যয়নৰ জৰিয়তে নিজস্ব জ্ঞান আৰু সমসাময়িক ঘটনাৱলীৰ ওপৰত নিজৰ বুৎপত্তি বঢ়াব লাগিব।

(২) নিজকে শুদ্ধ আৰু যথাযথ ৰূপত প্ৰকাশ কৰিব পাৰিব লাগিব। তৰ্ক, বক্তৃতা, আলোচনা চক্ৰ ইত্যাদিত সক্ৰিয় অংশগ্ৰহণ কৰি সমাজত নিজকে প্ৰতিষ্ঠা কৰাৰ প্ৰচেষ্টা কৰিব লাগিব।

(৩) সভা-সমিতি অনুষ্ঠিত কৰি বা অংশগ্ৰহণ কৰি নেতৃত্বধৰ্মী গুণৰ বিকাশ সাধন কৰিব লাগিব। তৰ্ক প্ৰতিযোগিতা, বক্তৃতা প্ৰতিযোগিতা আদিত অংশ গ্ৰহণ কৰি নিজস্ব কথনশৈলীৰ বিকাশ সাধন কৰাটো উচিত। এইক্ষেত্ৰত আকস্মিক বক্তৃতাও বিশেষ সহায়ক।

(৪) নিজস্ব ৰুচি-অভিৰুচি, চাৰিত্ৰিক দৃঢ়তা, গঠনমূলক প্ৰবৃত্তিৰ বিকাশ ও প্ৰকাশৰ বাবে হবিল্লাৰ, সাংস্কৃতিক অনুষ্ঠান আদিৰ লগত সক্ৰিয়ভাৱে জড়িত থকা উচিত।

প্ৰয়োজন আৰু বহুতো আছে যদিও মাথোন প্ৰাথমিকখিনিহে দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ল। এইখিনিয়ে অকল সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত সফল হ'বৰ বাবে মাথো প্ৰয়োজনীয় সেয়া নহয়; এজন সম্পূৰ্ণ মানুহ (Perfect Man) হ'বৰ বাবেও এয়া কিছু আংশিক প্ৰচেষ্টা।

প্ৰতিযোগিতামূলক পৰীক্ষাত সফল নোহোৱাজনেও প্ৰকৃতাৰ্থত সাৰ্থকতা লাভ কৰে। কিয়নো এই পৰীক্ষাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰা ছাত্ৰ এজনে এজন স্বয়ংসম্পূৰ্ণ ব্যক্তিৰূপে সমাজত নিজকে প্ৰতিষ্ঠা কৰিবলৈ আত্মবিশ্বাস বা মানসিক দৃঢ়তাৰ প্ৰয়োজন সেয়া তেওঁৰ প্ৰস্তুতিৰ মাজেৰেই সম্পূৰ্ণ কৰে। তাৰোপৰি কিবা কাৰণত অসফল হলেও পুনৰ চেষ্টা কৰিলে আই. এ. এছ. পোৱাটো কোনো দুৰূহ কাম নহয়। "সৰ্বভাৰতীয় পৰ্য্যায়ৰ আমোলাতান্ত্ৰিক সেৱা সমূহত অসমৰ ছাত্ৰ-ছাত্ৰীৰ কৃতকাৰ্য্যতাৰ হাৰ একেবাৰে কম" এইটো হৈছে সঘনাই উত্থাপিত এটি অভিযোগ। কিন্তু হাতে কামে সফলতাৰ বাবে নিজকে প্ৰস্তুত কৰা ছাত্ৰ-ছাত্ৰী খুব কম পৰিলক্ষিত হয় আৰু সেয়া কৰিবৰ বাবে উপযুক্ত সময় আহি পৰিছে। মাত্ৰ চাৰিজন ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত কৃতকাৰ্য্য লাভ কৰাৰ লগে লগে সেয়া বাতৰিৰ শিৰোনামা (মাথোন অসমৰ বাতৰি কাকতৰহে) দখল কৰিলেই নহব, প্ৰতিবছৰে Competition Success Review, Competition Success Refresher আদি আলোচনীত অন্যান্য ভাৰতীয়ৰ লগতে অসমৰ ছাত্ৰ-ছাত্ৰীৰ নাম Civil Service পৰীক্ষাত কৃতকাৰ্য্যতা লাভ কৰা স্থানপ্ৰাপ্ত সকলৰ লগত প্ৰকাশ হ'ব লাগিব। সেয়া হ'বৰ বাবে I.A.S., I.P.S., I.F.S., I.E.S. ইত্যাদিৰ বাবে প্ৰত্যাশী সকলো ছাত্ৰ-ছাত্ৰীয়ে প্ৰস্তুতি আৰম্ভ কৰাটো উচিত। □

অতীত আমাৰ আৰু ভৱিষ্যতেও অতীতক আমাৰ কৰি ৰাখিবলৈ হ'লে বৰ্তমানক আমাৰ অধীনত ৰাখিব লাগিব — এমাৰ্টন

# চুটি গল্পৰ ইতিবৃত্ত

জ্যোতিপ্ৰসাদ কলিতা
২য় বাৰ্ষিক (কলা)

বিশ্ব সাহিত্যত কেতিয়াৰ পৰা আৰু কেনেকৈ চুটি গল্পই প্ৰতিষ্ঠা লাভ কৰিলে একে আষাৰে কোৱা টান । আনকি ইয়াৰ এটা সৰ্বজন স্বীকৃত সংজ্ঞা আজিলৈকে নিৰ্ণিত হোৱা নাই। সাহিত্যৰ এটি জনপ্ৰিয় অঙ্গৰূপে চুটিগল্পই বিভিন্ন দেশত বিভিন্ন প্ৰকাৰে বিকাশ লাভ কৰে ।

কোৱা হৈছে যে চুটি গল্প এবিধ সাহিত্য কলা হিচাপে এতিয়াও বিকাশশীল হৈয়ে আছে । সেই কাৰণেই এটা সুনিৰ্দিষ্ট সংজ্ঞা এতিয়ালৈকে উলিয়াব পৰা হোৱা নাই ।

গল্প বুলিলে আমি যিহকে বুজোঁ সেই শ্ৰেণীৰ লিখা সাহিত্যৰূপে ঊনবিংশ শতিকাৰ দ্বিতীয়-তৃতীয় দশকৰ পৰাহে উদ্ভৱ হ'বলৈ ধৰে । অষ্টাদশ শতিকাৰ শেষভাগত ইউৰোপত শিল্প বিপ্লৱ হয় ; প্ৰথমে ইংলেণ্ডত, তাৰ পিছত ফ্ৰান্স, জাৰ্মানী, হলেণ্ড, বেলজিয়াম আদি দেশতো নানান বৈজ্ঞানিক যন্ত্ৰপাতিৰ উদ্ভাৱনে চহৰৰ কল-কাৰখানাত কাম কৰিবলৈ গাঁওবিলাকৰ পৰা বনুৱাৰ সোঁত বৱলৈ ধৰে । বাষ্প চালিত যান-বাহনৰ সহায়ত সম্ভৱ হৈ উঠা সহজ যাতায়ত ব্যৱস্থাই মানুহৰ জীৱনযাত্ৰা অতি ক্ষিপ্ৰ কৰি তোলে । ১৯১৭ চনত ৰুচিয়াৰ সমাজ ব্যৱস্থাত যি আমূল পৰিবৰ্তনকাৰী বিপ্লৱ হৈছিল তাৰ মূলতো কল-কাৰখানাৰ সম্প্ৰসাৰণৰ ফলত হোৱা নিষ্পেষিত বনুৱাসকলৰ ক্ষোভ এটা প্ৰধান কাৰণ আছিল । জীৱনৰ এই গতিবেগৰ তীব্ৰতাৰ ফলত গল্পৰ নিচিনা চুটি কাহিনী কম সময়ত পঢ়ি সাহিত্য কলাৰ সোৱাদ লবলৈ মানুহৰ মন যোৱাটো সম্ভৱ । পুৰণি কালৰ পৰা কাব্য, নাটক, উপন্যাস আদিৰ যোগেদি পাঠকে যি কাল্পনিক কাহিনী জগতৰ সোৱাদ পাই আহিছিল তাক তাকৰীয় সময়ৰ বাবদ গল্পৰ যোগেদি লবলৈ বিচাৰিছিল । আজিও আমি ঘৰতে আজৰি সময়ত আলোচনী এখনৰ পাট লুটিয়াই গল্প সমন্বিতে চুটি চুটি প্ৰবন্ধবিলাক পঢ়ি পেলাওঁ, নাইবা বাছত, ৰে'লত গৈ থাকোতে তেনেকুৱা চুটি লেখা পঢ়ো । শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীয়ে লিখিছে কম সময়তে আৰু কম আয়াসতে ইয়াক আত্ব কৰি আনন্দ লাভ কৰাৰ সুবিধাও নিশ্চয় এটা, কিন্তু এইবোৰেই একমাত্ৰ কাৰণ নহয় । আধুনিক জীৱন যাত্ৰাৰ কৰ্মব্যস্ততাৰ মাজতে অলস অৱশ হৈ সময় কটোৱাৰ অভ্যাস সকলো লোকৰেই আছে । আনহাতে বহুতো সময় নষ্ট কৰি হলেও আমি আমোদ-প্ৰমোদ আনন্দ লাভৰ আশাত আন কামৰ কথা পাহৰি যাওঁ আৰু অবাবতে সময় গুচি গ'ল বুলিও পিছত আক্ষেপ নকৰো । গতিকে দীঘল কাব্য বা উপন্যাস নপঢ়ি অকল চুটিগল্পৰ পিনে সময়ৰ তাগিদাত মানুহ আকৃষ্ট হৈ পৰাৰ কথা সত্য হলেও সি আংশিক সত্যহে । গল্প কোৱা আৰু গল্প শুনাৰ প্ৰবৃত্তি মানুহৰ এক আদিম প্ৰবৃতি । নিজৰ জীৱনৰ সুখ-দুখৰ কাহিনী আনৰ আগত প্ৰকাশ কৰিলে মন পাতলে আনৰ সুখ-দুখৰ কাহিনী শুনিলেও অন্তৰত সহানুভূতি জাগে । চুটি গল্পই জনপ্ৰিয়তা লাভ কৰা আৰু কাৰণ আছে । (১) উপন্যাস কাহিনী কলাৰূপে বিকাশ লাভ কৰি চৰম বিন্দু পায়গৈ ১৮ শ শতিকাৰ শেষ ভাগতহে। গতিকে এটা নতুন কাহিনী কলাৰূপে উদ্ভৱ হ'বলৈ এই যুগত গল্প সাহিত্যৰ সময় লাগিল, যি সময় ১৯শ শতিকাৰ প্ৰথমৰ কেইদশকতহে উপস্থিত হ'ল । (২) ১৯ শতিকাৰ ৰোমাণ্টিক আন্দোলনে সাহিত্যৰ নানান দিশত ন ন অভিযান চলায় । চুটি গল্প উদ্ভাৱনো তাৰেই এটা অংগ মাথোন। (৩) আলোচনী বিলাক এই সময়ৰ পৰা চুটি গল্পৰ প্ৰধান প্ৰকাশ মাধ্যম হৈ উঠে। অসমত 'আৱাহন' আৰু 'বামধেনু' আলোচনীয়ে অগা পিছা দুটা বিশিষ্ট যুগৰ গল্প সাহিত্যৰ বিকাশত বৰঙণি যোগাইছিল ।

চুটি গল্প মূলত এটা সাধুকথা । গল্পৰ ভিতৰত কাহিনীভাগৰ মূল্য যথেষ্ট । কোনো এটা গল্প পঢ়িলে সৰহভাগ পাঠকৰ মনত এটা উৎকণ্ঠা জাগে । এই উৎকণ্ঠা ঘটনাৰ পৰিণতি জনাৰ উৎকণ্ঠা । কিন্তু কোনো এটা ঘটনা পৰিণতিৰ পিনে আগুৱাই নিব লাগিলে তাক দ্বন্দৰ মাজেদিহে নিব পৰা যায় । সেই দ্বন্দ দুবিধ — অৰ্ন্তদ্বন্দ আৰু বৰ্হিদ্বন্দ । কোনো চৰিত্ৰৰ মনত দুই কৰ্তব্য বা কৰ্তব্য-অকৰ্তব্যৰ বিচাৰৰ মাজেদি যি দ্বন্দ উপস্থিত হয় সেইটোৱেই অৰ্ন্তদ্বন্দ । আনহাতে কোনো এটা চৰিত্ৰৰ আন এটা চৰিত্ৰৰ লগত স্বাৰ্থৰ সংঘাত পৰিস্ফুট হলে সেই দ্বন্দ বহিৰ্দ্বন্দ । গল্প সুসংগঠিত কলা । ইয়াৰ যোগেদি কোনো এটা কেন্দ্ৰীভূত ভাৱ প্ৰকাশ কৰা হয় ।

ঊনবিংশ শতিকাৰ আৰম্ভতে পাশ্চাত্য সাহিত্যত চুটি গল্পই এটা বিশিষ্ট সাহিত্য কলাৰূপে গঢ় লবলৈ ধৰে । ৰিপভান উইঙ্কলৰ লেখক ৱাছিংটন আৰ্ভিবে ১৮১৯-২০ চনৰ পৰা গল্প প্ৰকাশ কৰিবলৈ আৰম্ভ কৰে। তেওঁৰ এই গল্পটো হেনো আমেৰিকাৰ পোন প্ৰথম চুটি গল্প । অমেৰিকা যুক্তৰাষ্ট্ৰতে ১৮৩২ চনত 'নেথেনিয়েল হমন' আৰু 'এদগাৰ এলেন পো' ৰ গল্প বিলাক ওলাবলৈ ধৰে । প্ৰায় একে সময়তে ইপিনে এচিয়াত আলেকজেণ্ডাৰ পুস্কিন আৰু নিকোলাই গগলে নাটক আৰু উপন্যাস লিখাৰে পৰা কিছু আজৰি লৈ গল্প লিখাত মনোনিৱেশ কৰে । সেইদৰে ফ্ৰান্স, জাৰ্মানী আদি দেশতো বিভিন্ন লেখকে গল্প লিখিব আৰম্ভ কৰে।

ঊনবিংশ শতিকাত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত আধুনিক অসমীয়া চুটিগল্পৰ জন্ম হয় । এইবিধ সাহিত্যত হাত ফুৰোৱাৰ আগে আগে বেজবৰুৱাদেৱে সমাজত প্ৰচলিত মৌলিক সাধুকথা কেতবোৰ গ্ৰন্থৰ আকাৰত লিপিবদ্ধ কৰিছিল । সেইবাবেই তেওঁৰ চুটিগল্পৰ আৰ্ট আৰু অঙ্গিকত কোনো ক্ষেত্ৰত সাধুকথাৰ ভঙ্গী সোমাই পৰা দেখা যায় । তথাপিতো অসমীয়া সাহিত্যত চুটিগল্পৰ জন্মদাতা বুলিলেই বেজবৰুৱা ডাঙৰীয়া বুৰঞ্জীত এক বিশেষ স্থানৰ অধিকাৰী হৈ ৰব ।

বেজবৰুৱাদেৱৰ গল্পত আঙ্গিকৰ বৈচিত্ৰৰ সহায়ত সৃষ্টিতকৈ সমাজ সংস্কাৰৰ স্পৃহাই অধিক প্ৰৱল হৈ পৰা দেখা যায় । তথাপিও বেজবৰুৱাৰ সৰহভাগ গল্পই সুখপাঠ্য হোৱাৰ প্ৰধান কাৰণ হ'ল সমসাময়িক সমাজৰ বৰ্ণাঢ্য ৰূপ চিত্ৰণ আৰু তেওঁৰ অনুকৰণীয় ৰচনা ভঙ্গী ।

ব্যস্ততাই আনন্দ দান কৰে —— গেলেন

চুটি গল্প লেখাৰ কিছুমান নিয়ম ঃ

আকাৰত চুটি হ'লেই চুটি গল্প নহয়। ইয়াত মানৱ সমাজৰ সম্পূৰ্ণ জীৱন-দৰ্শন ফুটি উঠিব নোৱাৰে। কিয়নো জীৱনৰ এটা মুহূৰ্ত্তৰ কথাহে চুটি গল্পত বৰ্ণিত হয়। আকাৰত চুটি হোৱাৰ বাবেই ইয়াৰ এটা নিৰ্দিষ্ট পৰিসৰৰ ভিতৰতে ৰসপূৰ্ণ বিশ্লেষণৰ মাজেৰে চুটি গল্পৰ মহত্ত্ব প্ৰকাশিত হয়। জীৱনৰ এটা বিশেষ ঘটনাকে কলাসুলভ দৃষ্টিৰে ৰূপদান কৰিব লাগে। সেই কাৰণে ইয়াত বহু ঘটনা, অনাৱশ্যক কথা চৰিত্ৰ অপ্ৰয়োজনীয় ভাষাশৈলী আদি বাদ দি এক আবেগপূৰ্ণ মুহূৰ্ত্ত বাচি লব লাগে য'ত ৰসস্বাদ পোৱা যায়।

নাটক এখনত যেনেকৈ আকস্মিক সংলাপৰ জৰিয়তে নাট্য কাহিনী আৰম্ভ কৰে চুটি গল্পতো আৰম্ভণি আৰু পৰিসমাপ্তি নাটকীয় ৰূপত হোৱা বাঞ্ছনীয়। পঢ়ুৱৈৰ মনত যাতে কৌতূহলৰ সৃষ্টি হয় তাৰ প্ৰতি সদায় চুটিগল্প লিখোতে সজাগ থাকিব লাগে। এই বিষয়ে গল্পকাৰ অনভিজ্ঞ হ'ব নালাগিব। গল্প লিখোতেই সদায়ে কাহিনী গঠনৰীতি চৰিত্ৰ সৃষ্টি কথোপকথন, পৰিৱেশ সৃষ্টি, ৰচনাৰীতি আদিৰ প্ৰতি সচেতন হোৱা বাঞ্ছনীয়।

চুটিগল্পৰ বিষয়বস্তু নিৰ্দিষ্ট পৰিসৰৰ মাজত ৰাখি বিচিত্ৰ প্ৰকাশভঙ্গী আগবঢ়োৱা আৱশ্যক। পাঠকৰ হৃদয় সহজে আলোড়িত কৰিব পৰা প্ৰকাশভঙ্গীয়ে গল্পৰ সৌষ্ঠৱ বঢ়ায়। আনহাতে অবাস্তৱ কথাশৈলীয়ে যাতে গল্পৰ ৰস ভঙ্গ কৰিব নোৱাৰে তাৰ প্ৰতিও গল্পকাৰে নজৰ দিব লাগে। বিষয়বস্তু ৰচনাত স্থান কাল ঘটনাৰ ঐক্য মানি চলিব লাগে। স্পষ্ট গতিশীল কথোপকথনে চৰিত্ৰ সৃষ্টিত অবিহণা যোগায়। গল্পকাৰে অলংকাৰ প্ৰয়োগ, ভাষা প্ৰয়োগ আদিলৈও নজৰ দিব লাগিব।

থোৰতে কবলৈ গ'লে চুটি গল্পই মানৱ জীৱনৰ গভীৰতম স্থানলৈ প্ৰৱেশ নকৰি এটা মুহূৰ্ত্তত ফুটি উঠা জীৱনৰ বিভিন্ন ঘটনাৰাজি বিশ্লেষণ কৰে। সাৰ্থক চুটিগল্প হবলৈ হ'লে গল্পৰ উপাদান সমূহৰ লগতে জীৱনৰ খণ্ডৰূপ যেতিয়া ভাৱবিন্যাস ভাবে প্ৰকাশিত হ'ব তেতিয়া তাক এটা উপযুক্ত চুটিগল্প বুলি ক'ব পৰা যায়। (সহায় লৈ) ☐

# দূৰদৰ্শন কাৰ্য্যসূচী প্ৰচাৰ আৰু গ্ৰহণৰ কৌশল

বিবূলু ডেকা

স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)

.......... একৈশ শতিকাৰ দুৱাৰদলি গৰকাৰ সময়ত বিজ্ঞানৰ যিবোৰ আৱিষ্কাৰে মানৱ সভ্যতাক অগ্ৰগতিৰ চূড়ান্ত শিখৰত আৰোহণ কৰাত সহায় কৰিছে সেইবোৰৰ ভিতৰত দূৰদৰ্শন বা টেলিভিছন অন্যতম। দৰাচলতে ইণ্টাৰনেটৰ দৰে যোগাযোগৰ যি চমকপ্ৰদ মাধ্যমৰ উদ্ভাৱন হৈছে, যাৰ জৰিয়তে পৃথিৱীৰ ইটো মূৰৰ পৰা সিটো মূৰলৈ মুহূৰ্ত্তৰ ভিতৰতে যোগাযোগ কৰা সম্ভৱ। তেনে প্ৰযুক্তিবিদ্যা মূলতঃ এই দূৰদৰ্শন প্ৰযুক্তিৰ উন্নত সংস্কৰণহে। বৰ্তমান সময়ত দূৰদৰ্শন আটাইতকৈ সহজলভ্য আৰু বহুলভাৱে ব্যৱহৃত দৃশ্যমান যোগাযোগৰ মাধ্যম। ১৯২৩ চনত যেতিয়া জন লেগী বেয়াৰ্ডে নিজৰ সৰুঘৰটোৰ এটা কোঠালিৰ পৰা আন এটা কোঠালৈ দূৰদৰ্শনৰ প্ৰথম কাৰ্যসূচী প্ৰেৰণ কৰিছিল তেতিয়া হয়তো তেখেতও ভাবিব পৰা নাছিল যে পৃথিৱীৰ যোগাযোগ ব্যৱস্থাত তেখেতৰ আৱিষ্কৃত দূৰদৰ্শনে এনে বিশাল ভূমিকা গ্ৰহণ কৰিব পাৰিব। বৰ্তমান সময়ত আমি দূৰদৰ্শনবিহীন সমাজ এখনৰ কথা সপোনতো কল্পনা কৰিব নোৱাৰো। সমগ্ৰ পৃথিৱী জুৰি দূৰদৰ্শনৰ কাৰ্য্যসূচী প্ৰচাৰিত হয় আৰু পৃথিৱীৰ এটা মূৰত সংঘটিত ঘটনা এটা আন এটা মূৰত থাকি প্ৰত্যক্ষ কৰা সম্ভৱ এই দূৰদৰ্শনৰ জৰিয়তে। জন বেয়াৰ্ডে প্ৰথমতে যি দূৰদৰ্শন সৰঞ্জাম (Television arrangment) প্ৰস্তুত কৰিছিল তাৰ বহুল উন্নতি সাধন হৈছে আৰু বহুতো নতুন নতুন প্ৰযুক্তিবিদ্যাৰ কৌশল প্ৰয়োগ কৰা হৈছে ইয়াক উন্নত কৰাৰ বাবে। এই প্ৰবন্ধত দূৰদৰ্শন সম্প্ৰচাৰ আৰু গ্ৰহণ কৌশলৰ বিষয়ে চমুকৈ আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

দূৰদৰ্শনত ফটো বা শব্দক প্ৰেৰণ কৰিবলৈ হ'লে প্ৰথমতে ইয়াক বিদ্যুৎ চুম্বক তৰংগলৈ (Electro magnetic wave) ৰূপান্তৰিত কৰিব লাগিব, কিয়নো ফটো বা শব্দক শূন্য বাধাৰ মাজেৰে ফটো আৰু শব্দ হিচাপে দূৰলৈ প্ৰেৰণ কৰা সম্ভৱ নহয়। এইখিনিতে উল্লেখযোগ্য কথাটো হ'ল শব্দক কেইটামান যান্ত্ৰিক প্ৰক্ৰিয়াৰ মাজেৰে পঠিয়াই যিমান সহজে বিদ্যুৎ চুম্বক তৰংগলৈ ৰূপান্তৰিত কৰিব পাৰি, সম্পূৰ্ণ ছবি বা ফটো এটাক একেলগে সিমান সহজে পৰিবৰ্তন কৰিব নোৱাৰি। ফটোক বিদ্যুৎচুম্বক তৰংগলৈ পৰিবৰ্তন কৰা ব্যৱস্থাটোক স্কেনিং (Scanning) বোলা হয়। এই স্কেনিং প্ৰক্ৰিয়াত ছবিটোক ওপৰৰ পৰা তললৈ বহুতো সৰু সৰু টুকুৰা কৰি এটাৰ পাচত এটা টুকুৰাক বিদ্যুৎ তৰংগলৈ পৰিবৰ্তন কৰা হয়। এই পৰিবৰ্তন প্ৰক্ৰিয়াটো পোহৰ বৈদ্যুতিক কোষত কৰা হয়। এই স্কেনিং প্ৰক্ৰিয়াটোক কিতাপ পঢ়াৰ লগত বিজাৰ পাৰি। কিতাপ পঢ়োতে আমি বাওঁফালৰ পৰা সোঁফাললৈ ক্ৰমে পঢ়ি আহো, তাৰ গাতে আকৌ তলৰ শাৰীটো পুনৰ বাওঁফালৰ পৰা আৰম্ভ কৰোঁ। একেদৰে স্কেনিং কৰোতে ছবিটোক ওপৰৰ বাওঁফালৰপৰা সোঁফালে একে লাইনত সৰু সৰু অংশত ভাগ কৰি এটাৰ পিছত এটা অংশ পোহৰ বৈদ্যুতিক কোষত (Photo electric cell) পেলোৱা হয়। এই পোহৰ বৈদ্যুতিক কোষ এনে এটা সৰঞ্জাম য'ত পোহৰ পৰিলে বৈদ্যুতিক সোঁত বা কাৰেণ্ট সৃষ্টি হয়। আৰু দূৰদৰ্শনত ফটোতো বৈদ্যুতিক তৰংগলৈ ৰূপান্তৰিত হয়। এই কামটো বৰ দ্ৰুতভাৱে সম্পাদন কৰা হয় আৰু প্ৰতিছেকেণ্ডত প্ৰায় বাৰ এনেকুৱা

আন সুখী কৰাই হৈছে নিজে সুখী হোৱাৰ একমাত্ৰ পথ —— মেক্সিম গৰ্কী

সম্পূৰ্ণ ছবি স্কেনিং কৰা হয়। পাছত এই বৈদ্যুতিক তৰংগক প্ৰেৰক যন্ত্ৰৰ দ্বাৰা প্ৰেৰণ কৰা হয়। একে সময়তে সেই ফটোৰ লগত সংশ্লিষ্ট শব্দটোকো বৈদ্যুতিক তৰংগলৈ ৰূপান্তৰিত কৰি প্ৰেৰণ কৰা হয়। পোহৰ বৈদ্যুতিক কোষত সৃষ্টি হোৱা বৈদ্যুতিক সোঁতৰ পৰিমাণ নিৰ্ভৰ কৰে পোহৰৰ উজ্জ্বলতাৰ ওপৰত। উজ্জ্বলতা বৃদ্ধি হ'লে এই সৰঞ্জামত বৈদ্যুতিক সোঁত বৃদ্ধি পায়। সাধাৰণতে যিকোনো ফটোত বিভিন্ন ৰং থাকে ; এই সকলোবোৰ ৰঙৰে উজ্জ্বলতা বেলেগ বেলেগ, সেইবাবে ইয়াৰপৰা নিৰ্গত হোৱা বৈদ্যুতিক সোঁতৰ পৰিমাণ একোটা ছবিৰ বাবেই কম বেছি হ'ব। এনে তাৰতম্যৰ বাবেই আমি গ্ৰাহক যন্ত্ৰত ৰঙৰ পাৰ্থক্য ধৰিব পাৰো। এতিয়া এনেদৰে সৃষ্টি হোৱা তৰংগক প্ৰেৰক যন্ত্ৰৰ দ্বাৰা প্ৰেৰণ কৰা হয়।

দূৰদৰ্শন কেন্দ্ৰৰ পৰা অহা বৈদ্যুতিক চুম্বক তৰংগ প্ৰথমতে গ্ৰাহক যন্ত্ৰৰ এণ্টেনালৈ আহে আৰু সেই এণ্টেনাত সংলগ্ন তাৰৰ জৰিয়তে এই তৰংগ গ্ৰাহক যন্ত্ৰত প্ৰৱেশ কৰে। গ্ৰাহক যন্ত্ৰই এই তৰংগক গ্ৰহণ কৰে আৰু ভিডিঅ' আই এফ (video IF) নামৰ পৰ্য্যায়ত শব্দ আৰু ছবিক দুই ভাগত ভগাই লয়। শব্দ তৰংগ পৰিবৰ্দ্ধক ( amplifier) যন্ত্ৰৰ সহায়ত লাউডস্পিকাৰলৈ পঠাই দিয়া হয় আৰু তাত শব্দবোৰ শুনিবলৈ পোৱা যায়। শব্দৰদৰে ফটো সৃষ্টি কৰা প্ৰক্ৰিয়াটো সৰল নহয়। এই ফটোক প্ৰথমতে গ্ৰাহক যন্ত্ৰৰ ভিতৰতে আৰু শক্তিশালী কৰি লৈ পিকচাৰ টিউবৰ কেথডলৈ পঠিয়াই দিয়া হয়। এতিয়া বৈদ্যুতিক শক্তি চালিত কৰি কেথডক উত্তপ্ত কৰা হয়। ইয়াৰ ফলত কেথডৰ পৰা ইলেক্ট্ৰনৰ সূক্ষ্ম ৰশ্মিৰেখা এটা নিৰ্গত হয়। এই ৰশ্মিৰেখাক পিকচাৰ টিউবৰ পৰ্দাত থকা প্ৰতিপ্ৰভ (Fluorescence) পদাৰ্থৰ বৈদ্যুতিক কোষৰ ধৰ্মৰ বিপৰীত বুলি ধৰিব পাৰি। অৰ্থাৎ পোহৰ বৈদ্যুতিক কোষত পোহৰ পৰিলে বৈদ্যুতিক সোঁতৰ সৃষ্টি হোৱাৰ বিপৰীতে প্ৰতিপ্ৰভ পদাৰ্থত বৈদ্যুতিক সোঁত পৰিলে পোহৰৰ সৃষ্টি হয়। কেথডৰ পৰা নিৰ্গত হোৱা ৰশ্মিৰেখা প্ৰতিপ্ৰভ পদাৰ্থৰ ওপৰত পৰাৰ ফলত পৰ্দাখনত পোহৰ দেখা যায়। কেথডৰ পৰা নিৰ্গত ইলেক্ট্ৰনৰ ৰশ্মিৰেখাক বৈদ্যুতিক চুম্বকৰ দ্বাৰা পিকচাৰ টিউবৰ পৰ্দাৰ ওপৰত বাওঁফালৰ পৰা সোঁফাললৈ গতি কৰোৱা হয়। এই ৰশ্মি বাওঁফালে আহি অলপ তললৈ নামি সোঁফালে গতি কৰে। এইদৰে সম্পূৰ্ণ পৰ্দাখন উজ্জ্বল কৰি তোলা হয়। ফটোক বৈদ্যুতিক তৰংগলৈ ৰূপান্তৰিত কৰাৰ সময়ত ৰঙৰ প্ৰাৱল্যৰ বাবে যেনেদৰে সৃষ্টি হোৱা বৈদ্যুতিক সোঁতৰ পৰিমাণ কম বেছি হয়, সেইদৰে একে কাৰণতে পৰ্দাত সৃষ্টি হোৱা পোহৰৰ প্ৰাৱল্যৰ তাৰতম্য হয় আৰু আমি পৰ্দাত বেলেগ বেলেগ ৰং দেখিবলৈ পাওঁ।

অতি সৰলভাৱে দূৰদৰ্শন কাৰ্য্যসূচী প্ৰচাৰ আৰু গ্ৰহণৰ কৌশল এইখিনিয়েই যদিও বায়ুমণ্ডলৰ মাজেৰে এই বৈদ্যুতিক তৰংগ দূৰদৰ্শন কেন্দ্ৰৰ পৰা আমাৰ গ্ৰাহক যন্ত্ৰলৈ কেনেকৈ আহে তাক বিচাৰ নকৰিলে আমাৰ আলোচনা আধৰুৱা হৈ ৰ'ব। দূৰদৰ্শন প্ৰচাৰ কৰা হয় বিদ্যুৎ চুম্বক তৰংগ হিচাপে। দৃশ্যমান পোহৰো এবিধ বিদ্যুৎ চুম্বক তৰংগ, গতিকে পোহৰে দেখুৱা বিভিন্ন ধৰ্ম যেনে প্ৰতিফলন, প্ৰতিসৰণ আদি আন বিদ্যুৎ চুম্বক তৰংগইও দেখুৱাই, অৱশ্যে দুয়োৰে ক্ষেত্ৰত মাধ্যম বেলেগ বেলেগ হ'ব পাৰে। বিশেষভাৱে মনকৰিবলগীয়া যে কোনো তৰংগৰ শক্তি আৰু ভেদ কৰাৰ ক্ষমতা তৰংগৰ কম্পনাংক (Frequency) অৰ্থাৎ প্ৰতি ছেকেণ্ডত হোৱা কম্পনৰ মানৰ ওপৰত নিৰ্ভৰ কৰে। এই বিদ্যুৎচুম্বক তৰংগ বিভিন্ন কম্পনাংকৰ হ'ব পাৰে। যিবোৰ তৰংগ কম্পনাংকৰ মান বেছি সেইবোৰ তৰংগৰ বস্তুৰ মাজেদি ভেদ কৰি যোৱাৰ ক্ষমতাও বেছি।

পোহৰৰ দৰে ৰেডিঅ' বা দূৰদৰ্শন তৰংগও সৰল ৰৈখিক পথেৰে গতি কৰে। যিহেতু পৃথিৱীপৃষ্ঠ বক্ৰাকাৰ গতিকে এই তৰংগ প্ৰেৰক যন্ত্ৰৰ এণ্টেনাৰ পৰা সৰল ৰৈখিক পথেৰে কিছুদূৰ যোৱাৰ পিছত ভূ-সংযোগ হৈ যায়। ভূসংযোগ হোৱাৰ পাছত আৰু সেই তৰংগ আৰু আগবাঢ়ি যাব নোৱাৰে। দেখা গৈছে যে প্ৰায় ৩০০ মিটাৰ ওখ টাৱাৰৰ এণ্টেনাৰ সহায়ত দূৰদৰ্শনৰ বিদ্যুৎচুম্বক তৰংগ পোনপতীয়াভাৱে মাত্ৰ ৭০/৮০ কিল'মিটাৰ দূৰলৈহে প্ৰেৰণ কৰা সম্ভৱ। গতিকে দূৰলৈ এই তৰংগ প্ৰেৰণৰ বাবে প্ৰযুক্তি বিদ্যাৰ প্ৰয়োজন। আমাৰ পৃথিৱীৰ উপৰিভাগত প্ৰায় ১৫০ কিঃমিঃ ওপৰত আয়নমণ্ডল নামৰ এটা স্তৰ আছে। এই স্তৰটোৱে বিদ্যুৎচুম্বক তৰংগৰ প্ৰতিফলক হিচাপে কাম কৰে। ৫ মেগাহাৰ্টজৰ পৰা ৩০ মেগাহাৰ্টজ (10,00000 Hz = 1 MHz) কম্পনাংকৰ তৰংগবোৰ এই স্তৰটোৱে প্ৰতিফলিত কৰিব পাৰে, ৰেডিঅ' তৰংগবোৰ সীমাত পৰে যদিও দূৰদৰ্শন তৰংগবোৰৰ কম্পনাংক ইয়াতকৈ বহুত বেছি। সেয়ে দূৰদৰ্শন সম্প্ৰচাৰৰ বাবে ব্যৱহৃত বিদ্যুৎচুম্বক তৰংগই এই আয়নমণ্ডল ভেদ কৰি মহাকাশলৈ গুচি যায়। গতিকে আয়নমণ্ডলত এই তৰংগ প্ৰতিফলিত কৰি দূৰলৈ ছবি প্ৰেৰণ কৰা সম্ভৱ নহয়। আকৌ ৩০ মেগাহাৰ্টজতকৈ কম কম্পনাংকৰ তৰংগৰ দ্বাৰা ছবি প্ৰেৰণ কৰিলে ছবিৰ স্পষ্টতা নষ্ট হৈ যায়। গতিকে মহাকাশৰ পৰা দূৰদৰ্শন তৰংগ বা ছবি প্ৰতিফলিত কৰিবৰ বাবে মানুহে নিজে বিশেষ ধৰণৰ প্ৰতিফলক তৈয়াৰ কৰিবলগীয়া হৈছে। মানুহৰ দ্বাৰা নিৰ্মিত এই প্ৰতিফলকেই হৈছে কৃত্ৰিম উপগ্ৰহ (Artificial Satelite)। পৃথিৱীপৃষ্ঠৰ পৰা প্ৰায় ৩৫০০০ মাইল ওপৰত এনে কৃত্ৰিম উপগ্ৰহ স্থাপন কৰা হয়। দূৰদৰ্শন সম্প্ৰচাৰৰ বাবে ব্যৱহৃত কৃত্ৰিম উপগ্ৰহ ভূস্থৈতিক (Geostationary) হোৱা বাঞ্ছনীয়। এনে শ্ৰেণীৰ কৃত্ৰিম উপগ্ৰহবোৰে বিষুৱ ৰেখাৰ ওপৰত থাকি পৃথিৱীৰ আহ্নিক গতিৰ সমান বেগত পৃথিৱীৰ চাৰিওফালে ঘূৰি থাকে বাবে পৃথিৱী সাপেক্ষে ইহঁতক স্থিৰ যেন লাগে। দূৰদৰ্শন কেন্দ্ৰৰ পৰা প্ৰেৰণ কৰা তৰংগ এনে উপগ্ৰহই প্ৰতিফলিত কৰি পৃথিৱীৰ বিভিন্ন অংশলৈ প্ৰেৰণ কৰে। বিভিন্ন অঞ্চলত থকা গ্ৰাহক যন্ত্ৰই সেইবোৰ গ্ৰহণ কৰে আৰু বিভিন্ন যান্ত্ৰিক প্ৰক্ৰিয়াৰ ফলত টেলিভিচন পৰ্দাত আমি দৃশ্য দেখিবলৈ পাওঁ।

বিজ্ঞানৰ প্ৰতিটো কৌশল আৱিষ্কাৰ কৰিবলৈ যাওঁতে বিজ্ঞানীসকলে বহুতো কষ্ট স্বীকাৰ কৰিবলগীয়া হয়। সেয়ে বহুতৰ অক্লান্ত প্ৰচেষ্টাৰ ফলত সৃষ্টি হোৱা এনে সঁজুলিৰ যাতে অপপ্ৰয়োগ নহয়, সুপ্ৰয়োগহে হয় তাক নিশ্চিত কৰাতো প্ৰত্যেক মানৱৰে প্ৰাথমিক কৰ্তব্য। □

এজন মানুহ নিজে যিয়েই নহওঁক বা তেওঁ যি কামকেই নকৰক কিয় - এই কথা ঠিক যে প্ৰত্যেকজন মানুহেই ঘণ্টাত ৬০ মিনিট বেগেৰে ভৱিষ্যতৰ ফালে আগবাঢ়ি গৈ আছে।

— চি, এছ, লিউইছ

এজন মানুহৰ ভুলেই আন এজনৰ বাবে শিকনি — চেমুৱেল জনছন

# ক্ৰীড়া জগতত বিজ্ঞানৰ ভূমিকা

মহেশ শৰ্মা
স্নতাক ১ম বাৰ্ষিক

প্ৰাচীন কালৰ পৰা বৰ্তমানলৈকে খেল মানুহৰ অতি প্ৰিয়। এই খেল সমূহ হৈছে শৰীৰ চৰ্চা আৰু মনোৰঞ্জনৰ আহিলা। ইয়াৰ উপৰিও আধুনিক যুগৰ খেল সমূহৰ লগত জড়িত হৈ পৰিছে বৃহৎ ব্যৱসায়, জীৱিকা তথা দেশৰ সন্মানৰ কথা। খেল জগতত বিজ্ঞানৰ প্ৰভাৱ বহুদিনীয়া হ'লেও বিংশ শতিকাৰ সত্তৰৰ দশকৰ পৰাহে খেলক লৈ বিজ্ঞানীসকল ব্যস্ত হৈ পৰিছে। বিগত প্ৰায় তিনিটা দশকত বিজ্ঞানীসকলে খেলুৱৈসকলৰ বাবে বহুতো নতুন আৱিষ্কাৰ কৰিয়াই আনিছে। এটা সময়ত বিশেষ বিশেষ উত্তেজক দ্ৰব্য খাই খেলুৱৈসকলে দৈহিক তথা মানসিক ক্ষমতা বৃদ্ধি কৰিছিল। ফলত খেলাৰ পিছত খেলুৱৈসকলৰ শৰীৰত বিভিন্ন অঘটনে দেখা দিয়ে। কেতিয়াবা কেতিয়াবা ইয়াৰ বাবে মৃত্যুমুখী হোৱাও দেখা যায়। যিহেতু খেল জগতখন খেলুৱৈসকলৰ দৈহিক আৰু মানসিক ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰে, সেয়ে কিছুসংখ্যক খেলুৱৈয়ে বিশেষ বিশেষ ঔষধ খাই নিজৰ পাৰদৰ্শিতা দেখুৱাটো অযুক্তিৰ কথা। এনেবোৰ দিশলৈ লক্ষ্য ৰাখি গোটেই পৃথিৱীজুৰি 'ৰোপিং ড'পিং' বা উত্তেজক আৰু মানসিক ক্ষমতা বৃদ্ধিকাৰী' ঔষধ আইনযোগে বন্ধ কৰা হৈছে।

বিজ্ঞানীসকলৰ মতে শৰীৰটো এটা যন্ত্ৰ। গতিকে খেলত ব্যৱহাৰ কৰা অঙ্গ-প্ৰত্যঙ্গসমূহ একো একোটা যন্ত্ৰাংশ। বিভিন্ন ধৰণৰ খেলৰ বাবে শৰীৰৰ বিভিন্ন যন্ত্ৰাংশবোৰৰ ক্ষমতা বেলেগ হোৱা উচিত। এই বিশেষ বিশেষ অংগবোৰক যথেষ্ট সতেজ কৰি ৰাখিবৰ বাবে কেনেধৰণৰ খাদ্য বা কিমান পৰিমাণৰ খাদ্য খোৱা উচিত তাৰ ওপৰত বিজ্ঞানীসকলে যথেষ্ট গৱেষণা কৰিছে। শাৰীৰিক পটুতা বৃদ্ধিৰ বাবে কেনেধৰণৰ প্ৰশিক্ষণ দিয়া উচিত, সেই সম্পৰ্কেও যথেষ্ট গৱেষণা কৰা হৈছে। এনে গৱেষণাৰ বাবে ব্যৱহাৰ কৰা হৈছে কম্পিউটাৰ, ফটোগ্ৰাফিক, নিউক্লিয়াৰ মেগনেটিক ৰেজ'নেন্স (N.M.R.) ইত্যাদি। ফিল্মৰ সহায়ত অসংখ্য ছবি তুলি; সেই ছবিৰ ওপৰত নিৰ্ভৰ কৰি কম্পিউটাৰত খেলুৱৈসকলৰ অংগ সঞ্চালনক বিশ্লেষণ কৰা হয়। কম্পিউটাৰৰ সহায়ত বিজ্ঞানীসকলে গণনা কৰিব পৰা হৈছে, কেনে ধৰণৰ অঙ্গ সঞ্চালন কৰিলে শাৰীৰিক দক্ষতা বৃদ্ধি হয়। খেল জগতৰ গৱেষণাৰ লগত কেৱল ক্ষত স্বাস্থ্যবিজ্ঞান, পুষ্টি বিজ্ঞান, কম্পিউটাৰ আদিয়ে জড়িত হৈ পৰা নাই; বৰং খেলজগতত প্ৰৱেশ কৰিছে মনোবিজ্ঞানৰ। ৰাইফল শ্যুটাৰসকলৰ সমস্যাক লৈ বিখ্যাত মনোবিজ্ঞানী ডঃ ডেনিয়েল লেণ্ডাৰে'ই এলানি গৱেষণা চলাইছে।

খেল জগতৰ সকলোতকৈ ডাঙৰ সমস্যা হৈছে ক্লান্তি। কেতিয়াবা দেখা যায় যে এজন দৌৰবিদে খুব সুন্দৰভাৱে দৌৰি আছে, কিন্তু হঠাতে ক্লান্ত হৈ খেল পথাৰতে বাগৰি পৰে। সেই মুহূৰ্ত্তত দৌৰবিদজনে অনুভৱ কৰে, তেওঁৰ যেন সকলো শক্তি শেষ হৈ গ'ল। খেলজগতত এনে উদাহৰণ যথেষ্ট পোৱা যায়। জীৱ ৰসায়ন বিভাগৰ গৱেষক 'ডঃ এৰিক নিউজহোম' আৰু অধ্যাপক 'ডঃ টনিলীচ' ৰ মতে, খেলুৱৈজনৰ ধাৰণা সম্পূৰ্ণ সত্য নহয়। ক্লান্তিত খেলুৱৈজন খেল পথাৰত বাগৰি পৰে যদিও তেওঁৰ ৰক্তসঞ্চালন, শ্বাসকাৰ্য্য, মগজুৰ ক্ৰিয়া আদি কেতিয়াও বন্ধ নহয়। এইবোৰ ক্ৰিয়াৰ বাবেও যথেষ্ট পৰিমাণৰ শক্তিৰ দৰকাৰ। উল্লেখযোগ্য যে ক্লান্তিত বাগৰি পৰা খেলুৱৈজনে এঘণ্টামান জিৰণী লোৱাৰ পিছত তেওঁ প্ৰতিযোগিতাত ভাগ লব পৰাকৈ সুস্থ হৈ পৰে।

শৰীৰ বিজ্ঞানীসকলৰ মতে শৰীৰত সঞ্চিত শক্তিক যেতিয়া খেলুৱৈজনে ব্যৱহাৰ কৰিব নোৱাৰা হয় তেতিয়াই তেওঁ ক্লান্তি অনুভৱ কৰে। কেৱল মাত্ৰ শৰীৰৰ পেশীসমূহত এনে পৰিবৰ্তন হয় এনে ধাৰণা শুদ্ধ নহয়। বৰং মস্তিষ্কতো অস্বাভাৱিক পৰিবৰ্তন আহিব পাৰে। এনে অৱস্থাত ক্লান্তি খেলুৱৈজনৰ বাবে আশীৰ্বাদ স্বৰূপ হৈ পৰে। কেৱল খেলুৱৈ বুলিলে নহয়, যিকোনো মানুহৰ ক্ষেত্ৰতে ক্লান্তি হ'ল ৰক্ষা কৱচ। বহুতৰ ধাৰণা মতে, ক্লান্তি হ'ল শৰীৰৰ অসুস্থতাৰ লক্ষণ। আচলতে ক্লান্তি হ'ল জীৱৰ ওপৰত প্ৰকৃতিয়ে কৰা এক অনুশাসন।

বিজ্ঞানীসকলে গৱেণাৰ দ্বাৰা গম পাইছে যে খেলুৱৈসকলে হঠাৎ ক্লান্তি অনুভৱ কৰাৰ কাৰণ পাঁচটা। ইয়াৰ তিনিটা পেশী (সম্বন্ধীয়)। প্ৰথমতে, ক্লান্তি অনুভৱ কৰাৰ সময়ত খেলুৱৈসকলৰ পেশীত ফচফোক্ৰিয়েটিন (Phosphocreatine) নামৰ ৰাসায়নিক যৌগবিধ কমি যায়। এই যৌগবিধে হ্ৰস্বকালীন শক্তিৰ ভাণ্ডাৰ হিচাপে ক্ৰিয়া কৰে। দ্বিতীয়তে, পেশীসমূহত অতিৰিক্ত লেকটিক এছিড সঞ্চিত হয়। তৃতীয়তে, পেশীসমূহত গ্লাইকোজেন নামৰ এবিধ যৌগ দ্ৰুতভাৱে কমি যায়। ইয়াৰ উপৰিও মস্তিষ্কৰ সমস্যায়ো দেখা দিয়ে। ইয়াৰ প্ৰথম কথা হ'ল এনে অৱস্থাত মগজুলৈ সঞ্চাৰিত হোৱা ৰক্তত গ্লুকজৰ অভাৱ হয়। দ্বিতীয়তে, বিভিন্ন এমিন' এচিডৰ পৰিমানত পৰিবৰ্তন হ'ব। ফলত শাৰীৰিক আৰু মগজুৰ পৰিবৰ্তনে খেলুৱৈজনক ক্লান্ত কৰি তোলে।

সংকোচনশীল পেশীতন্ত্ৰৰ বাবে যিমান শক্তিৰ প্ৰয়োজন তাৰ বেছি অংশই আহে 'এমেনোচিন ট্ৰাইফছফেট' (A.T.P.) নামৰ ৰাসায়নিক যৌগৰ পৰা। কোষৰ ভিতৰত থকা এক ধৰণৰ জৈৱ কলা (Organells) মাইটোকনড্ৰিয়াই A.T.P. উৎপন্ন কৰে। সমস্যা হ'ল পেশীৰ মাজত খুব সামান্য পৰিমাণৰ A.T.P. সঞ্চিত থাকে। দ্ৰুত দৌৰবিদসকলৰ ক্ষেত্ৰত ই মাত্ৰ দুই ছেকেণ্ডমানৰ বাবেহে অক্ষুণ্ণ ৰাখিবৰ বাবে সঞ্চিত ইন্ধনখিনিৰ নিয়মিত জাৰণৰ প্ৰয়োজন।

সমগ্ৰ শৰীৰৰ ইন্ধন বুলিলে আমি দুই ধৰণৰ ৰাসায়নিক পদাৰ্থক বুজি পাওঁ। এবিধ হ'ল কাৰ্বহাইড্ৰেট আৰু অন্যবিধ হ'ল ফেট বা চৰ্বী। ইয়াক খুব স্পষ্ট ভাষাত ক'বলৈ গ'লে হ'ব গ্লাইকোজেন আৰু ট্ৰাইগ্লি ৰাইৰ্ড। গৱেষণাৰ দ্বাৰা গমপোৱা গৈছে যে এজন পূৰ্ণবয়স্ক ব্যক্তিৰ সঞ্চিত হৈ থকা গ্লাইকোজেনৰ পৰিমাণ ৩৫০ গ্ৰাম। দৌৰবিদসকলৰ ইন্ধন হিচাপে গ্লাইকোজেন অত্যন্ত গুৰুত্বপূৰ্ণ। গৱেষণাৰপৰা দেখা গৈছে যে এজন পূৰ্ণ বয়স্ক ব্যক্তিৰ মগজুৰ কোষকলাৰ বাবে প্ৰতিঘণ্টাত আৱশ্যক হয় ৫ গ্ৰাম গ্লুক'জৰ।

জ্ঞানৰ নিচিনা পৱিত্ৰ আন একো নাই —— ভগৱান শ্ৰীকৃষ্ণক

মাবাথান দৌৰবিদসকলৰ ক্ষেত্ৰত দেখা যায় যে শৰীৰৰ শক্তিৰ এই বিশেষ উৎসবিধ (গ্লুক'জ) দ্ৰুতভাৱে কমি যোৱাৰ বাবে মগজুৰে সজীৱতা হেৰুৱাই পেলায়। ফলত শৰীৰ আৰু মন দুয়ো অৱসাদ আৰু ক্লান্ত হয়।

আগেয়ে উল্লেখ কৰা হৈছে যে আমাৰ পেশীকোষত ফছফোক্ৰিটিক নামৰ এবিধ ৰাসায়নিক যৌগ সঞ্চিত হৈ থাকে। দৌৰবিদসকলৰ শৰীৰ পৰীক্ষা কৰি দেখা গৈছে যে গ্লাইকোজেনৰ পৰা সংগ্ৰহ কৰা গ্লুক'জ আৰু ফছফোক্ৰিটিন যদি যথোপযুক্ত হিচাপে সক্ৰিয় হৈ থাকে, তেন্তে A.T.P. ৰ সংশ্লেষণ চলে স্বাভাৱিকভাৱে। এনে অৱস্থাত ক্লান্তি হঠাৎ শৰীৰলৈ নামি অহাৰ সম্ভাৱনা কমি যায়।

খেলুৱৈসকলৰ পেশীত জমা হোৱা অতিৰিক্ত লেকটিক এচিডৰ কথালৈও বিজ্ঞানীসকলে গভীৰভাৱে চিন্তা কৰিছে। কাৰণ অতিৰিক্ত লেকটিক এচিডৰ সঞ্চয়ে শৰীৰক সহজে ক্লান্ত কৰে। শৰীৰৰ বিপাকীয় ক্ৰিয়া-কৰ্ম চলোৱাত সহায় কৰে নানা ধৰণৰ 'এনজাইমে'। এনজাইমবোৰ হ'ল এক শ্ৰেণীৰ প্ৰটিন যৌগ। অতিৰিক্ত লেকটিক এচিড বিভিন্ন ধৰণৰ এনজাইমৰ স্বাভাৱিক ক্ৰিয়-কলাপক বাধা দিয়ে। ইয়াৰ ফলত দেহলৈ নামি আহে ক্লান্তি। খেলৰ মাজে মাজে সামান্য পৰিমাণৰ 'ছডিয়াম বাই কাৰ্বনেট' ৰ দ্ৰৱন খালে এই সমস্যা বহু পৰিমাণে শাম কাটে। কাৰণ ছডিয়াম বাই কাৰ্বানেটে এচিডৰ অম্লত্বক নষ্ট কৰে।

ওপৰত উল্লেখ কৰা আলোচনাৰপৰা দেখা যায় যে আধুনিক যুগত খেলজগতৰ ভিতৰত বিজ্ঞানৰ দ্ৰুত প্ৰৱেশ ঘটিছে বা বিজ্ঞানৰ ভূমিকা অপৰিসীম হৈ পৰিছে। বিজ্ঞানৰ খেলজগতৰ লগত ইমান দ্ৰুতগতিত প্ৰৱেশ কৰাক লৈ লক্ষ্য কৰিলে এনে লাগে যে অদূৰ ভৱিষ্যতে হয়তো খেল জগতত প্ৰশিক্ষকসকলৰ ভূমিকা গৌণ হৈ পৰিব আৰু তাৰ পৰিৱৰ্তে মুখ্য ভূমিকা লব বিজ্ঞানীসকলে।

(বিঃদ্ৰঃ - প্ৰবন্ধটি লিখোতে 'খেল' ৰ ওপৰত লিখিত বিভিন্ন লিখনিৰ সহায় লোৱা হৈছে। বিশেষকৈ 'আমাৰ অসম' কাকতৰ এটি লিখনিৰপৰা সহায় লোৱা হৈছে।)

# লোকউৎসৱ ঃ সুৱাগুৰি তোলা

মিতালী শইকীয়া
স্নাতক ৩য় বৰ্ষ (কলা)

জন্ম, মৃত্যু, বিবাহ মানৱ জীৱনৰ তিনিটা অধ্যায়। জন্ম হ'লে এদিন মৃত্যু হবই সেইটো চিৰন্তন, অৱশ্যে বিবাহ নহবও পাৰে। বিবাহ মানৱ জীৱনৰ এক চিৰস্মৰণীয় মুহূৰ্ত্ত। আমাৰ দেশত পুৰুষ বা মহিলাই এবাৰেই বা এজনকেই বিয়া কৰাব পাৰে। পৃথিৱীৰ আন আন দেশত ইয়াৰ ওলোটাটোহে দেখা যায়। অৰ্থাৎ তেওঁলোকে বহুবিবাহ কৰাব পাৰে। সেই দেশৰ মহিলাই বিবাহৰ আগতে কোনো পুৰুষৰ লগত মিলন হলেও একো অসুবিধাৰ সন্মুখীন নহয়। আমাৰ দেশত কিন্তু এজনী ছোৱালীয়ে সতীত্ব হেৰুৱাৰ পিছত বিয়া হোৱাটো বাদেই লোকচক্ষুত ঘৃণাৰ পাত্ৰ হ'ব লগা হয়। অসমীয়া সমাজৰ মতে বিবাহ এক পবিত্ৰ বস্তু, যাক জীৱনত এবাৰেই লাভ কৰিব পাৰি।

বিয়া অসমীয়া সমাজৰ প্ৰাণময় উৎসৱ। বিবাহৰ যোগেদি দুটি অচিনাকী আত্মাৰ মিলন হয়। এই বিবাহত বহুতো লোকাচাৰ ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। জাতি-উপজাতি, জনজাতিৰ মাজত ভিন ভিন ৰীতি-নীতি প্ৰচলন আছে। সম্প্ৰদায় বিশেষে বৈবাহিক পদ্ধতি বেলেগ বেলেগ।

অসমীয়া সমাজতে বিবাহৰ দিনা দৰা-কইনা উভয়ৰ ঘৰতেই 'সুৱাগ তোলা' নামৰ এটি প্ৰথা পালন কৰা হয়। 'পানী তোলা' অনুষ্ঠানৰ দৰে 'সুৱাগ তোলা' অনুষ্ঠান আয়তীসকলে দল বান্ধি সন্ধিয়া সময়ছোৱাত সমাপন কৰে। দৰা বা কইনাক কলগছৰ তলত গা ধুওৱাৰ পিছত ৰভাৰ তলত বহুৱাই থৈ সুৱাগ জাৰিবলৈ যায়। এই 'সুৱাগ তোলা' পৰ্বটোত আয়তীসকলে এখন কুলাত আখৈ, পিঠাগুড়ি, চাৰিখন যুৰীয়া তামোল, ৰঙা, বগা আৰু ক'লা সুতা কেইডালমান, খৰিকা চাৰিডালমান এগছ চাকি, চাৰিটা লাড়ু, দুনড়িত চাউল, নোৱনী ঘটেৰে সৈতে কইনা বা দৰাৰ মাকক লৈ ৰাজহুৱা পুখুৰীলৈ যায়। লোক বিশ্বাস মতে পৰিয়ালৰ নিজৰ পুখুৰীত হেনো 'সুৱাগ জাৰিব নাপায়। আকৌ এখন থালত জ্বলন্ত সাতটা চাকি দুনড়ি আৰু এবাটি পানীও লগতে নিয়ে।

পুখুৰীৰ পাৰত আয়তী সকলে জুম বান্ধি বোকামাটিৰে কইনা হলে দৌল সজায় আৰু দৰা হলে পুখুৰী খন্দা নিয়ম। অকনমান দৌল আকৃতি কৰি চাৰিওফালে খৰিকা চাৰিডাল পুতি, প্ৰতিডাল খৰিকাৰ কাষে কাষে লাড়ু থুৰীয়া তামোল, চাউল, আখৈ আদি দিয়ে। চাকি গছ জ্বলাই নোৱনী ঘটৰ পানী তাৰ কাষে কাষে অলপ অলপ দি দৌলটোৰ ওপৰত ঘটটো বহুৱাই দিয়ে। প্ৰতিটো কাম কৰাৰ লগে লগে আয়তী সকলে উৰুলিৰে ঠাইখিনি ৰজনজনাই দিয়ে। কইনাৰ মাকে পূবফালে মুখ কৰি থিয় হৈ নিজৰ ভৰিৰ তলেৰে গোটেইখিনি বস্তু তিনিচোঁচাই পশ্চিমফালে পেলাই দিয়ে। আৰু চাকিটো ভৰিৰে লুটিয়াই দিয়ে। হাতযোৰ কৰি সেৱা জনাই এবুকু মান পানীত নামি যায় আৰু ডুব মাৰি মুখত এচলু পানী ভৰাই আনে। বিয়াঘৰ নোপোৱা পৰ্য্যন্ত সেই পানী পেলাব নোৱাৰি।

সেই সময়ত আয়তী সকলে এইদৰে গায় —

"পানী চল চল অ
"পানী চল চল অ
দ' ফালে নাযাবি থিয়ৈ যাবি তল ॥
প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপে সনাতন
সৰ্ব অৱতাৰ কাৰণ নাৰায়ণ ॥"

আয়তীসকলে আনন্দ মনে বিয়া ঘৰলৈ উভতি অহাৰ পিছত ৰভাৰ তলত বহি থকা দৰা বা কইনাৰ মূৰৰ ওপৰত এখন চাদৰ জাতীয় কাপোৰ দুজনে টানি ধৰে। দৰা বা কইনা ধুৱাওতা জনীয়ে কুলাখন মূৰত লৈ সাতবাৰ ঘূৰি এটি সোণৰ আঙঠি কাপোৰখনত দলিয়াই দিয়ে। দৰা বা কইনাক আশীৰ্বাদ জনাই সুৱাগ জাৰে। মুখত ভৰাই অনা পানীখিনি কইনা থকা ঘৰৰ কোঠালিটোৰ খুটাত পেলাই কইনাৰ কাণত 'সা' কৈ দিয়ে।

অসমীয়া সমাজত সুৱাগ তোলা পৰ্ব বিবাহ অনুষ্ঠানৰ এক অবিচ্ছেদ্য অংগ আৰু অসমীয়া সংস্কৃতিৰ অন্যতম বিবাহ অনুষ্ঠানত ইয়াৰ ভূমিকাও অপৰিহাৰ্য্য। ☐

উৎকৃষ্ট শব্দৰ সুবিন্যাসেই কবিতা —— কলেৰিজ

# মানৱ জীৱনত কিতাপৰ অৱদান

কুন্তিলা ডেকা
স্নাতক ৩য় বৰ্ষ (কলা)

কিতাপ মানৱ জীৱনৰ বিকাশৰ ক্ষেত্ৰত আটাইতকৈ শক্তিশালী আহিলা। বিশ্বৰ মানৱ সভ্যতাৰ পাত লুটিয়ালে এই কথা নিশ্চিত ভাৱে ক'ব পাৰি যে কিতাপে যুগৰ পিছত যুগ ধৰি মানৱ জাতিক আন্ধাৰৰপৰা পোহৰলৈ অগ্ৰগতি লাভৰ সন্ধান দি আহিছে। কিতাপ মানৱ জাতিৰ সভ্যতাৰ অপূৰ্ব দান। সাম্প্ৰতিক কালত মানৱ জাতিৰ বৌদ্ধিক বিকাশত কিতাপে পূৰ্ণ অৱিহণা যোগাইছে। কিতাপে সমস্ত জগতৰ মানৱ জাতিৰ মনৰ মলিনতা আৰু কলুষতা মষিমূৰ কৰাত অতীৱ প্ৰভাৱ পেলাইছে। দেশ তথা জাতিৰ উন্নতিৰ মেৰুদণ্ড স্বৰূপ, শিক্ষাৰ বাস্তৱ ৰূপ সম্ভৱ হয় একমাত্ৰ কিতাপৰ দ্বাৰাহে। মানৱ জাতিৰ বিবেকৰ পৰিশোধন আৰু সংবৰ্দ্ধন ঘটোৱাত কিতাপ হ'ল মহিমাময়ী অমোঘ অস্ত্ৰ। কিতাপৰ উপযুক্ত ব্যৱহাৰৰ অবিহনে কোনো সভ্য জাতিয়ে মানৱতাৰ শিক্ষা আহৰণ কৰিব নোৱাৰে। কিতাপ শিশুৰ পৰা বৃদ্ধলৈ সকলো স্তৰৰ লোকৰ মানসিক উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত অন্তৰায়ৰ সৃষ্টি কৰা সমস্যাৰ সমাধান দিয়ে। এখন সুস্থ সমাজৰ প্ৰধান অঙ্গমানৱ সম্পদৰ পূৰ্ণ বিকাশ ঘটোৱাত কিতাপৰ প্ৰভাৱ অতুলনীয়।

সাম্প্ৰতিক দুৰ্য্যোগপূৰ্ণ কালত কিতাপৰ মাহাত্ম্য আৰু ক্ষমতাৰ বিষয়ে সকলো স্তৰৰ লোকক সকিয়াই দিয়া প্ৰয়োজন আহি পৰিছে। কাৰণ কিতাপৰ পাতে পাতে আছে সত্যৰ সন্ধান আৰু আত্মানুসন্ধানৰ মহাযন্ত্ৰ। কিতাপ মানৱ জাতিৰ মুক্তিকামী সত্বাক জাগ্ৰত কৰি মুক্তি পথত অগ্ৰসৰ কৰা একমাত্ৰ আহিলা। কিতাপেই মানৱক মহামানৱৰ শাৰীলৈ নি অমৰত্ব দান কৰিব পাৰে। বিশ্ব মানৱৰ পৰম হিত সাধনৰ কাৰণে কিতাপে সঞ্চিত কৰি ৰাখে জ্ঞান। এই জ্ঞান অমৰত্বৰ মহামন্ত্ৰ।

কিতাপে মানৱ জাতিক নতুন প্ৰস্তুতি আৰু উদ্যমেৰে বৌদ্ধিক উত্তৰণত মনোনিৱেশ কৰাত সহায় কৰে। বৌদ্ধিক উত্তৰণৰ অবিহনে মানৱ আজিৰ সংকটপূৰ্ণ পৃথিৱীত বৰ্তি থকাটো অতি অসম্ভৱ হৈ পৰিছে। মানুহক নতুন নতুন জ্ঞান আহৰণ আৰু সেই জ্ঞান বাস্তৱ ক্ষেত্ৰত প্ৰয়োগ কৰি জীৱন সাৰ্থক কৰাৰ উপায় কিতাপে দিছে কাৰণেই আজি কিতাপৰ আদৰ বেছি। কিতাপ অধ্যয়ন কৰা আৰু আহাৰ গ্ৰহণ কৰা একে। মানুহে আহাৰ গ্ৰহণ কৰি দৈহিক পৰিপুষ্টি সাধন কৰাৰ যি প্ৰয়োজন, কিতাপ অধ্যয়ন কৰি বৌদ্ধিক পৰিপুষ্টি সাধন কৰাৰো সেই একেই প্ৰয়োজন।

কিতাপে মানৱ জাতিৰ হৃদয় আৰু মনৰ পৰিৱৰ্তন ঘটাই নতুন দিগন্ত অতিক্ৰম কৰাৰ এক মাধ্যম। পৃথিৱীত মহামানৱসকলে ধৰ্মগুৰু সকলে যি কেইখন কিতাপ মানৱ জাতিৰ কাৰণে দি থৈ গৈছে, সেইকেইখন কিতাপেই আজিৰ সমস্ত কিতাপৰ স্ৰষ্টা আৰু আজিৰ পৃথিৱী জয় কৰিব পৰাকৈ মানুহে যি জ্ঞানলব্ধ হৈছে সেইয়া কিতাপৰেই অৱদান। কিতাপেই মানুহে মানুহৰ হৃদয় জয় কৰাৰ, পৃথিৱীখন সৰু কৰাৰ আৰু জয়ভাগ স্থলভাগ একাকাৰ কৰাৰ উপায় দিছে। মানুহৰ স্পৃহা আৰু জীৱনৰ ৰহস্য অন্বেষণ এই দুই পৱিত্ৰ কামৰ প্ৰধান আহিলা হ'ল কিতাপ অধ্যয়ন। এই অধ্যয়ন কাৰ্য্য কিতাপৰ মাজেদিহে সম্ভৱ। সেয়ে কিতাপ পৃথিৱীৰ সৰ্বোত্তম সৃষ্টি।

কিতাপৰ প্ৰজন্ম পৰা প্ৰজন্মলৈ গতি কৰা জ্ঞানৰ এক সোঁত মাথোন। এই সোঁততেই মানুহে পাব পাৰে জীৱন বীক্ষাৰ মহামন্ত্ৰ। প্ৰজন্মৰ পৰা প্ৰজন্মলৈ আত্মদৰ্শন বিশ্বদৰ্শন কৰাৰ অভিযানত কিতাপৰ অৱদান অতুলনীয়। সেয়ে কিতাপ এগছি বন্তি। যাৰ পোহৰত আমি অতীত, বৰ্তমান দূৰ দিগন্ত সকলো অতিক্ৰম কৰাৰ উপায় পাব পাৰো। ই মানুহে অধ্যয়ন কৰা অতি পৱিত্ৰ আৰু মহিমাময়ী সৃষ্টি।

পৃথিৱীত ছপাশাল আৱিষ্কাৰ হোৱাত কিতাপ সহজেই সংগ্ৰহ কৰিব পৰা সম্পদত পৰিণত হৈছে। বিশ্বত বিভিন্ন ভাষাত ৰচিত গ্ৰন্থ সমূহ মানুহৰ জ্ঞানৰ চাহিদা পূৰণ কৰাৰ প্ৰধান উৎস হৈ পৰিছে। বৰ্তমান বিজ্ঞানৰ যুগত ছপাশালৰ জৰিয়তে কিতাপৰ উৎপাদন অতি প্ৰখৰভাৱে হৈ আছে। মানুহৰ বিভিন্ন ভাষাৰ জ্ঞানে কিতাপ অধ্যয়নৰ ক্ষেত্ৰত ভাষাই সৃষ্টি কৰা সমস্যাসমূহ দূৰ কৰিছে। বিজ্ঞান, কলা, বাণিজ্য আদি সকলো ক্ষেত্ৰত সৃষ্টি কৰা কিতাপ সমূহ বিভিন্ন ভাষাত অনুবাদ কৰা বাবে অধ্যয়নৰ ক্ষেত্ৰত ছাত্ৰৰ উপকাৰ সাধন কৰা হৈছে। সেয়ে বিশ্বৰ বিভিন্ন ভাষাৰ সমূহ কিতাপ অধ্যয়নৰ ক্ষেত্ৰত বৰ্তমান বাধা হোৱা নাই।

কিতাপ মানুহৰ পৰম বন্ধু। ই মানুহক কেতিয়াও বিশ্বাসঘাটকতা কৰা নাই। বৰঞ্চ কিতাপে মানৱ বন্ধুৰ সংখ্যা বৃদ্ধি কৰাত অতি অদ্ভুত ভাৱে সহায় কৰিছে। কিতাপৰ আদান-প্ৰদান কৰোতে প্ৰকৃত জ্ঞানপুষ্ট মানুহক চিনি পোৱাত সহজ হয়। আৰু সেই জ্ঞানপুষ্ট লোকৰ পৰা অনুসাধনা বোৰে নতুন নতুন জ্ঞান আহৰণ কৰিব পাৰে। সেয়ে কিতাপ বন্ধু সৃষ্টি কৰাৰ প্ৰধান মাধ্যম। ভিন্ন দিশত ব্যক্তিত্ব সম্পন্ন লোকক কিতাপৰ যোগেদি চিনি পাব পাৰি। আৰু সেইসকল লোকৰ পৰা জ্ঞান আহৰণ কৰি মানুহ উপকৃত হ'ব পাৰে।

গৱেষণা নতুন জ্ঞান সৃষ্টিৰ অতি অভিনৱ পদ্ধতি। এই পদ্ধতি কিতাপৰ সহায় অবিহনে অসম্ভৱ। গৱেষণা ক্ষেত্ৰ নিৰ্বাচনৰ ক্ষেত্ৰত যি ধৰণে কিতাপৰ সহায় অতি প্ৰয়োজন ঠিক তেনেদৰে গৱেষণা কাৰ্য্যৰ অগ্ৰগতিৰ ক্ষেত্ৰত কিতাপৰ অৱিহণা অপৰিসীম। গৱেষণাৰ দ্বাৰা সৃষ্টি হোৱা নতুন জ্ঞান কিতাপৰ পৰম সৃষ্টি। গৱেষণা আৰু কিতাপৰ সহসম্বন্ধৰ ফলতহে গৱেষণাৰ পৰা নতুন জ্ঞানৰ সৃষ্টি হৈ আছে। কিতাপে গৱেষক সকলৰ চিন্তাৰ খোৰাক দিয়ে। আৰু এই চিন্তাৰ খোৰাকে অভিজ্ঞতা অৰ্জনত সহায় কৰে আৰু তাৰ ফলস্বৰূপেই সৃষ্টি হয় নতুন জ্ঞানৰ। জ্ঞানৰ দ্বাৰা জ্ঞানৰ সৃষ্টি ক্ষেত্ৰত কিতাপ হ'ল মানৱ জাতিৰ বাবে পৰম হিতকাৰী পথ প্ৰদৰ্শক।

(হোমেন বৰগোহাঞিৰ 'কিতাপ পঢ়া আনন্দ'ৰ সহায় লৈ)

এজন মানুহে আনৰ চৰিত্ৰ অংকন কৰিবলৈ যাওঁতে নিজৰ চৰিত্ৰহে অতি জীৱন্তভাৱে ফুটাই তোলে — বিচটাৰ

# ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী

# NATIONAL CADET CROPS

প্ৰণৱ কুমাৰ ডেকা, স্নাতক ৩য় বৰ্ষ

N.C.C. শব্দটো আমি প্ৰত্যেকে শুনিছো। প্ৰকৃততে N.C.C. নো কি? ইয়াৰ পৰা এজন ছাত্ৰ বা ছাত্ৰীৰ কি লাভ হয়? এইবোৰ প্ৰশ্নৰ উত্তৰ সাধাৰণতে আমি নাপাও যেতিয়ালৈকে আমি N.C.C.ৰ লগত জড়িত নহওঁ। সেয়ে N.C.C.ৰ লগত জড়িত এজন ছাত্ৰ হিচাপে মই জনা কিছু কথা আৰু N.C.C.ৰ কিতাপৰ সহায়ত N.C.C.ৰ গুৰুত্ব তথা আৱশ্যকতাৰ বিষয়ে কিছু জনাব খুজিছো।

N.C.C. এই শব্দটোৰ সম্পূৰ্ণ অৰ্থ ইংৰাজীত 'National Cadet Crops'। অসমীয়াত ইয়াক 'ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী' বুলি কোৱা হয়। এই বাহিনী ১৯৪৬ চনত পণ্ডিত হৃদয়নাথ কুজৰুৰ অধ্যক্ষতাত এখন সমিতি স্থাপন কৰা হৈছিল। ১৯৪৭ চনত সমিতিখনে প্ৰতিবেদন চৰকাৰক দাখিল কৰে। ১৯৪৮ চনত এই প্ৰতিবেদনখন সংসদত গৃহীত হয় আৰু তেতিয়াৰ পৰাই N.C.C. স্থাপন কৰা হয়। N.C.C.ৰ Drill পণ্ডিত নন্দিনাথ কুজৰুৱেই বৰ্নাইছিল। N.C.C.ৰ জন্ম দিন নৱেম্বৰ মাহৰ ২৭ তাৰিখে পালন কৰা হয়। সেই দিনটোক 'N.C.C. Day' বুলি জনা যায়।

নেতৃত্ব, চৰিত্ৰ, সাহসিকতা, খেল ভাবনা তথা সমাজ সেৱাৰ মানসিকতা বিকাশ কৰা। এক শৃংখলাবদ্ধ তথা প্ৰশিক্ষিত জনশক্তিৰ সেনাবাহিনী তৈয়াৰ কৰা যাতে সংকটৰ সময়ত দেশক সহায় কৰিব পাৰে। ছাত্ৰ সমূহৰ মাজত নেতৃত্ব গুণৰ বিকাশ সাধনৰ বাবে তেওঁলোকক প্ৰশিক্ষণ কৰোৱা তথা লগতে সশস্ত্ৰ বাহিনীত ভাগ লবৰ বাবে যোগ্য কৰি তোলা আদি N.C.C.ৰ মূল লক্ষ্য। N.C.C. এক ৰাষ্ট্ৰীয় সংগঠন; সেয়ে ইয়াৰ কেডট (Cadet) সকলক প্ৰশিক্ষণৰ কাৰণে তিনিটা বিভাগত ভগোৱা হৈছে (১) চিনিয়ৰ বিভাগ, (২) জুনিয়ৰ বিভাগ আৰু (৩) ছোৱালী বিভাগ। N.C.C.ৰ Cadet সকলক তেওঁলোকৰ যোগ্যতা অনুসৰি পদোন্নতি প্ৰদান কৰা হয়।

N.C.C.ত নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে শিবিৰ (Camp) পতা হয়। ইয়াত Cadet সকলক তেওঁলোকৰ যোগ্যতা প্ৰমাণ কৰাৰ সম্পূৰ্ণ সুবিধা প্ৰদান কৰা হয়। N.C.C.ত তিনিখন প্ৰমাণ পত্ৰ স্কুলত কৰা হয় A, B, C। ইয়াৰে A প্ৰমাণ পত্ৰখন স্কুলত আৰু B, C খন কলেজত প্ৰদান কৰা হয়। N.C.C.ৰ Camp সাধাৰণতে দহটা। ইয়াৰে Republic Day Camp (R.D.C.)ত যাব পৰা Cadet সকলে যদি তেওঁলোকৰ যোগ্যতা দেখুৱাব পাৰে তেন্তে ২৬ জানুৱাৰীত দিল্লীৰ ৰাজপথত পেৰেড কৰাৰ লগতে ভাৰতৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আদিৰ লগত একেলগে সান্ধ্যভোজন কৰাৰ সুবিধা লাভ কৰে।

প্ৰশিক্ষণ কালত আজ্ঞাকাৰীতাৰ ভাৱ জন্মোৱা, শৰীৰত কৰ্মদক্ষতা অনা, সাজপোছাক পৰিপাটীকৈ পিন্ধা, আত্মবল বঢ়োৱা, সহযোগিতাৰে কাম কৰা, অনুশাসন তথা শৰীৰ আৰু মগজুৰ বিকাশ সুদৃঢ় কৰাৰ কাৰণে Cadet সকলক Drill কৰোৱা হয়। N.C.C.ৰ Cadet সকলক সেনাবাহিনীৰ দৰে অস্ত্ৰ-সস্ত্ৰৰেও প্ৰশিক্ষিত কৰা হয়। ইয়াৰ Cadet ক ৰাইফলৰ লগতে S.L.R., L.M.G., S.M.C., Morter, H.E. Grenade, পিষ্টল আদি চলোৱাৰ প্ৰশিক্ষণ দিয়া হয়। আনকি ইয়াত মানচিত্ৰ আৰু কম্পাছৰ সহায়ত দিশ কেনেকৈ নিৰ্ণয় কৰিব পৰা যায় তাৰ বিষয়েও জ্ঞান প্ৰদান কৰা হয়। N.C.C.ত মাথোন যে অস্ত্ৰবিদ্যাহে দিয়া হয় তেনে নহয়; ইয়াত স্বাস্থ্য তথা চাফাই, প্ৰাথমিক চিকিৎসা, নাগৰিক সুৰক্ষা আদিৰ বিষয়ে প্ৰশিক্ষণো দিয়া হয়। ইয়াত আত্মৰক্ষা কেনেকৈ কৰিব লাগে সেই বিষয়েও Cadet ক প্ৰশিক্ষিত কৰি তোলা হয়।

N.C.C.ত এজন সুনাগৰিকৰ কৰ্তব্য কেনেকুৱা হোৱা উচিত আৰু সুনাগৰিকৰ কৰ্তব্যৰ লগতে সুনাগৰিকৰ গুণবোৰ কেনেকুৱা হোৱা উচিত তাৰ বিষয়ে Cadet সকলক সচেতন কৰি তোলা হয়। N.C.C.ৰ প্ৰশিক্ষণৰ বাবে ছাত্ৰসকলৰ মাজত সমাজসেৱা, একেলগে কাম কৰাৰ ভাবনা, নেতৃত্ব, অনুশাসন তথা আত্মবিশ্বাসৰ বিকাশ হয়। ছাত্ৰসকলে গুৰুত্বপূৰ্ণ ঐতিহাসিক, উদ্যোগিক তথা সামাজিক কেন্দ্ৰ সমূহৰ ভ্ৰমণ কৰাৰ সুবিধা লাভ কৰে। যাৰ বাবে তেওঁলোকৰ ৰচনাত্মক কাৰ্য্য কৰাৰ যোগ্যতা বৃদ্ধি পায়। N.C.C.ৰ Cadet সকলক প্ৰতি বছৰে নিয়মিয়াকৈ কমেও ২১ দিনলৈ সেনাবাহিনীৰ লগত ৰখা হয়। যাৰ কাৰণে তেওঁলোকে সেনাবাহিনীৰ বিষয়ে সম্যক জ্ঞান লাভ কৰে। কলম্বো পৰিকল্পনা অনুসৰি বচা বচা Cadet সকলক প্ৰতি বছৰে বিদেশ ভ্ৰমণলৈও পঠোৱা হয়। যদি N.C.C.ৰ Cadet সকলে C প্ৰমাণ পত্ৰখন লাভ কৰিব পাৰে; তেন্তে তেওঁলোকৰ বাবে ভাৰতীয় সেনা একাডেমী ডেৰাডুনত ৩২ টা পদ সংৰক্ষিত থাকে। ইয়াৰ উপৰিও N.C.C.ৰ Cadet সকলক সেনাবাহিনীত যোগ দিয়াৰ ক্ষেত্ৰত অৰ্হতা প্ৰদান কৰা হয়। এনেবোৰ সুবিধা আমি N.C.C.ৰ পৰা লাভ কৰো যদিও আজিও ছাত্ৰ সমাজে ইয়াৰ সদব্যৱহাৰ কৰিবলৈ ইচ্ছুক নহয়। বহুতে আকৌ N.C.C.ত অন্তৰ্ভুক্ত হলে পঢ়া ক্ষতি হয় বুলি ধাৰণা কৰে। এই ধাৰণাৰ কোনো যুক্তিযুক্ত নহয়। কাৰণ N.C.C.ত মনোবল বৃদ্ধি তথা সময়মতে কাম কৰা, আৰাম কম কাম বেছি আদিৰ ক্ষেত্ৰত Cadet সকলক প্ৰশিক্ষিত কৰি তোলা হয়।

বহু ছাত্ৰীয়ে আকৌ N.C.C. মাথোন ছাত্ৰৰ বাবেহে বুলি ধাৰণা কৰে। দৰাচলতে কথাটো সঁচা নহয়। কোনো কোনো অঞ্চলৰ বাহিৰে বাকী সকলো ঠাইতে N.C.C.ত ছোৱালীয়েও ল'ৰাৰ দৰে যোগদান কৰে।

আমাৰ মহাবিদ্যালয়ত বৰ্তমান সময়লৈ ছোৱালীৰ অন্তৰ্ভূক্তি কৰিব পৰা হোৱা নাই। কিন্তু N.C.C.ৰ শিক্ষক তথা ছাত্ৰ-ছাত্ৰীৰ সহযোগত এদিন হয়তো এই কলেজটো ছোৱালীৰ অন্তৰ্ভূক্তি সম্ভৱ হ'ব। মানুহ আশাবাদী। এই আশাবোৰক বাস্তৱত ৰূপায়িত কৰিবলৈ হলে বৰ্তমানক সঠিকভাৱে ব্যৱহাৰ কৰিব পাৰিব লাগিব। এদিন হয়তো কোনো Cadet য়ে আমাৰ কলেজ তথা অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিব পাৰিব। কাৰণ ভৱিষ্যতৰ গৰ্ভত কি লুকাই আছে সেয়া আমাৰ অজ্ঞাত। আমাৰ আশাবোৰ নিশ্চয় নপুৰুষৰ কোনো Cadet য়ে পূৰণ কৰিব। মাথো আমি ৰ'ব লাগিব সেই সময়লৈ অধীৰ আশাভৰা মনেৰে। □

ছাত্ৰজীৱন অতি সুখৰ, অতি মধুৰ —— তৰুণৰাম ফুকন

# ৰহস্যজনক এক প্ৰাকৃতিক বিভীষিকা 'বাৰ্মুডা'

সত্য ৰঞ্জন শৰ্মা
স্নাতক ২য় বৰ্ষ

বিজ্ঞানৰ চৰম উন্নতি মানৱ সমাজৰ বাবে অতুলনীয়। বৰ্তমান অৱস্থাত বিজ্ঞানৰ সহায়তেই সৌৰজগতত উপগ্ৰহ স্থাপন কৰি মানৱ সমাজৰ বাবে নতুন নতুন খবৰ যোগাব লাগিছে। এই যুগতো যে প্ৰাকৃতিক অলৌকিক কাহিনীৰ সন্দেহ এতিয়ালৈকে পোৱা নাই তাৰ নিদৰ্শন বাৰ্মুডা নামৰ ৰহস্যময় ঠাইখনে স্পষ্টভাৱে প্ৰমাণ কৰে।

বাৰ্মুডা এখন আচৰিত ধৰণৰ ঠাই। বাৰ্মুডা আমেৰিকাৰ দক্ষিণ-পূব উপকূলৰ পৰা অলপ দূৰত আৰু আটলাণ্টিক মহাসাগৰৰ দক্ষিণত অৱস্থিত। ১৯৪৫ চনৰ পৰা ১৯৯৫ চনৰ ভিতৰত এই বাৰ্মুডাত ১০০ খন বিমান, ১০০০ খন জাহাজ অসংখ্য দুৰ্ভগীয়া যাত্ৰীৰে সৈতে হেৰাই যায়। কোনো বিজ্ঞানীয়ে ইয়াৰ প্ৰকৃত ৰহস্য উদ্ঘাটন কৰিব পৰা নাই। বিজ্ঞানৰ চৰম উন্নতিৰ যুগতো ই এটি বিৰাট প্ৰত্যাহ্বান।

সূচাৰুৰূপে গৈ থকা বিমান বাৰ্মুডাত ৰহস্যজনকভাৱে অন্তৰ্দ্ধান হয়। তেনেকুৱা বিমানৰ পৰা পঠোৱা অনাতাঁৰ বাতৰিত প্ৰকাশ পায় যে তেওঁলোকৰ যন্ত্ৰপাতি আৰু কম্পাচ কাঁটাই কোনো ধৰণৰ কাম নিদিয়ে। শান্ত অৱস্থাত থকা আকাশখন হালধীয়া আৰু কুঁৱলীময় হৈ বিকৃত ৰূপ ধাৰণ কৰে। কিন্তু এই বিকৃত ৰূপৰ ধাৰণা কোনেও সঠিকভাৱে দিবলৈ সমৰ্থ নহয়।

১৯৪৫ চনৰ ডিচেম্বৰ মাহৰ ৫ তাৰিখে বাৰ্মুডাৰ ৰহস্যৰ বিষয়ে জানিবলৈ ফৰ্ট লাওডাৰডেল নৌবাহিনীৰ পৰা পাঁচখন প্ৰতিশোধ পৰায়ণ বিমান আৰু কাৰ্টিন মেৰিনাৰ নামৰ বিৰাট উদ্ধাৰকাৰী যানেৰে সৈতে বাওনা হয়। সকলোকে আচৰিত কৰি আটাইকেইখন বিমান বাৰ্মুডাত অন্তৰ্দ্ধান হয়। আন এটা দুৰ্ঘটনাত এটি ইংৰাজী ক'ৰ পৰা ভাটো আছিল। কিন্তু চৰাইজনীও যাত্ৰীবোৰৰ সৈতে নোহোৱা হয়।

১৯৪৭ চনৰ ৩ জুলাই। বাৰ্মুডাই পৃথিৱীবাসীক পুনৰবাৰ শংকিত কৰি তুলিলে। আমেৰিকাৰ সেনাবাহিনীৰ C - 54 বিমানখনত ৬ জন চালকৰ সৈতে মৰিচনৰ সৈন্যবাহিনীৰ এয়াৰপৰ্টলৈ উৰা মাৰিছিল। কিন্তু ই বাৰ্মুডাত হেৰাই যায়। অনতিপলমে অনুসন্ধান বাহিনীৰ দ্বাৰা ১০০০ বৰ্গ মাইল সন্ধান কাৰ্য্য চলোৱাৰ পিছতো কেইটিমান অক্সিজেনৰ বটল আৰু কেইখনমান ভগ্ন আসনৰ বাহিৰে কোনো বস্তুৱেই পোৱা নগ'ল। অনুমান কৰিব পাৰি যে বাৰ্মুডাই নিজৰ ৰহস্যজনক প্ৰাকৃতিক বিভীষিকাৰ কথা পৃথিৱীক জানিবলৈ নিদিয়ে।

বাৰ্মুডাত ব্যৱসায়িক জাহাজ অন্তৰ্দ্ধান হোৱাৰ ভিতৰত ফ্ৰান্সৰ 'ৰোচেলী' নামৰ জাহাজখন অন্যতম। ১৮৪০ চনত হাভানালৈ গৈ থাকোতে নাবিক আৰু যাত্ৰীবোৰ আচৰিতভাৱে নাইকিয়া হৈছিল। অথচ জাহাজখন সম্পূৰ্ণ সুৰক্ষিত অৱস্থাত পোৱা গৈছিল। যদি এইটো জলদস্যুৰ কাম বুলি ধৰা হয় তেনেহলে মূল্যবান বস্তুবোৰ জাহাজৰ ওপৰত পোৱা নগ'লহেঁতেন। নাইবা যদি হঠাৎ কোনো মাৰাত্মক ৰোগৰ দ্বাৰা আক্ৰান্ত হৈছিল তেন্তে যাত্ৰীবোৰৰ মৃতদেহ নাইবা তাৰ নিশ্চয় কোনো সূত্ৰ পোৱা গ'লহেঁতেন। ফ্ৰান্সৰ 'ৰোচেলী' নামৰ জাহাজখন যি দৰে চালক বা যাত্ৰীবিহীন ভাৱে আৱিষ্কাৰ কৰা হৈছিল সেইদৰে ১৮৫৫ চনৰ ২৬ ফেব্ৰুৱাৰীৰ দিনা 'টমাছ বি, চেণ্টাৰ' নামৰ জাহাজখন চাৰগোচা সাগৰৰ ওপৰত পালটনা অৱস্থাত উদ্ধাৰ কৰা হয়। সাধাৰণতে পশ্চিম আটলাণ্টিক মহাসাগৰৰ যি অঞ্চলত জাহাজ আৰু বিমান লুপ্ত হয় সেই অংশ 'চাৰগোচা' সাগৰ নামেৰে জনাজাত।

আমেৰিকাৰ 'SCORPION' নামৰ আনৱিক চাবমেৰিণখনো বাৰ্মুডাৰ যাদুকৰী জাল ভেদ কৰি আগবাঢ়িব নোৱাৰিলে। ১৯৬৮ চনৰ ২৮ মে'ত ৯৯ জন যাত্ৰীৰ সৈতে ই বাৰ্মুডাত হেৰাই যায়। কেইমাহমান পিছত 'AZRORES' দ্বীপৰ কাষত ৪৬০ মাইল দক্ষিণে ২০,০০০ ফুট পানীৰ তলত ইয়াক গৱেষকসকলে আৱিষ্কাৰ কৰে। এই চাবমেৰিণখন কুৰি শতিকাৰ অত্যাধুনিক প্ৰযুক্তিবিদ্যাৰে সুসজ্জিত আছিল বাবেই বাৰ্মুডাৰ চৰম শক্তিৰ কথা জগৎবাসীয়ে সোঁৱৰিবলৈ বাধ্য হৈছিল।

কলম্বাচৰ আমেৰিকা আৱিষ্কাৰৰ সময়ত বাৰ্মুডাৰ মাজেৰে যোৱাটো আজি বিজ্ঞানীসকলৰ আলোচ্য বিষয় হৈ পৰিছে। ১৪৯২ চনৰ ১৫ চেপ্তেম্বৰত চাৰগোচাৰ পশ্চিম অংশত কলম্বাচৰ জাহাজ অৱস্থান কৰোৱাৰ লগে লগে জাহাজৰ চালকবোৰ দুৰ্বল হৈ পৰিছিল। এটি অগ্নিপিণ্ড আকাশৰ পৰা বাৰ্মুডাত পৰি নাইকিয়া হৈছিল। কিছুসময়ৰ পিছত সাগৰখনৰ কিছুঅংশ ক্ৰমে উন্মাদ হৈ পৰিছিল আৰু জ্বলন্ত অগ্নিপিণ্ডটো পানীৰ মাজৰপৰা উঠি আকাশলৈ পোনে পোনে উৰি কলম্বাচৰ জাহাজখনৰ চাৰিওফালে এপাক মাৰি অন্তৰ্দ্ধান হয়। কলম্বাচে বাৰ্মুডা অতিক্ৰম কৰাৰ আগমুহূৰ্ত্তলৈ বিদ্যুৎ চুম্বকীয় আকৰ্ষণৰ ফলত কম্পাচৰ বিজুতি লক্ষ্য কৰিছিল।

জীন বেয়াৰ্ড নামৰ গৱেষক এজনে যেতিয়া বাৰ্মুডাত আকস্মিকভাৱে জাহাজৰ নাবিক তথা যাত্ৰীবোৰ, কম্পাচ কাটাৰ অস্বাভাৱিক বিজুতি বা চুম্বকক্ষেত্ৰৰ অৱনতি ঘটি হোৱা বিপদৰ সন্মুখীন হয় তেতিয়া তেওঁলোকৰ মানসিক স্থিৰতাৰ ওপৰতো গৱেষণা কৰে। ইয়াৰ পৰা তেওঁ অনুমান কৰে যে তীব্ৰ চৌম্বক প্ৰবাহৰ ফলত ইয়াৰ নাবিক তথা যাত্ৰীবোৰ মানসিকভাৱে আক্ৰান্ত হয়। যাৰ ফলত বিমান তথা জাহাজবোৰ আয়ত্বৰ বাহিৰলৈ গৈ ধ্বংসৰ সন্মুখীন হয়।

বাৰ্মুডাৰ ওপৰত গৱেষণা কৰা স্পেন্সাৰ নামৰ এজন বিজ্ঞানীয়ে মত পোষণ কৰে যে বাৰ্মুডাত ৰহস্যজনকভাৱে চালক আৰু যাত্ৰীৰে সৈতে বিমান আৰু জাহাজবোৰৰ পিছত কোনো বেলেগ গ্ৰহৰ প্ৰাণীৰ হাত আছে। ফ্লৰিডাৰ পশ্চিম অংশৰ আৰু বাহামাৰ প্ৰত্যক্ষদৰ্শীৰ মতে এয়া কোনো মহাকাশৰপৰা অহা U.F.O. (Unidentified Flying Object) ৰ কাৰ্য্য। তেওঁলোকৰ মতে U.F.O. ই পানী আৰু আকাশত সমান ভাৱে বিচৰণ কৰিব পাৰে। U.F.O. কেতিয়াবা আকাশৰ পৰা পানীত পৰে আৰু কেতিয়াবা পানীৰ পৰা আকাশলৈ উৰি যায়। প্ৰত্যক্ষদৰ্শীৰ বৰ্ণনাৰ পৰা সিদ্ধান্তত উপনীত হ'ব পাৰি যে বাৰ্মুডাত বিমান জাহাজবোৰ অন্তৰ্দ্ধান হোৱাৰ লগত U.F.O. ৰ সম্পৰ্ক আছে।

দৰ্শন সন্মতভাৱে মত পোষণ কৰে যে বাৰ্মুডাৰ ৰহস্য প্ৰাকৃতিক নিয়মৰ এক ব্যতিক্ৰম। তেওঁলোকৰ মতে বাৰ্মুডাৰ আকাশ মণ্ডলত যেন এটা বিৰাট ডাঙৰ ফাট আছে। য'ত বিমানবোৰ মাত্ৰ সোমাব পাৰে ওলাব নোৱাৰে। কিছুমানে এই ৰহস্যৰ অন্তৰালত অন্য এক মহাকাশৰ সংযোগ থকা বুলি ভাৱে। বাৰ্মুডাৰ বিভীষিকাই এইটো প্ৰমাণ কৰে যে বৰ্তমান বিজ্ঞানৰ চৰম উন্নতিতকৈও বাৰ্মুডাৰ লগত জড়িত বিজ্ঞান বহুত পুৰণি আৰু শ্ৰেষ্ঠ। □

প্ৰকৃত ছাত্ৰই কেতিয়াও খ্যাতি, ক্ষমতা নাইবা আমোদ নিবিচাৰে —— চাৰ জগদীশ বোস

# লোক-বিশ্বাস

সাধিৰাম বড়া
কাৰ্য্যালয় সহায়ক,

লোক সাহিত্য বা লোক সংস্কৃতিৰ এটা অংগ লোক-বিশ্বাস। বিশ্বাস নাথাকিলে এখন মানৱ সমাজ তিষ্ঠি থাকিব নোৱাৰে। "বিশ্বাসে লভতে জ্ঞানম্।" গীতা, ভাগৱত, বেদ, পুৰাণ, ৰামায়ণ, মহাভাৰত আদি কাব্যৰ নিদৰ্শন মন কৰিবলগীয়া। শ্ৰীৰাম চন্দ্ৰই পিতৃৰ বাক্য পালন কৰি ৰাজ কুমাৰ হৈও বনবাস খাটিব লগীয়া হৈছিল। দ্ৰৌপদীয়ে মাতৃৰ বাক্য শিৰোধান কৰি পঞ্চপতি লব লগা হ'ল।

এই মহাজগতখন এটা মহা শূন্য। এই মহাশূন্যৰ মাতে জীৱ জগতৰ সকলো প্ৰাণীকে বায়ুয়ে চাপ দি ৰাখিছে। দৰ্শনবিজ্ঞান আৰু পদাৰ্থ বিজ্ঞানে প্ৰমাণ কৰি দেখুৱাইছে যে, এটা পদাৰ্থক বায়ুৱে চাপ দি আগুৰি ৰাখে। বায়ুৰ ওপৰতহে ভাৰসাম্য ৰক্ষা কৰি সুচল গতিত মানৱ দেহাই গতি কৰে। এই জগতত বিচৰণ কৰা প্ৰাণী আৰু জীৱৰ আধাৰত লোক বিশ্বাসৰ সৃষ্টি হৈছে। ৰাজ হাঁহ, পাৰ চৰাই, কাউৰী, কুলি, কেতেকী, ফেঁচা, হুদু, চিলনী, মাছৰোকা, ঘৰচিৰিকা, শালিকা, ভাটৌ, কপৌ আদি পক্ষীৰ আচৰণ বিধিত বহুতো লোক বিশ্বাস উদ্ভাৱন হৈছে।

ৰাজহাঁহ ঃ ৰাজহাঁহ দেখিবলৈ বৰধুনীয়া। প্ৰতিপ্ৰহৰ ৰাতি ৰাজহাঁহে মাতে। ৰাজহাঁহৰ এই মাতত দেৱধ্বনিৰ সংকেট আছে। সেয়ে বগা ৰাজহাঁহ পালন কৰিব লাগে। ৰাজ হাঁহৰ বুলন বৰ ধুনীয়া। ৰাজ হাঁহৰ বুলন অনুসৰন কৰিবলৈ গৈ ঘৰ চিৰিকাই নিজৰ বুলন হেৰুওৱা বুলি সন্ত লোকে কয়।

পাৰ চৰাই ঃ পাৰ চৰায়ে কণ দি ৰাতিপুৱাৰ জাননী দিয়ে। আলহী অহাৰ ভয়তেই দিনত সিহঁতৰ গা কঁপি থাকে। সন্ধ্যা সাজ লাগি ভঙাৰ পিছত সিহঁতে গা জোকাৰি আত্মতৃপ্তি লাভ কৰে বুলি জন বিশ্বাস আছে। কুলি, কেতেকী, হুদু, ফেঁচা, মাছৰোকা আদি চৰায়েও মাত মতাৰ একোটা ক্ষণ আছে। এই মাতত শুভ-অশুভ ফল আৰোপ কৰা হয়।

কাউৰী ঃ কাউৰীয়ে সঞ্চয় কৰি খায় বুলি লোক বিশ্বাস আছে। ঘৰৰ মুধচৰ খেৰৰ তলত ইটো-সিটো বস্তু খোচা মাৰি থোৱা সকলোৰে দৃষ্টি গোচৰ নিশ্চয় হৈছে। কাউৰী পাঁচ প্ৰকাৰৰ। ব্ৰাহ্মণ, ক্ষত্ৰিয়, শুদ্ৰ, বৈশ্য আৰু অন্ত্যজ। পূবপিনে জীৱিত গছত পৰি কাউৰীয়ে মাতিলে শুভ ফল পোৱা যায়। পশ্চিমে মাতিলে আলহী আহে, দক্ষিণে মাতিলে সুখ ভোগ হয় আৰু উত্তৰে মাতিলে অশান্তি হয়।

জীৱ-জন্তুৰ মাতৰ আচৰণৰ ওপৰতো বহু শুভ-অশুভ ফলৰ নিদৰ্শন পোৱা যায়। গাত জেঠী পৰা ফলাফলো ভিন্ন প্ৰকাৰৰ। মূৰৰ ওপৰত, পিঠিত, ডিঙিত, বাওঁহাতে জেঠী পৰিলে শুভফল পোৱা যায়। ঈশান কোণত পৰিলে মৃত্যুৰ কাৰণ হয়। মানুহে খাবৰ সময়ত গৰুৱে হাঁচিয়ালে অশুভ লক্ষণ। যাত্ৰাৰ সময়ত মেকুৰী দেখা অশুভ লক্ষণ। সাপ উত্তৰ দিশৰ পৰা দক্ষিণ দিশে যোৱা দেখিলে যাত্ৰা কৰিব নালাগে। কুকুৰৰ টৌপনি গাধৰ বোজা কঢ়িওৱা লক্ষণতো ধৈৰ্য্য ত্যাগৰ প্ৰতিফলন হৈছে। ছাগলীয়ে সুন্দৰকৈ লাদে। গৰু, হাতী, ঘোঁৰা আদি সকলো তৃণভোজী প্ৰাণী হ'লেও ছাগলীৰ লাদত বিশ্বসুন্দৰৰ পৰশ পৰা যেন লাগে। বৰালি মাছৰ পিঠিৰ দুয়োফালে দুটা ৰেখা থাকে। সেই ৰেখা অংকণত কাৰ হাতৰ বুলন আছে জানিবলৈ উৎকণ্ঠিত হয়। গৰুৰ বিহুৰ দিনা ৰাতিপুৱা গোহালিত যদি গৰু থিয় হৈ থাকে বা গোহালি ঘৰৰ খুটাত নেজ মেৰিয়াই থকা দেখা যায় তেনেহলে বানপানী হোৱাৰ ভয় থাকে। হাতীয়ে ঘৰৰ চোতালত চিঞৰিলে ঘৰত থকা এন্দুৰ নিগনি আৰ্তৰি যায়। সৰ্পই যোৰ লাগিলে নতুন গামোছা এখন দিলে তাত যদি সৰ্প দুটা উঠে সেই গামোছা লৈ গ'লে মেল-মোকৰ্দ্দমাত নিশ্চয় জয় লাভ হবই।

নৈতিক কাম আৰু সদায় উঠোতে বহোঁতে কিছুমান লোক বিশ্বাসৰ চানেকি উদঙাই দিব পাৰি। বৰদৈ চিলা আহিলে খুৱা থকা পিৰা এখন চোতালত দি তাত এটা তাঁতাশালৰ চিৰি, আইনা, ফণী দিব লাগে। ল'ৰা জন্মিলে মাছ আৰু ছোৱালী জন্মিলে মিঠাই দিব লাগে। ৰাতিপুৱা শুই উঠি খালি কলহ দেখিব নালাগে। যোগিনী সন্মুখত থাকিলে শুভ কামত যাত্ৰা কৰিব নালাগে। শনিবাৰ আৰু মঙ্গলবাৰে যিকোনো বস্তু পুৰি খাব নালাগে আৰু ৰবিবাৰে মাংস খাব নালাগে। ৰাতি খাৰ, তিতা আৰু টেঙা খাব নালাগে। ভাত অধিককৈ খাব নালাগে। পুষ্প বিয়াত দুৰ্ভগা, দুশীলা পতিহীনা যোগ পালে গ্ৰহৰ দোষ হোৱা বুলি কয়। যোগ বিশেষে ক'লা ছাগলী, বগা ৰাজহাঁহ দেখুওৱা আৰু পদুমৰ পাতত ভাত খাব দিয়া হয়। ভৰা তামোলৰ থোক আৰু সূৰ্য্য দৰ্শন কাৰ্য্যত জন বিশ্বাস আছে। ধানৰ আগ অনাৰ কাৰ্য্যত পিচপিনে ঘূৰি চাব নালাগে আৰু মুখেৰে মাত মাতিব নালাগে। গছ-গছনি ৰোওঁতে কিছুমান নিয়ম পালন কৰিব লাগে। তামোল গছ আৰু নাৰিকল গছৰ পুলি লৰাই ৰুব লাগে। পুলিতো প্ৰথমতে যিটো দিশত থাকে উঠাই ৰুওঁতেও সেই দিশে ৰুব লাগে। মূৰত জাপি লব লাগে। ঢেঁকী নাৰদৰ বাহন। ৰাতিপুৱা শুই উঠি ঢেঁকী দেখিব নালাগে। ঢেঁকীশাল আওতীয়া ঠাইত পাতিব লাগে। গিৰিহঁতৰ দা-কটাৰী ওপৰ মূৱা হৈ থাকিলে মাছ খোৱা সৌভাগ্যৰ উদয় হয়। বৰ বিয়াত দৰা-কইনা ঘৰ সোমাওঁতে ভৰিৰ গোৰোহাৰে গছকি মাটিৰ ছাকি ভঙা নিয়ম আছে। অম্বুবাচীৰ প্ৰবৃত্তিৰ সময়ত মাটি কাটা, গছৰ পৰা পান ছিঙা নিষেধ ভঁড়ালৰ সন্মুখত বাঁহ বন্ধাৰ নিয়ম আছে। গাঁৱৰ মেল বিচাৰ কৰিলে আৰু সখি বন্ধা কাৰ্য্যত 'শোভেৰি' দিয়া নিয়ম আছে। এই কাৰ্য্যত উপস্থিত লোকে এটা তামোল বা এপাত পান হলেও ভাগ পায়; আগতে এক অনা, দুই অনা পইচা দিয়াৰো নিয়ম আছিল। কাতি বিহুৰ সংক্ৰান্তিৰ দিনা চাকি দিওঁতে ঔটেঙাৰ খোলত চাকি দিব লাগে। অৰ্থাৎ তেল শলিতা দিব লাগে। ঔ টেঙাৰ খোলৰ তেল গাত ঘঁহিলে চৰ্মৰোগ, গা ফটা আৰু ভৰি ফটা আদি বেমাৰ নহয়। ল'ৰাই ছোৱালী চাব আহিলে ছোৱালী ঘৰৰ নঙলা খোলা থাকিলে আৰু ঘৰৰ দুৱাৰ খোলা থাকিলে শুভ লক্ষণ বুলি জন বিশ্বাস আছে।

ডাক পুৰুষৰ বচনত উল্লেখ থকা লোক বিশ্বাস উল্লেখ নকৰি নোৱাৰিলোঁ। কেঁচুৱা ল'ৰা-ছোৱালীক মতা মানুহে ক'ৰবাৰ পৰা আহিয়েই

খুব হিচাপী আৰু সাৱধানী হোৱাতকৈ দুঃসাহসী হোৱা বেছি ভাল, কাৰণ সৌভাগ্য হৈছে এগৰাকী ৰমনী —— মেকিয়াভেলী

মুখ দেখিব নালাগে। বাট ফুৰি অহা মানুহে ঘৰ সোমাই শিশুৰ মুখ দেখাতো উচিত নহয়। নিজৰ মাটিত খাল বা পুখুৰী খান্দিব লাগে। তেতিয়া হলে গৃহস্থীখন সজীৱ হয়। আহিন, শাওণ, কাতি মাহত গৰু গাখীৰ ঘৰত থাকিলে সেই গৃহস্থ বৰ সুখী। সদায় খৰি লুবি ভাত খাব নালাগে। অমাৱস্যা, পূৰ্ণিমা, পূজা, একাদশী, সংক্ৰান্তি আদি পৰ্বত ঢেঁকী বাঢ়া কৰিব নালাগে। দিনত বিনাকাৰণত চাকি বা লেম জ্বলাব নালাগে। দিনত মাইকী মানুহে কেতিয়াও শুব নালাগে, পাৰিলে ধৰ্মমূলক কিতাপ পঢ়ি সময়খিনি কটাব লাগে। ৰাতি নদীৰ পাৰলৈ যাব নালাগে। তামোল-পানৰ বস্তিৰ মাজেৰে মানুহ অহা-যোৱা বাট থাকিব নালাগে। ডাক পুৰুষৰ বচনত আন কেইটামান নীতি মূলক কথা দৃষ্টি গোচৰ হৈছে। সৰ্বগুণীক ভাতে নাটে, গোৱালে গাখীৰ ভাল নেদেখে, চোৰে চন্দ্ৰৰ পোহৰ ভাল নাপায়। নতুন কাপোৰ জাপত উৰি শুব নালাগে। মাক-বাপেক অবিহনে ল'ৰা-ছোৱালী বিপথে পৰিচালিত হয়। সেয়েহে ক'ব পাৰি পিতৃৰ অবিহনে পৰে ৰাজ্যভাৰ, মাতৃৰ অবিহনে হয় ভোজনত চাৰখাৰ। পানী দেখিলেহে শৌচ কৰিব লাগে। ভোজন কৰাৰ আগতে ঈশ্বৰক অৰ্পিব লাগে। হালোৱা গৰু দীঘল জেঠী নেগুৰীয়া হ'ব লাগে। গাই গৰু সৰু মূৰী আৰু পিছফাল ডাঙৰ হ'ব লাগে। হাল বাওঁতে নাঙল যোঁট-যুঁৱলি ভঙা বেয়া লক্ষণ। আকৌ ডাক পুৰুষৰ বচনতে সুৰ মিলাই ক'ব পাৰি বহাগত দৈ, আহিনত কল, কাতিত কচু, আঘোনত হাঁহ-পাৰ খাব লাগে। মাঘত কৰাই গুৱা আৰু ফাগুনত মৌ খাব লাগে। পথাৰত কাম কৰা কোৰখনৰ নালটো তিনিহাত দুই মুঠি হ'ব লাগে। বুঢ়া মানুহৰ লাখুটি ডাল ওঠৰ মুঠি হ'ব লাগে। কাঁচি আৰু খন্তিৰ নাল দুই মুঠি হ'ব লাগে।

বাস্তৱ সমাজত লোক বিশ্বাসৰ নিদৰ্শন চাৰিওফালে চকুত পৰে। ঘৰ এখন পাতিবলৈ হ'লে কোন দিশত কোনটো ঘৰ হ'ব সেই কথাও ডাক পুৰুষে কৈ গৈছে। পূব দিশত ভঁড়াল, পশ্চিমত গোহালি, উত্তৰে তামোল-পানৰ বস্তি আৰু পাচলি থাকিব লাগে। আন্ধাৰে-মুন্ধাৰে শুব নালাগে। পানীত পায়খানা কৰিব নালাগে। ভাতৰ পাতত বহি ৰান্ধনীয়ে শুদা ভাত দিছে বুলি খং কৰিব নালাগে। মূৰে কপালে হাত দি বহি থাকিব নালাগে। ভাত খাই উঠি তিনিটা শিলিখা খাব লাগে। ডাক পুৰুষৰ বচনত আন কেইটামান নীতি কথা উল্লেখ কৰা হ'ল। "মাংসত মাংস বাঢ়ে, ঘিঁউত বাঢ়ে বল, এৱা গাখীৰত চন্দ বাঢ়ে শাকত বাঢ়ে মল।" আকৌ 'সাঙ্গীভাব লটো-পটো, কান্ধৰ ভাৰ যুতি', সেইদৰে 'যাৰ নাই ধান তাৰ নাই মান', 'যাৰ নাই গৰু সি সবাতোকৈ সৰু'। প্ৰচীন কালত অনাক্ষৰী মানুহে আহৰণ কৰা জনবিশ্বাসৰ ফলকখনে আজিও মানৱ সমাজত জন বিশ্বাসৰ সৃষ্টি কৰিছে। অতীতত মানুহে নদ-নদী, পৰ্বত-পাহাৰ, গছ-গছনি, জীৱ-জন্তু, পশু-পক্ষীৰ পূজা কৰিছিল। তেওঁলোকে ঘৰ পতা, কৃষি কাৰ্য্য কৰা নৈতিক নীতি-নিয়মৰ বিশ্বাসী। ব্যক্তিগত জীৱনত দুখ-সুখ, বিৰহ-বেদনাৰ ফলতে লোক-সাহিত্য বা লোক বিশ্বাসৰ সৃষ্টি হৈছে। বাস্তৱধৰ্মী কৰ্মৰ পৰম সত্যৰ নিদৰ্শন আৰু দুখ বেদনাৰ শিহৰণে মানুহৰ হৃদয় স্পৰ্শ কৰে। দৰাচলতে ক'বলৈ গ'লে লোক-সাহিত্যই বৰ্তমান আধুনিক সাহিত্যৰ তুলনাত পিছপৰি থকা নাই। এই পৰম সত্যবোৰ আতঁৰাই দিব পাৰিনে বাৰু ? ধৰ্ম পুথিয়ে ৰিঙিয়াই কয় — "কৰ্মৰ যুগুতা ফল শুনা শৈব্য সাঁচি — নুখুজিলে মাধৱে ফল দিয়ে যাচি"। □

# 'হাঁহি সম্ৰাট' লক্ষ্যধৰ চৌধুৰীদেৱৰ সতে হোৱা 'অন্তৰঙ্গ আলাপ'

কুশল কলিতা
প্ৰাক্তন ছাত্ৰ

অসমৰ বিশিষ্ট সাহিত্যিক, নাট্যকাৰ, চিত্ৰনাট্য শিল্পী, প্ৰখ্যাত ৰাজনীতিবিদ্ তথা অসম সাহিত্য সভাৰ গোবেশ্বৰ অধিৱেশনৰ সভাপতি লক্ষ্যধৰ চৌধুৰীদেৱৰ সৈতে হোৱা 'অন্তৰংগ আলাপ' মহাবিদ্যালয়ৰ আলোচনীত প্ৰকাশৰ বাবে সিদিনা (২৫/১১/৯৯) তেওঁৰ কাষ চাপিছিলো। তেতিয়া সময় দুপৰীয়া বাৰ বাজিছে। আমি (মই আৰু মোৰ সহপাঠী ধ্ৰুৱজ্যোতি মহন্ত) ককাৰ ড্ৰয়িংৰুমত বহি তেওঁ ভিতৰৰ পৰা ওলাই অহালৈ অপেক্ষা কৰিছো। মনত তেওঁক লগ পোৱাৰ প্ৰবল উত্তেজনা। গোবেশ্বৰ সাহিত্য সভাৰ অধিৱেশনত বিশাল জনসমুদ্ৰৰ মাজৰ পৰা প্ৰথম দেখাৰ পৰা তেওঁক পুনৰ এবাৰ একেবাৰে ওচৰৰ পৰা লগ পোৱাৰ হেঁপাঁহ অকণমান মনত পুহি ৰাখিছিলো। সেই হেঁপাঁহকণ বাস্তৱত পৰিণত হোৱা-নোহোৱাৰ এই সন্ধিক্ষণত স্বাভাৱিকভাৱেই মনটো আনন্দৰে পূৰ্ণ হৈ উঠিছিল। কোৱা শুনিছো - তেওঁৰ ওচৰত হেনো বয়সেও হাৰ মানে, কথাৰ বসত তেওঁৰ কাষৰ পৰা মানুহ উঠি আহিব নোৱাৰে। অলপ পিচতে তেওঁ ওলাই আহিল। পিন্ধনত ধুতি-চাৰ্ট, এৰি ছাদৰ, ভৰিত এযোৰ বগা মোজা। মুখত এমোকোৰা অজেয় হাঁহি। আমাৰ পৰিচয় জনাৰ পিছত তেওঁ সুধিলে "মঙলদৈৰ ভালনে"। আমিও যথাযথ ভাৱে উত্তৰ দি আগমনৰ উদ্দেশ্য জনালো। "তোমালোকে বুঢ়া মানুহজনক বৰ শাস্তি কৰি মাৰাহে" বুলি পিঠিত থপৰিয়াই তেওঁ আমাক বহিবলৈ ক'লে।

ককাৰ সতে হোৱা অন্তৰংগ আলাপৰ কিছু অংশ আমি পাঠকলৈ আগবঢ়ালোঁ।

? মহাবিদ্যালয়ত আলোচনী এখনৰ প্ৰয়োজনীয়তা কি বুলি ভাৱে।

⊡ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ খতিয়ান স্বৰূপে প্ৰত্যেক মহাবিদ্যালয়ৰ আলোচনী থকাতো আমি বিচাৰো।

? আপোনাৰ জীৱনত মহাবিদ্যালয়ৰ কোনোবা আলোচনীৰ প্ৰভাৱ আছে নেকি!

⊡ আছে। কটন কলেজৰ আলোচনীত মাজে সময়ে নাট সম্বন্ধে লিখিছিলো।

? আপোনাৰ জন্ম কোন ঠাইত আৰু কিমান চনত।

⊡ ১৯১৫ চনৰ দ্বীপান্বিতাৰ দিনা, উত্তৰ গুৱাহাটীৰ ৰংমহলত (অসমীয়া তাৰিখ ২০ কাতি) মোৰ দেউতাৰ নাম ভূধৰ চৌধুৰী আৰু মাৰ নাম

এখন বেয়া কিতাপতকৈ ভয়াবহ ডকাইত কোনো নাই —— অমৃত কথা

আছিল উমাকান্তি।

? আপোনাৰ শিক্ষা জীৱন কেতিয়া আৰম্ভ হয়।

⊡ ৰংমহলতে প্ৰাথমিক শিক্ষা আৰম্ভ হয়, ১৯২৫ চনত কলেজিয়েট স্কুলত ভৰ্তি হওঁ।

? আপোনাৰ সাহিত্যৰ বিষয়ে অলপ কওকচোন।

⊡ মই সাহিত্যিক নহয়। মোৰ লিখাবোৰত কোনো কল্পনা নাই। মই সদায় দেখি লিখো। মই ছবি তুলিব পাৰো কিন্তু আৰ্কিব নোৱাৰো।

? অসমৰ শিক্ষানীতিৰ ওপৰত আপোনাৰ ধাৰণা কি।

⊡ কি বা শিক্ষানীতিৰ কথা সুধিছা। স্কুল-কলেজৰ শিক্ষাই ব্যক্তিক ভৰণ-পোষণৰ শিক্ষা দিয়ে। স্কুল-কলেজত নপঢ়াকৈয়ো জ্ঞান আহৰণ কৰিব পাৰি। এতিয়াৰ শিক্ষা নীতি তাহানিৰ ইংৰাজৰ দিনত যি আছিল তাকেই সামান্য লৰচৰ কৰি কৰা হৈছে। এতিয়াৰ শিক্ষা ব্যৱস্থাত ব্যাপক ভেজাল সোমাইছে।

? বৰ্তমান সময়ত গা কৰি উঠা ইংৰাজী মাধ্যমবোৰৰ বিষয়ে আপুনি কি কয়।

⊡ ইংৰাজী মাধ্যমে আমাক চিন্তাত পেলাইছে। প্ৰাথমিক স্তৰত নিজৰ মাতৃভাষাৰেই শিক্ষা হোৱা উচিত। ডঃ বাণীকান্ত কাকতি, কৃষ্ণকান্ত সন্দিকৈ আদিয়ে নিজৰ মাতৃভাষা মাধ্যমেৰে পঢ়িয়েই বিশ্ববিখ্যাত পণ্ডিত হৈছিল। গতিকে ইংৰাজী পঢ়াসকলে এই কথা চিন্তা কৰা উচিত।

? যোৱা কিছুদিন আগতে আপুনি ৮৫ বছৰ বয়সত ভৰি দিছে। এনে এক মুহূৰ্তত উপস্থিত হৈ আপোনাৰ কেনে লাগিছে।

⊡ বিশেষ একো লগা নাই। কিন্তু শেষ সীমা পাওঁ বুলি মাজে মাজে চিন্তা হয়। মই মৰিব নিবিচাৰা মানুহ। সমাজত অতপালি কৰা লোকসকলৰ মৃত্যু চাই যাব বিচাৰো।

? আপোনাৰ শ্ৰেষ্ঠতম সৃষ্টি কি। নবীন পাঠক এজনক আপোনাৰ কোনখন গ্ৰন্থ প্ৰথমে পঢ়িব কব।

⊡ মই নিজে মোৰ শ্ৰেষ্ঠতম সৃষ্টি। (মই নিজক শিশুৰ পৰা বৃদ্ধ কৰিছো। যিহেতু) মোৰ কোনো গ্ৰন্থ পঢ়িব নালাগে, মোৰ কাষলৈ আহিলেই হ'ব 'বাঘ চাব নালাগে বিবালিকে চাবা'।

? অসমৰ সাম্প্ৰতিক পৰিৱেশ বিনষ্ট হোৱাৰ বাবে দায়ী কোন বাৰু!

⊡ প্ৰত্যেকেই নিজে নিজে দায়ী। তোমালোকৰ পৰিৱেশ তোমালোকে নিজেই গঢ়ি লব লাগিব।

? এতিয়াৰ ৰাজনীতি আৰু অতীতৰ ৰাজনীতিৰ মাজত কিবা প্ৰভেদ।

⊡ এতিয়া নীতিহীন ৰাজনীতি চলিছে, আগতে নীতি লৈ ৰাজনীতি কৰিছিল। প্ৰভেদ এইখিনিয়েই।

? আপোনাক যদি আমি অসমৰ মুখ্যমন্ত্ৰী পাতো।

⊡ তেতিয়া মই এবছৰ একেবাৰে স্কুল কলেজ বন্ধ দিম। যাতে স্কুলৰ মাষ্টৰক দৰমহা দিব নালাগে।

? আপোনাৰ হেনো আকৌ শিশু হৈ জন্ম লবলৈ ইচ্ছা যায়! কিয়নো?

⊡ মই জন্ম লব নিবিচাৰো। মই নমৰাকৈ অমৰ হ'ব বিচাৰো। মই মৰিব নিবিচাৰো। মোৰ এতিয়াও নিজকে শিশুযেন অনুভৱ হয়। য'তে যি দেখো সেইটোয়ে মোক লাগে।

? ককা, উগ্ৰপন্থী সমস্যাবোৰ অসমৰপৰা কেনেকৈ নোহোৱা হ'ব। ছাত্ৰ সমাজৰ প্ৰতি আপোনাৰ পৰামৰ্শ কি।

⊡ আমাৰ আজোককা সকলে কৈ যোৱা 'আপোন ভালে জগত ভাল' এতেকে নিজে ভাল হোৱা সমস্যাবোৰ আৰ্তৰ হ'ব। প্ৰত্যেকজন ছাত্ৰই 'আপোন ভালে জগত ভাল' শ্লোগান নিষ্ঠাৰে পালন কৰাতোৱে মই বিচাৰো।

? আমি ইমানবোৰ নিবনুৱা অসমত আছো। আপুনি আমাক কি কৰিব কয়।

⊡ বন নকৰা মানেই নিবনুৱা হৈ যায়। কৰ্ম বিমুখতাই আমাক নিবনুৱা কৰিছে। নিজে নিজে কিবা এটা কৰিলেই নিবনুৱা নাইকিয়া হ'ব। গাঁৱৰ নিবনুৱা ল'ৰাবোৰক ভূমি সেনা পাতিব লাগে। অসমত বহুত মাটি এতিয়াও চন পৰি আছে। গাঁৱৰ ল'ৰাবোৰক চৰকাৰে ভূমিসেনা পাতি এই মাটিবোৰত খেতি কৰিবলৈ নিয়োগ কৰিব লাগে। ল'ৰাবোৰে দৰমহা লওঁক আৰু উৎপাদনবোৰ চৰকাৰে পাব।

? 'সুকীয়া বড়ো ৰাজ্য'ৰ প্ৰতি আপোনাৰ বক্তব্য।

⊡ চুকাফাৰ নীতিৰ দৰে আমিও দহ ৰাজ্য এক হৈ এখন ৰাজ্য হোৱাতো বিচাৰো। এখন ৰাজ্য ভাগ হোৱাতো নিবিচাৰো।

? নতুন প্ৰজন্মৰ প্ৰতি আপোনাৰ ধাৰণা তথা মতামত।

⊡ অতি উচ্চ। কুৰি শতিকাৰ সকলো মলি ধুই একৈশ শতিকাত নতুন প্ৰজন্মই শান্তিৰ বিশ্ব প্ৰতিষ্ঠা কৰিব।

? মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ আপোনাৰ একান্ত ব্যক্তিগত এটা উপদেশ।

⊡ মঙলদৈ মহাবিদ্যালয়ৰ বুলিয়ে নহয়, আমাৰ সকলো ছাত্ৰ-ছাত্ৰীলৈকে মই কওঁ যে, ভাৰতীয় ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা ৰাখি বুদ্ধ-গান্ধী আদিৰ আদৰ্শ ৰাখি তোমালোকে লোকসেৱা কৰিবলৈ ওলাই আহা। আমাৰ ভাৰতীয় ঐতিহ্য বহু ডাঙৰ। ইয়াৰ কোনোদিনে পতন নহয়।

উপসংহাৰ ঃ লক্ষ্যধৰ চৌধুৰী ককাৰ ঘৰলৈ গৈ তেওঁক সাক্ষাৎ কৰা সময়খিনি জীৱনত পাহৰিব নোৱাৰা সময়। তাতকৈ পাহৰিব নোৱাৰা আন এটা বস্তু হ'ল তেওঁৰ ওঁঠত লাগি থকা বসাল হাঁহিটো। মই দেখা পাইছিলো পাহোৱাল ডেকা এজনৰ ওঁঠত লাগি থকা সেউজ হাঁহিৰ দৰে ককাৰ মুখতো যেন এতিয়াও লাগি আছে হাঁহিৰ এক অনন্য ব্যক্তিত্ব। যি হাঁহিক মই দেখা শ্ৰেষ্ঠ হাঁহি বুলিয়ে কম।

ককাৰ সাক্ষাৎকাৰ লৈ আমি উভতিব খুজিছো মাত্ৰ এনেতে আমাৰ ওচৰলৈ সোমাই আহিল বিশিষ্ট লেখক ডাঃ চাহিদুৰ ৰহমান। তেখেতে হেনো ককাৰ ওপৰত এটা কবিতা লিখিছে আৰু সেইটো শুনাবলৈয়ে ককাৰ ওচৰলৈ আহিছে। কথাতো শুনি ককাই ক'লে - বেচ, বৰ ভাল কথা। আমি তেনেহ'লে এখন কবিতা পাঠ সভাকে পাতিব পাৰো। যিহেতু তিনিজন লগ ল'লেই বাইজমেল হয়। গতিকে আজিৰ সভাৰ বাবে মই কলিতাক সভাপতি বৰণ কৰিলো। আৰু তুমি (মোৰ সহপাঠী ধ্ৰুৱজ্যোতি মহন্তক) সমৰ্থন কৰা।'' মহন্তই ককাৰ প্ৰস্তাৱ সমৰ্থন কৰাত মই সভাপতি হ'লো। ডাঃ ৰহমানে কবিতা পাঠ কৰিলে। মনেৰে ভাবিলো ''মই সভাপতিৰ ওপৰতো সভাপতি হ'লো।''

ককাৰ ঘৰৰপৰা ওলাই যেতিয়া মই ব্যস্ত গুৱাহাটীৰ ৰাজপথত খোজ পেলালো তেতিয়া অনুভৱ কৰিলো ''মই যেন এইমাত্ৰ স্বৰ্গ ৰাজ্যৰ পৰা খহি পৰিছো।''

কৃতজ্ঞতা ঃ আলোচনী সম্পাদক, দ্বীপকিশোৰ শইকীয়া, ধ্ৰুৱজ্যোতি মহন্ত, জ্যোতিষ নাথ। □

যি মুহূৰ্তলৈকে মই জীয়াই থাকিম, সেই মুহূৰ্তলৈকে মই শিকি যাব —— ৰামকৃষ্ণ পৰমহংস

# কুৰি শতিকাৰ ৰেঙণিৰে বিশ্বত যুদ্ধ আৰু শান্তি

মৃদুল কুমাৰ শৰ্মা
স্নাতক ৩য় বৰ্ষ

আন্তঃ ৰাষ্ট্ৰীয় ৰাজনীতিৰ অতি ভয়াবহ ঘটনা হ'ল 'যুদ্ধ'। কোনো এখন ৰাষ্ট্ৰৰ ৰাজনীতিৰ মূল বিষয়বস্তু হৈছে ক্ষমতা। সেই ক্ষমতা আহৰণ আৰু বৃদ্ধিৰ কাৰণে চেষ্টা কৰাৰ ফলতেই বিভিন্ন ৰাষ্ট্ৰৰ মাজত সংঘৰ্ষ হয়। ৰাষ্ট্ৰীয় স্বাৰ্থৰ বাবেই যুদ্ধত অৱতীৰ্ণ হয় যদিও, ৰাষ্ট্ৰীয় স্বাৰ্থৰ বাবেই শান্তিৰ প্ৰয়োজন। যুদ্ধ আৰু শান্তি এটা মুদ্ৰাৰ দুপিঠিৰ দৰে। যুদ্ধৰ পৰা অব্যাহতি পাই থকা সময়ছোৱাই শান্তি। ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, আদৰ্শাত্মক চিন্তাধাৰাৰ পাৰ্থক্য আদি কাৰণত যুদ্ধ সংঘটিত হয় যদিও একে কাৰণতেই শান্তিৰ প্ৰয়োজন।

প্ৰবন্ধটিত কুৰি শতিকাৰ যুদ্ধ আৰু শান্তিৰ প্ৰধান ঘটনাৱলীৰ এটি চমু আভাষ দিব বিছাৰিছো। আদিতেই উল্লেখ কৰি থও যে শতিকাটোৰ সকলো ঘটনাৱলীৰ বৰ্ণনা প্ৰবন্ধটিত সন্নিবিষ্ট কৰাটো অসম্ভৱ। তথাপিও উনুকিয়াই হলেও যাবলৈ চেষ্টা কৰা হওক। আলোচনাৰ সুবিধাৰ্থে শতিকাটো চাৰিটা খণ্ডত ভাগ কৰা হওক। প্ৰথম পৰ্য্যায় ১৯০০ চনৰ পৰা ১৯৩৮ চনলৈ, দ্বিতীয় পৰ্য্যায় ১৯৩৯ চনৰপৰা ১৯৬০ চনলৈ, তৃতীয় পৰ্য্যায় ১৯৬১ চনৰ ১৯৮০ চনলৈ আৰু চতুৰ্থ পৰ্য্যায় ১৯৮১ চনৰপৰা ২০০০ চনলৈ।

প্ৰথম পৰ্য্যায় ঃ (১৯০০ - ১৯৩৮)

এই সময়ছোৱাত ৰুছ-জাপান যুদ্ধ, প্ৰথম বিশ্বযুদ্ধ আদি উল্লেখনীয়। এই সময়ছোৱৰ পেৰিছ শান্তি সন্মিলন আৰু ভাৰ্চাই চুক্তি বিশেষভাৱে উল্লেখনীয়। চেভ্ৰেচ চুক্তি, চেইণ্ট জাৰ্মেইন চুক্তি, নিউলি চুক্তি, ট্ৰিয়ানন চুক্তি আদিও সেই সময়ৰ কিছুমান শান্তি চুক্তি। অৱশ্যে চুক্তিত অৱতীৰ্ণ দেশবোৰে নিজ স্বাৰ্থ অক্ষুন্ন ৰাখিবহে এই চুক্তি কৰিছিল। এই সময়ৰ প্ৰধান যুদ্ধ আৰু শান্তি প্ৰস্তাৱ সমূহ আলোচনা কৰা হওক।

(ক) ৰুছ-জাপান যুদ্ধ (১৯০৪-১৯০৫) ঃ ৰুছিয়াই ১৯০৩ চনত গছ কটাৰ আলম লৈ 'য়ালো' নৈৰ ফালে ৰুছিয়াৰ সৈন্যদলক অনুপ্ৰৱেশ ঘটোৱাত কোৰিয়া সম্পৰ্কত 'ৰুছিয়া আৰু জাপান' চুক্তি উলংঘা কৰা হয়। জাপানে কোনো ক্ষেত্ৰতে কোৰিয়াত ৰুছিয়াৰ প্ৰভাৱ বৃদ্ধি কৰাটো বাঞ্ছা কৰা নাছিল। দুয়ো পক্ষৰ মাজত কেইবামাহো আলোচনা হৈছিল। যদিও বুজাপৰা নোহোৱাত ১৯০৪ চনৰ ৫ ফেব্ৰুৱাৰীত জাপানে ৰুছিয়াৰ লগত কূটনৈতিক সম্পৰ্ক ছেদ কৰে আৰু দুয়ো পক্ষৰ মাজত যুদ্ধ আৰম্ভ হয়। ১৮ মাহ যুদ্ধ চলাৰ পাছত আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰুজভেল্টৰ মধ্যস্থতাত দুয়োপক্ষৰ এখন চুক্তি স্বাক্ষৰিত হয় আৰু যুদ্ধ সাম কাটে।

(খ) প্ৰথম বিশ্বযুদ্ধ (১৯১৪-১৯১৮) ঃ এই যুদ্ধত ব্ৰিটেন, ফ্ৰান্স, আমেৰিকা, বেলজিয়াম, জাপান আদি দেশ লগ হৈ জাৰ্মানী, হাংগেৰী, টুৰ্কী, বুলগেৰিয়া আদি দেশক পৰাজিত কৰে। প্ৰম বিশ্বযুদ্ধৰ কাৰণ সমূহ তলত চমুকৈ উল্লেখ কৰা হওক।

(১) ১৯১৪ চনৰ আগতে ইউৰোপত জাৰ্মানীৰ নেতৃত্বত অষ্ট্ৰীয়া, হাংগেৰী, ইটালী, টুৰ্কীয়ে চুক্তি কৰি একলগ হয় আৰু এটা যুদ্ধ শিবিৰত পৰিণত হয়। আনহাতে আনটো শিবিৰত ইংলেণ্ড, ফ্ৰান্স, ৰুছিয়া আৰু জাপান অন্তভূৰ্ক্ত হৈ যুদ্ধ শিবিৰত পৰিণত হয়।

(২) আন এটা কাৰণ হ'ল জাৰ্মানীৰ সম্ৰাট কাইজাৰ উইলিয়াম বৰ উচ্চ অভিলাষী ব্যক্তি আছিল। জাৰ্মনীক কেনেকৈ বিশ্বৰ ভিতৰতে আটাইতকৈ শক্তিশালী জাতি হিচাপে প্ৰতিষ্ঠা কৰিব পাৰে তাৰ বিষয়ে চিন্তা কৰিছিল।

(৩) বাতৰি কাকতৰ ভুল তথ্য আৰু ইউৰোপৰ দেশবোৰৰ মাজত হোৱা সামৰিক সহস্ত্ৰীকৰণো আন এটা কাৰণ।

(৪) অৰ্থনৈতিক সাম্ৰাজ্যবাদ আৰু জাতীয়তাবাদী আন্দোলনো এটা মূল কাৰণ।

(৫) সেই সময়ত আন্তজাৰ্তিক সম্পৰ্ক নিয়ন্ত্ৰণ কৰিবৰ কাৰণে কোনো ব্যৱস্থা নাছিল। ফলত ইউৰোপৰ দেশ সমূহে আগৰ কোনো কাৰণলৈ পোতক তোলাৰ মনোভাৱেৰে যুদ্ধত অৱতীৰ্ণ হৈছিল।

(৬) প্ৰথম মহাযুদ্ধৰ তৎকালীন কাৰণ হ'ল অষ্ট্ৰীয়া সিংহাসন উত্তৰাধিকাৰী আৰ্ক ডিউক ফাৰ্ডিনাণ্ডক হত্যা কৰাটো। অষ্ট্ৰীয়াৰ যুৱৰাজ সপৰিবাৰে বছানিয়াৰ চাৰজেভো নগৰলৈ যাওঁতে চাৰ্বিয়াৰ কেইজনমান যুৱকে তেওঁক হত্যা কৰে। অষ্ট্ৰীয়াই এই সুযোগতে চাৰ্বিয়াৰ ওপৰত পোতক তোলাৰ সুযোগ লয়। জাৰ্মানীয়ে এই ক্ষেত্ৰত অষ্ট্ৰীয়াক সাহায্য দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। অষ্ট্ৰীয়াই নিজৰ দাবীত অসন্তুষ্ট হৈ চাৰ্বিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। চাৰ্বিয়াক সহায় কৰিবলৈ ৰুছিয়াই সৈন্য পঠায়, সেয়ে জাৰ্মানীয়ে ৰুছিয়াৰ বিৰুদ্ধে যুদ্ধ কৰাত ইংলেণ্ডে ফ্ৰান্সৰ সাহায্যাৰ্থে জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে।

পেৰিছ শান্তি সন্মিলন (১৯১৯) ঃ ১৯১৯ চনত পেৰিচ শান্তি সন্মিলন হয়। এই সন্মিলনতে ভাৰ্চাই চুক্তি, চেমৰেচ চুক্তি, নিউলি চুক্তি, চেইণ্ট জাৰ্মেইন চুক্তি আদি স্বাক্ষৰিত হয়।

ভাৰ্চাই চুক্তি (১৯১৯) ঃ আমেৰিকাৰ ৰাষ্ট্ৰপতি উদ্ৰ উইলছনে ১৯১৮ চনৰ জানুৱাৰী মাহত বিশ্বশান্তিৰ বাবে এক ১৪ দফীয়া প্ৰস্তাৱ আগবঢ়াইছিল। সেই প্ৰস্তাৱৰ আধাৰত ভাৰ্চাই চুক্তি আৰু বিশ্বশান্তিৰ প্ৰথম সংস্থা 'জাতিসংঘ' গঠন কৰা হয়। এই চুক্তিখন জাৰ্মানী আৰু মিত্ৰগোষ্ঠীৰ মাজত ১৯১৯ চনৰ ২৮ জুন তাৰিখে স্বাক্ষৰিত হৈছিল। চুক্তিখনৰ সাৰমৰ্ম এনেধৰণৰ -

(১) জাৰ্মানীয়ে আলচাচ্ আৰু লৰাইন প্ৰদেশ ফ্ৰান্সক ঘূৰাই দিব লাগিব। ইউপেন, মানমেদি, মাৰচনেট বেলজিয়ামক ঘূৰাই দিব লাগিব। চাৰ অঞ্চল ১৫ বছৰৰ কাৰণে ফ্ৰান্সক দিব লাগিব। বিদেশত থকা সকলো উপনিৱেশ আৰু দখল মিত্ৰ গোষ্ঠীক দিব লাগিব। চেকশ্লেভিয়াক নতুন পোলিচ ৰাষ্ট্ৰ

উচ্চমান আৰু নিখুঁত খেল প্ৰদৰ্শন কৰিবলৈ হ'লে খেলুৱৈসকলৰ বাবে মদ একেবাৰে বৰ্জনীয় — পেলে

কৰি দিব লাগিব।

(২) ভাৰ্চাই চুক্তিয়ে জাৰ্মানীৰ ৰজা পৰ্য্যন্ত যুদ্ধবন্দী হিচাপে ঘোষণা কৰে লগতে সামৰিক ক্ষমতাও সংকুচিত কৰে। জাৰ্মানীত মাত্ৰ একলাখ স্বেচ্ছাসেৱক সৈন্য ৰখাবহে অনুমতি প্ৰদান কৰা হয়। চাবমেৰিন, যুজাৰু বিমান, আধুনিক অস্ত্ৰ-শস্ত্ৰ আদি ৰাখিব নোৱাৰিব।

(৩) যুদ্ধৰ ফলত হোৱা ক্ষতি জাৰ্মানীয়ে পূৰণ কৰিব লাগিব। জাৰ্মানীয়ে নগদ ধনেৰে ক্ষতিপূৰণ দিব নোৱাৰিলে পণ্যদ্ৰব্যৰে দিব লাগিব।

(৪) এই চুক্তিৰ জৰিয়তে উইলচনৰ ১৪ দফীয়া প্ৰস্তাৱৰ ভিত্তিত 'জাতিসংঘ' প্ৰতিষ্ঠা কৰা হয়।

ভাৰ্চাই চুক্তিখন মিত্ৰগোষ্ঠীৰ জাৰ্মানীৰ ওপৰত জোৰকৈ জাপি দিয়া এখন চুক্তিহে, যি চুক্তিয়ে জাৰ্মান জাতিক আত্মহত্যাৰ দৰে কৰিছিল। কিছুমান ৰাজনীতি বিজ্ঞানীৰ মতে এই চুক্তিখনেই দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰধান কাৰণ। বাকীকেইখন চুক্তি এই চুক্তিৰ আৰ্হিত কৰা হৈছিল।

(গ) জাপানৰ চীন আক্ৰমণ (১৯৩৭) ঃ জাপানে মাঞ্চুৰীয়াত স্বায়ত্ত শাসন প্ৰৱৰ্ত্তন কৰে লগতে ১৯৩৭ চনৰ ৮ আগষ্টত পিকিং দখল কৰে। ১৯৩৭ চনৰ ১৩ আগষ্টত চাংহাই, ১৫ ডিচেম্বৰত নানকিং মহানগৰ দখল কৰে। ১৯৩৮ চনৰ অক্তোবৰত হেনকো আৰু কেণ্টন দখল কৰি জাপানে চীনৰ ওপৰত আক্ৰমণাত্মক মুৰ্ত্তি লয়।

দ্বিতীয় পৰ্য্যায় (১৯৩৯-১৯৬০) ঃ

এই সময়ছোৱাত দ্বিতীয় বিশ্বযুদ্ধকে ধৰি ভালেমান শান্তি সন্মিলন অনুষ্ঠিত হয়। 'ৰাষ্ট্ৰসংঘ' এইসময়ছোৱাতে গঠন কৰা হয়। তলত এই সময়ৰ প্ৰধান ঘটনাৱলী বৰ্ণনা কৰা হ'ল।

(ক) দ্বিতীয় বিশ্বযুদ্ধ (১৯৩৯-১৯৪৫) ঃ এই যুদ্ধত ব্ৰিটেন, ফ্ৰান্স, ৰুচ, আমেৰিকা আদি দেশ লগ হৈ জাৰ্মানী, ইটালী, জাপান আদি দেশক পৰাজিত কৰে। এই যুদ্ধৰ কাৰণ সমূহ হ'ল -

(১) ১৯১৯ চনত সম্পাদিত কৰা ভাৰ্চাই চুক্তিখনক দ্বিতীয় মহাযুদ্ধৰ কাৰণ বুলিব পাৰি। "The continuing hostile attitude of France the quarrels over the Rhur, the Rhineland occupation, the Saar and Reparation, the Wrangling over disarmament all these fed the anger of many Germans" (পুৰন্দৰ গগৈৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু ৰাজনীতি, প্ৰথম প্ৰকাশ ১৯৯০ চন, পৃষ্ঠা ১৪৪) জাৰ্মানীত হিটলাৰৰ নেতৃত্বত ১৯৩৩ চনত নাজীদল শাসনত অধিষ্ঠিত হয়। হিটলাৰৰ এই অভ্যুত্থানেই দ্বিতীয় মহাযুদ্ধৰ কাৰণ। হিটলাৰে জাতিসংঘৰ চৰ্তাৱলী ভংগ কৰি ৰাইনলেণ্ড দখল কৰাৰ লগতে পোলেণ্ড আৰু চেকশ্লেভিয়া আক্ৰমণ কৰে। ১৯৩৯ চনৰ ১ ছেপ্তেম্বৰত পোলেণ্ড আক্ৰমণ কৰাৰ লগে লগে দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হয়। পোলেণ্ড আক্ৰমণ সম্পৰ্ক হিটলাৰৰ যুক্তি হ'ল "No other means is left to me than to meet with force," (পুৰন্দৰ গগৈৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু ৰাজনীতি, প্ৰথম প্ৰকাশ, পৃষ্ঠা ১৬১)

(২) দ্বিতীয় মহাযুদ্ধৰ আন এটা কাৰণ হ'ল জাপানৰ সাম্ৰাজ্যবাদী নীতি। জাপানে ১৯৩৭ চনৰ পৰা চীনৰ লগত অঘোষিত যুদ্ধত জড়িত হৈ পৰে।

(৩) আন এটা কাৰণ হ'ল একনায়কত্ববাদী শাসনৰ অভ্যুত্থান। প্ৰথম মহাযুদ্ধৰ পিছত জাৰ্মানী আৰু ইটালীত ক্ৰমে হিটলাৰ আৰু মুছোলীনিৰ নেতৃত্বত একনায়কত্ববাদী শাসন প্ৰতিষ্ঠা হয়।

(৪) গণতান্ত্ৰিক ৰাষ্ট্ৰবোৰৰ দুৰ্বল নেতৃত্ব আৰু জাতিসংঘৰ দুৰ্বলতাও দ্বিতীয় মহাযুদ্ধৰ এটা কাৰণ।

(৫) নিৰস্ত্ৰীকৰণ ব্যৱস্থা আৰু ভাৱাদৰ্শৰ মতবিৰোধ আন এটা কাৰণ। দ্বিতীয় মহাযুদ্ধত জাৰ্মানী আৰু ইটালীৰ পতনৰ পিছত, ইংলেণ্ড আৰু আমেৰিকাই জাপানৰ ওপৰত আক্ৰমণ চলায়। আমেৰিকাই ১৯৪৫ চনৰ ৬ আগষ্টত হিৰোছিমা আৰু ৯ আগষ্টত নাগাছাকিত এটম বোমা বৰ্ষণ কৰে। এই মহানগৰ কেইখন সম্পূৰ্ণ ধ্বংসৰ পিছত জাপানে ১৯৪৫ চনৰ ১৪ আগষ্ট তাৰিখে বিনাচৰ্তে আত্মসমৰ্পন কৰে আৰু দ্বিতীয় মহাসমৰৰ অন্ত পৰে।

ৰাষ্ট্ৰসংঘ ঃ দ্বিতীয় মহাসমৰৰ পিছত বিশ্বত শান্তি প্ৰতিষ্ঠাৰ বাবে 'ৰাষ্ট্ৰসংঘ' নামে এটি আন্তঃৰাষ্ট্ৰীয় সংস্থা স্থাপন হয়। এই সংস্থা গঠন হোৱাৰ আগতে বিভিন্ন সন্মিলন অনুষ্ঠিত হৈছিল আৰু চনদ স্বাক্ষৰিত হৈছিল। তাৰে ভিতৰত উল্লেখনীয় হ'ল আটলাণ্টিক চনদ, মস্কো ঘোষণা পত্ৰ, য়ালটা সন্মিলন, চানফ্ৰান্সিকো সন্মিলন আদি। আটলাণ্টিক চনদ ১৯৪১ চনত আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰুছভেল্ট আৰু বৃটিছ প্ৰধানমন্ত্ৰী চাৰ্চিলৰ মাজত আটলাণ্টিক মহাসাগৰত এখন যুদ্ধ জাহাজত স্বাক্ষৰিত হৈছিল। ১৯৪৩ চনৰ মস্কো ঘোষণা পত্ৰৰ জৰিয়তে বিশ্বশান্তি আৰু নিৰাপত্তাৰ কাৰণে এটা বিশ্ব সংস্থা স্থাপনৰ ওপৰত একমতত উপনীত হৈছিল। চানফ্ৰান্সিকো সন্মিলনত ৫১ খন ৰাষ্ট্ৰৰ প্ৰতিনিধিয়ে প্ৰস্তাৱিত 'ৰাষ্ট্ৰসংঘ'ৰ চূড়ান্ত ৰূপ দিয়ে। এই চনদখন ১৯৪৫ চনৰ ২৪ অক্টোবৰত কাৰ্য্যকৰী কৰা হয়। সেয়ে ২৪ অক্টোবৰ দিনটো 'ৰাষ্ট্ৰসংঘ দিৱস' হিচাপে পালন কৰা হয়।

তৃতীয় পৰ্য্যায় (১৯৬১-১৯৮০) ঃ

এই সময়ছোৱাত বিশ্বযুদ্ধৰ ডাঙৰ বিভীষিকা নাই। চীন আৰু পাকিস্তানৰ ভাৰত আক্ৰমণ, চতুৰ্থ আৰৱ-ইজৰাইল যুদ্ধ, ইৰান-ইৰাক যুদ্ধ আদি উল্লেখনীয়।

১৯৬২ চনত চীনে ভাৰত-চীন সীমা 'মেক মিলান লাইন' অতিক্ৰম কৰে। তিব্বত আৰু চিকিম দখল কৰিবৰ বাবে চীনে আক্ৰমণ চলায়। তিব্বতৰ বিখ্যাত নেতা ডালাই লামা ভাৰতত আহি আশ্ৰয় লয়। এনেবোৰ বিভিন্ন কাৰণত চীন-ভাৰত যুদ্ধ হয়। ১৯৭১ চনত পাকিস্তানে ভাৰত আক্ৰমণ কৰে। পাকিস্তানৰ উদ্দেশ্য হ'ল জম্মু-কাশ্মীৰ দখল কৰা। ১৯৭৩ চনত আৰৱ-ইজৰাইলৰ মাজত যুদ্ধ হয়, কিন্তু ফলাফল নিৰ্ণায়ক হৈ ৰয়। ১৯৮০ চনত ইৰান-ইৰাক যুদ্ধ আৰম্ভ হয়।

চতুৰ্থ পৰ্য্যায় (১৯৮১-২০০০) ঃ

এই সময়ছোৱাত ইৰান-ইৰাক যুদ্ধ খাড়ী যুদ্ধ, ভাৰত-পাক যুদ্ধ আদি উল্লেখনীয়।

(ক) খাড়ী যুদ্ধ (১৯৯০-১৯৯১) ঃ ১৯৯০ চনৰ ২ আগষ্টত ইৰাকে কুৱেটৰ ওপৰত আক্ৰমণ চলায় আৰু দখল কৰে। কুৱেটক মুক্ত কৰিবৰ বাবে 'ৰাষ্ট্ৰসংঘ'ৰ পৰা ২৮ খন ৰাষ্ট্ৰৰ সেনা নিয়োগ কৰে আৰু ১৯৯১ চনৰ ১৭ জানুৱাৰীত আক্ৰমণ চলায়। সেই বছৰৰে ফেব্ৰুৱাৰীত কুৱেট মুক্ত হয়।

(খ) ভাৰত-পাক যুদ্ধ (১৯৯৯) ঃ পাকিস্তানী সৈন্যই জম্মু-কাশ্মীৰৰ ড্ৰাছ, কাৰগিল, কাকছৰ আদি স্থান দখল কৰে। ফলত ১৯৯৯ চনৰ ২৬ মে'ৰ পৰা ভাৰতীয় সৈন্যৰ লগত তুমুল সংঘৰ্ষ হয়। ১৪ জুলাইত

আত্মভূমি স্বৰ্গতকৈয়ো শ্ৰেষ্ঠা —— শ্ৰীৰামচন্দ্ৰ

সকলো পাকিস্তানী সৈন্য ভাৰতৰ নিয়ন্ত্ৰণ ৰেখাৰ পৰা আতঁৰাই নিয়াৰ প্ৰতিশ্ৰুতি দিয়া হয় আৰু দুদিন পিছত সম্পূৰ্ণ সেনা আতঁৰাই নিয়ে। কিন্তু যুদ্ধ সম্পূৰ্ণ সমাপ্ত হোৱা বুলি ক'ব নোৱাৰি। প্ৰসঙ্গত উনুকিয়াই থও যে যোৱা ১৯৯৯ চনৰ ১৮ ছেপ্তেম্বৰত আন্তঃৰ্জাতিক সন্ত্ৰাসবাদী অ'ছমা বিন লাডেনে আফগানিস্তানৰ জালালবাদৰ পৰা ভাৰতৰ বিৰুদ্ধে সৰ্বাত্মক যুদ্ধ ঘোষণা কৰিছে।

চতুৰ্থ পৰ্য্যায়ৰ সময় ছোৱাতেই 'নাটো'ই যুগোশ্লেভিয়াৰ ওপৰত সৈন্য মোতায়ন কৰে। কিন্তু দুয়ো পক্ষৰ মাজত বুজা পৰা হোৱাত তাৰ পৰা সৈন্য আতঁৰোৱা হয়। ১৯৯৯ চনৰ লাহোৰ ঘোষণা পত্ৰই ভাৰত-পাক ভূ-ভাগৰ নিয়ন্ত্ৰণ ৰেখা চিহ্নিত কৰি থৈছে।

প্ৰান্তিকত আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত যুদ্ধ আৰু শান্তিৰ ওপৰত উল্লেখ কৰিবলগীয়া বিশেষ বক্তব্য নাই যদিও এটা কথা উল্লেখ কৰো যে যুদ্ধৰ বাবে সকলো দেশ প্ৰস্তুত আৰু শান্তিৰ বাবেও সন্মত। এখন দেশৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি যুদ্ধৰ বাবে প্ৰস্তুত হ'বলগীয়া হয় যদিও অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক ক্ষেত্ৰত উন্নতিৰ বাবে শান্তিৰ প্ৰয়োজন। মুক্ত বাণিজ্যৰ বাবে শান্তিৰ প্ৰয়োজন। প্ৰবন্ধটিৰ শেষত যুদ্ধৰ প্ৰকাৰ সমূহৰ এটি ৰেঙণি দিব বিচাৰিছো।

(ক) শীতল যুদ্ধ
(খ) মনোবৈজ্ঞানিক যুদ্ধ
(গ) আৰ্থিক যুদ্ধ
(ঘ) ৰাজনৈতিক যুদ্ধ

শীতল যুদ্ধৰ এটি সংজ্ঞাৰে এই প্ৰবন্ধটিৰ সামৰণি মাৰিছো -

"According to one writer, It is a state of intensive competition political, economic and ideological which fell short of an armed conflict between the state." (পুৰন্দৰ গগৈৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু ৰাজনীতি, প্ৰথম প্ৰকাশ পৃষ্ঠা ৩৪৬)

প্ৰসঙ্গ পুথি -
(১) আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু ৰাজনীতি, পুৰন্দৰ গগৈ (১৯৯০)
(২) এন-চি-চি গাইড বুক
(৩) দৈনিক আৰু সাপ্তাহিক বাতৰি কাকত।

# ৰামানুজন্ আৰু বিংশ শতিকাৰ ভাৰতীয় গণিতশাস্ত্ৰত তেওঁৰ অৱদান

জয়া শৰ্মা
স্নাতক ২য় বৰ্ষ

সমগ্ৰ বিশ্বতে হয়তো 'ৰামানুজন'ৰ নাম নুশুনা লোক নাই, যিজন আছিল এক দুৰূহ, মহান প্ৰতিভাশালী ব্যক্তি। আজিৰ পৰা প্ৰায় একশ বছৰ আগতে সমগ্ৰ ভাৰতবাসীৰে নমস্য এক উজ্বল প্ৰতিভাৰ গৰাকী 'শ্ৰীনিবাস ৰামানুজন আয়েংগাৰ'ৰ জন্ম হৈছিল ১৮৮৭ চনৰ ২১ ডিচেম্বৰত মাদ্ৰাজৰ ওচৰৰ কুম্ভাকোনম্ নামৰ ঠাইত এজন সাধাৰণ কেৰাণীৰ ঘৰত। স্কুলীয়া শিক্ষাও আৰম্ভ কৰে সাধাৰণভাৱে। সকৰে পৰাই তেওঁ আছিল অকলশৰীয়া, উদাস আৰু চিন্তাক্লিষ্ট। দুচকুত আছিল অসাধাৰণ কিবা এটা কৰাৰ দুৰ্ব্বাৰ হেপাহ।

গণিত শাস্ত্ৰৰ ওপৰত মাত্ৰ ছবছৰ কালহে সক্ৰিয়ভাৱে গৱেষণা কৰিছিল। কিন্তু তেওঁলোকে দেখুৱাই যোৱা পদ্ধতিবাজি তেওঁৰ মৃত্যুৰ আশীবছৰ পিছতো বিশ্বৰ গণিতজ্ঞসকলে অনুসৰণ কৰি আছে। ৰামানুজন আছিল অনন্য প্ৰতিভাৰ অসাধৰণ ব্যক্তি।

স্কুলীয়া জীৱনত ছাত্ৰ হিচাপে তেওঁ 'লোনিৰ ত্ৰিকোণমিত্ৰি' (Trigonometry by S.L. Loney) আৰু 'কাৰ' ৰ বিশুদ্ধ গণিতৰ বিশ্লেষণ (Carr's Analysis in pure mathematics) পঢ়িছিল আৰু ইয়েই চিন্তাশীলমনৰ ওপৰত গভীৰভাৱে ৰেখাপাত কৰে। স্কুলীয়া সময় চোৱাত তেওঁ কিছুমান পুৰস্কাৰ পাইছিল, কিন্তু মনতো আকৃষ্ট হৈছিল তেওঁৰ প্ৰিয় বিষয় গণিতৰ প্ৰতি। ফলস্বৰূপে অংকত নম্বৰ পাইছিল ১০০%। কিন্তু বাকীবোৰ বিষয়ত দুখলগাধৰণে বেয়া নম্বৰ পাইছিল আৰু সেইবাবেই পৰীক্ষাবোৰত অকৃতকাৰ্য্য হবলগীয়া হয়। তেওঁ এফ. এ. পৰীক্ষা তিনিবাৰ দি তিনিবাৰেই অকৃতকাৰ্য্য হৈছিল। ইয়াতেই তেওঁৰ কলেজীয়া শিক্ষা সমাপ্ত কৰিছিল।

তেওঁৰ এই অকৃতকাৰ্য্যতাই দেউতাকক বিক্ষুব্ধ কৰি তুলিছিল, কিন্তু তেওঁৰ মাতৃয়ে বিয়া কৰাই দিছিল। এই অৰ্ধশিক্ষিত, বিবাহিত আৰু বেকাৰ অৱস্থাতেই তেওঁ 'ধানলিৰ সংখ্যা' ৰ ওপৰত গৱেষণা মূলক প্ৰবন্ধ লিখি 'Indian Mathematical Society' ৰ আলোচনীত প্ৰকাশ কৰিছিল।

১৯১৩ চনৰ মাৰ্চ মাহত মাদ্ৰাজ বন্দৰৰ কমিচনাৰ ৰাও চাহাবে ৰামানুজনৰ গণিতৰ জ্ঞানৰ প্ৰতি আকৃষ্ট হৈ এটা কেৰাণীৰ চাকৰি দিয়ে। এই সময়তে তেওঁৰ গণিতৰ প্ৰতিভাৰ কথা চাৰিওফালে প্ৰকাশিত হয়। এই একেটা বছৰৰেই প্ৰথম মাহত প্ৰফেচাৰ হাৰ্ডিয়ে (Paof G.H. Hardy) যেতিয়া তেওঁ ত্ৰিনিটি কলেজত অধ্যাপনা কৰি আছিল তেতিয়া ৰামানুজনৰ এটা প্ৰবন্ধ পঢ়িবলৈ পাইছিল, যিটো ৰামানুজনে হাৰ্ডিৰ এটা প্ৰবন্ধ পঢ়ি প্ৰত্যুত্তৰ হিচাপে লিখিছিল। হাৰ্ডিয়ে প্ৰবন্ধটো পঢ়ি গম পাইছিল যে এনে এটা প্ৰবন্ধ মাত্ৰ এজন উচ্চখাপৰ গণিতজ্ঞইহে লিখিব পাৰে। এই অৱস্থাত হাৰ্ডিয়ে ৰামানুজনক কেম্ব্ৰিজ বিশ্ববিদ্যালয়লৈ আমন্ত্ৰণ জনালে। কিন্তু ইতিমধ্যে ৰামানুজনে মাদ্ৰাজ বিশ্ববিদ্যালয়ত মাহে ৭৫ টকা বৃত্তি লৈ গৱেষণা কৰাৰ সুবিধা লাভ কৰে। গতিকে তেওঁ সুদূৰ ইংলেণ্ডলৈ যাবলৈ অস্বীকাৰ কৰিলে। কিন্তু হাৰ্ডিয়ে ইমানতে নেৰিলে, অৱশেষত তেওঁৰ হেচাত ১৯১৪ চনৰ এপ্ৰিল মাহত ৰামানুজন লণ্ডন পালে। তাত তেওঁক কেম্ব্ৰিজৰ অধ্যাপক নিয়েভিলে আদৰণি জনায়। ত্ৰিনিটি কলেজত যোগদান কৰাৰ পিছত নিতৌ নতুন নতুন তথ্যৰ উদ্ভাৱন কৰিব ধৰিলে। তেওঁৰ তথ্যবোৰ আছিল সংখ্যা

আমাৰ প্ৰধান কৰ্তব্য নিজক ঘৃণা নকৰা —— স্বামী বিবেকানন্দ

বিষয়ক।

কঢ়া নীতি-নিয়ম, মানসিক শ্ৰম আৰু নিৰামিস আহাৰ আদিৰ ফলত ১৯১৭ চনত তেওঁৰ স্বাস্থ্য ভাঙি পৰে। তেতিয়া তেওঁক কেম্ব্ৰিজৰ এখন নাৰ্চিং হোমত ভৰ্ত্তি কৰোৱা হয়। জলবায়ু পৰিবৰ্ত্তনৰ বাবে স্থান সলনি কৰি থকা হ'ল কিন্তু কতো একো উন্নতি নহল। ডাক্তৰ সকলে যক্ষ্মা হোৱা বুলি সন্দেহ কৰিলেও স্থিৰ সিদ্ধান্তলৈ আহিব পৰা নাছিল। হাৰ্ডিয়ে ভাবিলে এবাৰ ভাৰতবৰ্ষত গৈ আহিলে ভাল পাবও পাবে। তেওঁৰো ঘৰলৈ আহিবলৈ ব্যগ্ৰ হৈ পৰিল। ১৯১৯ চনত তেওঁক ঘৰলৈ পঠাই দিয়া হ'ল।

ইতিমধ্যে ৰামানুজন বহুত বিৰল সন্মানৰ অধিকাৰী হৈ পৰিল। তেওঁক ত্ৰিনিটি কলেজৰ ফেল'শ্বিপ দিয়া হ'ল। এই সন্মান পোৱা তেৱেঁই প্ৰথম ভাৰতীয়। ১৯১৮ চনত তেওঁক ৰয়েল চচাইটিৰ ফেল'শ্বিপ দিয়া হয় মাত্ৰ ত্ৰিছ বছৰ বয়সতে। ইমান কম বয়সতে ফেল'শ্বিপ পোৱা তেৱেঁই প্ৰথম ব্যক্তি আৰু তেৱেঁই প্ৰথম ভাৰতীয় F.R.S.। তেওঁৰ গণিতীয় কৰ্মৰাজি ইমান উচ্চখাপৰ আছিল যে হাৰ্ডিয়ে তেওঁক জেকবি আৰু ইউলাৰৰ লগত তুলনা কৰিছিল। 'ৰ' জাব ৰামানুজন অভেদাৱলী' আৰু 'হাৰ্ডি' 'ৰামানুজন অনুক্ৰম' আছিল ৰামানুজনৰ উজ্বল গণিতীয় চিন্তাধাৰাৰ নিদৰ্শন। ১৯২০ চনত তেওঁ এই পৃথিৱীৰপৰা আঁতৰি যায় কিন্তু মৃত্যু শৰ্য্যাৰ পৰাই তেওঁ হাৰ্ডিলৈ এখন চিঠি লিখি তেওঁৰ শেষ আৱিষ্কাৰ 'ম'ক থিটা ফলন (Mack Theta Function) ৰ কথা ঘোষণা কৰে।

ৰামানুজনক সংখ্যাৰ বন্ধু আখ্যা দিয়া হয়। তেওঁক চিকিৎসালয়ত দেখা কৰিবলৈ আহোতে হাৰ্ডিয়ে ৰং কৰিবলৈ সুধিলে ৰামানুজন, মই অহা গাড়ীখনৰ নম্বৰটো ১৭২৯। ইয়াৰ কিবা বিশেষত্ব আছেনে? ৰামানুজনে তপৰাই উত্তৰ দিলে "এইটো এটা সুন্দৰ সংখ্যা, ইয়েই ক্ষুদ্ৰতম সংখ্যা যাক দুই প্ৰকাৰে দুটা ঘনৰ যোগফল হিচাপে এনেদৰে প্ৰকাশ কৰিব পাৰি। $১৭২৯ = ১০^৩ + ৯^৩ = ১^৩ + ১২^৩$ এই সংখ্যাটো ৰামানুজন সংখ্যা হিচাপে বিখ্যাত।

আমেৰিকাৰ প্ৰিন্সটন বিশ্ববিদ্যালয়ৰ অধ্যাপক এছেইলবাৰ্গে তেওঁৰ লেখনি অধ্যয়ন কৰি তেওঁক গুৰু মানি লৈছিল যাক তেওঁ কেতিয়াও দেখা পোৱা নাছিল। ৰামানুজনে মৃত্যুৰ আগে আগে বিশ্ববাসীক দি যোৱা 'ম'ক থিটা ফলন' ৰ ওপৰত পেনচিল ভেনিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক জৰ্জ এণ্ড্ৰিউজে গৱেষণা কৰিছে।

ৰামানুজনৰ স্মৃতিশক্তি আছিল অতি প্ৰখৰ। তেওঁ $\sqrt{২}, \pi, e$ ৰ আসন্ন মান যিকোনো দশমিক স্থান লৈ সৰ সৰীয়াকৈ কব পাৰিছিল। ৰামানুজনে $\pi$ ৰ মান বৃত্তৰ পৰিধি আৰু ব্যাসৰ অনুপাত হিচাপে উলিয়াই ইয়াৰ মান ৩.১৪২৮৫১৭১ বুলি ঠাৱৰ কৰিছিল। $e = ১ + ১/_১ + ১/_২ + ১/_৩ + ১/_৪ \ldots$ পৰা $e$ ৰ মান ২.৭১৮২৮১৮২৮৫ বুলি কৈছিল। এতিয়া এই মানবোৰ কম্পিউটাৰে এক চেকেণ্ডত কৈ দিলেও ঊনবিংশ শতিকাৰ শেষত ই আছিল এক প্ৰহেলিকা।

এই আচৰিত ব্যক্তিজনৰ মৃত্যু হৈছিল মাত্ৰ ৩৩ বছৰ বয়সতে ১৯২০ চনৰ ২৬ এপ্ৰিলত মাদ্ৰাজত। □□

## অসমীয়া সাহিত্যত ছদ্মনাম ব্যৱহাৰ কৰা ব্যক্তিসকল

| ছদ্মনাম | | প্ৰকৃত নাম |
|---|---|---|
| কৃপাবৰ বৰবৰুৱা | ঃ | লক্ষ্মীনাথ বেজবৰুৱা |
| হয়বৰ অভয়পুৰীয়া | ঃ | পাৰ্বতি প্ৰসাদ বৰুৱা |
| সোণাৰাম ছাঁদ | ঃ | হেমচন্দ্ৰ বৰুৱা |
| বাম্না বৰুৱা / বীণা বৰুৱা | ঃ | ড° বিৰিঞ্চি কুমাৰ বৰুৱা |
| ভানুনন্দন | ঃ | ড° সূৰ্য্য কুমাৰ ভূঞা |
| উমেশ চন্দ্ৰ বৰুৱা | ঃ | ভূবন চন্দ্ৰ বৰুৱা |
| কেৰপাই শৰ্মা | ঃ | বিনন্দ চন্দ্ৰ বৰুৱা |
| দদাই | ঃ | কীৰ্তিনাথ হাজৰিকা |
| শীলভদ্ৰ | ঃ | ৰেৱতী মোহন চৌধুৰী |
| নিৰঞ্জন | ঃ | হীৰেণ গোহাঁই |
| এখুদ ককাইদেউ | ঃ | নবকান্ত বৰুৱা |
| মনুষ্যত্ব বৰুৱা | ঃ | হৰেন্দ্ৰ নাথ বৰুৱা |
| নতুন কৃপাবৰ | ঃ | ৰত্নকান্ত বৰকাকতি |
| নীলিম কুমাৰ | ঃ | হেমেন কুমাৰ শৰ্মা |
| যদু | ঃ | যতীন্দ্ৰ নাথ দুৱৰা |

| ছদ্মনাম | | প্ৰকৃত নাম |
|---|---|---|
| ভোলাই শৰ্মা | ঃ | ৰজনী কান্ত বৰদলৈ |
| পথিলী | ঃ | যোগেন্দ্ৰ নাথ বৰকাকতি |
| ষড়ানন | ঃ | ৰাধিকা মোহন গোস্বামী |
| কুমাৰ মধুসূদন | ঃ | মহেন্দ্ৰ গোস্বামী |
| দেশ দেৱেশ্বৰ শৰ্মা | ঃ | |
| মনাই ৰবাগী | ঃ | মহেন্দ্ৰ নাথ ডেকাফুকন |
| ৰূপচন্দ্ৰ জগতী | ঃ | শৰৎ চন্দ্ৰ গোস্বামী |
| জ্ঞানানন্দ ভাগৱতী | ঃ | তুলসী প্ৰসাদ দত্ত |
| ৰামদাস গোস্বামী | ঃ | বক্ৰেশ্বৰ মহন্ত |
| কেনাদ | ঃ | কেশৱ নাৰায়ণ দত্ত |
| কচ/ঘনশ্যাম চলিহা | ঃ | কমলেশ্বৰ চলিহা |
| শ্ৰীহৰ্ষ | ঃ | আনন্দ চন্দ্ৰ আগৰৱালা |
| ৰমাপতি চিতভানু/নটৰাজ | ঃ | ঈশ্বৰ প্ৰসাদ চৌধুৰী |
| চিত্ৰসেন যশৰথীয়া | ঃ | হলিৰাম ডেকা |
| দীপান্বিতা চৌধুৰী | ঃ | ডাঃ ললিত মোহন চৌধুৰী |

প্ৰকৃতি পৃথিৱীৰ অলংকাৰ —— হৰচন

# (ক) সোঁৱৰণি ঃ জীৱন বৈচিত্ৰ্য

ডিম্বেশ্বৰ বৰুৱা
প্ৰবক্তা, অসমীয়া বিভাগ

এজন ছাত্ৰই বহুদিন বহুবাৰ অনুৰোধ কৰিছে নেছা বাইদেউৰ বিষয়ে কিছু কথা লিখি দিব লাগে। কিন্তু কি লিখিম (?) এগৰাকী ব্যক্তিৰ বিষয়ে লিখিব লাগিব, সেয়া আকৌ ব্যক্তি জীৱনৰ বৈচিত্ৰ্যৰ বিশেষত্বখিনি নিৰপেক্ষ আৰু তথ্য-সম্বলিত ভাৱে। তথাপি, জীৱন আলোকপাতৰ ই এক প্ৰয়াস !

(১)

ব্যক্তিৰ জীৱন-বৈচিত্ৰ্যৰ বিশেষত্ব সমূহে ব্যক্তিক মানুহৰ মনত তথা সমাজত চিৰ জীৱন্ত কৰি ৰাখে। বৈচিত্ৰ্যপূৰ্ণ জীৱনৰ বৈশিষ্ট্যবোৰ সাধাৰণ ব্যক্তিৰ মাজত এনেধৰণে প্ৰচ্ছন্ন হৈ থাকে, তাক সৰ্বোত্তম গুণী বা উত্তম জনেহে বিচাৰি পায়। মঙলদৈ চহৰৰ নিকটৱৰ্তী নগৰবাহী-গাৱঁৰ মৰহুম ডাঃ মহবুব আলি আৰু মৰহুমা সাদিনা খাতুনৰ দ্বিতীয়া কন্যা নাহাৰুণ নেছাৰ জীৱন-বৈচিত্ৰ্যৰ বিশেষত্বখিনিও তেনেকৈয়ে বিচাৰি চাব পাৰি।

বিংশ শতিকাৰ পঞ্চাছৰ দশকৰ প্ৰথম বৰ্ষত অৰ্থাৎ ১৯৪১ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে জন্ম পোৱা সাধাৰণ ছোৱালী নাহাৰুণ নেছাই আজি একবিংশ শতিকাতো সামগ্ৰিকভাৱে উপেক্ষিত মঙলদৈৰ গ্ৰাম্যজীৱনলৈ বিংশ শতিকাৰ সত্তৰৰ দশকতে কঢ়িয়াই আনিছিল বিশ্ব বিদ্যালয়ৰ এম.এ. ডিগ্ৰী। নাহাৰুণ নেছাৰ একানপতীয়া অধ্যৱসায়ৰ সেই ব্যক্তিগত জীৱনৰ সাফল্য আছিল গাৱঁলীয়া নাৰী তথা দৰং (মঙলদৈ)ৰ মুছলমান নাৰীসমাজৰ বাবে গৌৰৱোজ্জ্বল প্ৰত্যাশিত সুখবৰ। ই আছিল নাৰীৰ উচ্চ শিক্ষাৰ অন্যতম শুভাৰম্ভণি। গাৱঁতেই প্ৰাথমিক শিক্ষা আৰম্ভ কৰি মঙলদৈ টাউন ছোৱালী হাইস্কুলৰ পৰা ১৯৫৩ চনত মেট্ৰিকুলেছন পৰীক্ষা পাছ কৰা নাহাৰুণ নেছাই ১৯৫৫ চনত মঙলদৈ কলেজৰ পৰা আই.এ. পৰীক্ষা, ১৯৬০ চনত গুৱাহাটী সন্দিকৈ কলেজৰপৰা অসমীয়া বিষয়ত অনাৰ্চসহ বি.এ. পাছ কৰি ১৯৬৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা অসমীয়া (ভাষাতত্ব) বিষয়ত এম.এ. ডিগ্ৰী লাভ কৰে। যি সময়ত মঙলদৈৰ গ্ৰামাঞ্চলত নাৰীশিক্ষাৰ (বিশেষকৈ উচ্চ শিক্ষা) ক্ষেত্ৰত বিভিন্ন প্ৰতিবন্ধকে শৈক্ষিক অনগ্ৰসৰতাক প্ৰশ্ৰয় দিছিল, সেই সময়তে এই গৰাকী মহিলাই নাৰীৰ উচ্চশিক্ষাৰ পথিকৃৎ হিচাপে ওলাই আহিছিল বুলি ক'ব পাৰি। নাহাৰুণ নেছাৰ বৈচিত্ৰ্যপূৰ্ণ জীৱনৰ ই সৰ্বজন প্ৰশংসিত বিশেষত্ব।

(২)

গাৱঁৰ জীয়ৰী (পিছলৈ টংলাৰ) নাহাৰুণ নেছা এগৰাকী বিশ্ববিদ্যালয়ৰ ডিগ্ৰীধাৰী ভদ্ৰ মহিলা হৈ ওলাই আহিছিল মঙলদৈ চহৰলৈ আৰু ১৯৬৪ চনৰ এটি পবিত্ৰ ক্ষণত মঙলদৈ কলেজৰ অসমীয়া বিভাগত তদানীন্তন অধ্যাপিকা ড° উষা বৰা বাইদেউৰ সহকৰ্মী অধ্যাপিকা হিচাপে যোগ দিছিল। বোধহয়, সেই মুহূৰ্তৰপৰাই তেখেত আছিল অধ্যৱসায়ী আৰু নিয়মানুৱৰ্তী শিক্ষয়িত্ৰী সকলোৰে 'নেছা বাইদেউ'।

দুটা দশক আগৰ কথা। তেতিয়া আমি প্ৰাক্-বিশ্ববিদ্যালয় (Pre-University) ৰ ছাত্ৰ-ছাত্ৰী। সেই সময়ত মঙলদৈ কলেজত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নিচেই তাকৰ নাছিল যদিও অৱশ্যে এতিয়াৰ দৰে সহস্ৰাধিক নাছিল। সি যি কি নহওঁক, আমাৰ বাৰুকৈয়ে উপলব্ধি হয়! এতিয়াৰ তুলনাত সেই সময়ত মঙলদৈ কলেজত শিক্ষক-ছাত্ৰৰ সম্পৰ্ক আছিল অতি সু-মধুৰ। শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ অপৰিসীম শ্ৰদ্ধা, ভক্তি, আনহাতে ছাত্ৰ-ছাত্ৰীৰ প্ৰতি শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰয়োজনাধিক মৰম-চেনেহ আছিল। সেই পৰিবেশটোৱেই মঙলদৈ কলেজত এটা সুন্দৰ শৈক্ষিক বাতাবৰণ সৃষ্টিত যথেষ্ট সহায় কৰিছিল। তেনে এক বিদ্যায়তনিক পৰিবেশতে ছাত্ৰ-ছাত্ৰী হিচাপে অন্যান্য শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে স্নেহাশিস সান্নিধ্য লাভ কৰিছিলোঁ বিদুষী অধ্যাপিকা নেছা বাইদেউৰ। আবুৰিত সাজেৰে বাইদেউৰ ক্ষীণ শৰীৰটোৰ গতি আছিল অতি ধীৰ স্থিৰ। শিক্ষয়িত্ৰী হিচাপে নেছা বাইদেউ আছিল অতি ভদ্ৰ আৰু মৰমিয়াল। ছাত্ৰই শিক্ষকৰ গুণা-গুণ বিচাৰ কৰি মন্তব্য দিবলৈ যোৱাটো ধৃষ্টতাৰ পৰিবৰ্তে আন একো নহয়। তথাপি প্ৰসঙ্গতঃ উল্লেখ নকৰি নোৱাৰি ; বাইদেউৰ অসুস্থ শৰীৰ আৰু মনৰ মাজত লুকাই আছিল ছাত্ৰ-ছাত্ৰীক প্ৰাণঢালি শিকোৱাৰ এক অদম্য বাসনা। তেখেতে সদায় অধ্যয়নপুষ্ট হৈ ছাত্ৰ-ছাত্ৰীক বিষয়ৰ জ্ঞান দিবলৈ প্ৰয়াস কৰিছিল। এগৰাকী শিক্ষক বা শিক্ষয়িত্ৰীৰ এইটো মহান গুণ। আনহাতে বাইদেউৰ সুস্পষ্ট উচ্চাৰণ শক্তি আৰু সুললিত কণ্ঠস্বৰে ছাত্ৰ-ছাত্ৰীসকলক মোহিত কৰি পাঠ আহৰণত মনসংযোগ কৰাইছিল। শ্ৰেণী কোঠাত পাঠদান কৰিবলৈ সোমাই আহি ছাত্ৰ-ছাত্ৰীৰ সন্মুখত তেখেতে আপোন-ভোলা হৈ গাই গৈছিল -

"তেতিয়া যদিও নাছিলা তুমি
ৰূপৰ চমকে চমকাই চকু।
আছিলি তেতিয়া
সুন্দৰ মোৰ
জোন বেলি তৰা
জুৰাই বুকু।

('বিশ্বহৰণ', ৰত্নকান্ত বৰকাকতি)

নগাৱঁৰ টিঙৰ শেৱালি কবি ৰত্নকান্ত বৰকাকতিৰ ৰোমাণ্টিক কবিতাৰ মাজত নেছা বাইদেউৱে হয়তো বিচাৰি পাইছিল অশান্ত হৃদয়ক জুৰ পেলোৱা প্ৰশান্তি। বাইদেউৰ বিলাসী মনটো চমকি উঠিছিল কবি ৰঘুনাথ চৌধাৰীৰ 'গোলাপ', 'কেতেকী'ত ; সেয়েহে কবিৰ ভাৱৰ সতে তেখেতৰ মনৰ ভাৱ একাত্ম হৈ সুমধুৰ কণ্ঠস্বৰত ওলাই আহিছিল -

"কাৰ পৰশত ফুলিলি বান্ধৈ
অ' মোৰ সাদৰী ফুলাম পাহি?
শ্যামলী পাতৰ ওৰণি গুচাই
কাৰফালে চাই মাৰিলি হাঁহি?"

('গোলাপ' ৰঘুনাথ চৌধাৰী)

নাহাৰুণ নেছা বাইদেউৱে কবিতা লিখি তেখেতৰ কবিত্ব হৃদয়ক প্ৰকাশ কৰি দেখুওৱা নাছিল যদিও অসমীয়া ৰোমাণ্টিক কবিতাই তেখেতৰ কোমল হৃদয় নিয়ৰসিক্ত কৰি ৰাখিছিল। মহিলা কবি নলিনী বালা দেৱীৰ 'নাটঘৰ' কবিতাৰ প্ৰতিটো পংক্তি গাই যাওঁতে কবি হৃদয়ৰ দৰে নেছা বাইদেউৰ হৃদয়খনিৰো পাৰ্থিৱ জগতৰ পৰা আধ্যাত্মিক জগতলৈ উত্তৰণ ঘটিছিল।

জীৱনৰ শিকনি অবিহনে কিতাপৰবোৰ অসাৰ হৈ পৰে —— চেমুৱেল জনছন

বিষয়ৰ লগত এনেদৰে একাত্ম হৈ ছাত্ৰ-ছাত্ৰীক পাঠদান কৰিব পৰা বাইদেউৰ সেই বিশেষ গুণখিনি সকলো ছাত্ৰ-ছাত্ৰীয়েই হয়তো দেখা পাইছিল। ইয়াৰ উপৰিও বি.এ. মহলাৰ শ্ৰেণীত মহাপুৰুষৰ 'কালীয়-দমন নাট', অতুল চন্দ্ৰ হাজৰিকাৰ পৌৰাণিক নাটক 'নৰকাসুৰ', সাৰদাকান্ত বৰদলৈৰ আধুনিক অসমীয়া নাটক 'মগ্ৰীবৰ আজান' আৰু জ্যোতিপ্ৰসাদৰ 'লভিতা', 'ৰূপালীম' আদি নাটকৰ সংলাপ প্ৰাণ-পৰশাকৈ মাতি নেছা বাইদেউৱে ছাত্ৰ-ছাত্ৰীক বিষয়-বস্তু অতি প্ৰাঞ্জলকৈ বুজাই দিব পাৰিছিল। আনফালে ভাষাতত্ত্বৰ ছাত্ৰী হিচাপে নেছা বাইদেউৱে বি.এ. অনাৰ্ছ (পিছলৈ মেজৰ) বিষয়ৰ ছাত্ৰ-ছাত্ৰীক অসমীয়া ভাষা-বিষয়ৰ জ্ঞান অতি বিচক্ষণতাৰে দিয়াৰ প্ৰয়াস কৰিছিল। এগৰাকী শিক্ষয়িত্ৰী হিচাপে তেখেতৰ সাৰ্থকতা ইয়াতেই লুকাই আছে। 'মঙলদৈৰ আঞ্চলিক ভাষা' আৰু 'ধৰ্মেশ্বৰী দেৱী বৰুৱাণীৰ জীৱন আৰু কাব্যত এটি বিহঙ্গম দৃষ্টি' তেখেতৰ মৌলিক ৰচনাৰ অন্যতম নিদৰ্শন।

(৩)

১৯৯১ চনত মঙলদৈ কলেজৰ অসমীয়া বিষয়ৰ প্ৰবক্তা হিচাপে যোগ দিয়াৰ পিছত মই ব্যক্তিগতভাৱে নেছা বাইদেউক অতি ওচৰৰ পৰা লগ পোৱাৰ সুবিধাখিনি পাইছিলোঁ। বাইদেউৰ সহকৰ্মী হিচাপে প্ৰথমে নিজকে সহজ কৰি তুলিব পৰা নাছিলোঁ যদিও প্ৰথম অৱস্থাৰ পৰাই সেই গৰাকী শিক্ষয়িত্ৰীয়ে নিজেই মোক সহজ কৰি তুলিছিল। তেনেকৈয়ে নেছা বাইদেউৰ লগত মোৰ ঘনিষ্ঠ সম্বন্ধ ঘটিছিল। সেই সময়ত মই বিভাগটোৰ একেবাৰে কনিষ্ঠ সদস্য আছিলোঁ। ড° উষা বৰা বাইদেউ, ড° মহেন্দ্ৰ প্ৰসাদ বৰুৱা চাৰ, অধ্যাপিকা নাহাৰুণ নেছা বাইদেউ, অধ্যাপক জীৱন চন্দ্ৰ শৰ্মা চাৰ আৰু অধ্যাপক ইদ্ৰিছ আলি চাৰ এই আটাই কেইগৰাকীয়েই মোৰ শিক্ষাগুৰু। গতিকে তেখেতসকলৰ লগত অধ্যাপনাৰ কাম কৰোঁতে প্ৰথমে বৰ অকলশৰীয়া অনুভৱ কৰিছিলোঁ। মোৰ সেই অৱস্থাত উষা বাইদেউ আৰু নেছা বাইদেউৰ সান্নিধ্যই মোক যথেষ্ট উৎসাহ যোগাইছিল। সহকৰ্মী হিচাপে লগত থাকি নেছা বাইদেউৰ জীৱনৰ বিশেষত্ববোৰ পূৰ্বতকৈও অধিক সূক্ষ্মভাৱে প্ৰত্যক্ষ কৰিছিলো। কগ্ন অৱস্থাৰ ভগ্ন শৰীৰৰ নেছা বাইদেউৰ মনটো আছিল অতি সবল। তেখেতে সদায় হাঁহি থাকিব বিচাৰিছিল। অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপিকা উষা বৰা বাইদেউৰ লগত নেছা বাইদেউৰ বাই-ভনীৰ দৰে সম্বন্ধটো দেখি মই অভিভূত হৈছিলোঁ। দুয়োগৰাকীৰ মাজত প্ৰায়েই হাঁহি-ধেমালি কিম্বা ৰগৰ দেখা পাইছিলোঁ। মঙলদৈ কলেজৰ আন সকলো অধ্যাপক-অধ্যাপিকা আৰু অন্যান্য কৰ্মচাৰী প্ৰতিগৰাকী ব্যক্তিৰ লগত নেছা বাইদেউৰ মধুৰ সম্পৰ্ক আছিল। সকলোকে আপোন কৰি ল'ব পৰা এই গৰাকী শিক্ষয়িত্ৰীয়ে কেইবা বছৰো মঙলদৈ কলেজ ছাত্ৰী-নিবাসৰ অধীক্ষিকাৰ দায়িত্বত থাকি আন এক প্ৰকাৰে নাৰী শিক্ষাৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাইছিল। এক কথাত ক'বলৈ হ'লে নাৰী জাতিৰ প্ৰতি নেছা বাইদেউৰ এক বুজিব নোৱাৰা দুৰ্বলতা আছিল। মৃত্যুৰ সময়লৈকে সদৌ অসম লেখিকা সমাৰোহৰ মঙলদৈ শাখাৰ লগত যোগসূত্ৰ ৰখাটো ইয়াৰ অন্য এক নিদৰ্শন।

অধ্যাপনা কৰাৰ লগতে নেছা বাইদেউৱে মঙলদৈ কলেজ সাহিত্য চ'ৰাৰ দায়িত্ব অতি সুচাৰুৰূপে পালন কৰিছিল। সুদীৰ্ঘকাল অধ্যাপনা কৰাৰ পিছত তেখেতে চাকৰি জীৱনৰ আৰু কেইটামান বছৰ বিভাগৰ মূৰব্বী হিচাপে দায়িত্ব লৈ পাৰ কৰি দিবলৈ সুবিধা পাইছিল যদিও সেয়া আধৰুৱা হৈ ৰ'ল।

(৪)

নাহাৰুণ নেছা বাইদেউৰ জন্ম হৈছিল শিক্ষা-সংস্কৃতিৰ সুন্দৰ পৰিবেশ থকা পৰিয়ালত। অসমৰ প্ৰথিতযশা কবি-সাহিত্যিক, গীতিকাৰ-গায়ক তেখেতৰ ককায়েক অধ্যাপক তফজ্জুল আলি তাৰ এক জীৱন্ত নিদৰ্শন। তেখেত এগৰাকী কলেজৰ অধ্যাপিকা, তথাপি কিয় জানো তেখেতে চিৰ-কুমাৰী হৈ ৰ'ল! সেইটো একান্ত ব্যক্তিগত কথা। অৱশ্যে এটা সংস্কৃতিৱান পৰিয়ালত ডাঙৰ-দীঘল হোৱা বাবেই নেছা বাইদেউৰ মনটো আছিল সংস্কৃতিপ্ৰেমী আৰু সু-ৰুচিপূৰ্ণ। বাইদেউৰ মঙ্গলদৈস্থ ঘৰখনলৈ গ'লেই সেইটো অনুভৱ হৈছিল। ভতিজা ল'ৰা দুজনমান আৰু লগুৱা-লিকৌচৌৱে পৰিপূৰ্ণ হৈ থকা ঘৰখন ইমান পৰিপাটি আৰু পৰিস্কাৰ-পৰিচ্ছন্ন দেখিছিলোঁ, সেইসময়ত মনত ভাৱেই নাহিছিল যে সেই প্ৰকাণ্ড ঘৰটোৰ এটা কোঠাত ৰুগীয়া বিচনাত নেছা বাইদেউ শুই আছে। অসমীয়া সংস্কৃতিৰ প্ৰতি তেখেতৰ এক অকৃত্ৰিম প্ৰেম আছিল। উৎসৱ-পাৰ্বন, বিবাহ অনুষ্ঠান আদিলৈ যাওঁতে সেয়েহে তেখেতে সদায় পাট-মূগাৰ কাপোৰ পৰিধান কৰিছিল। সংস্কৃতি প্ৰেমী আছিল বাবেই নাহাৰুণ নেছা বাইদেউৱে নিজা ধৰ্মৰ ৰীতি-নীতিৰ উপৰিও হিন্দু ধৰ্মৰ আটাইবোৰ ৰীতি-নীতিকেই শ্ৰদ্ধা কৰিছিল। অসমীয়া হিন্দুৰ বিবাহ-পদ্ধতি, আই-নাম, বিহু-নাম, বিয়া-নাম, বিহুৰ চুঙাপিঠা, তিলপিঠাৰ প্ৰতি তেখেতৰ বিশেষ আকৰ্ষণ আছিল। তেখেতে যিদৰে মুছলমানৰ মছজিদ, পৱিত্ৰ ইদুল ফিটৰ, ফাটেহাৰ মহত্ত্ব বুজি পাইছিল ঠিক তেনেদৰে বুজি পাইছিল হিন্দুৰ মন্দিৰ, নামঘৰ, দুৰ্গাপূজা, জাতীয় উৎসৱ বিহু, শিৱৰাত্ৰি, শক্তিপূজা আৰু বৈষ্ণৱ ধৰ্মৰ সুকীয়া সুকীয়া গভীৰ তাৎপৰ্য্য। আচলতে নেছা বাইদেউৰ মনটোৱেই আছিল সাম্প্ৰদায়িক সম্প্ৰীতি আৰু সাংস্কৃতিক সমন্বয়ৰ উজ্জ্বল প্ৰতীক। এক বৈচিত্ৰ্যপূৰ্ণ মন। প্ৰায় এটা দশক ধৰি সহকৰ্মী হিচাপে নেচা বাইদেউৰ একেবাৰে ওচৰত থাকি তেখেতৰ চলন-ফুৰণ, কথা-বতৰা আৰু কৰ্মৰাজিৰ পৰা তেখেতৰ বৈচিত্ৰ্যপূৰ্ণ জীৱন বিশেষত্বখিনি এনেদৰে অনুধাৱন কৰিছিলোঁ।

(৫)

মঙলদৈ কলেজৰ অসমীয়া বিষয়ৰ স্নাতকোত্তৰ শ্ৰেণীত মাধৱ কন্দলিৰ 'সুন্দৰ কাণ্ড ৰামায়ণ', মহাপুৰুষ শংকৰদেৱৰ 'আদি-দশম'ৰ বৰ্ষা বৰ্ণনা, শৰৎ বৰ্ণনা, অজামিল উপাখ্যান আদি অনুপম ৰসাল পাঠ পঢ়ুৱাই থকা সময়ত এদিন বাইদেউৱে স্বাস্থ্যজনিত কাৰণতে স্নাতকোত্তৰ শ্ৰেণীৰ পাঠদান কৰিব নোৱাৰিম বুলি নিজৰ অপাৰগতাৰ কথা প্ৰকাশ কৰিছিল। সিদিনা অৱশ্যে ভবা নাছিলোঁ সেয়াই বাইদেউৰ কৰ্মবহুল বৈচিত্ৰ্যপূৰ্ণ জীৱন নাটৰ যৱনিকা দৃশ্যৰ আৰম্ভণি সংলাপ! অকল স্নাতকোত্তৰ শ্ৰেণীতেই নহয়, কোনো শ্ৰেণীৰ পাঠদান কৰিবলৈ নেছা বাইদেউ কলেজলৈ আৰু আহিব নোৱাৰিলে। অবিৰাম চিকিৎসাৰ সহায়ত ৰোগ-শয্যাত নেছা বাইদেউৱে হয়তো অকলশৰে শৈশৱৰ পৰা আৰম্ভ কৰি গোটেই জীৱনটো পুনৰ ৰোমন্থন কৰিছিল। তাৰ মাজত দেখিছিল জীয়াই থকাৰ নতুন সপোন। মোক কৈছিল "গৰম বন্ধ খুলিলে কলেজলৈ যাম। তোমাৰপৰা চাহ-মিঠাই খাম।" কিন্তু এসপ্তাহ পিছতেই এদিন ৰাতিপুৱা নিয়তিৰ সঁচা বতৰাটি পালোঁ। ২ জুন ১৯৯৯ বুধবাৰে নেছা বাইদেউ ঢুকাল। বাইদেউৰ বৈচিত্ৰ্যময় জীৱনৰ বিশেষত্বখিনি হৈ ৰ'ল সোঁৱৰণি! □□

উপবাস কৰি মানুহে নিজৰ দেহক সংযত কৰি ৰাখে যদিও ভোক স্পৃহা থাকিয়েই যায় —— গীতা

# (খ) মুৰব্বী অধ্যাপিকা বিদ্যুত প্ৰভা বাইদেউলৈ শ্ৰদ্ধাঞ্জলি

বুদ্ধিন হাজৰিকা
প্ৰবক্তা, প্ৰাণীবিজ্ঞান বিভাগ

পুৱা ঠিক আঠ বাজিছে, ২০০০ চনৰ ৮ জানুৱাৰী। খবৰ এটা পালোঁ। অতি কম সময়ৰ ভিতৰত গুৱাহাটীৰ পূব শৰণীয়াত বাস কৰা বাইদেউৰ একমাত্ৰ কন্যা ডাঃ বৰ্ণালী দাস (বিজু) ৰ পদূলি পালোগৈ। তেতিয়াহে বিশ্বাস হ'ল - বিদ্যুত বাইদেউৰ দেহৰসান ঘটিল। কোনোৱে ভবা নাছিল যে সাহসী কৰ্তব্যপৰায়ণা, নিষ্ঠাৱতী, ধৈৰ্য্যশীলা, স্পষ্টবাদী ইত্যাদি গুণৰ অধিকাৰিণী বিদ্যুত বাইদেউৰদৰে দক্ষ প্ৰশাসিকা এগৰাকীৰ অতি সাধাৰণ বুলি ভবা ৰোগ এবিধে শেষ নিশ্বাস কাঢ়ি নিব পাৰে।

এই বিভাগত প্ৰবক্তা হিচাপে যোগদান কৰাৰ কিছুদিনৰ পাছতেই প্ৰাণীবিজ্ঞান বিষয়ত গুৰু পাঠ্যক্ৰম (Major) আৰম্ভ কৰাৰ বাবে আলোচনা কৰিছিলোঁ, তেতিয়াই অনুভৱ কৰিছিলোঁ বাইদেউৰ কি এক অদম্য প্ৰয়াস; তেওঁ যেন বহুদিনৰেপৰা অন্তৰত লুকুৱাই ৰখা কথাষাৰ কোৱাৰ সুযোগ পাইছে। লক্ষ্য কৰিছিলোঁ প্ৰয়োজনীয় ধন সংগ্ৰহ কৰি জমা দিয়া তৎপৰতা। শেষত ১৯৮৮ চনৰ পৰা মঙলদৈ মহাবিদ্যালয়ত প্ৰাণীবিজ্ঞান বিষয়ত গুৰুপাঠ্যক্ৰমৰ পাঠদান আৰম্ভ কৰা হয়।

কিছুদিন পিছত বাইদেউৰ চকুৰ অসুখ হৈছিল। তথাপি বাইদেউৰ আহৰি নাই; বিভাগীয় সকলো কাগজ-পত্ৰ সুন্দৰভাৱে সজাই তোলা, কোনো অনুপস্থিত শিক্ষকৰ শ্ৰেণীটো সম্পূৰ্ণ কৰা ইত্যাদি খুটি-নাটিৰ মাজেৰে প্ৰাণীবিজ্ঞান বিভাগটো জাকত জিলিকা কৰাৰ দূৰ্বাৰ আকাংক্ষা! সেই আশা সঁচাকৈ পূৰণ হৈছিল। স্নাতক পৰ্য্যায়ত প্ৰাণীবিজ্ঞানৰ গুৰুবিষয় সহ মঙলদৈ মহাবিদ্যালয়ত চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা প্ৰথম বেট্‌চৰ পৰাই ওলাল প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হোৱা ছাত্ৰ। শেষলৈ এই বিভাগৰপৰা ওলাল প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰা পৰীক্ষাৰ্থী। প্ৰাণী বিজ্ঞান বিভাগটোৰ সুখ্যাতিৰ বাবে সমূহীয়া প্ৰচেষ্টাৰ লগতে বাইদেউৰ কৃতিত্বপূৰ্ণ প্ৰশাসন আৰু অক্লান্ত পৰিশ্ৰম অনস্বীকাৰ্য্য।

বাইদেউক গৃহিণী হিচাপেও অতি সাৰ্থক যেন অনুভৱ হৈছিল। বাইদেউৰ ঘৰলৈ গলেই যি কোনো ব্যক্তিয়েই অনুভৱ কৰিব পাৰিব কি সুন্দৰকৈ সজাইছে এখন বাৰী আৰু ঘৰখন। ইয়াৰোপৰি ঘৰখনত অনেক ধৰণৰ আচাৰ, জাম জেলিৰ প্ৰয়োভৰ। বাইদেউৱে হেনো নিজে নোখোৱা, আনে ভালপোৱা বস্তুবোৰ তৈয়াৰ কৰি আনন্দ লভে। আজৰি সময়ত জাৰকালি বাইদেউৰ হাতত 'কুৰচা' শলা আৰু উল কোনোদিনেই নুগুছিল। চুৱেটাৰ, শ্বাল এইবোৰ হেনো বাইদেউৱে নিজে কৰি লৈহে ভাল পায়। এইবোৰ শেষবাৰৰ বাবে বাইদেউৰ লগত বহুঘণ্টা ধৰি কথা পতাৰ সুযোগ পাইছিলোঁ যোৱা ২৪/২৫ ডিচেম্বৰ'৯৯ত পাঠ্যক্ৰমত অন্তৰ্ভূক্ত অভ্যাৰণ্যলৈ যোৱা এক অভিযানত। অতিথিশালাত বাইদেউৱে এইবাৰ তৈয়াৰ কৰি লৈ যোৱা এখন শ্বাল দেখুৱাই ক'লে, "এইখন এইবাৰ কৰিছো। লেপৰ তলত লবলৈ।" মই আচৰিত হৈছিলোঁ, কিদৰে সময় উলিয়াই এইবোৰ কৰিবলৈ! স্বাস্থ্যই বা কেনেকৈ সম্ভৱ কৰি তোলে এগৰাকী বাত বেমাৰীক?

ওৰাং ৰাষ্ট্ৰীয় উদ্যানত আবেলি গৈ পোৱাৰ পিছত পাঁচনৈৰ মুখলৈকে বহুদূৰ খোজকাঢ়ি গ'লো। ঘূৰি অহাৰ পিছতো বাইদেউক ভাগৰুৱা নেদেখিলো; আনকি পুনৰ ৰাতি এবাৰ উদ্যানৰ ভিতৰলৈ যোৱাৰ ইচ্ছা। পাছদিনা পুৱা যেতিয়া উদ্যানলৈ গলো, বাইদেউৰ উদ্যম দেখি অভিভূত হলো। কোনে ক'ব আৰ্থ্ৰাইটিচত ভোগা ৰোগী বুলি।

বেচৰকাৰী সংগঠন অসম বিজ্ঞান সমিতি, প্ৰাণী বিজ্ঞান সমিতি-অসম, গ্ৰীণ চ'চাইটি-মঙ্গলদৈ, দৰং জিলা শিশুবিজ্ঞান সমাৰোহ ইত্যাদিৰ লগত বাইদেউৰ এক এৰাব নোৱাৰা সম্পৰ্ক আছিল।

বহুকাল ধৰি মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ অধীক্ষীকাৰ দায়িত্বত থকা বাইদেউ, এই দায়িত্বৰপৰা অব্যাহতি পোৱাৰ পিছতো যেন আনুষ্ঠানিক অধীক্ষীকাৰ লেখিয়া হৈ ছাত্ৰী নিবাসৰ সকলো অনুষ্ঠানত ভাগ লোৱা দেখিলেই অনুভৱ কৰিব পাৰি দায়িত্ব এবাৰ পিছতো কিদৰে এজন ব্যক্তিয়ে দায়িত্ব পালন কৰে।

বাইদেউৰ স্মৃতিশক্তি বাইদেউক লগ পোৱা প্ৰত্যেক ব্যক্তিয়েই উপলব্ধি কৰে নিশ্চয়। প্ৰাণীবিজ্ঞানত গুৰু বা সাধাৰণ (Major or General) পাঠ্যক্ৰমৰ সকলো ছাত্ৰ-ছাত্ৰীক বাইদেউৱে নাম কাঢ়ি মাতিব পাৰিছিল। বিভাগৰ প্ৰতি গৰাকী প্ৰবক্তাৰ বিবাহ বাৰ্ষিকীৰ তাৰিখ, প্ৰতিজনৰ সন্তানৰ জন্মদিন বাইদেউৰ জিভাৰ আগত। কোন ছাত্ৰই কিমান দিন শ্ৰেণীত অনুপস্থিত, সেয়া ৰেজিষ্টাৰ বহী নোচোৱাকৈ বাইদেউৱে ক'ব পাৰে। প্ৰাণী বিজ্ঞান বিভাগটোৱেই বাইদেউৰ আছিল জীৱনৰ সৰ্ব্বস্ব। কেনেকৈ বিভাগটোক জাকত জিলিকা সৰ্ব্বাঙ্গ সুন্দৰ কৰিব পাৰে তাৰ চিন্তাত সময় কটোৱা এই গৰাকী ব্যক্তিৰ অকাল মৃত্যুত যে কেৱল পৰিয়াল বা মহাবিদ্যালয়ৰ ক্ষতি সাধন হ'ল সেয়া নহয় - তেখেতৰ ছাঁত থকা আমাৰ দৰে বহু অনুগামীৰ লগতে অসমেও এগৰাকী সুদক্ষ তথা কৃতি শিক্ষয়িত্ৰী হেৰুৱালে।

জন্মৰ তাৰিখ নিৰ্ধাৰণ কৰিবলৈ কোনো ধৰণৰ জন্ম সোঁৱৰণী বা অইন কোনো নথি নোপোৱাৰ পৰিপ্ৰেক্ষিতত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰমাণ পত্ৰৰপৰা উক্ত তাৰিখ ০১-০৩-১৯৪৪ ইং বুলি ধৰা হৈছে। তেখেতৰ জন্মস্থান আছিল নাহৰকটীয়া আৰু পিতৃ ৺নবীন চন্দ্ৰ ফুকন।

বাইদেউৰ শিক্ষা জীৱন ঃ

১৯৫৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ।

১৯৬২ চনত কটন কলেজৰপৰা আই. এচ. চি.

মাজতে প্ৰাইভেটকৈ বি.এ.

১৯৬৭ চনত প্ৰাইভেটকৈ বি.এচ.চি.

১৯৬৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা এম. এ. চি.

১৯৭১ চনত মঙলদৈ মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে নিযুক্তি।


মৃত্যু ঃ ০৮/০১/২০০০ ইং। □□

মূৰ্খ আৰু মৃতকেহে কেৱল মতৰ পৰিবৰ্ত্তন নকৰে —— জেমচ্ ৰাছেল

# গল্পৰ শৰাই

যি কোনো বস্তু এটা ঘোঁৰাৰ মৃত্যুৰ
পৰা আৰম্ভ কৰি এগৰাকী গাভৰুৰ
প্ৰথম প্ৰেমলৈকে, এটা ফুলৰ
পাপৰি মেল খোৱাৰ পৰা আৰম্ভ
কৰি এটা প্ৰবল ভূমিকম্পলৈকে
— প্ৰতিটো বস্তুৰেই চুটি গল্পৰ
বিষয় হ'ব পাৰে।

— এইচ, ই, বেইটচ্



# নদীৰ সৈতে

মিছ ছাহিদা খাতুন
স্নাতক ১ম বাৰ্ষিক (কলা)

নদীৰ পানীত গধূলিটো কঁপি থাকে । পাৰৰ বাঁহকেইজোপাৰ দোঁ খাই থকা আগবোৰ বতাহত লৰে, জিৰ জিৰকৈ নদীৰ গৰাৰ পৰা মাটি খহি পৰে । দুয়োপাৰৰ বিস্তীৰ্ণ ধাননিৰ সেউজীয়া ৰং এতিয়া অস্পষ্ট, পথাৰৰ মাজৰ আলিটোৰেদি গৰুৰ জাক উভতিছে, গছৰ আগৰ পৰা চৰাইৰ শেষ কলৰৱ ভাহি আহিছে ।

নাৱৰ টিঙত বহি যাত্ৰীজন কিছু সময় নীৰৱে ৰয় । খোচনিৰ পৰা বিড়িৰ মুঠা এটা উলিয়াই হানিফলৈ আগবঢ়াই দিয়ে । নিজেও এটা লয় । সাৱধানেৰে বিড়িটো জ্বলাই তেওঁ হানিফৰ পিনে চায় ।

"ককাই, এতিয়া পিছে কি ভাবিছে ?"

"আল্লা আছে" আকাশৰ পিনে চাই হানিফ ককাইয়ে কয়,

"চলাব আৰু ।"

অমনিব ঘাটটোলৈকে যাওঁক নহলে । ঘাটটোত সাকো এখন হওঁতে আছে, পিছে মানুহে অহা যোৱা কৰিবলৈকে ভয় কৰে । নাৱো নাই ।"

"চাওঁ চোন ।" নিস্পৃহভাৱে হানিফে কয় ।

যাত্ৰীজনে বুজিব নোৱাৰে হানিফে তেওঁৰ উপদেশটো গ্ৰহণ কৰিলেনে নাই । বিড়িটোত এটা মুখটান দি তেওঁ নিজস্ব চিন্তাত ডুবি যায়। বঠাৰ আলফুল চাবত হানিফৰ নাওঁ আহি পাৰত লাগে । সন্ধিয়াৰ ছাত পাৰৰ গছ-গছনিবোৰ ডুবি গৈছে । বৰ বিষাদগ্ৰস্ত যেন দেখা গৈছে সিহঁতক । কিছু দূৰত সন্ধিয়াৰ সেই অস্পষ্ট আন্ধাৰত মূৰ্তিমান বিভীষিকাৰ দৰে দলংখন ঠিয় দি আছে । হানিফে ঘৰৰ পিনে চালে । মাক-জীয়েক দুয়ো হয়তো নামাজলৈ গৈছে । সেই সময়ত ঘৰখন যেন নিস্তব্ধ হৈ আছে। নামাজৰ আয়াত বিলাক আশ্চৰ্য সুগন্ধৰ দৰে চাৰিওপিনে বিয়পি পৰে । এক আকুল প্ৰাৰ্থনা লৈ দলংখনৰ ওচৰলৈ যায়, আৰু দলঙৰ কাঠত ঠেকা খাই ঘূৰি আহে । ঘনায়মান সন্ধিয়াৰ আকাশে বতাহে যি অৱৰুদ্ধ বেদনা ভাহি ফুৰে, তাক যেন এই প্ৰথম বুজি উঠে হানিফে।

লংপেণ্ট ছাৰ্ট পৰিহিত এজন লৰা সিপাৰৰ ঘাটত থিয় দি আছে। ইফালে সিফালে চালে তেওঁ । বিব্ৰত মুখেৰে এটা চিগাৰেট জ্বলালে । হয়তো এই ঘাটত তেওঁ নতুন । ঠিক সেই সময়তে তেওঁ হানিফক দেখা পায় ।

"ককাই .... ইছলামপুৰলৈ যাবলৈ এই পিনেদিয়েই নৈ পাৰ হব নালাগিব জানো ?"

"হয়, আহক ।" পানী ফালি ফালি হানিফৰ নাওঁ আগবাঢ়ি যায় । এতিয়া আকাশলৈ মৃতাৰ্ত নীৰৱতা নামি আহিছে । নদীৰ পানীৰ ৰং কজলা হৈ পৰিছে । অনভ্যস্ত ভংগীৰে খুব সন্তৰ্পণে লৰাজন নাৱঁত উঠে। হাতত এটা সৰু চুটকেছ । জোতাযোৰো খুলি হাতত লৈছে । নাওঁৰ টিঙত সাৱধানে বহি তেওঁ দলং খনৰ পিনে চাই ৰয় ।

"হওঁক তেওঁ, দলং এখন হৈছে । কেতিয়ানো হয়গৈবা ?"

পৰহিলৈ মন্ত্ৰী আহি দলং মুকলি কৰাৰ কথা । তেখেতে বোলে আদেশ দিছে নিৰ্বাচনৰ আগে আগে দলং হবই লাগিব । এই কেইদিন দিনে ৰাতিয়ে কাম চলাতহে ইমান খিনি হৈছেগৈ ।

নিৰ্জন নিঃশব্দ নদীৰ ঘাটতো এদিন কেইখনমান ট্ৰাক গাড়ীৰ গৰ্জনত চমকি উঠিল । এদল বনুৱা, কেইট্ৰাকমান কাঠ হুৰহুৰকৈ গাড়ীৰ পৰা নামিল । নদীৰ পাৰত ত্ৰিপাল তম্বু উঠিল । খেলিমেলি শব্দ আৰু কোলাহলেৰে ঘাটটোৰ দিন ৰাতি ভৰি গ'ল । হানিফে বুজিলে যে ইয়াত এখন দলং হব । খুব সোনকালে দ্ৰুত গতিৰে । কাৰণ ইলেকশ্বনৰ আগে আগে মানুহৰ বাবে দলং খন মুকলি কৰি দিয়াৰ কথা । তাৰ পাছত হানিফৰ চকুৰ আগতে এটুকুৰা এটুকুৰাকৈ দলং খন গঢ়লৈ উঠে । ট্ৰাকৰ ইঞ্জিন, বনুৱাৰ চিৎকাৰ, কাঠ পেলোৱা, হাতুৰী মৰাৰ শব্দেৰে নদীৰ শান্ত পৰিৱেশ ভাগি থানবান হৈ পৰে । এদিন হানিফে দেখে, কি বিবাট এখন দলং ! কি অনায়াস ঔদ্ধত্যৰে দলংখনে তাৰ বিশাল বাহু মেলি দিয়ে, সামৰি লয় নৈ খনৰ ইপাৰ সিপাৰ ..... ।

দলংখন যে এই সময়ত হ'লহি । ৰক্ষা ! আশ্বস্ত হৈ লৰাজনে কৈ উঠে । "নহ'লে ৰাতি বিয়লি এই পিনেদি টাউনলৈ অহা যোৱা কৰিবলৈ ভয় । পানী বাঢ়িলেতো আৰু ভয়লগা অৱস্থা হয় চাগে ।"

"হয় ।" হানিফে শলাগে । আল্লাহ আছে - চায় আৰু । কিছুসময় দুয়ো নীৰৱে বৈ পানীৰ শব্দ শুনে । হানিফে দেখে লৰাজনে নদীৰ সিপাৰৰ আন্ধাৰলৈ চাই আছে ।

"বহু দূৰৰ পৰা আহি আছে নেকি ?"

"হয় বহু দূৰৰ পৰা .... । কলগছীয়াৰ পৰা ।"

"কলগছীয়াৰ পৰা ।" হানিফে শব্দ দুটা এনেয়ে উচ্চাৰণ কৰে। "এতিয়া ইছলামপুৰলৈ যে, চাকৰি নেকি ?" 'হয় চাকৰি । ইছলামপুৰ ডাকঘৰতে ।" লৰাজনে আকৌ সিপাৰৰ আন্ধাৰলৈ চায় । " এতিয়া আৰু কিমান যাব লাগিব ?"

" এ পালেহিয়েই । আলিত উঠি পোনে গৈ থাকক । অলপ গৈয়েই গাওঁ এখন আৰম্ভ হৈছে । মচজিদ এটা দেখিলেই সোঁ-হাতে ঘূৰিব; তাৰ পাছত কেই খোজমান গৈয়েই ওচৰা-ওচৰিকৈ এলপি স্কুলখন, ডাকঘৰটো...।

"ভালনে ঠাইডোখৰ ?"

"ভাল, ভাল ।"

ঘাটৰ পৰা নৈৰ গৰাটোৰেদি ল'ৰাজনৰ অস্পষ্ট অৱয়ব আলিটোলৈ উঠি যায় । খুচুৰা পইচা কেইটা খোচনিত বান্ধিবলৈ লৈ অলস চকুৰে

দৌৰিবলৈ লোৱাৰ আগতে মাটিত ভালদৰে ঠিয় হ'বলৈ শিকা উচিত

তেওঁৰ পিনে চাই হানিফে মনে মনে অন্তৰৰ শুভেচ্ছা জ্ঞাপন কৰে। আকৌ এবাৰ আল্লাহক স্মৰণ কৰে। ল'ৰাজন লাহে লাহে আন্ধাৰৰ মাজত মিলিযায়।

দলঙৰ খুটাত নদীৰ পানী ঠেকা খাই কেকনিৰ দৰে এটা শব্দ হৈছে, তথাপি ক্ৰুৰ দৃঢ়তাৰে দলংখন বৈ আছে। নিৰ্বিকাৰ, অনুজ্জ্বল পোহৰতো দলংখনৰ গাৰ কাপ-কাপ বগা ৰংবোৰ জিলিকিছে; মানুহৰ বুকুৰ হাড়ৰ দৰে দেখা গৈছে সেইবোৰ। চাৰিওপিনৰ প্ৰকৃতি স্থিৰ নিস্পন্দ গৰাৰ দীঘল ঘাঁহবোৰৰ মাজত গছৰ আগ্ৰাসী ছাঁৰ মাজত জমা হৈছে দলংখনৰ প্ৰতি সন্দেহ, সংশয় আৰু দুৰ্ভাৱনা; অচিন আগন্তুক দলংখনক নদীখনে নদীৰ দুইপাৰৰ প্ৰকৃতিয়ে সহজে মানি লব পৰা নাই; বতাহত সেই দীৰ্ঘশ্বাস শুনা গৈছে; সিপাৰৰ বাঁহগছ কেইজোপৰ আগবোৰ দুখত ম্ৰিয়মান হৈ দোঁ খাই পৰিছে।

পুৱা-গধূলি নিয়মিত নদী পাৰ হোৱা উত্তৰপাৰৰ এজনে নাৱত উঠিয়েই হানিফক সুধিলে, "এতিয়া কি কৰাটো ঠিক কৰিলে ?"

"আল্লাহে ....." হানিফে আকৌ এবাৰ আল্লাহৰ কথা কবলৈ ৰয়, কিছু সময় কিবা এটা ভাবে, তাৰ পাছত কয়, আমনিৰ পিনে ঘাট এটা আছে। তালৈকে যাওঁগৈ নেকি। '

'আমনিৰ ঘাট ....?" উত্তৰ পাৰৰ মানুহজনে চিন্তিতভাৱে কয়। সেই পিনেচোন মানুহ-দুনুহ বৰ বেছি পাৰ নহয়েই। তাতকৈ এটা কাম নকৰে কিয়? পৰহিলৈতো মন্ত্ৰী আহিবই। তেখেতকে আপোনাৰ ব্যৱস্থা এটা কৰি দিবলৈ নকয় কিয় ?" ইলেকচনৰো দিন আহিছে, মন্ত্ৰীক লগ ধৰিলে জৰুৰ কিবা এটা হ'বই।

হানিফে একো উত্তৰ নিদিলে। নদীৰ কজলা পানীলৈ চাই ৰয়। আজীৱন তেওঁ নদীৰ সৈতে আছে। নদীয়েও তেওঁক বিমুখ কৰা নাই। নাওঁখন নদীখন তেওঁৰ জীৱিকা। আজিলৈকে তেওঁ চহৰ দেখা নাই। কোনো মন্ত্ৰীও দেখা নাই তেওঁ আজিলৈকে। মন্ত্ৰীৰ ক্ষমতা সম্পৰ্কে তেওঁ বহুত শুনিছে কিন্তু তেওঁক কি ধৰণৰনো সহায় কৰিব পাৰে মন্ত্ৰীয়ে। সেয়ে হানিফে একো উত্তৰ নিদিয়ে।

হঠাৎ অদূৰত কেইটামান শিয়ালে হোৱা দি উঠে। হানিফে শুনা পায়। তেওঁৰ চোতালৰ সজাটোত থকা পোহনীয়া ভাটৌটোৱে চমকি উঠি চিঞৰি দিছে। নদীৰ পাৰলৈ ৰাতি নামি আহিছে। ডাঠ আন্ধাৰ চাৰিওপিনে বিয়পি পৰিছে। মানুহজন গ'লগৈ। তেওঁ যোৱাৰ আগে আগে আকৌ ক'লে - "মই কোৱা কথাটো ভাবি চাব।"

সকলোৱে হানিফকাইক সমবেদনা জনায়। নদীৰ সোঁতে নিজেই আগ্ৰহী হৈ নাওঁখন গন্তব্য সিপাৰলৈ ঠেলি দিয়ে। বতাহে তেওঁৰ গাত হাত বুলাই দিয়ে। এজাক জোনাকী পৰুৱা ইফালে সিফালে উৰি তেওঁৰ বাট পোহৰাই তোলে। গভীৰ নিৰ্বেদেৰে হানিফে নক্ষত্ৰৰ আকাশ আৰু অনন্ত বিস্তাৰৰ পিনে চাই ৰয়।

এদিন শ শ মানুহেৰে নদীৰ দুয়োপাৰ ভৰি উঠে। নদীৰ পাৰৰ স্বাভাৱিক নৈশব্দ আকৌ ভাঙি চৌচিৰ কৰি দুটা মাইক অহৰহ বাজি থাকে। লাউডস্পিকাৰত শুকান কৰ্কশ মাতেৰে মাজে মাজে কোনোবাই কিবা ঘোষণা কৰে। উত্তৰ পাৰৰ গাভৰু কেইজনীমানে ৰিহা মেখেলা পিন্ধি সমবেত সংগীত গাবলৈ সাজু হৈ থাকে। খুব ব্যস্তভাৱে ইফালে সিফালে ঘূৰা-ঘূৰি কৰি ফুৰে ইছলামপুৰৰ নবীৰ মাষ্টৰ, মেম্বৰ, উত্তৰপাৰৰ ছলমান আলি গাঁওবুঢ়া আৰু কেইজনমানে।

অৱশেষত এখন বগা অভিমানী গাড়ী নিমজ গতিৰে আহি ৰয়হি। তাৰে আগে পিছে দুখন পুলিচ বোজাই জীপ গাড়ী উধাতু খাই দৌৰি আহে। সমবেত ৰাইজ সন্ত্ৰস্ত হৈ পৰে। বগা গাড়ীখনৰ পৰা বগা চুৰিয়া পাঞ্জাবী পৰিহিত মানুহ এজন নামি আহে। তেওঁ মন্ত্ৰী। সকলোৰে চকু আৰু মনোযোগ তেওঁৰ ওপৰত। হাতযোৰ কৰি তেওঁ সকলোকে নমস্কাৰ কৰিছে। সকলোৱে তেওঁক নমস্কাৰ দিছে তেওঁ মণ্ডপলৈ উঠি আহে আৰু সকলোলৈ চাই হাঁহে, সকলোলৈ চাই হাত জোকাৰে। টেং টেঙীয়া মাতেৰে উত্তৰপাৰৰ ছোৱালীকেইজনীয়ে সমবেত সংগীত গায়। শকত-আৱত মানুহ এজনে ঢুলুকি বজায় আৰু এটা চেঙেলীয়া ডেকা ল'ৰাই খুব একান্তভাৱে হাৰমনিয়ামৰ ৰিডত আঙুলি বুলায়।

হানিফকায়ে নিজৰ জুপুৰীটোৰ পিনে চালে। উদং। ঘৈণীয়েক আৰু জীয়েক মিটিঙলৈ গৈছে। চোতালত পোহনীয়া ভাটৌটোৱেও অবাক হৈ নদীৰ পাৰৰ মানুহবোৰৰ উচ্ছলতালৈ চাই ৰৈছে। এখোজ দুখোজকৈ হানিফ সমাবেশটোৰ ওচৰলৈ যায়। এৰা, সেই উত্তৰপাৰৰ মানুহজনে কোৱা মতে তেওঁ মন্ত্ৰীৰ ওচৰলৈ যোৱাই ভাল হ'ব। এই শ শ মানুহ মন্ত্ৰীকলৈ উদ্বেলিত হৈ পৰিছে। আনকি সাজি-কাচি সমবেত সংগীত গোৱা গাভৰু কেইজনীলৈও কোনেও চোৱা নাই; এনে উন্মাদনাৰ নিশ্চয় কিবা অৰ্থ আছে! ওচৰলৈ গ'লে হানিফ নিশ্চয় বিমুখ হ'ব লগা নহব। হানিফকায়ে মানুহবোৰৰ মাজেৰে বাট উলিয়াই মন্ত্ৰীৰ ওচৰ চপাৰ চেষ্টা কৰে। মানুহৰ ভিৰৰ মাজৰ পৰা চকা-মকাকৈ তেওঁ মন্ত্ৰীক দেখা পায়, আঘোণৰ মেঘৰ দৰে শুধ বগা তেওঁৰ কাপোৰ, চুলিবোৰ পৰিচ্ছন্নভাৱে ফণিয়াইছে; তাৰ ওপৰত সঠিক অৱস্থানত গান্ধী টুপিটো বাচ্চু মেম্বৰে বেকাকৈ মন্ত্ৰীৰ কাণে কাণে কিবা এটা কৈছে, উত্তৰত মন্ত্ৰীয়ে মিচিকি মিচিকি হাঁহিছে। তেওঁৰ বন্ধোৱা দাঁত দুপাৰি মাজে মাজে জিলিকি উঠিছে।

তাৰ পাছত মন্ত্ৰীমহোদয় ভাষণ দিবলৈ উঠে। বৰ গলগলীয়া দৃঢ় মাতেৰে তেওঁ কথাবোৰ কয় ধুনীয়াকৈ। তেওঁ নৈখনৰ দুপাৰৰ ৰাইজৰ কথা কয়। দলংখনে তেওঁলোকক কি কি সুবিধা দিব তাৰ কথা কয়। দেশৰ চৰকাৰৰ কথা কয়। তেওঁ কয় যে, এই চৰকাৰেই ৰাইজৰ অভাৱ-অভিযোগ, অসুবিধাৰ কথা লৈ বিবাট চিন্তা কৰে আৰু অবিলম্বে তাৰ সমাধান আৰু প্ৰতিকাৰো কৰিব খুজিছে। গতিকে তেওঁলোকক দেশ আৰু ৰাইজৰ সেৱা কৰিবলৈ আকৌ এবাৰ সুবিধা দিব লাগে। প্ৰবল হাত চাপৰিৰ মাজত মন্ত্ৰীয়ে দলংখন মুকলি কৰে। ৰাইজ চঞ্চল হৈ উঠে। কেইগৰাকীমান মাইকীমানুহে উৰুলি দি উঠে। বৰ অকলশৰীয়া যেন অনুভৱ কৰে নিজকে হানিফে।

কিছুসময়ৰ পাছতে মন্ত্ৰী মহোদয় যাবলৈ ওলাল মানুহৰ ভিৰ ঠেলি হানিফে মন্ত্ৰীৰ ওচৰ চাপিবলৈ আপ্ৰাণ চেষ্টা কৰে। মন্ত্ৰীৰ লগত অহা পুলিচ কেইজনে লাঠিৰে হেঁচুকি মানুহবোৰ পিছলৈ ঠেলি দিয়ে। প্ৰচণ্ড ঠেলা-হেচাৰ মাজত হানিফ ছিটিকি পৰে - ঘাঁহনিত। মানুহবোৰে মন্ত্ৰীক শেষবাৰৰ কাৰণে চাবৰ বাবে গাড়ীৰ ওচৰলৈ দৌৰিছে। হানিফৰ চাৰিওপিনে ধাৱমান পদশব্দ। তেওঁ গাড়ীৰ ইঞ্জিন ষ্টাৰ্ট হোৱা শব্দ শুনে, ধূলিয়বি বতাহৰ ছাটি তেওঁৰ পিনে উৰি আহে। অসহায়ভাৱে বিবাট নিঃসংগতাৰে হানিফে ঘাঁহনিত বহি ৰয়।

তাৰ পাছত মানুহবোৰ ঘাট এৰি বাটমুৱা হ'ল। এদিন পুৱা হানিফকায়ে নিজৰ লামলাকটুবোৰ নাওঁখনত বান্ধিলে। আৰু ঘৈণীয়েক আৰু ছোৱালীজনীক লৈ আমনিৰ ঘাটৰ পিনে তেওঁৰ নাওঁ মেলি দিলে। □

সত্যতকৈ ডাঙৰ ধৰ্ম পৃথিৱীত একো নাই

# প্ৰত্যাগমন

অৰূপ জ্যোতি মহন্ত
স্নাতক ১ম বাৰ্ষিক (কলা)

অনিৰ্বান বলিয়াৰ দৰে পথাৰৰ মাজেৰে মাথোঁ দৌৰিছে। ক'লৈ দৌৰিছে ক'ত শেষ হ'ব তাৰ এই দৌৰ প্ৰতিযোগিতা সি নাজানে, ক'ব নোৱাৰে। মাথো দৌৰিছে। জুলিৰ দেউতাকৰ চিতাখনৰ ফালে মাথো বাৰে বাৰে চাইছে আৰু পুনৰ ভূত দেখা মানুহৰ দৰে দুগুণ বেগত দৌৰিছে। তাৰ ভাগৰ লাগিছেনে নাই নেজানে কিন্তু সি এটা আচৰিত শক্তি পাইছে। চিতাখনৰ পৰা ওলোৱা জুইৰ ধোঁৱাবোৰ ওপৰলৈ উৰি গৈছে আৰু আকাশৰ লগত মিলি পৰিছে। এইধোঁৱাৰ লগতে আৰু পাঁচ বা দহ মিনিট পিছত মানুহজনৰ অস্তিত্ব নোহোৱা হৈ যাব, সকলোবোৰ ডাৱৰৰ লগত মিলি পৰিব। তাৰ পিছত .... তাৰ পিছত কিছুমানে ক'ব 'মানুহজন বৰ ভাল আছিল, সকলোকে বৰ মৰম কৰিছিল, সকলোৰে লগত মিলিব পাৰিছিল, ইত্যাদি ইত্যাদি বহুটো। কিন্তু যিজন মানুহে আনক ইমান মৰম কৰিছিল তাৰ প্ৰতিদান কি পালে তেওঁ। নে কি? কুৰি শতিকাত মৰমৰ প্ৰতিদান এনেকুৱাই! শতিকা সলনি হ'ব পাৰে কিন্তু শব্দৰ অৰ্থৰ কেতিয়াওঁ সলনি হ'ব নোৱাৰে। হয়টো শব্দৰ অৰ্থৰ সলনি হ'ব কিন্তু ইয়াৰ বাবে পৃথিৱীখন এবাৰ ধ্বংস হৈ পুনৰ সভ্যতা পাবলৈ সক্ষম হ'ব লাগিব। ....এইবোৰ নানা প্ৰশ্ন অনিৰ্বানে নিজকে কৰিছে কিন্তু উত্তৰ দিবলৈ তাৰ ওচৰত কোনো নাই। সেয়ে উত্তৰবোৰ নিজে উলিওৱাৰ যত্ন কৰিছে।

সুনীল গুপ্ত আছিল মানুহজনৰ নাম। অনিৰ্বানক নিজৰ ল'ৰাৰ দৰেই মৰম কৰিছিল। সৰু অত্যন্ত সুখী পৰিয়াল। পৰিয়াল বুলিবলৈ ছোৱালী এজনীৰে সৈতে মাথো তিনিটা প্ৰাণী। আচল ঘৰ আছিল কৰ্ণাটকত। বেলৱে ৰিক্ৰুইটমেণ্ট বোৰ্ডৰ চাকৰি কৰি গুৱাহাটীতে থাকিবলৈ লৈছিল। ছোৱালীজনীৰ নাম জুলি। ক্লাছ নাইনত, বেলৱে হাইস্কুলত অনিৰ্বানৰ লগত একেলগে পঢ়ে। দুয়োৰে মাজত অত্যন্ত মিলাপ্ৰীতি, মাক-বাপেকে অনিৰ্বাণৰ লগত অসমতে জুলিক বিয়া দিব বুলি জোকায়। কৈশোৰত ভৰি দিয়া অনিৰ্বাণে মনতে এক অজান পুলক লাভ কৰে। সঁচাকৈয়ে জুলিকটো সি গোটেই জীৱন পাব বিচাৰে; জুলি নহ'লে সি এক মিনিটো থাকিব নোৱাৰে। জুলিক তাৰ প্ৰেমিকা বুলি কল্পনা কৰি সি বৰ ভাল পায়। পিছে এয়া অকলশৰীয়া সময়তহে! জুলিৰ লগত থকা সময়খিনিত তেনেকুৱা ভাব তাৰ মনলৈ কেতিয়াও নাহে।

আজি সি যি ধৰণে দৌৰিছে তাৰ সমাপ্তি ঘটাবলৈ সি নিৰ্দিষ্ট স্থান বিচাৰি উলিয়াব পৰা নাই। যিটো কথা সি জীৱনত কাহানিও আশা কৰা নাছিল অথচ আজি সেইটোৱেই হ'ল। সেই যে সুনীল গুপ্ত কৰ্ণাটকৰ মানুহজন, সকলোকে যে মৰম কৰিছিল, সকলোৰে লগত যে মিলিব পাৰিছিল, সেই মানুহজনে মৰমৰ বিনিময়ত কি পালে জানে? মৃত্যু! হয়। মৃত্যু মানে তেওঁক হত্যা কৰা হৈছিল। কালি সন্ধিয়া ঠিক আঠ বজাত কোনোবাই তেওঁক হত্যা কৰি থৈ গ'ল। এটা মাত্ৰ বন্দুকৰ গুলীৰেই সেই ফুকলীয়া ছোৱালীজনীক পিতৃহাৰা কৰি থৈ গ'ল আৰু তাইৰ মাকক তাইৰ মাকক দি থৈ গ'ল বৈধব্যৰ যন্ত্ৰণা। হত্যাকাৰীহঁতে স্বৰ্গীয় গুপ্তক তিনিদিন আগতে তিনিলাখ টকা দাবী কৰিছিল। তেওঁলোক আছিল হেনো কোনোবা উগ্ৰপন্থী গোটৰ সদস্য। বেলৱেত চাকৰি কৰা এজন লোকে তিনিদিনৰ মূৰত লাগিব বুলিলেই তিনি লাখ টকা দিয়াটো জানো সম্ভৱ। কোনেওটো টকা সাঁচি নেৰাখে যে কোনোবাই যেতিয়াই তেতিয়াই জীৱনৰ বিনিময়ত টকা দাবী কৰিব। কিয় নুবুজিলে?' কিয় এবাৰো তেওঁলোকে নেভাবিলে তেওঁৰ সামৰ্থ্যৰ কথা? যাৰ বাবে মিছা কাৰণ সাজি এজন দেৱতা সদৃশ লোকক হত্যা কৰিলে! অনিৰ্বাণে কথাবোৰ ভাবি ভাবি জুৰুলা হৈ পৰিছে। এবাৰ ভাবিছে সি, চিঞৰি চিঞৰি গাঁৱৰ মানুহক এইবোৰৰ প্ৰতিবাদ কৰিবলৈ ওলাই আহিবলৈ ক'ব। কিন্তু কোনে শুনিব তাৰ কথা। কাৰণ ওলাই আহিবলৈ সাহসেই বা কৰিব কোনে!

এসপ্তাহমান পিছত অনিৰ্বাণ জুলিহঁতৰ ঘৰলৈ গৈছিল, জুলিক স্কুললৈ যাবলৈ লগ ধৰিবলৈ। কিন্তু জুলিৰ মাকে যি এষাৰ কথা কৈছিল সি উচপ খাই উঠিছিল। মাকে কৈছিল "জুলি আৰু স্কুললৈ নেযায়! মই যোৱা পৰহিদিনাখন তাইৰ চাৰ্টিফিকেটখন উলিয়াই আনিছো। আমি ইয়াৰ পৰা গুচি যামগৈ।"

"বৰমা ..... আপোনালোক গুচি যাব ...." অস্পষ্ট স্বৰত কথাকে ইটা তাৰ মুখৰপৰা ওলাই আহিছিল। নাই, এইটো সি কেতিয়াও হ'ব দিব নোৱাৰে। "নাই নাই আপোনালোক যাব নোৱাৰে। অন্ততঃ মোৰফালে চাওঁক। জুলি গুচি গ'লে মই কাৰ লগত থাকিম। আপোনালোকেইটো কৈছিল জুলিক মোৰ লগত বিয়া দিব বুলি।" সেই কণমানি ল'ৰাজনৰ মুখৰপৰা কি ওলাইছিল সি ক'ব নোৱাৰে।

"তুমি ক'ব পাৰিবা জানো কাইলৈ বা আমি কি পৰিস্থিতিৰ সন্মুখীন হওঁ!" জুলি এদিন দুদিনকৈ ডাঙৰ হ'বলৈ ধৰিছে। কোনে চাব তাইক.....! তুমি ডাঙৰ হ'লে কথাবোৰ বুজিব পাৰিবা।"

"বৰমা আপুনি জানো জানে কৰ্ণাটকত ভয়াবহ পৰিস্থিতিৰ সন্মুখীন নহয় বুলি।" তাতো হয়তো এনে পৰিস্থিতিৰ সন্মুখীন হ'ব পাৰে।" ডাঙৰ মানুহৰ দৰে অনিৰ্বাণে কথাবোৰ কৈছিল।

"গান্ধীজীয়ে অসমখনৰ গুণ বখানি অসমৰ শান্তি আৰু সৌন্দৰ্য্যৰ যি ব্যাখ্যা দিছিল আজি ক'ত সেয়া। ক'লৈ গ'ল মহাত্মাৰ সেউজ বাণী" কথাবোৰ কওঁতে শ্ৰীমতী গুপ্তা যথেষ্ট উত্তেজিত হৈছিল।

"গান্ধীজীয়েটো বহুদিন আগতেই এই কথা কৈছিল। সময়ৰ পৰিবৰ্তনৰ লগে লগে অলপ সলনি হোৱাটো স্বাভাৱিক।" অনিৰ্বাণে শ্ৰীমতী গুপ্তাক সান্ত্বনা দিবলৈকে কথাকেইটা কৈছিল।

"তুমি ঠিক বুজিছা! যুগৰ পৰিবৰ্তনৰ ফলত হোৱা অশান্তিৰ বাবেইটো ইয়াৰ পৰা যাব ওলাইছো। অসমলৈ যি শান্তি আৰু সৌন্দৰ্য্য বিচাৰি আহিছিলো তাৰ ফল আজি এয়া। কিন্তু কৰ্ণাটকত আজিও আছে বহুত শান্তি... ৰাজধানীত চলা নাই উগ্ৰপন্থীৰ তাণ্ডৱ, আজিও প্ৰয়োজন হোৱা নাই সমগ্ৰ ৰাজ্যখনত পহৰা দি থাকিবলৈ পহৰাদাৰী পুলিচৰ।"

প্ৰধানকৈ দুটা বস্তুৱে মানুহৰ মনটোক পৰিচালিত কৰে, মঙ্গলৰ প্ৰতি আকাংক্ষা আৰু অমঙ্গলৰ প্ৰতি থকা ভয় —— চেমুৱেল জনছন

জোৰেৰে কথাবোৰ শেষ কৰি তেওঁ কিছুসময়ৰ বাবে ওপৰলৈ চাই কিবা চিন্তা কৰিছিল।

"তাৰ মানে আপোনালোক সঁচাকৈয়ে যাবলৈ ওলাইছে।"

অনিৰ্বাণে ফেকুঁৰি ফেকুঁৰি খুব লাহে লাহে কথাখিনি সুধিছিল। "ওলোৱা নাছিলো কিন্তু ওলাবলৈ বাধ্য হলো।" হঠাৎ কমৰ ভিতৰৰপৰা ওলাই আহি জুলীয়ে উত্তৰটো দিছিল। "জুলি তুমি মোক পাহৰি যাব পাৰিবা ? কোৱা ! কোৱা জুলি মই কাৰ লগত থাকিম ! কেনেদৰে থাকিম ?" অনিৰ্বাণে জোৰেৰে কান্দি দিছিল।

উত্তৰ দিব নোৱাৰি জুলিয়েও কান্দিছিল। দুটি সৰু ল'ৰা-ছোৱালীৰ আবেগ অনুভূতিবোৰ লক্ষ্য কৰি শ্ৰীমতী গুপ্তাৰো চকুপানী ওলাইছিল। কিন্তু কি কৰিব তেওঁ। তেওঁ যে উপায়হীনা। তথাপিও বাতিপুৱা ৪ বজাত আমি যামগৈ, তুমি চাগে বিচনাতে থাকিবা, সেয়ে তোমাৰ পৰা বিদায় ললো।"

অনিৰ্বাণ হতভম্ব হৈ পৰিছিল। সেইদিনা সি বহুসময় সিহঁতৰ ঘৰত আছিল। উভতিবৰ সময়ত সি কৈ আহিছিল, "ববমা, মোক পাহৰি নেযাব ববমা। জুলি, যদি মৰমবোৰ পাহৰি নোযোৱা তেন্তে চিঠি দি থাকিবা। আৰুটো চাগে দেখা নাপাওৱেই ....। জুলি মই আহিলো।"

জুলিহঁতৰ ঘৰৰপৰা ওলাই সি দৌৰিছিল। যিটো দৌৰ জুলিৰ দেউতাকৰ মৃত্যুৰ দিনা দিছিল।

জুলিহঁত যোৱা আজি চাৰি বছৰ হ'ল। তালৈ তাই কেইবাখনো চিঠি দিছে। প্ৰত্যেকখন চিঠিতেই সিহঁত যে যথেষ্ট শান্তিত আছে জনায়। প্ৰত্যেকখন চিঠি পঢ়িলেই তাৰ জুলিৰ লগত কথা পতা যেন লাগে। অনিৰ্বাণে কিন্তু এখনো চিঠিৰ উত্তৰ সিহঁতলৈ পঠোৱা নাই। জুলিয়ে এইবাৰ সাৱধান বাণী দি পঠিয়াইছে যে, যদি সি এইবাৰ চিঠি নিলিখে তেন্তে তাইও আৰু চিঠি নিলিখে। সি চিঠি লিখিব কাৰণ খঙত জুলিয়ে চিঠি লিখা বন্ধ কৰিলে তাৰ অৱস্থা কি হ'ব। সেই ভয়তেই সি লিখিছে। সি চিঠিখন এবাৰ পঢ়ি চাইছে কাৰণ আগতে তেনেদৰে চিঠি লিখি পোৱা নাই।

মৰমৰ

জুলি,

পোন প্ৰথমে মোৰ মৰমবোৰ লবা। ববমাক মোৰ সেৱা দিবা। আশাকৰো তোমালোক ভালে আছা। মোৰ বেয়া নহয় যদিও বৰ্তমান পৰিস্থিতিত ভাল বুলিবলৈ লাজ লগা হৈছে। জুলি যাবৰ আগদিনা মই তোমালোকক যাবলৈ মানা কৰিছিলো নহয়। সেই বয়সত মই ইমানবোৰ কথা বুজিব পৰা হোৱা নাছিলো আৰু তোমাক মোৰ লগত বিয়া হোৱাৰ কথা কৈছিলো নহয় ! মোৰ ভুল হৈছিল ! মোক ক্ষমা কৰি দিবা জুলি। আৰ্থিক অৱস্থাৰ বাবে মোৰ আৰু পঢ়া নহ'ল। তুমিটো চাগে এতিয়া ডাঙৰ ক'ৰ্চ (Course) পঢ়ি আছা। বেছিকৈ নিলিখো। চিঠি লিখাৰ অভ্যাস নাই যে। পিছলৈ বেছিকৈ লিখিম। তুমি চিঠি দি থাকিবা। শেষত বহুত বহুত মৰমেৰে

তোমাৰ

'অনি'

পুনশ্চঃ আমি যে পূজাত উঠা ফটোকপি বেয়া হৈ যাবৰ উপক্ৰম হৈছে। তুমি একপি শেহতীয়া ফটো পঠিয়াবাদেই। তোমাক বৰকৈ চাওঁ চাওঁ লাগিছে। এতিয়াকৈ চাগে তুমি ডাঙৰজনী হৈছা।

চিঠিখন পঢ়ি শেষ কৰি উঠোতে অনিৰ্বাণৰ চকুত দুটোপাল চকুলো বিৰিঙি উঠিছিল। □□

# বহাগতে বহাগীৰ বিয়া

বুলু শইকীয়া
স্নাতক ২য় বৰ্ষ

বহাগ ! বহাগ বুলিলেই বিহু। বতাহত বিহুৰ বা বলিছে। বিয়াৰ বতৰো বহাগতেই বেছি। বিহুৰ বাবে বৰ্তমান বোৱনীবোৰ বিহুৱান বোৱাত ব্যস্ত। বিহুত বলীয়া বহাগীয়েও বিহুৰ বাবে বিহুৱান বোৱাৰ বাহিৰেও বিয়াৰ বাবেও বেলেগ বেলগে বহুত বন্ধল বইছে।

বহাগী,

বহাগী বৰথেকেৰাবাৰীৰ বাসিন্দা বিনোদ বৰঠাকুৰৰ বৰ বেটী। বহাগীৰ বৰ্তমান বয়স বিশ বছৰ। বগা বদনৰ বহাগী বিদ্যাত বাগীশ্বৰী ; বনবাৰীত বিশ্বকৰ্মা। বৰ্তমান বহাগী বনবাৰীতে ব্যস্ত। বহাগীৰ বাপেক বিনোদ বৰঠাকুৰ বিদ্যাত বি. এ.। বিনোদ বৰঠাকুৰৰ বয়স বাৱন্ন বছৰ। বৃত্তিত বন-বিষয়া। বৰঠাকুৰৰ বিপদৰ বন্ধু বেহেৰা বাদল। বন্ধা বাদল, বিস্তৰ বলৱন্ত ব্যক্তি। বেহেৰা বাদলৰ বদনত বাগদেৱী বিদ্যমান। বাৱন্ন বছৰীয়া বৃদ্ধ ব্যক্তি বদন বৰঠাকুৰৰ বৰবেটো বিষ্ণু বৰঠাকুৰ। বিষ্ণুৰ বয়স বৰ বেছিতে বত্ৰিশ বছৰ। বহল বুকুৰ বিষ্ণুৰ বাহুত বৃকোদৰৰ বল বিৰাজমান। বিষ্ণু বৰ্তমান বেকাৰ, বিপ্লৱী। বন্ধু বেছিভাগেই বেকাৰ, বিপ্লৱী। বন্ধুবোৰ বিদেশী বহিষ্কাৰৰ বাবে বিভিন্ন বৈঠকত ব্যস্ত। বেলাৰ বেলাতো বন্ধুবোৰে বিষ্ণুৰ বাসভৱনৰ বহল বাৰান্দাখনতে বহে। বন্ধুবোৰক বিষ্ণুই বিশেষ বিশেষ বাতৰিবোৰৰ বিষয়ে বলকে। বাকীবোৰ বন্ধুৰ বৈসাদৃশ্য বিনয় বৰকাকতি বিষ্ণুৰ বৰ বিশ্বাসী বন্ধু। বজালীৰ বাসিন্দা বিনয়। বৃত্তিত ব্যায়াম বিশেষজ্ঞ ; বৰ বিনম্ৰ ব্যক্তি।

বোৱতি বছৰৰ বাৰ বহাগ বৃহস্পতিবাৰে বহাগীৰ বিয়া। বৰ বৰমপুৰৰ বৃন্দাবন বৰা। বিখ্যাত ব্যৱসায়ী ব্যক্তি বকুল বৰা বৃন্দাবন বৰাৰ বাপেক। বাকপটু ব্যক্তি বকুল বৰা বিদ্যাত বি. কম. ; বুদ্ধিও বহুত। বৃন্দাবন বৰা বৃত্তিত বিদ্যুৎ বিষয়া। বয়স বৰ বেছিতে বত্ৰিশ বছৰ। বৰ বিখ্যাত বেহেলা বাদকো।

বহাগীৰ বিয়াত বৰদেউতাক বসুন্ধৰ বৰঠাকুৰৰ বাধা। বিষয় বসুন্ধৰৰ বৰ বেটী বকুলী বৰ্তমান বাহৰতে বিৰাজমান। বাদামী বৰণৰ বকুলী

কিতাপহে মনৰ সঁজুলি, মনক কিতাপৰ সঁজুলি হ'বলৈ দিলে বিপদ — ডঃ হীৰেণ গোঁহাই

বুদ্ধি বৃত্তিত বহাগীতকৈ বহুত বেছি। বাকপটু ব্যক্তি, বিখ্যাত ব্যৱসায়ী বৰঠাকুৰ বিদ্যাত বৃত্ত (০)। বৰঠাকুৰ বিত্তশালী বনাম ব্যয়শীল ব্যক্তি। বিদ্যালয়, বন-বাৰী, বিয়া-বাৰু, বিলাসী বকুলীৰ বাবে বৰ্জন। বন-বাৰী, বিয়া-বাৰু, বিদ্যালয়বোৰৰ বিপৰীতে বকুলী বোলছবি, বন্ধু-বান্ধৱৰ বাহিৰেও বেলাৰ বেলাতো বিয়াৰতে ব্যস্ত। বকুলীৰ বেছিবোৰ বন্ধু-বান্ধৱেই ব্যভিচাৰী-ব্যভিচাৰিণী। বিয়লি বেলা বকুলী ব্ৰহ্মপুত্ৰৰ বালিত বহি বন্ধু-বান্ধৱবোৰেৰে বিভিন্ন ব্যাখ্যাৰ বিলাপ বকে। বহাগী বকুলীৰ বাবেও বৈৰী।

বহাগীৰ বিয়াত বসুন্ধৰৰ বাধাৰ বাবে বহাগীৰ বাপেক বিনোদ বৰঠাকুৰ বিস্মিত। বহাগীও বিহ্বল। বছৰ বাগৰিল; বহাগীৰ বয়সো বাঢ়িল। বহাগীৰ বিয়া, বসুন্ধৰৰ বহু বাধা-বিপত্তিৰ বিপৰীতে। বৰমপুৰৰ বিপৰীতে বড়িগাঁৱৰ বিপ্লৱ বৰুৱা। বিপ্লৱ বৰুৱাৰ বৃত্তি বুলিবলৈ ব্যৱসায়। ব্যৱসায়ী বিপ্লৱ বৰুৱা বৰ বিনয়ী।

বিবাহ বাহৰত বন্ধু-বান্ধৱীবোৰো বন-বাৰীত ব্যস্ত। বোৱাৰীবোৰৰ বদনত বিয়াগীত। বোৱাৰীবোৰে বহাগীক বিনাইছে - বৃন্দাবনত বসুদেৱে বাঁহী বজাইছে। বিবাহ বাহৰৰ বাহিৰৰ বাৰান্দাত বহি বেণুপাটিয়ে বিভিন্ন বাদ্য বজাইছে। বিজু, ববিতা, বুলু, বিমলী, বতাহী, বাসন্তীহঁতো বাহিৰে বাহিৰে বিহাৰত বিৰাজমান। বয়সীয়াল ব্যক্তিবোৰ বিৰক্ত। বালক-বালিকাবোৰৰ বাবে বিবাহিত বোৱাৰীবোৰবো বিপৰ্য্যয়।

বিভাৱৰী বাৰ বজাত বগা বস্ত্ৰলেৰে বৰ বিপ্লৱ বৰুৱা বিবাহ বাহৰত বিৰাজমান। বৰৰ বেশত বিপ্লৱক বহুতে বেহেস্তৰ বিষ্ণু বুলিছে। বিবাহ বাহৰৰ বেদীত বেদান্ত বিদ ব্ৰাহ্মণ বপুৰাই বেদমন্ত্ৰ বুলিলে। বিহানতে বিবাহৰ বিৰতি। বিবাহ বিৰতিৰ বিহানে বিহানে বহাগীৰ বিদায়। বহাগীৰ বিদায়ত বন্ধু-বান্ধৱী, বেটা-বেটী, বুঢ়া-বুঢ়ীৰ বাহিৰেও বয়সস্থ বাইদেউ, বোৱাৰীৰ বদনতো বিননি বিৰাজমান। বন্ধু-বান্ধৱীবোৰে বহাগীক বুলিলে বিদায় বহাগী ------ বিদায়। ❑❑

# জীৱনৰ ছন্দ বিচাৰি

হৰেকৃষ্ণ শইকীয়া
স্নাতক ১ম বৰ্ষ (কলা)

এতিয়া অলকেশৰ মন উতলা কৰা বহাগৰ সোণালী সুবাস আৰু নাই। নাই আকাশ-বতাহ মুখৰিত কৰিব পৰা যৌৱনৰ উত্তাল ডেকাৰ ঢোল-পেপাৰ ৰাগ। এখন ভগ্ন হৃদয়তো দুখৰীয়া প্লটবোৰে আমনি কৰেহি।

প্ৰকৃতিৰ সতে তাৰ কি একাত্মতা। এই একাত্মতাই আছিল প্ৰকৃতিৰ মাজত থকা তাৰ অনাবিল আনন্দ। এই আনন্দতেই জাগি উঠে চিৰন্তন মানৱীয় প্ৰমূল্য - প্ৰেম-ভক্তি-দয়া-মৰম .....। অলকেশে প্ৰায়েই পদূলিলৈ পুৱাতে আহি তামোল আৰু নাৰিকল গছকেইজোপাৰ মাজেদি সৰকি অহা সূৰ্য্যৰ হেঙুলি কিৰণ নয়নভৰি উপভোগ কৰে। দুই এটা ঘৰ চিৰীকাৰ মাতে তাৰ তন্ময়তাত আঘাট হানে।

ববলুইতৰ পাৰৰ অখ্যাত সেই ঠাই ডোখৰতো আশাৰ শেৱালি ফুলে। মৰুভূমি সদৃশ ধৰিত্ৰীৰ মাজত আজিও নিজৰ স্থিতি অক্ষুন্ন ৰখা এসময়ৰ এক অতি সুবিশাল প্ৰাকৃতিক পৰিৱেশ এই অঞ্চলত বিৰাজমান। এই মনোৰম পৰিৱেশ প্ৰাকৃতিক ভাৰসাম্যৰ ফালৰ পৰা কিমান গুৰুত্বপূৰ্ণ সেয়া মাথো কল্পনাহে কৰিব পাৰি। সেয়েহে সেই ঠাইডোখৰ সিহঁতৰ বাবে অতি প্ৰিয়। পুৰণি ঐতিহাসিক সম্পদৰাজিয়েও অতীত ঐতিহ্যৰ সাক্ষ্য বহন কৰি আহিছে। কিছুমানৰ কাৰণে ঈৰ্ষাৰ তুল্য হলেও তাৰ ঐতিহ্যক কোনেও উলাই কৰিব নোৱাৰে। সেয়া আছিল আজিৰ কিছুবছৰ আগৰ কথা। ববলুইতৰ এটি সৰু সুঁতিয়ে চাপৰি অঞ্চলটো বাৰিষা কালত বানে প্ৰায় ৩/৪ বাৰমান ধুৱাই নিয়ে। সুতিৰ পাৰতে 'চাউলখোৱা চাপৰি' নামে এখন বৃহৎ চৰ। অৰ্থাৎ চৰ নহয়; এখন যেন মানৱতাৰ পুণ্য মিলনভূমিহে। এই ঠাইতে বাস কৰে হিন্দু-মুছলিম-বঙালী, মুছিয়াৰ, নেপালী আদি বিভিন্ন সম্প্ৰদায়ৰ লোকে; নিজ নিজ বৈশিষ্ট্য ৰক্ষা কৰি। ইয়াত উচ্চ-নীচ ভেদাভেদ আদিৰ কোনো চিন-চাব নাই।

এই চাউলখোৱা চাপৰিতেই অলকেশৰ জন্ম হৈছিল। মানৱ জীৱন কাঁইটিয়া হুল-জোঙেৰে ভৰপুৰ। যিয়ে এই কাঁইবোৰ আঁতৰ কৰি নিজৰ পথত আগবাঢ়িব পাৰে; সিয়েই মানৱ জীৱন সাফল্যৰে উপভোগ কৰিব পাৰে। অলকেশৰ জীৱনো আছিল তদ্ৰূপ। অলকেশৰ অতীত জীৱনৰ কৰুণ স্মৃতিয়ে আজিও তাক বিব্ৰত কৰি তোলে। একমাত্ৰ বায়েক তৰালীৰ অকাল মৃত্যুও কিজানি তাৰ কাৰক হ'ব পাৰে। অলকেশৰ নিচিনাকৈ তায়ো জীৱনৰ কোনো জটিলতা ভাল নাপাইছিল। সৰু সৰু কিছুমান আশা, সৰু সৰু কিছুমান কল্পনা ঠিক এনেকৈয়ে সৰলভাৱে জীৱন নিৰ্বাহৰ কথা ভাবিছিল। এটা মসৃণ পথৰ দৰেই আছিল তাইৰ জীৱনৰ সৰ্বস্ব আকাংক্ষা। কিন্তু ক'ব নোৱাৰাকৈয়ে এদিন সকলোৰে অলক্ষিতে তাই ইহ পৃথিৱীৰ পৰা চিৰদিনৰ বাবেই মেলানি মাগিছিল। একমাত্ৰ বায়েকৰ অকাল মৃত্যুত জীৱনৰ দিক্-বিদিক সি হেৰুৱাই পেলালে। জীৱনৰ ছন্দ মিলাব নোৱাৰি সি হতাশাত ভুগিছিল আৰু এইবোৰ চিন্তা কৰি কেতিয়াবা উচুপি উঠে। কিন্তু মানৱ সন্তান হিচাপে সি কঠোৰ জীৱন সংগ্ৰাম কৰিব লগা হৈছিল। এখন ভগ্ন হৃদয় তথাপি সি সময়ৰ লগত

নিজৰ শুভ-অশুভ দশাৰ সি নিজেই নিৰ্ণায়ক আৰু নিবাময়ক —— মহাবীৰ

তাল মিলাই নিজ কৰ্তব্যত ব্ৰতী হ'বলৈ মন স্থিৰ কৰিলে। একমাত্ৰ ল'ৰা হিচাপে সি পৰিয়ালৰ আটাইৰে মৰমৰ। দিনৰ দিনটো কাম কৰি তাৰ দেহত ভাগৰ লাগিলেও মন ভাগৰি পৰা নাছিল। সি স্থিতপ্ৰজ্ঞ। নিজৰ দুখত দুখীও নহয় আৰু নিজৰ সুখত আত্মহাৰাও নহয়। নিজৰ কণ্টকময় ভৱিষ্যতৰ কথা চিন্তা কৰিও ; সি যেন নতুনৰ সন্ধানত ব্যগ্ৰ হৈ পৰে। ওঠৰ বছৰীয়া ডেকা হিচাপে অলকেশে ভৱিষ্যত জীৱনৰ সপোন দেখে। ভৱিষ্যতে সিও এখন ঘৰ-সংসাৰ কৰিব লাগিব। মাক-দেউতাকক সঞ্জীৱনী সুধা পান কৰাব লাগিব। কোনো এক অদৃশ্য তথা অবোধ শক্তিয়ে তাক প্ৰেৰণা যোগায়। উৎসাহ দিয়ে। প্ৰেৰণাৰ উৎস জ্ঞাত হৈও যেন সি অজ্ঞাত। ভগৱানৰ ওপৰত বিশ্বাস কৰিয়েই সকলো কামত আগবাঢ়ে। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ চহৰৰ কলেজ এখনত নাম লিখি কলেজীয়া জীৱনৰ পাতনি মেলিলে। নানা ঘাত-প্ৰতিঘাতৰ মাজত দিন অতিবাহিত হ'ল। কলেজৰ কৰ্মব্যস্ত দিনটোৰ পিছত পদূলিৰ মূৰত থকা শেৱালি ফুলজোপাত সি সদায়ে পানী দিয়ে।

সেইদিনা সোমবাৰ। আনদিনাৰ দৰে সেইদিনাও সি শেৱালি কেইজোপাৰ গুৰিত পানী দি আছিল। পদূলিতে গৰাকীবিহীন কুকুৰ কেইটাই মুখা-মুখিকৈ চিঞৰ-বাখৰ লগাই থাকে। পৰিৱেশটো অলকেশৰ মুঠেই ভাল নালাগিল। সি ভাবিলে আজি বহু পলম হ'ল। এইবুলি মূৰ তোলোতেই অলকেশে দেখিলে পূৰ্ণিমা আহি আছে অকলে। টিউচনলৈ যাব বোধহয়। সি ভাবিলে কথা পতাৰ বাবে সোণালী সুযোগ। লগৰ কোনোবা থাকিলেতো কথা পতাই নহ'বগৈ ......। অলকেশৰ সমষ্ট শৰীৰৰ নোমবোৰ কিবা এটা অজান আশংকাত থিয় হৈ গ'ল। পৰিস্থিতি চম্ভালি লৈ আৱেগ বিহ্বল কণ্ঠেৰে কিছু কথা ক'লে।

ঃ পূৰ্ণিমা, এই সন্ধিয়া ক'লৈ যাব ?

ঃ হু ?

ঃ ইমান পলম যে .... ?

ঃ আজি ছাৰে ক্লাছটো পলমকৈ ল'ব।

ছাৰৰ অসুবিধা হয় বাবেহে পলমকৈ আহিলো।

ঃ ধন্যবাদ দেই......।

ঃ ধন্যবাদ.....।

আৰু বিশেষ একো কোৱা নহ'ল যদিও পূৰ্ণিমাৰ নিৰ্জু স্বভাৱৰ প্ৰতি অলকেশৰ কিবা ভাল লাগি গ'ল। তাতে নয়ন পুলিছৰ জীয়েক। পুলিছৰ গাতো কলংকই-কলংক। মাজবাতি গাড়ীৰ পৰা টকা বোটলাৰ পৰা কয়দীৰ পৰা ঘোচ লোৱালৈকে কিন্তু নয়ন পুলিছ তেনে বিধৰ মানুহ নহয়। ঘোচ লোৱা আৰু কলংকৰপৰা তেওঁ সদায়ে আঁতৰত থাকিব বিচাৰে। দুয়োটাকে তেওঁ ঘৃণাৰ দৃষ্টিৰে চায়। পুলিছ মহলৰ পৰা গাঁৱৰ চুক-কোণলৈ নয়ন পুলিছৰ উজ্জ্বল ভাবমূৰ্ত্তি এটা আছে। এজন সৰবৰহী লোক হিচাপে নয়ন পুলিছে অলকেশক ভালদৰে জানিছিল। অলকেশেও পিতৃৰ সমান জ্ঞান কৰিছিল। দিন যোৱাৰ লগে লগে দুয়ো সহজ হৈ পৰিল। অলকেশে ভৱিষ্যত জীৱনৰ ৰঙীন সপোনবোৰ বাস্তৱায়িত কৰিবলৈ যেন উঠিপৰি লাগিল। লাহে লাহে অলকেশে অনুভৱ কৰিব ধৰিলে যে, সি কোনো কাম কৰিবলৈ ইতস্ততঃবোধ নকৰা হ'ল। অলকেশৰ মনত ভাৱ হয় পূৰ্ণিমা যেন এটি মিৰাকল। যাৰ কোমল সুবাস নাপালে মন নুজুৰে, কাম কৰিবলৈ প্ৰেৰণা নাজাগে। আগৰ নিচিনাকৈ দূৰৈৰ পৰা দুয়ো দুয়োকে নয়নভৰি চোৱা অভ্যাস দূৰ হ'ল। প্ৰথম দেখাৰ নিচিনাকৈ মনত থকা সংকোচো দূৰ হ'ল। জীৱন পৰিক্ৰমাৰ নানা পৰীক্ষাত উত্তীৰ্ণ হৈ অলকেশে তৰ জীৱনত ফৰকাল বতৰৰ উপস্থিতিৰ উমান পালে।

পূৰ্ণিমাৰ জোনে যেনেকৈ উজ্জ্বল আভাৰে পৃথিৱীক অলপ সময়ৰ বাবে হ'লেও পোহৰাই ৰাখে, একেদৰেই পূৰ্ণিমাৰ ব্যক্তিত্বইও অলকেশৰ জীৱন মহীয়ান কৰি তুলিছে।

সময় গতিশীল। অলকেশে কম্পিউটাৰ ইঞ্জিনিয়াৰিং পাঠ্যক্ৰম পঢ়িবৰ বাবে কলিকতালৈ যাব লগা হ'ল। তাৰ মনত অতীত কথাবোৰ বহুত পুৰণি হোৱা যেন হ'ল। সি কলিকতাত এতিয়া ব্যস্ত জীৱনত অভ্যস্ত। বাহিৰা কথা চিন্তা কৰিবলৈও তাৰ এতিয়া সময় নাই। অলকেশে এতিয়া জীৱনৰ ছন্দ মিলোৱাত ব্যস্ত। ◻◻

> বৰলুইতৰ পাৰৰ অখ্যাত সেই ঠাই ডোখৰতো আশাৰ শেৱালি ফুলে। মৰুভূমি সদৃশ ধৰিত্ৰীৰ মাজত আজিও নিজাৰ স্থিতি অক্ষুণ্ণ ৰখা এসময়ৰ এক অতি সুবিশাল প্ৰাকৃতিক পৰিৱেশ এই অঞ্চলত বিৰাজমান। এই মনোৰম পৰিৱেশ প্ৰাকৃতিক ভাৰসাম্যৰ ফালৰ পৰা কিমান গুৰুত্বপূৰ্ণ সেয়া মাথো

> ভাল কামবোৰ কেনেকৈ কৰা হয় সেইটো বুজা নিচেই সহজ। কিন্তু ডাঙৰ কামবোৰ - মহৎ কামবোৰ - কেনেকৈ কৰা হয় সেইকথা জনা বা বুজাটো সাধাৰণ মানুহৰ পক্ষে সাধ্যাতীত।
>
> —— চাৰ্লচ ফিশাৰ

এখন দেশ কিমান ভাল আৰু মহান হ'ব পাৰে, সেইটো নিৰ্ভৰ কৰে সেইখন দেশৰ জনসাধাৰণৰ ওপৰত

# কৰুণা

**কস্তুৰী দেৱী**
স্নাতক ২য় বৰ্ষ (কলা)

আজি কৰুণাৰ খুউব খং উঠিছে। স্কুলৰ পৰা আহি খটলং কৈ লোহাৰ গেট খন খুলি ঘৰলৈ সোমাই আহিয়েই নিজৰ কোঠাত সোমায়। চেণ্ডেল যোৰ খুলি আলনাডালৰ ফালে দলিয়াই দিয়ে। তাৰ পিচত বেগটো ড্ৰেচিং আইনাত ওলোমায় থয়। টিপফোটটো আইনাৰ একাষে লগাই থয়। তাৰ পিচত বিচনাখনত অলসভাৱে পৰি থকা গাৰুটোৰফালে চাই কাপোৰ যোৰ প্ৰায় টানি-আজুৰি খুলি আলনাত দলিয়াই থৈ নন্দ, নন্দ বুলি মাতে। নন্দই মাত শুনাৰ লগে লগে গৈছো বাইদেউ বুলি কাপোৰ এখনত হাত মচি মচি সোমাই আহে। 'তহঁতবোৰ ক'ত থাক, ইমান মাতিলেও নুশুন'। 'বাইদেউ চাহ কৰিম নেকি?' নন্দই লাহেকৈ সোধে। যা কৰগৈ বুলি কৈ কৰুণাই পালেঙৰ বাৰত থকা টাৱেলখনলৈ ভোৰ-ভোৰাই কিবা কিবি কৈ বাথৰুমত সোমায়। নন্দ আজি আচৰিত হৈছে। কোনো দিনে এষাৰো টানকৈ নোকোৱা বাইদেউৱে আজি তাক খং কৰিলে! ক'তা সিতো এবাৰ মতাৰ লগে লগেই গৈছে। হয়, কৰুণাৰ আজি স্কুলতেই মেজাজ গৰম হৈ আহিছে। আৰু স্কুলৰ পৰা আহি ঘৰত কাৰেণ্ট নথকাত খংটো যেন দুগুনহে চৰিছে। বাথৰুমৰ আইনাত নিজৰ প্ৰতিবিম্বটো দেখি কৰুণা প্ৰায় চক্ খাই উঠিল। ইকি, চকুৰ গুৰিত সময়ৰ দাগবোৰ পৰিছে! গা ধুই চাহ খাই উঠোতে প্ৰায় গধূলিয়েই হ'ল।

এতিয়া যেন কৰুণাই ফুলনিখনত সোমাই খংটো পাতলাবৰ চেষ্টা কৰিছে। ঠিক এনেতে কৰুণাৰ মিছেচ অনিমা বৰুৱালৈ আকৌ মনত পৰিল। তাইৰ খংটো আকৌ উঠিল। ফুলনিখনৰ পৰা আহি নিজৰ গাৰুটো থিয় কৰি লৈ সেইটোত আউজি বহি কৰুণাই আকাশ-পাতাল ভাবিব ধৰিলে।

তাইৰ সম্পূৰ্ণ নাম কৰুণা কাকতি। পিতৃ মহেন্দ্ৰ কাকতি আছিল এজন সৎ পুলিচ বিষয়া। আজিৰেপৰা প্ৰায় ত্ৰিশ বছৰ আগতে কৰুণাৰ পিতৃ বিয়োগ ঘটে। তেতিয়া তাইৰ বয়স মাত্ৰ দহ বছৰ। ভনীয়েক অৰুণা আৰু ভায়েক বৰুণ মাত্ৰ ছয় আৰু তিনি বছৰৰ। মাকে স্থানীয় স্কুল এখনত শিক্ষকতা কৰি কোনোমতে অভাৱ-অভিযোগ নোহোৱাকৈ ঘৰখন চলাইছিল। কৰুণাই বি. এ. পাচ কৰাৰ পিছতে সিহঁত তিনিটা প্ৰাণীক নিঠৰুৱা কৰি মাকৰো পৰলোক ঘটে। তাৰ পিচত ঘৰখনৰ সকলো দায়িত্ব কৰুণাৰ ওপৰত। স্থানীয় হাইস্কুল এখনত কৰুণাৰ চাকৰি এটা হয়। সেই চাকৰিৰ দৰমহা কেইটাই একমাত্ৰ সম্বল। ঘৰটো যেনিবা দেউতাকে সজাই থৈ যোৱাৰ কাৰণে কৰুণা যেন এটা সমস্যাৰপৰা মুক্ত। ভনীয়েক অৰুণা আৰু ভায়েক বৰুণৰো বিয়া হৈ যায়। সিহঁত দুয়ো সন্তানৰ পিতৃ-মাতৃ।

কৰুণা এতিয়া চাকৰি কৰি থকা হাইস্কুলখনৰ প্ৰধান শিক্ষয়িত্ৰী। তাইৰ লগৰবোৰৰ এজনী এজনীকৈ স্বামীৰ চাকৰি কৰা ঠাইবোৰলৈ গুছি গ'ল। মাত্ৰ থাকি গ'ল কৰুণা! এই স্কুলখনত চাকৰি কৰা প্ৰায় ওঠৰ বছৰমানেই হ'ল। এই ওঠৰ বছৰে কিমান আহিছে কিমান গৈছে তাৰ কোনো ঠিকনা নাই; কিন্তু এইবাৰ অহা মিছেচ্ অনিমা বৰুৱা বৰ আচৰিত। কিবা নহয় কিবা এটা অজুহাত দেখুৱাই দেৰিকৈ স্কুললৈ আহি সোণকালে ঘৰলৈ যোৱা তেওঁৰ এটা বিশেষত্ব। সৌ সিদিনাৰ কথা, স্কুললৈ গৈছে এঘাৰ বজাত, ইমান দেৰি কিয় হ'ল বুলি সোধাত যিটোহে কাৰণ দৰ্শালে কৰুণাৰ খং চুলিৰ আগ পালেগৈ।

কৰুণা আৰু দুগৰাকীমানৰ বাহিৰে স্কুলখনৰ সকলোৱে যেন কেৱল মাত্ৰ দৰমহা কেইটাৰ বাবেহে চাকৰি কৰিছে। শিক্ষাৰ্থীসকলৰ প্ৰতি কাৰো দায়বদ্ধতা নাই। সিদিনা কৰুণাৰ স্কুল পাওঁতে প্ৰায় ১০:৩০ বাজে। কমনৰুমত বহি সকলোৱেই আলোচনাত ব্যস্ত। কৰুণা আহি ৰুমৰ দুৱাৰ মুখত থিয় হোৱাতহে সকলোৱে নিজ নিজ ক্লাচলৈ যায়। পিচদিনা প্ৰাৰ্থনাৰ অন্তত কৰুণাই স্পষ্টভাৱে কৈ দিয়ে যে, যাৰ যাৰ পঢ়িবলৈ আৰু পঢ়াবলৈ মন নাই সেইসকল যেন স্কুললৈ নাহে। তাৰ পিচতো আজি আকৌ সেই একেই ঘটনা। কথাটো মনত পৰি কৰুণাৰ আকৌ খং উঠি গ'ল। তাই টেবুলত থকা ঘড়ীটোলৈ চালে, ৬:৪৫ বাজিছে। কৰুণা বিচনাখনৰ পৰা উঠি আহি খিৰিকী মাৰি পৰ্দা মেলি দিলে। গোটেই কোঠাটো আন্ধাৰে আগুৰি ধৰিলে। কৰুণাই তৎক্ষণাত লাইটটো জ্বলাই কোঠাটো পোহৰেৰে ভৰাই তুলিলে। তাৰ পিচত তাই কোঠাৰপৰা ওলাই তটিনীৰ পঢ়া কোঠালৈ সোমাই গ'ল। কৰুণাৰ আগমনত তটিনী সতৰ্ক হৈ উঠিল। তটিনী বৰ্তমান নৱম মানৰ ছাত্ৰী। সৰুতে পিতৃ-মাতৃক হেৰুৱা তটিনী কৰুণাৰ তোলনীয়া ছোৱালী। কৰুণাই মন কৰিলে তাই যেন কিবা এটা লুকুৱাৰ চেষ্টা কৰিছে। তটিনীয়ে ভয়ে ভয়ে ক'লে "ইংৰাজীৰ নোট এটা লিখিছো।" "বহীখনৰ তলত কি আছে?" "নাই! একো নাই।" "হাতৰ মুঠিত থকা এইখন কি?" কৰুণা এইবাৰ কঠিন হৈ পৰিল। বহীৰ তলত আৰু হাতৰ মুঠিত থকা কাগজ দুখন লৈ "ইংৰাজীৰ নোট লিখিছ হয়" বুলি কৈ পোনে পোনে নিজৰ কোঠাত সোমাই দুৱাৰ বন্ধ কৰি বিচনাত বহি ফোপাবলৈ ধৰিলে। কৰুণাই লাহে লাহে হাতত সোত-মোত খাই থকা কাগজ দুখন মেলি লৈ পঢ়িব ধৰিলে। "তটিনী মই তোমাক ভাল পাওঁ। তুমি ভাল পোৱানে? হেমন্ত।" বচ এই এটা শাৰী। তটিনীয়ে উত্তৰ দিছে "মই মাথো মোৰ মাকহে ভাল পাওঁ।" কৰুণাৰ লাহে লাহে অসীমলৈ মনত পৰিল। বৰ্তমান সি আমেৰিকাৰ এটা কোম্পানীৰ ল' এড্‌ভাইজাৰ। সি কৰুণাক প্ৰথমে এনে ধৰণৰ চিঠি এখনকেই দিছিল; কিন্তু তাইৰ উত্তৰটো তটিনীৰদৰে নাছিল। পিচত দুয়োৰো মাজত বহুদিন বহু চিঠিৰ আদান-প্ৰদান হৈছিল। লাহে লাহে সেইবোৰ কমি আহি শেষত এদিন একেবাৰেই নোহোৱা হ'ল। আৰু একেবাৰে শেষত কৰুণালৈ আহিল অসীমৰ এখন বিয়াৰ নিমন্ত্ৰণী পত্ৰ। সেইদিনা কৰুণাই যেন হৃদয়ৰ কোনোবা এটা অংশত প্ৰচণ্ড বিষ অনুভৱ কৰিছিল।

কৰুণা তৎক্ষণাত উঠি তটিনীৰ কাষ পালেগৈ। কৰুণাক দেখি তটিনীৰ কঁপনি উঠিল; কিন্তু কৰুণাই তটিনীক আচৰিত কৰি সাৱটি ধৰাত তটিনীয়ে ফেঁকুৰী উঠিল। কান্দোনটো কোনোমতে চেপা মাৰি ধৰি ওলাই আহিব খোজা চকুপানী খিনি তটিনীয়ে নেদেখাকৈ মচি কৰুণাই ক'লে, "ভালকৈ পঢ়, ছয়মাহিলী পৰীক্ষালৈ আৰু বেছি দিন নাই।" □□

চিন্তা নকৰাকৈ শিকিবলৈ খোজাটো বৃথা পৰিশ্ৰম; আনহাতে একো নিশিকাকৈ চিন্তা কৰাটো মাৰাত্মক —— কনফুচিয়াছ

# এটা নষ্টালজীয়া

নমিতা ডেকা
স্নাতক ২য় বৰ্ষ

ক্ষ'ৰখন মচি থৈ বাচন-বৰ্তনখিনি সামৰি থবলৈ কিটচেন ৰুমত সোমালোঁ। পূজাৰ বন্ধটোতেই সুস্বাদু খাদ্য ৰান্ধি খোৱাৰ সময়। পূজাৰ বন্ধ খোলাৰ লগে লগেতো হোষ্টেলত সোমাবই লাগিব। হোষ্টেলতটো ইমানবোৰ বৰ্ডাৰক জুটি লগাই ৰান্ধি খুওৱাটো ঠাকুৰৰ পক্ষে সম্ভৱ নহয়। তথাপি হোষ্টেলৰ এটা সুকীয়া বৈশিষ্ট্য আছে, এবাৰ যি সোমাইছে সি ওলাই আহিব নোসোজে। মই ১৯৯৬ চনতে যি হোষ্টলত সোমাইছো এই ৪ বছৰীয়া অভিজ্ঞতাৰে হোষ্টেলৰ প্ৰেমত প্ৰায় মাতালেই হৈছো। খোৱা-লোৱা যিয়েই নহওঁক খুউব জমি থাকে ইয়াত, ৰাতি আনৰ চকুত ধুলি মাৰি পঢ়া, টেপৰ পানী ধৰোতে যুদ্ধ কৰা, মণিটৰক ফাকি দি চিনেমা চাবলৈ যোৱাৰ আমেজেই বেলেগ। এই বিলাক ভাবি থাকেতেই কলিং বেলটো বাজি উঠিল। পেপাৰ দিয়া ল'ৰাজন অহা বুলি তৎক্ষণাত বাহিৰ ওলাই আহিলো। পিছে পেপাৰ দিব অহা ল'ৰাজন নহয় পুৰণি কাকত কিনা মানুহ এজনহে আহিছে। মই মনতে ভাবিলো পুৰণি কাকতৰ দমটো বিক্ৰী কৰি দিলে কেইটামান টকাই ওলাব। সেইকেইটা টকাৰে অন্তত মই এখন নতুন কিতাপ কিনিব পাৰিম। মোৰ সৰু লাইব্ৰেৰীটোৰ কাৰণে।

মানুহজনক বহিব কৈ মই আলমাৰীৰ পৰা জাপ-জাপকৈ পুৰণা কাকতবোৰ উলিয়াব ধৰিলোঁ। হঠাৎ মোৰ চকু স্থিৰ হৈ গ'ল এখনি সৰু ফটোত, তলত লিখা আছে '২য় স্থান অধিকাৰ কৰিছে বিনয় হাজৰিকাই। পেপাৰ খনৰ ওপৰেৰে কেতিয়া চকুলো বৈ গৈ ফটোকপি তিয়াই তুলিলে মই ধৰিবই নোৱাৰিলোঁ। ধৈৰ্য্য, সততা আৰু অধ্যবসায়েৰে নিজৰ পৰিচয় দাঙি ধৰা এইজন বিনয়দাই এতিয়া জনমানসত নাম পাইছে 'পাগল'। বিনয়দা আজি সকলোৰে মনত পাগল .....। তাৰ কৰুণ মুখখন মোৰ দুচকুত ভাঁহি উঠিল।

বিনয়, বিনয় হাজৰিকা, অচ্যুত হাজৰিকা আৰু মীনা হাজৰিকাৰ একমাত্ৰ পুত্ৰ। সীমা হাজৰিকাৰ একমাত্ৰ মৰমৰ দাদা। সীমাবা মোৰ ৰুমমেট। হোষ্টেলত সততে প্ৰতিটো বিপদতে মোক আগবঢ়াই নিয়া মোৰ মৰমৰ সীমা বা। সীমা বাৰ মুখৰ পৰাই গম পাইছিলো বিনয়দাৰ কথা। তাৰ জীৱনৰ কৰুণ পৰিণতি, সিদিনা মোৰ খুউব দুখ লাগিছিল। মনতে ভাৱিছিলোঁ বিনয়দাক মই সুস্থ কৰি তুলিম। এদিন বিনয়দাক চাবৰ বাবে সীমাবাহতঁৰ ঘৰলৈ গৈছিলোঁ সীমাবাৰ আপত্তি স্বত্ত্বেও। সিদিনা সীমাবাৰ মাক-দেউতাকৰ লগত তেওঁলোকৰ ঘৰৰ পৰিৱেশটো মোৰ একেবাৰে ভাল লগা নাছিল। সীমাবাহতঁৰ যৌথ পৰিয়ালত ববমাক, ববদেউতাক, খুড়া-খুড়ী আৰু ৫/৬ জন ল'ৰা-ছোৱালীৰ লগতে দুজনী পেহীও আছে। সকলো ব্যস্ত নিজৰ নিজৰ কামলৈ। সীমাবা যে হোষ্টেলৰ পৰা গৈছে তাৰ প্ৰতি কাৰো ভ্ৰূক্ষেপ নাই, মোৰ কথাটো বাদেই। সীমা বা আৰু মই সীমাবাৰ পঢ়া টেবুললৈ গ'লো, সীমা বাৰ মাকে আমাক এগিলাচ এগিলাচ গাখীৰ খাব দিলে। গাখীৰ দুগিলাচ খাই জীৱণি লবলৈ ওলাইছো মাত্ৰ এনেতে সীমা বাৰ দেউতাক ৰুমলৈ সোমাই আহিল। তেখেতৰ লগত কথাকৈ গম পালো তেখেত বিনয়দাৰ প্ৰতি উদাসীন। তেখেতৰ যেন কৰণীয় একো নাই, তাৰ প্ৰতি। দেউতাক ওলাই যোৱাৰ পিছত মাকে পাকঘৰৰ কাম-বন কৰি আমাৰ লগত আহি বহিলহি। মানুহগৰাকী খুউব মৰম লগা - দেখিলে কিবা নিজৰ নিজৰ ভাৱ আহে। তেওঁ আমাৰ ঘৰৰ সকলো খবৰ লোৱাৰ পিছত নিজৰ দুখৰ কথা বিলাক কৈ গ'ল পাত পাতকৈ। শুনি মোৰ খুউব বেয়া লাগিল।

আবেলি সীমা বাৰ সৈতে মই বিনয়দাৰ ৰুমলৈ গ'লো। হয় ঠিক সীমা বাই কোৱাৰ দৰে এখন মুখ। ১/২ বছৰ দাড়ি নুখুৰুৱা শেতা পৰা মুখ। ১৯৯৫ চনতে বিনয়দাই দৰং জিলাৰ ভিতৰত ২য় স্থান অধিকাৰ কৰি মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈছিল। মনত বহুত ৰঙীন সপোন লৈ কটন মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰিছিল। সীমা বাৰ গাত তৎ নাই সেইদিনা ককায়েক ডাঙৰ মানুহ হোৱাৰ স্বপ্নত।

সময়ে মেলানি মাগিছিল আমাৰ পৰা এদিন H.S ৰ Final দি বিনয়দা ঘৰলৈ ঘূৰি আহিছিল। কিন্তু! বিনয়দাৰ গাত অস্বাভাৱিক কিছুমান লক্ষণ দেখি সীমা বাৰ লগতে ঘৰৰ আটাইয়ে বিমোৰত পৰিল। ঘৰখনৰ কোনো জনকেই দাদাৰ ভাল নলগা হ'ল। ঘৰখনৰ ভিতৰত সোমাই কিতাপ পঢ়ি থাকে। গাঁওৰ মানুহৰ কথা শুনি বহুতো ডাক্তৰকো দেখুৱালে। কিন্তু দাদা নিজৰ মতত নাচোৰবান্দা। ইফালে ঘৰুৱা কামৰ বাবে মাকো তাৰ লগত ব্যস্ত হৈ থাকিব নোৱাৰে। যৌথ পৰিয়ালৰ কথা কাম নকৰি ল'ৰাৰ লগত লাগি থাকিলে গালি খাব লাগিব জা-ননদৰ। সীমাবাৰো তেতিয়া মেট্ৰিক পৰীক্ষা ওচৰ চাপিছে। তায়ো বিশেষ ওচৰত থাকিব নোৱাৰে তাৰ। দেউতাকটো প্ৰায় উদাসীন যি হ'ব লগা আছে হ'বই। তেখেতৰ বহুতো হিতাকাংক্ষীয়ে দাদাক ঘৰখনৰ বাহিৰৰ এটি পৰিৱেশ দিবলৈ কৈছিল। কিন্তু ককায়েক-ভায়েক সকলে বেয়া পাব বুলিয়েই তেওঁ সেইটো নকৰিলে। সীমাবাহতঁৰ মাকেও তাক দাৰ্জিলিং, শ্বিলঙলৈ লৈ যোৱাৰ কথা কৈছিল দেউতাকক, কিজানি বেলেগ পৰিৱেশ পাই ভালেই হয় তাৰ। তেওঁ সীমাবাহতঁৰ কথা শুনি ক'লে এক-ডেৰ লাখ টকা খৰছ হ'ব। এনেকৈ টকা খৰছ কৰিলে ককায়েকহতেঁ বেয়া পাব বুলি ভাবিয়েই দেউতাকে সেই বিষয়ে একো এটা হাতত লব নোৱাৰিলে।

ক্ৰমে বিনয়দাৰ অসুখ বাঢ়ি গ'ল, ঘৰটোৰ পৰা সি নোলোৱা হ'ল। ডাড়ি-চুলি নাকাটে, গা নোধোৱে, আগতে সীমাবা গ'লে মৰম কৰিছিল তাইকো। গালি পৰা হ'ল। শেষলৈ ঘৰখনৰ লগত তাৰ সম্পৰ্ক নাইকিয়া হ'ল। এইজন বিনয়দাক চাব গৈয়ে মই আচৰিত হৈ পৰিছিলোঁ। এনেকৈও মানুহ জীয়াই থাকিব পাৰেনে? সীমাবাই মোৰওচৰত বৈ হুক হুককৈ কান্দি দিছিল। মই বিনয়দাৰ লগত কথা পাতিবলৈ চেষ্টা কৰিছিলোঁ। প্ৰথমতে সি মোক মতা নাছিল, কিন্তু পিছত মোৰ লগত সি সহজভাৱেই কথা কৈছিল। তাৰ কথাৰ পৰা গম পাইছিলোঁ সি পাগল নাছিল। সি মোক কৈছিল ভৰ্ণ্টি তুমি সীমাৰ হোষ্টেলৰ ভনী, সেই সুত্ৰেই তুমি মোৰ মুক্তি নিবিচাৰানে বাৰু? সি বাৰু কোনটো মুক্তিৰ কল্পনা কৰিছে? তাৰমানে

হুকুম মানি চলা সকলেহে হুকুম দিব পাৰে —— টমাচ জেফাৰচন

সিয়ো এটি মুক্ত জীৱন বিচাৰে। সিওঁ চৰাই দৰে উৰিব এখন ডেউকা বিচাৰে? সঁচাই জানো বিনয়দাই মুক্তি পাব ? এটা ভাল পৰিৱেশ আৰু কাৰোবাৰ অকুণ্ঠিত মৰমৰ পৰশে হয়তো বিনয়দাক ভাল কৰি তুলিব পাৰিলেহেতেঁন। বিনয়দাৰ ওচৰত থাকি তাক ভাল কৰি তুলিবলৈ মোৰ খুউব মন গৈছিল; কিন্তু.....। কৰ্তব্যৰ খাটিবতে মই হোষ্টেললৈ পিছদিনাই গুছি আহিব লগা হ'ল। এটি জীৱনক আলফুলে সজাই ৰখাৰ সেই কল্পনা কল্পনা হৈয়েই থাকিল।

নমি পেপাৰ বিচৰা মানুহজন ব'ৰ হৈছে চাগে, তই ইয়াত কি কৰি আছ। মাৰ মাততহে মই বাস্তৱলৈ ঘূৰি আহিলোঁ। সঁচাই পেপাৰ নিয়া মানুহজনক বাহিৰত বহুৱাই থৈ মই পাহৰিয়েই গৈছিলোঁ। মনতে ভাবিলোঁ কাহিনীটো যুগুতাই আমাৰ মহাবিদ্যালয়ৰ আলোচনী সম্পাদক দ্বীপ কিশোৰৰ হাতত দিম। বিনয়দাই অন্তত গম পাওঁক তাৰ মুক্তিৰ বাবে চিন্তা কৰা মানুহ ইয়াত বহুত আছে। □□

# বিভ্ৰান্ত বন্যা-ভূমি

মিতালী দেৱী
স্নাতক ১ম বৰ্ষ (কলা)

অফিচৰ পৰা আহি ডি.এচ.পি. ৰাজীৱ গোস্বামীয়ে চাহৰ কাপটো হাতত লৈ টেবুলৰ ওপৰত থকা বাতৰি কাকতখন লৈ এনেয়ে উপকৰা দৃষ্টি নিক্ষেপ কৰিলে। এনেতে টেলিফোনটো বাজি উঠিল ঃ ক্ৰিং ক্ৰিং। Hello, ডি.এচ.পি. ৰাজীৱ গোস্বামী স্পিকিং। লগে লগে আনফালৰ পৰা উত্তৰ আহিল ছাৰ মই হেড্ কোৱাৰ্টাৰৰ পৰা কৈছো। এই মাত্ৰ চহৰৰ বিখ্যাত পলিটিকেল লিডাৰ বৈভৱ কুমাৰৰ চলন্ত গাড়ীৰ ওপৰত আততায়ীয়ে আক্ৰমণ কৰে।

: What ?

: হয় ছাৰ, মন্ত্ৰীৰ একো নহ'ল যদিও বডিগাৰ্ড দুজনৰ মৃত্যু হ'ল আৰু গাড়ী চালক জন সামান্য ভাৱে আহত হৈছে।

: আপুনি মিঃ হাজৰিকাক লৈ এতিয়াই ঘটনাস্থলীত উপস্থিত হওঁক আৰু চহৰৰ আটাইকেইটা পথতে চেকগেট বহুৱাওক। আততায়ী নিশ্চয় চহৰৰ বাহিৰলৈ যোৱা নাই। মই এতিয়াই গৈ আছো, quick দত্ত।

: ok Sir

ৰিচিভাৰটো থৈ মিঃ ৰাজীৱ গোস্বামী ততাতৈয়াকৈ ড্ৰেচ কৰাত লাগিল।

ডি.এচ.পি ৰাজীৱ গোস্বামী এজন কৰ্তব্যপৰায়ণ পুলিচ বিষয়া আৰু সুনাগৰিকো। কামৰ প্ৰতি থকা নিষ্ঠা আৰু সত্যনিষ্ঠতাই মানুহজনক অতি সোণকালে চহৰখনৰ প্ৰায়খিনি মানুহৰ মাজত পৰিচিত, তথা তেখেতৰ ব্যক্তিত্ব প্ৰতিভাত কৰি তুলিছিল। সাহসী দায়িত্বশীল পুলিচ বিষয়া হোৱাৰ লগতে এজন দয়াশীল ব্যক্তি।

অৰ্পনা আৰু জিতৰ সৈতে বাস কৰা ঘৰখনত তেখেতৰ পৰিচয় এজন মৰমীয়াল স্বামী আৰু পিতৃ। অৰ্পণা ৰাজীৱ গোস্বামীৰ পত্নী আৰু জিত তেওঁলোকৰ একমাত্ৰ পুত্ৰ সন্তান। দেউতাকৰ দৰে সাহসী আৰু মৰমীয়াল জিত বি.এচ.চি ফাইনেল ইয়েৰৰ ছাত্ৰ।

: আপুনি আকৌ ড্ৰেচ কৰিলে যে ? অৰ্পণাই তেওঁক প্ৰশ্ন কৰিলে

: ও তুমি।

: আকৌ ক'লৈ যাৱনো ? এইমাত্ৰ আহিছিলহে ? পুলিচৰ কাম যেতিয়াই তেতিয়াই বুজিছা, পলিটিকেল লিডাৰ, বুজিছাটো চাকৰিৰ প্ৰশ্ন। সামান্য ব্যংগ কৰি গোস্বামী ওলাই জীপত উঠিল।

বাঢ়ি অহা সন্ত্ৰাসে গোটেই চহৰখনতে এক আতংকৰ সৃষ্টি কৰিছে। জনসাধাৰণৰ জীৱনযাত্ৰাত জটিলতা আৰু মনৰ শান্তিত ব্যাঘাত জন্মাইছে। চাৰিওফালে ভয় নামৰ অক্টোপাছটোৱে মানুহৰ মনক চেপি ধৰি আছে। মুকলি মনেৰে মুক্ত আকাশৰ তলত ফুৰা দিন আৰু অসমত নাই। এতিয়া অসমৰ আগচোতালত ৰদকাচলিত বহি বেলিৰ সাধুশুনা দিন নাই। সূৰ্য্য উঠা দেশ অসমত এতিয়া কাৰ জীৱন সূৰ্য্য কেতিয়া অস্ত যায় তাৰ কোনো ঠিকনা নাই। চাৰিওফালে মৃত্যুৰ তাণ্ডৱ নৃত্য। বন্দুকৰ গুলীয়ে ৰাজত্ব কৰিছে মানৱ আত্মাৰ আঁৰে আঁৰে। বিধ্বংসী বোমাৰ শব্দত স্তব্ধ হৈ গৈছে চৰাই-চিৰিকতিৰ মৌসনা মাত আৰু মানুহৰ মনৰ সুৰ। বাৰুদৰ ধোঁৱাত বিলীন অসমীৰ চিৰ চেনেহী সহজ সৰল জীৱন চিত্ৰ। ক্ষমতা বিচাৰি পাগল হোৱা এদল স্বাৰ্থান্বেষীৰ হাতত জনসাধাৰণৰ জীৱনৰ বৰ্তমান আৰু ভৱিষ্যত বিষময়।

ক্লিং ক্লিং ! কলিং বেলটো বাজি উঠিল। নিশ্চয় জিত্ আহিছে, অৰ্পণাই দুৱাৰখন খুলি দিলে। ভিতৰলৈ সোমাই জিতে মাকক ক'লে, মা কাইলৈ আমাৰ ৰিজাল্ট দিব।

.....................

একমাত্ৰ পুত্ৰ জিতৰ ৰিজাল্টৰ বাবে অৰ্পণা আৰু ৰাজীৱে বহু আগ্ৰহেৰে বাটচাই আছে। এনেতে ফোনটো বাজি উঠিল, ৰিচিভাৰটো ততাতৈয়াকৈ তুলি লৈ ক'লে, Hello !

: Hello মা, মই জিত্, মা মই ফাৰ্ষ্টক্লাছ পাইছো। মা মা 71%। মই এতিয়াই ঘৰলৈ গৈ আছো। ok, bye.

জিতৰ ৰিজাল্ট পাবলৈ উগ্ৰীৱ হোৱা ৰাজীৱক অৰ্পণাই সকলোবোৰ

জন্মৰদ্বাৰা নহয় কৰ্মৰ দ্বাৰাহে মানুহ মহান হয় — মহাবীৰ

ক'লে। দুয়োৱে পুতেকৰ ৰিজাল্টত সন্তুষ্টি প্ৰকাশ কৰি আনন্দৰে জিত অহালৈ বাট চাই থাকিল।

লাহে লাহে সময় পাৰ হ'ল। দুই বাজিল। তিনি বাজি পাৰ হ'ল, চাৰি বাজিল জিত্ আহি পোৱা নাই। অৰ্পণাৰ মনটো হঠাৎ কিবা আতংকত কঁপি উঠিল। ৰাজীৱক কলেজলৈ ফোন কৰিবলৈ ক'লে। কলেজৰ পৰা গম পালে যে ইতিমধ্যে ল'ৰা-ছোৱালীবোৰে ৰিজাল্ট লৈ কলেজৰপৰা ওলাই আহিছে। ৰাজীৱ বৰ চিন্তাত পৰিল। কি হ'ল জিতৰ, এতিয়াও ঘৰ কিয় আহি পোৱা নাই। একমিনিট কিবা ভাবি ৰাজীৱ জিতৰ বন্ধু কেইজন মানলৈ ফোন কৰি গম পালে যে জিত্ প্ৰায় দুই-আঢ়ৈ ঘণ্টাৰ আগতে উভতিছে। ৰাজীৱৰ বুকু কঁপি উঠিল। জিতে কেতিয়াও ইমান পলমকৈ ঘৰৰ বাহিৰত নাথাকে। হঠাৎ আজি কি হ'ব পাৰে। বিস্ময় তথা অজান আশঙ্কাৰে ৰাজীৱ আৰু অৰ্পণাৰ মনটো সেমেকি পৰিল।

ছয়বজাৰ ঘণ্টা শুনিবলৈ পোৱাৰ লগে লগে অৰ্পণা অধৈৰ্য্য হৈ পৰিল। প্ৰায় কন্দাৰ সুৰেৰে ৰাজীৱক ক'বলৈ ধৰিলে "আপুনি কিবা এটা নকৰে কিয়?"

জীপখন লৈ ৰাজীৱ ওলাই গ'ল।

নিশা প্ৰায় দহ বাজিল। কান্দি কান্দি অৰ্পণা চোফাত বহি আছে। হঠাৎ কলিং বেলটো বাজি উঠিল। প্ৰায় দৌৰি গৈ অৰ্পণাই দুৱাৰখন খুলিলে। ভাগৰুৱা দেহমনেৰে ৰাজীৱ সোমাই আহি চোফাত বহি পৰিল। অন্তৰৰ পৰা ওলোৱা বেদনাৰ ধুমুহা জাকক অৰ্পণাই বাধা দিব নোৱাৰিলে আৰু হুক হুকাই কান্দি দিলে। ৰাজীৱে শান্ত্বনা দিবলৈ চেষ্টা কৰিও মাতৃত্বৰ কান্দোনক ৰখাব নোৱাৰিলে। এধাৰী তপত চকুলো ৰাজীৱৰ দুচকুৰে নিগৰি ওলাই আহিল। একমাত্ৰ পুত্ৰ জিতৰ কি হ'ল ক'ত গ'ল একো খবৰ নাই।

নিশা ঠিক বাৰ বাজিছে। হঠাৎ ফোনটো বাজি উঠিল। ৰাজীৱ আৰু অৰ্পণাৰ বুকু এক মৃদু শিহৰণে ছুই গ'ল।

: Hello ৰাজীৱ গোস্বামী স্পিকিং।

..........................................

Hello, Hello,

ৰাজীৱে দুৰ্বল দৃষ্টিৰে অৰ্পণাৰ ফালে চাই পঠালে।

: কি হ'ল, কি হ'ল আমাৰ জিতৰ কিবা খবৰ? অৰ্পণাই সুধিলে।

হয়, আমাৰ জিতকে অপহৰণ কৰিছে উগ্ৰপন্থীয়ে। আৰু বিনিময়ত বিছাৰিছে পাঁচ লাখ টকা। দুদিনৰ ভিতৰত টকা নাপালে, অৰ্পণাই মুখত সোপাদি ধৰিলে। ৰাজীৱৰ বুকুৰ মাজত সোমাই কান্দি কান্দি ক'ব ধৰিলে মোৰ জিতক আনি দিয়ক! মই তাৰ অবিহনে থাকিব নোৱাৰো। মই একো নাজানো মোক মাত্ৰ জিতক লাগে।

আদৰ্শ আৰু আবেগৰ মাজত শীতল যুদ্ধত আক্ৰান্ত হৈছে ৰাজীৱ গোস্বামী। সন্ত্ৰাসবাদ বিৰোধী কৰ্তব্যপৰায়ণ ৰাজীৱৰ জীৱনাদৰ্শৰ বিৰোধে গৈ একমাত্ৰ পুত্ৰৰ জীৱনৰ বিনিময়ত পঞ্চল্লিচ বছৰীয়া কৰ্ম জীৱনৰ বহুকষ্টৰে আৰ্জিত জীৱনৰ আদৰ্শক বিক্ৰী কৰি দিয়ে কেনেকৈ? যদি নকৰে তেনেহলে একমাত্ৰ পুত্ৰ জিত্? বিবেকৰ দংশনত জৰ্জৰিত ৰাজীৱ গোস্বামী আৰু অৰ্পণা। অৰ্পণাৰ ফালে চাই ৰাজীৱে আৰু দুৰ্বল হৈ পৰে।

আনফালে জিতক নি উগ্ৰপন্থীৰ দলটো সিহঁতৰ ঘাটিত উপস্থিত হ'ল। চকুৰ পৰা ক'লা কাপোৰ খুলি দিয়াত চকুমুখ মোহাৰি জিত ঠিয় হ'ল। মুহূৰ্ত্ততে সি অবাক হৈ উঠিল! জিতে চিঞৰি উঠিল। অবিনাশ তই! মই সপোনতো ভবা নাছিলো তোৰ দৰে এজন শিক্ষিত ল'ৰাই এনেকুৱা ঘৃণনীয় কাম কৰিব পাৰে। সমাজ বিৰোধী এই কাৰ্য্য কৰাৰ আগতে, হাতত পিস্তল তুলি লোৱাৰ আগতে তোৰ বিবেকে তোক এবাৰো বাধা নিদিলেনে? এনে নৰযজ্ঞ কৰি নিৰীহ লোকৰ প্ৰাণ আহুতি দিবলৈ যোৱাৰ পথত তোৰ অন্তৰ আত্মাই এবাৰো তোক বাধা দিয়া নাইনে?


চিঞৰি উঠিল অবিনাশ, মনে মনে থাক আৰু নকবি। মই কি কৰিছো কিয় কৰিছো তোৰ দৰকাৰ নাই। তোৰ দেউতাৰে পাঁচলাখ টকা দিলেই তোক আমি মুক্তি দিম। ডি.এচ.পি. ৰাজীৱ গোস্বামীৰ কাৰণে পাঁচলাখ টকা একো ডাঙৰ কথা নহয়।

: পাঁচ লাখ টকা মূল্য অবিনাশ তোৰ আত্মসন্মানৰ পাঁচ লাখ টকাৰ বিনিময়ত তই তোৰ পুৰুষত্বক বিক্ৰি কৰিবি? স্বাধীন চিঁতিয়া মনৰ জিতে কৈ উঠিল।

বহু কথাৰে জিতে অবিনাশক বুজাবৰ চেষ্টা কৰি ব্যৰ্থ হ'ল। মানুহৰ বুকুৰ কেঁচা তেজেৰে ইতিহাস লিখিব বিচৰা সিহঁতৰ বাবে জীৱনৰ মূল্য মানৱীয়তাৰ মূল্য টকাত বিলীন।

হঠাৎ পুলিছে সিহঁতৰ ঘাটিৰ চাৰিওফালে আগুৰি ধৰিলে আৰু গুলি চালনা কৰিলে। ওলোতাই অবিনাশহঁতৰ দলটোৱেও গুলিচালনা কৰিবলৈ ধৰিলে। কিছুসময় গুলিয়াগুলি চলিল। এনেতে পুলিচ পক্ষৰ এজনে অবিনাশক লক্ষ্য কৰি পিষ্টল টোৱালে। চিঞৰি উঠিল জিতে 'অবিনাশ' গুলিয়ে জিতৰ বুকু ভেদ কৰি গ'ল। ঢলি পৰিল জিত অবিনাশৰ গাত। বুকুৰ তেজেৰে নৈ বৈ গ'ল। আধা ফুটা মাতেৰে কেৱল কৈ গ'ল এৰি দে অবিনাশ অ---বি---না---শ।

বুকুৰ তেজ বোৱাই শেষ হ'ল এটি জীৱন! জিতৰ জীৱন। অৰ্পণাৰ মৰমৰ পুত্ৰ জিত, ৰাজীৱ আৰু অৰ্পণাৰ সপোন, আশাবোৰ লৈ গ'ল এটি গুলীয়ে উৰুৱাই। বৈ গ'ল তেজৰ সোঁতত, সকলো হেৰাল অসীমত.....।



একমাত্ৰ ভাল কাম কৰাটোৱেই এজনৰ জীৱনৰ সুখৰ কাম —— পিলিপ ছিডলি

# এপ্ৰিল ফুল

মোক্কাদছ আলী
স্নাতক ২ম বৰ্ষ

আমি যেতিয়া মহাবিদ্যালয়ত ডিগ্ৰী কোৰ্চ পঢ়ি আছিলো, সেই সময়ত মোৰ মনত এটি স্মৃতিয়ে বাঁহ লৈছিল। সেই এজাক উৰণীয়া স্মৃতিয়ে মোক আজিলৈয়ো সদায় আমনি কৰি জগাই তোলে! সেই স্মৃতি ...........

মই পঢ়ি থকা সময়ত মোৰ বন্ধু-বান্ধৱীৰ ভিতৰত বাজু, মুন, ৰীতা, জুলি, নুৰ আৰু আদিল আছিল অন্যতম। এদিনাখন মোৰ অফ ক্লাচৰ সময়ত ৰুমলৈ যাবলৈ ওলোৱাত হঠাৎ পিছফালৰপৰা ৰীতাই মাত লগালে, এই অভি শুনা - ইমান খৰধৰকৈ ক'লৈ যোৱানো? অ', ৰীতা কিবা কবা নেকি? মই কলো। আজি ১ টা বজাত জুলিয়ে তোমাক কেণ্টিনত লগ ধৰিবলৈ কৈছে, ৰীতাই খুব লাহেকৈ কথাষাৰ ক'লে। মই কলো কোনো অসুবিধা নাথাকিলে লগ ধৰিম। থোৱা তোমাৰ অসুবিধা - জুলিয়ে কৈছে তোমাৰ লগত হেনো তাইৰ ডাঙৰ কথা আছে। কথাটো হৈ নোযোৱালৈকে তাই কাকো নকয়। মই কিন্তু নাজানো দেই কি কথা। মোৰো কথা এটা আছিল তোমাৰ লগত। আজি কিন্তু মিছ নকৰিবা গল্ডেন চাঞ্চ - তাই মুৰটো লৰাই লৰাই দুষ্টালি হাঁহি লৈ কথা কেইষাৰ কৈ গ'ল। তোমাৰ বিকুৰেষ্ট যেতিয়া নিশ্চয় লগ ধৰিম। এতিয়া বাই। হাতেৰে ধুনীয়া পজ্ এটা দি গেটৰ ওচৰ পালোহি।

বাটে বাটে ভাবি গলো জুলিৰ প্ৰতি যে মোৰ দুৰ্বলতা এই কথা মোৰ বন্ধু-বান্ধৱীসকলে জানে। কিন্তু আজি হঠাৎ তাই বাৰু মোক কিয় মাতিলে। তাইৰনো মোৰ লগত কি ডাঙৰ কথা থাকিব পাৰে। জুলিয়ে মোৰ দুৰ্বলতাৰ কথা গম পাই গৈছে নেকি? আৰু এটা কথা ৰীতাই দেখোন ক'লে মোৰ লগত তাইৰো কিবা কথা আছে। অৱশ্যে কেইদিনমানৰ পৰা লক্ষ্য কৰিছো ক্লাচ ৰুমত ৰীতা আৰু জুলি দুয়োজনীয়েই মোক বৰ বেলেগ ধৰণে চাই থাকে। ৰীতাকহে বেছি মডেলিঙৰ ছোৱালী যেন লাগে যদিও মোৰ কিন্তু জুলিকহে বেছি ভাল লাগে। তাইৰ কিবা বেলেগ ধৰণৰ মৰম লগা আমেজ এটা আছে। এতিয়া মোৰ মনত খেলি মেলি লাগি গ'ল। দুয়োজনীয়ে যদি মোক প্ৰপ'জেল দিয়ে কাৰটোনো একচেপ্ট কৰিম বাৰু! ভাবি ভাবি কেতিয়া ৰুম পালোহি গমেই নাপালো। ৰুম পায়েই অলপ ফ্ৰেছ হৈ পাৰফিউম স্প্ৰে কৰি ওলাই আহিলো। ওলাই অহাৰ সময়ত নিজকে অলপ বেলেগ বেলেগ লাগিল।

কেণ্টিনৰ সন্মুখত বাইকখন ৰখাই হুৰমুৰকৈ সোমাই গলো। সেই সময়ত কেণ্টিনত সবেই গোট খাই আড্ডা জমাই আছিল, মই সোমোৱাৰ লগে লগে গোটেই বিলাক চুপ হৈ গ'ল। ভীষণ থতমত খালো। নীৰৱতা ভঙ্গ কৰি ৰীতাই মাতিলে, হাই অভি .... অভিজিৎ - হাঁহি হাঁহি আগ বাঢ়িল তাই। বাঃ তোমাক আজি বৰ হেণ্ডচাম লাগিছে দেই। ওচৰলৈ আহনা জুলি! তই মতা বুলি কোৱা কাৰণে অভি আজি বেলেগ হৈ আহিছে। ক -হি আকৌ সোণকালে কি কথা আছে। জুলিলৈ চাই চকু টিপিয়াই ক'লে ৰীতাই।

নাই তইয়ে কৈ দেনা ৰীতা। জুলিয়ে লেনিয়া সুৰেৰে লাজ লাজকৈ ক'লে। বাঃ তই তোৰ মনৰ কথা কবি মই কিয় কম? নাই মানে আজি এক এপ্ৰিলতো, জুলিয়ে কওঁ নকওঁ কৈ কথাষাৰ ক'লে। তাতে কি হ'ল? মানে আই মিন ...... । চিঞৰি ৰীতাই ক'লে 'এপ্ৰিল ফুল'? অভি এপ্ৰিল ফুল !!!

হঠাৎ যেন মই সব বুজি পাই গলো। লগৰীয়াবোৰে হোঁ-হোৱাই হাঁহি দিলে। মোৰ আৰু শুনাৰ ধৈৰ্য্য নাছিল। খঙে-দুখে মই জুলিলৈ চালো। তাই তেতিয়া মুখ টিপি হাঁহিছে। খং-দুখত চকুৰ পৰা দুটোপাল চকুপানী নিগৰি আহিল মোৰ। বাজু বহাৰ পৰা উঠি আহি ক'লে ডণ্ট মাইণ্ড অভি। ইয়ঁতে তোক এপ্ৰিলফুল ...... । মই তেতিয়াহে অনুভৱ কৰিলো মোৰ চকুৰ পৰা ওলোৱা দুটোপাল চকুৰপানী দুখৰ নে সুখৰ। ☐

মৰম কৰা আৰু সকলো ক্ষেত্ৰতেই ন্যায় প্ৰতিষ্ঠা কৰা —— হজৰত মহম্মদ

# আহত পখীৰ ক্ৰন্দন

মাণিক চহৰীয়া
স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)

ক'লা চান গ্লাচযোৰ খুলি জগতে চাৰিওফালে দৃষ্টি নিক্ষেপ কৰিলে। অসংখ্য ল'ৰা-ছোৱালী। কলেজ চৌহদ গিজ গিজাই আছে কোনোৱে আপোন পাহৰা হৈ গছৰ ছাঁত জুৰ লৈছে। সুখ দুখৰ কথা পাতিছে, নতুবা প্ৰেমৰ কথা পাতিছে। কেইজনমানে আকৌ এটা ৰুমৰপৰা আন এটা ৰুমলৈ লৰা-ঢপৰা কৰিছে। আৰু কোনোজনে বাৰান্দাই বাৰান্দাই তহল দিছে।

জগত গ্ৰন্থাগাৰলৈ বুলি আগ বাঢ়িল। ছাত্ৰ-ছাত্ৰীৰ ভিৰ ঠেলি কোনো মতে সি ভিতৰ সোমাল। ভিতৰত অন্য এক কুৰুক্ষেত্ৰ। বিৰ দি বাট পাবলৈ নাই। সি তবধ মানিলে। মনতে বিৰবিৰালে - বাপ্ৰে! কলেজত ল'ৰা-ছোৱালী আছে দেই। সি তাৰ কলেজীয়া জীৱনৰ প্ৰথম দিনতে বিচুৰ্ত্তি খালে।

Excuse me sir! জগত গ্ৰন্থাগাৰিক জনৰ ওচৰত থিয় হ'ল আৰু সুধিলে। তাৰ মাত শুনি গ্ৰন্থাগাৰিক দেৱব্ৰত দাসে মূৰ তুলি চাই সুধিলে - "অ' কি হ'ল?" "চাৰ, মোৰ লাইব্ৰেৰী কাৰ্ডখন লাগে" জগতে ক'লে। "অ' হয় নেকি? তুমি কি stream ৰ?" দাসে সুধিলে। "মই Science ৰ!" তাৰ উত্তৰত অহংকাৰ ফুটি ওলোৱা দেখা গ'ল। লগে লগে দাসৰ কপালত কেইডালমান বিৰক্তিৰ ৰেখা প্ৰকট হ'ল। তেওঁ জগতৰ মুখলৈ ভাল দৰে চাই পঠিয়ালে আৰু কিছু খং ভাৱেৰেই ক'লে, "বাহিৰত আৰি থোৱা বোৰ্ডখনত কিবা লিখা আছে। চোৱা ছোন গৈ। তাৰ পিছত মোৰ ওচৰলৈ আহিবা। যোৱা এতিয়া।"

সি অধোবদনে ওলাই আহিল। কলেজলৈ প্ৰথম দিনা আহিলে যি উৎসাহ-উদ্দীপনা থাকে। তাক এই সামান্য ঘটনাটিয়ে ম্লান কৰি পেলালে। সি নিজে নিজক অচিনাকি যেন অনুভৱ কৰিলে। তাৰ মনত এটা ঘৃণাৰ ভাৱ জাগিল। বাহিৰত আৰিথোৱা বোৰ্ডখনত সি চকু ফুৰালে। "বিজ্ঞান শাখাৰ লাইব্ৰেৰী কাৰ্ড বুধবাৰে দিয়া হ'ব"। সি ভাবিলে আজি কি বাৰনো?

শনিবাৰ। আজি কেৱল কলা শাখাৰহে কাৰ্ড দিব। সি তাৰ মূৰ্খামিত বাৰুকৈয়ে লজ্জা অনুভৱ কৰিলে। আৰু ভাবিলে ছেঃ মইনো বোৰ্ডখনলৈ এবাৰো চাব নালাগেনে। বোৰ্ডখন চালেতো লাইব্ৰেৰিয়ানৰ কঠুৱা মাত শুনিবই নালাগে।

কি হে জগত? ইমান ৰ' লাগি কি পঢ়িছা? মুখস্থ কৰিব খুজিছা নেকি? হঠাৎ এটি চিনাকি মাতত তাৰ সম্বিত ঘূৰি আহিল। সি ভাবিলে অ'তো সি বোৰ্ডখনলৈয়ে ইমান পৰ চাই থাকিব লাগেনে। তাৰ মনৰ ভাৱ মাৰ নিয়াবলৈ চেষ্টা কৰি পিছফালে ঘূৰি চালে। "আৰে, বসন্ত! কি হে! কি খবৰ? কিবা Class কৰিলা নেকি?" সি একে উশাহতে গোটেইখিনি কথা বসন্তক সুধিলে। তাৰ ব্যস্ততা দেখি বসন্তই ক'লে, হ'ব! ইমান চিৰিয়াছ হ'ব নালাগে। বাদ দিয়া। Class কৰি কি বৰ মানুহটো হ'বা। আহা, আহা, সৌ গছৰ তলৰ বেঞ্চিত বহোগৈ। কথাখিনি কৈ বসন্তই তাক একপ্ৰকাৰ টনাৰ দৰেই লৈ গ'ল। তাৰ কোনো হা-হা, না-না নুশুনিলে।

নতুন জীৱনৰ আৰম্ভণীৰ দিনাই কিবা কেণা লাগিলে তাৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী হয়। প্ৰত্যেক কাৰ্য্যৰ বাবেই সুপৰিকল্পনাৰ প্ৰয়োজন। ইয়াৰ অন্যথা বিপদ অৱশ্যম্ভাৱী। নিজৰ নীতি আদৰ্শক, চিন্তাধাৰাক প্ৰাধান্য দিব লাগে। অসৎ সংগৰ পৰা সদায় আঁতৰত থাকিব লাগে। কাৰোবাৰ মিঠা কথাত ভোল যাব নালাগে। নিজৰ মনত ভৰা কথা বিলাক আনক কবও নালাগে। কেতিয়াও নিজৰ লক্ষ্যপথৰ পৰা বিচলিত নহবা - এইবিলাক জগতৰ দেউতাকে তাক কোৱা কথা। সি কলেজলৈ অহাৰ আগদিনা তাক কাষত বহুৱাই দেউতাকে কৈছিল। আৰু কৈছিল - বহুত দুখ-কষ্টৰ মাজেদি তহঁতক ডাঙৰ কৰিছোঁ। মই ভাৱো তই ভালদৰে পাছ কৰি আহিবি। আৰু নিজৰ জীৱন গঢ়ি লবি। তই পাছ কৰি আহিলে মোৰ সকলো দুখেই নোহোৱা হোৱা যেন লাগিব। মোৰ মন পূৰ্ণিমাৰ নিশাৰ আকাশৰ দৰে পৰিষ্কাৰ হ'ব! তাত দুখৰ কলীয়া মেঘ তিলমানো নাথাকিব। মই তোৰ পৰা ইমানকে বিছাৰো যে তই এজন ভাল ব্যক্তি হিচাপে সমাজত থিয় দিবিহি। গুৰুজনৰ প্ৰতি শ্ৰদ্ধাশীল হবি। 'শ্ৰদ্ধাবান লভতে জ্ঞানম'। যা তই কাইলৈৰ পৰা কলেজলৈ যাগৈ। ভালদৰে Class পাতি কৰিবি। ভাড়া ঘৰত শুই নকটাবি। মনত ৰাখিবি শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে। পাছ কৰি আহিব নোৱাৰিলে সকলোৱেই তোক লেই-লেই চেই-চেই কৰিব। যা তই পাৰিবি। মোৰ আৰু মাৰৰ আশীৰ্বাদ তোৰ সতে সদায় থাকিব।

গছৰ তলত জগত নিতাল মাৰি বহি থাকিল। আহিবৰ সময়ত দেউতাকে কোৱা কথাবোৰ তাৰ কাণত অনুৰণিত হৈ আছিল তাৰ তন্ময় ভাৱ দেখি বসন্তই মাত লগালে - কি অ' তই কি ভাবি আছ? একেবাৰে দেখোন ধ্যানৰত যোগী বাবা! বসন্তৰ কথাই তাক বাস্তৱ জগতলৈ ওলোটাই আনিলে। সি তাৰ ভাৱাবেগক লুকুৱাবলৈ চেষ্টা কৰি ক'লে - নাই নাই ভাবিবলৈ কিতো আছে। প্ৰথম কলেজলৈ আহিছোতো। তাকেহে .... "অ' হয় নেকি যোগীবৰ! সেইবাবে নিতাল মাৰি আছ! বায়েৰহঁতক দেখি ভয় খাইছ, ন-হ-য়। ভয় কৰিব নালাগে দে। সিহঁতে তোক নিগিলে। পেৰিবহে। বহ উলিয়াই নিব হাঃ হাঃ হাঃ। বসন্তই নিজৰ কথাতে বস পাই গিৰ্জনি মাৰি হাঁহিলে। বসন্তৰ অট্টহাস্য শুনি বাৰুকৈয়ে ভয় খালে আৰু তাৰ ফালে ঘূৰি চালে। তাৰ বত্ৰিশ দন্তবিকশিত হাঁহি দেখা পাই তাৰ এষাৰ কথালৈ চাতৃকৈ মনত পৰিল। এনেদৰে হঁহা মানুহৰ মুখ লাগে হেনো। গাঁৱৰ বুঢ়া-বুঢ়ীৰ কথা। কি ঠিক! বসন্তৰ ক্ষেত্ৰতো যে এনে নহব তাৰ কি মানে আছে।

যশষ্যা সুকীৰ্ত্তিৰ মৃদু সুগন্ধ —— চক্ৰেটিছ

টং কৈ শব্দ হ'ল। Class শেষ হোৱাৰ ধ্বনি। নতুন Class আৰম্ভ হ'ব। জগতে Class Routine লিখাই নাই। তাৰ মনে উচ-পিচাব ধৰিলে। Routine খন লিখিবলৈ তাৰ বৰ মন গ'ল। "এই এই এই ব'ল ব'ল।" Class আছে - বসন্তই ক'লে। কিহৰ ক্লাছ আছে অ'। জগতে সুধিলে। আহ ঐ কম নহয়। বসন্তই জগতলৈ অপেক্ষা নকৰি কোবা কুবিকৈ শ্ৰেণী কোঠাৰ ফালে আগবাঢ়িল। জগতে বাধ্য হৈ তাক অনুসৰণ কৰিলে। বসন্ত হ'ল ম'হৰ গাড়ীৰ আগে আগে বাট চিনাই যোৱা জন। সি যিফালেই যাব মহ হালে গাড়ীখনো সেইফালেই টানি লৈ যাব। জগতৰো একেই অৱস্থা। বসন্ত যলৈ সিয়ো তলৈ। তাৰ বাহিৰে বিকল্প নাই। সি অলপ দৌৰি যোৱাদি গৈ বসন্তক লগ ধৰিলে আৰু সুধিলে, কিহৰ Class অ' ? Physics ৰ বাবা Physics ৰ। বসন্তই উত্তৰ দিলে।

জগত ভাড়া কমলৈ ঘূৰি আহিল। কৰ্কৰা ভাত কেইটামান খাই বিচনাত বাগৰ দিলে। দিনটোত ঘটি যোৱা ঘটনা বিলাক আহি মানসপটত জিলিকি উঠিল। এটা এটাকৈ। বসন্তৰ কথা বিলাকে আহি তাৰ হৃদয়ত খুন্দিয়াই তোলপাৰ লগাই দিলে। তাৰ কথাবোৰ পাকলগা। যিবোৰ তাক পথৰপৰা বিচলিত কৰিবৰ বাবে যথেষ্ট। এনে ভাৱ অহাৰ লগে লগেই আহিবৰ দিনা দেউতাকে কোৱা কথাবোৰ কাণত বাজি উঠিল। "জগত তই কেতিয়াও নিজৰ পথৰ পৰা বিচলিত নহবি। তই মানুহ হৈ আহ!" দেউতাকৰ পিছে পিছে মাকৰ স্নেহ সনা মুখখনি দেখিবলৈ পালে। যাৰ দুচকুত মৰমৰ ছাঁ। আশা আৰু মৰমেৰে ভৰা এখন দীপ্ত শ্ৰীমুখ। তাৰ লগে লগেই কাণত বাজি উঠিল আহিবৰ সময়ত মাকে কোৱা কথাষাৰ - "যা বোপাই, তই ভাল মানুহ হৈ আহ। পাৰ যদি দেউতাৰাক অকণমান সকাহ দিবিহি।" মাকৰ কথাষাৰে তাৰ হৃদয়ত তুমুল বা-মাৰলিৰ সৃষ্টি কৰিলে। সংকাতে তাৰ বুকু দুৰু দুৰু কৈ কঁপিব ধৰিলে। পাৰিব জানো সি মাক দেউতাকৰ আশা পূৰণ কৰিব ??

চাওঁতে চাওঁতে এটা বছৰ বতাহৰ লগত মিলি গ'ল। কিছুমান নতুন মুখে আহি কলেজত ভুমুকি মাৰিলে। পুৰণা ছাত্ৰসকল পৰীক্ষা শেষ কৰি ঘৰা-ঘৰি গ'ল। জগতহঁতো প্ৰথমবৰ্ষ এৰি ২য় বৰ্ষত ভৰি দিলে। এটা শ্ৰেণী দেঙা দি পাৰ হ'ল। পঢ়া-শুনা কৰবাতে পৰি ৰ'ল। সিহঁতৰ বাবে "First year is rest year"। তিনি বছৰীয়া সিহঁতৰ শিক্ষাপঞ্জী। তাৰে দুটা বছৰৰ শেষত অনুষ্ঠিত হয় প্ৰথম খণ্ডৰ পৰীক্ষা। আৰু এটা বছৰত Part II হয়। ২য় বৰ্ষত নাম ভৰ্ত্তি কৰিবৰ দিনাখনহে তাৰ দেহলৈ হুচ আহিল। তাৰ ভবিষ্যত বাট দেখি সি ভিতৰি ভিতৰি কঁপি উঠিল, ই ফুল ফুলাৰ বাট নহয়। এক বিষধৰ কাঁইটীয়া পথ। যদি এই পথৰ যাত্ৰী হ'ব লাগে। তেন্তে তাত সীমাহীন দুখৰ বোজা বহন কৰিব লাগিব। সি দুটা বছৰৰ এটা বছৰ শুয়েই কটালে। এতিয়া দুবছৰীয়া কৰ্ষ এবছৰতে Clear- কৰিব লাগিব। যিটো অতিকে অসম্ভৱ। সি পাৰিব জানো অসম্ভৱক সম্ভৱ কৰিব ??

প্ৰত্যেক মানুহে মনত আশা পুহি ৰাখে। নিত্য নতুন কল্পনাও কৰে। আশা আৰু কল্পনাই মানুহক উন্নতিৰ চৰম শিখৰলৈ তুলি আনিছে। কিন্তু প্ৰত্যেকৰে কল্পনাবোৰ বাস্তৱায়িত হোৱা দেখা নাযায়। কল্পনা আৰু কাৰ্য্য একে নোহোৱাই ইয়াৰ মূল। কলেজ আজিৰ ছাত্ৰৰ বাবে শিক্ষালয় নহয়। ই প্ৰেমৰ আলয়। য'ত ৰংচঙীয়া যৌৱনৰ ঘোঁৱাত উঠি প্ৰেমত মছগুল হোৱাই এচামৰ উদ্দেশ্য। কিছুমানৰ বাবে কলেজ হ'ল আদ্দাৰ স্থল। ঘণ্টাৰ পিছত ঘণ্টা বহি কথাৰ বাগীত মতলীয়া হৈ থাকিব। মাজে মাজে সিহঁতৰ জুমৰ পৰা ধ্বনিত হ'ব বীভৎস চিৎকাৰ। এইয়াই আজিৰ ঢং। পঢ়াৰ নামত অতপালি। কলেজলৈ আহিব লাগে আহে। পঢ়াশুনা, ক্লাছ আদিত উপস্থিত থকাত কোনো আগ্ৰহ নাই। ক্লাছ পাতি নকৰক যদিহে ঘৰত পঢ়িলেহেঁতেন। কিন্তু সেইফালেও একেই অৱস্থা। টেকেলি কাতি।

জগতহঁতৰ টেষ্ট পৰীক্ষা হৈ গ'ল। টানি-টুনি প্ৰথম খণ্ডৰ পৰীক্ষাৰ বাবে allow হৈছে। পৰীক্ষালৈ আৰু দিন আছে মাত্ৰ ৩০ দিন। মাৰ্চ মাহৰ দ্বিতীয় সপ্তাহৰ পৰাই পৰীক্ষা হ'ব। এই কেইদিন ল'ৰা-ছোৱালীবোৰে ঘূৰা-ফুৰা বন্ধই কৰি দিছে। সিহঁতে দিনত ঘণ্টাৰ পিছত ঘণ্টা পঢ়া টেবুলৰ ওচৰৰ পৰা আঁতৰাই নাই। Chemistry ৰ ১ম কাকত খন পঢ়ি থাকোতেই জগতৰ মনত পৰিল যে Physics ৰ ২য় কাকত চোৱাই নাই। নোটো কিছু লিখিবলৈ আছে। দেহা-মূৰ আশা এৰি সি পঢ়াত লাগি দিছে। সি মনতে ভাবি থৈছে যে এই সপ্তাহত Physics আৰু Chemistry clear কৰিবই লাগিব। Maths চাবই আছে। আৰু ইংৰাজীত কি আছে সি তাৰ ভূ-ভাটাং একোৱেই নাজানে।

সময়ৰ শৰ সময়ত নামাবিলে শৰ পশুৰ মাংস খোৱা টান। ই অলংঘনীয় সত্য। ইয়াৰ কোনো ব্যতিক্ৰম নাই। জগতৰ ক্ষেত্ৰটো কোনো ব্যতিক্ৰম নহ'ল। তাৰ শত চেষ্টা বিফল হ'ল। সি পৰীক্ষাত বেয়া কৰিলে।

মানুহে সদায় নিজৰ কৃত কৰ্মৰ বাবে ভাগ্যক দোষ দিয়ে। ভাল হলে ভাগ্য ভাল, বেয়া হলে ভাগ্য বেয়া। কিন্তু আচলতে এইয়া হয় জানো? আমি ভাবো ই কেতিয়াও নহয়। কাৰণ কৰ্ম যেনে তাৰ ফলো তেনে। চুৰ কৰি ধৰা পৰিলে মাৰ-ধৰ নকৰি তামোল-পাণৰ বটা যাচিবহি নেকি ? গতিকে কৃতকৰ্মৰ বাবে ভাগ্যক ধিয়াই লাভ নাই।

জগতৰ পৰীক্ষাৰ খবৰ দিয়া গম পাই দেউতাক সুদূৰ ঢেকিয়াজুলিৰ পৰা গুৱাহাটীলৈ লৰি আহিল। আৰু পোনে পোনে ভাড়া ঘৰলৈ গ'ল।

জগতৰ দুচকুত অনিদ্ৰাৰ চিন স্পষ্ট। চকুৰ গুৰিবোৰ ক'লা পৰিছে। মুখৰ বৰণ কেহেৰাজ। সি সম্পূৰ্ণ ভাঙি পৰিছে। হতাশ আৰু বিষণ্ণতাই তাক অসুখীয়া যেন কৰি তুলিছে। তাৰ অৱয়ব দেখিয়েই দেউতাকে বিজান্ট পাই গ'ল। তেওঁৰ আশাবোৰ ভাঙি চুৰমাৰ হ'ল। কিন্তু তাক (জগত) সাহস দিবৰ বাবেই যেন একো হোৱাই যেন নাই তেনে ভাৱত দেউতাকে ক'বলৈ ধৰিলে, "জগত! যি হ'ল হৈ গ'ল। তাক ভাবি থাকি মন ভাঙি নেপেলাবি। Labour Omnia Vincit যত্ন সৰ্বজয়। এতিয়াৰ পৰাই মন ডাঠ কৰি পঢ়। তই পাছ কৰিবিয়েই। তোৰ ওপৰত মোৰ বিশ্বাস আছে।" দেউতাকে তাক আৰু বহু কিবা কিবিয়েই কৈছিল। দেউতাকৰ কথাই তাক গাধুৱাই দিলে। সি মন বান্ধি ললে। এইবাৰ পঢ়িবই। কোনো বাহিৰা কথাতে সি মছগুল নহয়।

বান্ধিলো মন শিলৰ খুটি, মেলিলো মন ঘোঁৰাৰ চুটি। সকলোবোৰ বাদ দি পঢ়াত ব্যস্ত হৈ পৰিল সি। প্ৰথম কেইদিন ঠিকে ঠিকে গ'ল। সময় যোৱাৰ লগে লগে লটপটীয়া মন চতৰতীয়া হ'ল। সজাৰ চৰাই ওলাই যাবলৈ খুজিলে। মনক কোনো মতে গাপ দি থলে জগতে।


টক্ টক্ টক্। দুৱাৰখন তিনিটা মৃদু টোকৰত কঁপি উঠিল। জগতে দুৱাৰ খুলি দিলে। মনটো যেন কাৰোবাৰ বাবে বৈয়েই আছিল। সন্মুখত প্ৰিয় বন্ধু বসন্ত, মনত অনিৰ্ব্বচনীয় সহানুভূতি জন্মিল। কলো আহা ভাই আহা। তোমাৰ কথাকে ভাবি আছিলো। বহা হি। মোৰ কথা শুনি সি ক'লে, "অ' ভাই জগত! নবহি আমি বা কৰিমেই কি। বহাই আমাক লগ নেৰিব কিজানি। দুটা বছৰতো বহিলোৱেই। এইবাৰ আকৌ কি বা হয় ? হুমুনিয়াহ কাঢ়ি বসন্তই কথাখিনি ক'লে। তাৰ হতাশাগ্ৰস্ত মুখ দেখি জগতে ভাবিলে। ইয়েই নে সেইজন বসন্ত! প্ৰথম দিনাই কলেজত লগপোৱা ফুৰ্ত্তিবাজ বসন্ত! চোৱা! বিধিৰ কি লিখন ! হাঁহি গুছি তাৰ চকুত দুখৰ পানী। সি কিছু

আশা হৈছে ববৰৰ দৰে ; জীৱনটো যিমানে দীঘল হয়, সিও সিমানে দীঘল হয়

সময় তল মূৰকৈ থাকিল। পিছত মূৰ তুলি কবলৈ লাগিল। জগত এই কেইদিন কমৰপৰা ওলোৱাই নাই। বৰ কিবাখন লাগি আছে। আহা, আজি অলপ ফুৰি আহো। মন ভাল লাগিব। বসন্তৰ প্ৰস্তাৱে জগতক জিকাৰ খুৱাই দিলে। ''মন ভাল লাগিব!'' তাৰ মানে পুনৰ আগৰ টহলদাৰী! নাই! নাই! ফুৰিব যাব নোৱাৰি জগতে নিজক নিজে প্ৰবোধ দিয়াবলৈ চেষ্টা কৰিলে। সি পুনৰ ভাবিলে ''পিছে কমত সোমাই থাকি পঢ়িব পাৰিছো জানো? ফুৰি আহিলে মনটো ভাল লাগিবও পাৰে? যা যি হয় হব আজি এপাক ফুৰিকে আহ য'ক''। বিবেক আৰু মনৰ যুদ্ধত মনেই জয়ী হ'ল। তাৰ সহজাত প্ৰবৃত্তিয়ে তাক পুনৰ আপোন কৰিলে। যাক সহজতে এৰি নিদিব। মৰিলে লগত যাব। ফলত তাৰ আৰু এটা অমূল্য বছৰ loss হ'ল।

সীমাহীন অশান্তি, মনোকষ্ট আৰু বেদনাই জগত আৰু বসন্ত দুয়োজনকে পীড়া কৰিছে। সিহঁতৰ আশা ও সোণালী সপোনবোৰ কেতিয়াবাই মৰহি গ'ল। কিমান ৰঙীণ কল্পনা কৰিছিল সিহঁতে! মাক-দেউতাকে বুকুৰ তেজ পানী কৰি চহৰৰ কলেজত পঢ়াইছিল। আশা হয়তো কৰিছিল ''আমাৰ বোপাই গাওঁখনৰ ভিতৰতে প্ৰোজ্জ্বল ভাস্কৰ হৈ আহক''! কিন্তু সিহঁতে কি কৰিলে?

এটা দুটাকৈ তিনিটা অমূল্য বছৰ পানীকৃত কৰিলে। দুচকুৰ ৰঙীন স্বপ্ন চকুৰ পানী হৈ আঁতৰি গৈছে। তথাপিতো সিহঁত আশাভঙ্গ হোৱা নাই। ধুমুহাৰ নিশাৰ অন্তিমত আৰম্ভ হয় এটা অতি উজ্বল দিন। যাৰ কিৰণে বিগত নিশাৰ অস্তিত্বক গ্ৰাহ্যই কৰিব নিবিচাৰে। সিহঁতে এতিয়াও ভাবে এদিন দিন সিঁহতৰ হ'বই। কিন্তু কেতিয়াবা বিচলিত হয়। তেতিয়াই আলিঙ্গনাবদ্ধ হয় সুৰাৰ। যাৰ মোহিনী মায়াই তিলমান ক্ষণিকৰ বাবে পাহৰাই ৰাখে বৰ্তমানৰ পৰা। এনেদৰে জগতহঁতৰ সুৰাৰ প্ৰতি আসক্তি বাঢ়ি গ'ল। সামান্য তামোলখন নোখোৱা ল'ৰাজন আজি সুৰাৰ ভক্ত। এই কথাবোৰ তাৰ (জগতৰ) মনলৈ আহিলেই সি শোকত ব্যাকুল হৈ পৰে। ক্লান্তি আৰু অসহ্য বেদনাই তাক শেলে বিন্ধাবদৰে বিন্ধিলে। নিজৰ অস্তিত্ব পাহৰি গ'ল। ধৈৰ্য্যৰ বান্ধ সুলকি পৰিল। দুচকুত পানী স্পষ্টভাৱে বিৰিঙি উঠিল। ই ক্ৰমাৎ বাৰিষাৰ ভেটা ভঙা পানীৰ দৰে বৃদ্ধি পাই ক্ৰমাত গিৰ্ গিৰ্ কৈ ওলাব ধৰিলে। ই শব্দৰ ৰূপ ধাৰণ কৰিবলৈ ধৰিলে। সি এজন সৰু ল'ৰাৰ দৰে ফেকুৰি ফেকুৰি কান্দিবলৈ ধৰিলে। সি নিজক কোৱাৰ দৰে কবলৈ ধৰিলে - দেউতা! তহঁতে মোৰ ওপৰত বৰ আশা কৰিছিলি নহয়! চা এতিয়া। মোৰ দশা! মই হতাশাৰ গভীৰ বোকাত দিনে দিনে পোত গৈ আছো। তহঁতে, কোনেও মোক ইয়াৰ পৰা বচাব নোৱাৰ! কেতিয়াও নোৱাৰ! সি ক্ৰমাত জোৰেৰে কান্দিবলৈ ধৰিলে। জগতৰ অৱস্থাই বসন্তক মুক কৰি পেলালে। তাৰ ওঁঠত কথা নুফুটিল। কৰই বা কি! তাৰো সেই একেই দশা। সি উপায়হীন হৈ দুপেগ বেছিকৈ হজম কৰিলে। আৰু দুচকু মোহাৰি মোহাৰি কমৰ পৰা ওলাই গ'ল। □□



জিতেন কুমাৰ কলিতা
স্নাতক ৩য় বৰ্ষ (কলা)

ধেৎঃ কি হ'ব এনেদৰে? পৰীক্ষাও আহি পালে, ইফালে মোৰ চকুত দিনে নিশাই সেই 'অনি' নামৰ মাধুৰী জনীহে ভাঁহি থাকে। নাই, এনেকৈ থাকিলে নহ'ব। আজি এই চিঠিখন দিবই লাগিব। যদি কাম হৈ যায় নিশ্চয় মই পঢ়িব পাৰিম। যদি নহয় তেন্তে নাই। এই বৰলাৰ কপালত প্ৰেম নামৰ অমৃতধাৰা নাই বুলিয়েই শান্তি লম। তাইৰ কিন্তু এটা বৈশিষ্ট্য আছে। তাই সদায় যিকোনো চাৰ্ট বা স্পৰ্টিঙৰ লগত জিনচ্ পেণ্টহে পিন্ধি আহে। আন ছোৱালীবোৰে তেনে পোছাক পৰিধান কৰি আহিলেও মাজে মাজে ছোৱালীৰ সাজো পিন্ধি অহা দেখা যায়। কিন্তু মই আজিলৈকে তাইক ছোৱালীৰ সাজত দেখা নাই। সেয়াই আকৌ মোৰ প্ৰিয়। বৈ পৰা চকুযুৰি, ঠিক বৰকাটা নহয় দীঘলো নহয়, কেকোৰা-কেকুৰী চুলিকোছাৰে তাই যেতিয়া কলেজখনলৈ সোমাই আহে তেতিয়া মোৰ এনেহে লাগে যেন আজি এই কলেজখনত ফিল্মষ্টাৰ মাধুৰীয়েহে যেন পদাৰ্পন কৰিছে। তাইৰ নামটোও মই জনা নাছিলো। এদিন মাথো তাইৰ লগৰ ছোৱালীজনীয়ে 'অনি' বুলি মতা শুনিছিলো। কি হ'ব বাৰু তাইৰ নামটো! অনিমা নে অনিতা? আ - হ্ অ ---নি---তা। নিশ্চয় অনিতাই হ'ব তাইৰ নাম। তাইৰ নাম যিয়েই নহওঁক তাই কিন্তু T.D.C. 1st year ত কলেজখনলৈ আহিয়েই তিনি বছৰে 'বৰলা' নাম লৈ থকা মোৰ হৃদয়ত প্ৰেমৰ অনুভূতি জগাই তুলিছে। মই কিন্তু সেই ছোৱালীজনীক যে সদায় চাই থাকো বা তাইও আচৰিত ভাৱে মোলৈ চাই থাকে সেই কথা আজিও বিকাশহঁতক কোৱা নাই। এদিন যেতিয়া তাইক লৈ গৈ সিহঁতৰ সতে চিনাকী কৰাই দিম, সিদিনাহে বুজিব এই বৰলা কিমান পানীৰ মাছ। সৌৱা সিহঁত আহি আছে। মোৰ বুকুখনত যেন কোনোবাই মৃদুভাৱে টুকুৰিয়াই দিলে। সিহঁত দুজনী কৃষ্ণচূড়া জোপাৰ তলতে বহিল। ইহঁত দুজনী নিশ্চয় ভাল বান্ধৱী এৰা এৰিয়েই নাই দেখোন। মই এটি কোমল চাৱনি নিক্ষেপ কৰিলো সিহঁতৰ পিনে। সিহঁতেও মোৰ পিনে চাই আছে। মাজে মাজে ইজনীয়ে সিজনীক কিবা কয় আৰু পুনৰ মোৰ পিনে চায়। নিশ্চয় সিহঁতে মোৰ বিষয়ে কিবা কথা পাতিছে। কেইজনমান ল'ৰাই সিহঁতৰ পিনে লক্ষ্য কৰি কাৰোবাক মাতিছে। হয় অনিকেই মাতিছে সিহঁতে। তাইও উঠি সিহঁতৰ কাষ পালেগৈ। ল'ৰা কেইজনৰ ওপৰত মোৰ ভীষণ খং উঠিল। ঘুচীয়াই বগৰাই দিবলৈ মন গ'ল সিহঁতক। লগৰ

শ্ৰদ্ধা উপাৰ্জনৰ একমাত্ৰ পথটো হৈছে আনক শ্ৰদ্ধা কৰিবলৈ শিকা

ছোৱালীজনীয়ে দেখোন তাইক এৰি এইফালেই আহিব লাগিছে। আহ এয়াই সুযোগ। এওঁকেই দিয়া যাওঁক।

: Excuse me !

: কওঁক ......।

: তুমি 1st year ত Admission লৈছা নেকি ?

: হয়।

: এই চিঠিখন তোমাৰ লগত থকা সেই তেওঁক দিবাচোন।

চিঠিখন লৈ তাই কোনো উত্তৰ নিদি এটি দুষ্টালি ভৰা হাঁহিৰে গুছি গ'ল। তাই নিশ্চয় বুজি পালে। নহলে তাই কিয় তেনেকৈ হাঁহিব ? চিঠিখনত চাবিদিন সময় দিয়া আছে। প্ৰাণ ধালি লিখিছো। নাই, ইয়াত আজি আৰু বৈ থাকিব নোৱাৰি মেছলৈ যোৱাই ভাল।

পিছৰ দিনা ক্লাছৰ পৰা ওলায়েই কৃষ্ণচূড়া জোপাৰ তলত সিহঁত দুজনীক বহি থকা মোৰ চকুত পৰিল। স্কাই ব্লু জিন্চ পেণ্ট আৰু বগা স্পৰ্টিংটোবে আজি তাইক অপূৰ্ব লাগিছে। সিহঁতেও যেন মোলৈ অপেক্ষা কৰিহে তাত বহি আছে। মই ওলোৱাৰ লগে লগে দুয়োজনীয়ে মোলৈ চালে। মই অকলশৰীয়া ঠাই অলপ এনেকৈ বিচাৰি ললো যাতে সেই ঠাইৰ পৰা সিহঁতে মোক আৰু মই সিহঁতক দেখা পাওঁ। হঠাতে দেখিলো সিহঁত ঠিয় হ'ল। মোৰ মনটো সেমেকি উঠিল। ছেঃ যাবৰ হ'লেই। আৰে সিহঁত মোৰ পিনেই আহিব ধৰিছে দেখোন। মোৰ বুকুখন ধপ ধপাই উঠিল। নিশ্চয় তাই আজিয়েই কিবা Replay দিব। অনিতা অলপ দূৰত বৈ দিলে। লগৰজনী মোৰ পিনে আহিব ধৰিছে। মই সিহঁতক নেদেখাৰ ভাওঁ ললো।

: শুনকছোন ..... মই ঘূৰি তাইৰ মুখলৈ চালো।

: এই চিঠিখন আপুনি কাক দিবলৈ কৈছিল ?

মই ভয়ত পেপুৱা লগা অৱস্থা। অনি আমাতকৈ অলপ দূৰত বৈ আছে। মই লাহেকৈ মাত দিলো : কিয় তোমাৰ সৌ অনি নামৰ বান্ধৱীজনীক, কথাখিনি মই কবলৈহে পালো। ছোৱালীজনীয়ে এনেকৈ হাঁহিব ধৰিলে যে মই তাইক পাগল বুলি ভাবিবলৈ বাধ্য হলো। খঙত একো নাই হৈ মই তাইক প্ৰশ্ন কৰিলো।

: তুমি এনেকৈ কিয় হাঁহিছা ? ইয়াত হাঁহিবলৈ কিটো আছে ? তোমাৰ সেই বান্ধৱীজনীক মোৰ ভাল লাগে আৰু তাৰ বাবেই সেইখন দিছিলো। তাই যেন হাঁহি বাখিব পৰা নাই। হাঁহিৰ মাজে মাজে তাই ক'লে : অ', সেইজন, সেইজন মোৰ বয়ফ্ৰেণ্ড। নাম অনিৰ্বাণ। সি ল'ৰাহে ছোৱালী নহয়।

পিছৰ কথাখিনি মোৰ আৰু কাণত নোসোমাল। মোৰ মূৰটোত যেন কোনোবাই হাতুৰীৰে কোবাই দিলে। লাজত মই এতিয়া কি কৰো। ক'ত যাওঁ। মোৰ ভৰিৰ তলৰ মাটিখিনি যেন তললৈ সুলকি পৰিছে। গাৰ নোমবোৰ শিয়ৰি উঠিছে। চুলিকেইডাল দাং খাই গ'ল। মই যেন এই মুহূৰ্ত্তত চুইচাইড কৰি দিম। ইছ মোৰ ক্ষেত্ৰতহে সদায় সমাধান নোহোৱা সমস্যাবোৰে মূৰ দাঙি উঠে। মোৰ মনটোৱে এই মুহূৰ্ত্তত বসুমতীক কাকূতি কৰিব ধৰিলে যে ফাট মেলা বসুমতী পাতালে লুকাও। ▯▯

# পথৰ সন্ধান

শ্ৰীহেমন্ত শইকীয়া
স্নাতক ২য় বৰ্ষ

আমাৰ গাওঁ খনৰ নাম হৈছে ৰূপহী। আমি সেই ৰূপহী গাৱৰে স্থায়ী বাসিন্দা। গাওঁখনৰ ঠিক মাজতে আমাৰ ঘৰ। আমাৰ ঘৰ খনত মাথোন মা-দেউতা আৰু মোৰ ভাইটি মুন। আমি আটায়ে বৰ সুখেৰে আছিলো।দেউতা গাৱৰ স্কুল খনৰ মাষ্টৰ আছিল। দেউতাই সৎ আদৰ্শৰ দ্বাৰা শিক্ষা দান কৰি মাহৰ মুৰত যি কেইটা ধন পাইছিল তাবে আমাৰ সৰু পৰিয়ালটো ভালদৰেই চলিছিল। লাহে লাহে মই আৰু মোৰ ভাইটি মুন ডাঙৰ হৈ আহিব ধৰিলো আমাৰ পৰিয়ালৰ খৰছো বাঢ়ি আহিল। মই যেতিয়া দশম শ্ৰেণীত মুন অষ্টমমান শ্ৰেণীত। লাহে লাহে আমাৰ ওপৰত দেউতাৰ চিন্তা হবলৈ ধৰিলে। ৰাজ্যখনৰ যিহে পৰিস্থিতি, কোন বা কি পথৰে আগবাঢ়ে আৰ কোনো ঠিকনা নাই। ডেকা বয়সত নিজৰ তেজৰ গৰমত কোনটো ভাল কোনটো বেয়া সেইবোৰ বিচাৰ নকৰাকৈয়ে আমিও বা কি পথ গ্ৰহন কৰো তাৰ ঠিকটো নাই। আৰু এবছৰ পিছত যেতিয়া মেট্ৰিক পাছ কৰিলো তেতিয়া মই আমাৰ গাঁৱৰ পৰা ৫-৬ কিলোমিটাৰ দুৰৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খনতে নামভৰ্ত্তি কৰিলো। আৰু

যিজনে অনুভৱ কৰে তেওঁৰ বাবে পৃথিৱীখন দুখৰ আৰু যিজনে চিন্তা কৰে তেওঁৰ বাবে পৃথিৱীখন আনন্দৰ —— ফ্ৰেড এলেন

ঘৰৰ পৰা আমাৰ গাৱঁৰে লৰা কেইজনৰ লগত চাইকেলেৰে অহা যোৱা কৰিলো।

মই ল'ৰাজন সৰুৰে পৰা লাজকুৰীয়া আছিলো। গতিকে আমাৰ শ্ৰেণী কোঠাৰ লৰা ছোৱালী বোৰৰ লগত কমকৈ কথা কৈছিলো। মোৰ এনে স্বভাবৰ বাবে বহুতে মোক অহংকাৰী লৰা বুলি ভাবিছিল। তেনে দৰে মই উচ্চতৰ মাধ্যমিক দুবছৰ পঢ়াৰ পিছত ফাইনেল পৰীক্ষাত উৰ্ত্তীৰ্ণ হৈছিলো। আনফালে মোৰ ভাইটি মুনেও মেট্ৰিক পৰীক্ষাত ভালদৰেই পাছ কৰিছিল। আমাৰ দুয়োজনৰে পৰীক্ষাৰ ফলাফল শুনি মা আৰু দেউতাই খুব আনন্দ লাভ কৰিছিল। তাৰ কিছু দিনৰ পিছতেই দেউতাই মাৰ সৈতে চহৰত থকা পেহীজনীৰ ঘৰলৈ গৈছিল। পেহী চহৰত থাকে গতিকে তাত থকা কলেজ খনৰ বিষয়ে, লগতে মোৰ পঢ়া শুনা থকা মেলাৰ কাৰনে কি সুবিধা কৰিব পাৰে তাৰ বিষয়ে পেহীজনীৰ লগত আলোচনা কৰিবলৈ দুয়োজনেই গৈছিল। মুন আৰু মোক গাৱঁৰ ঘৰতেই থৈ গৈছিল। মোৰ মনত বহুতো কল্পনাই আৱৰি ধৰিছিল। মই চহৰৰ কলেজত পঢ়িম তাত মই মোৰ লাজকুৰীয়া স্বভাবটো বাদ দি লগ বন্ধুৰ সৈতে চিনাকি হ্ম আৰু এদিনাখন তাত পঢ়া শেষ কৰি মই বিশ্ববিদ্যালয়লৈ যাম ইত্যাদি। কিন্তু মোৰ ইমানবোৰ কল্পনা কল্পনা হৈয়ে ৰ'ল পিছদিনা খন শুনিবলৈ পালো আমাৰ গাৱঁৰ পৰা যোৱা গাড়ীখন চহৰ পোৱাৰ কিছুসময় আগতে এক শক্তিশালী বোমাৰ দ্বাৰা ধ্বংস হৈছিল। সেই খবৰ পোৱাৰ লগে লগে মই হতাশ হৈ পৰিছিলো। কিন্তু মই হতাশ হলেওটো নহব যিহেতু মই ঘৰখনৰ ডাঙৰ লৰা। মই

আমাৰ গাৱঁখনতো লাহে লাহে শান্তিৰ পৰিবেশ নোহোৱা হৈছিল। গাৱঁৰ ডেকা সকলে কোনোৱে কাৰো কথা নুশুনা হৈছিল। শুনিও বা কি কাম সেইবোৰ উপদেশ শুনি আজি কাৰো একো এটা হোৱা নাই। কিমান বিৰক্তি অনুভব কৰিছে সিহঁতবোৰে নিজে নিজে হে গম পায়। সকলোৰে মাথোন কেৱল হাহাকাৰ।

মোৰ মনটো বান্ধি আমাৰ গাৱঁৰে চমক দাদাৰ লগত গৈ সেই ঠাইত উপস্থিত হৈছিলো য'ত মোৰ মা-দেউতাৰ লগতে আৰু বহুতো লোক বিনা দোষতে কোনো সংগঠনৰ সন্ত্ৰাসবাদৰ বলি হব লগা হৈছিল।লাহে লাহে সেই দিনাখনৰ বেলিটোও মাৰ যাবলৈ ধৰিছিল। চমক দা আৰু মই লাহে লাহে ঘৰলৈ বুলি উভতিছিলো। ঘৰ আহি পোৱাৰ ঠিক কিছু সময় আগতে ৰাতিৰ ঘোৰ অন্ধকাৰে গোটেই গাওঁ ঢাকি পেলাইছিল। আমি দুয়ো এখোজ দুখোজকৈ আমাৰ ঘৰলৈ আগুৱাই গৈছো। মোৰ ভাইটি মুন গাৱঁৰে মানুহবোৰৰ লগত চোতালত বহি আছিল। মোক দেখা পোৱাৰ লগে লগে মুনে দৌৰি আহি আকোৱালি ধৰি হুক হুকাই কান্দি পেলাইছিল মইয়ো তাৰ লগতে কান্দিছিলো, কেৱল কান্দিছিলো। মুনে মোক লাহে লাহে তাৰ মনত ইমান সময় টৌ খেলি থকা প্ৰশ্নবোৰেৰে মোক তাৰ উত্তৰ বিচাৰি আমনি কৰিব ধৰিছিল। কিন্তু মই তাৰ কথাৰ কোনো উত্তৰ দিব পৰা নাছিলো .......। ৰাতি হৈ অহাৰ লগে লগে গাৱঁৰ মানুহবোৰ এজন দুজনকৈ আমাৰ চোতালৰ পৰা নোহোৱা হৈছিল। ইমান আন্ধাৰ ৰাতি আমি দুয়োজন গৈ ঘৰৰ ভিতৰতে বহি আছিলো।তেনেকৈ কিছু সময় থকাৰ পিছত মুনৰ টোপনি আহিছিল। মোৰ কিন্তু টোপনি অহা নাছিল। গাৱঁখনৰ সিটোমুৰৰ হাবিখনৰ মাজৰ পৰা শিয়ালবোৰে চিঞৰি আছিল। শিয়ালৰ চিঞৰ শুনি গাৱঁৰ কুকুৰ বোৰে বলিয়াৰ দৰে ইফালে সিফালে ভুকি ভুকি ঘুৰি ফুৰিছিল।

সেই কুকুৰ শিয়ালৰ মাতৰ মাজতো মোৰ মনটোৱে হৈ যোৱা ঘটনাটোৰ বিষয়ে চিন্তা কৰিব ধৰিলে। মা-দেউতাৰ মুখৰ ছবি বাৰে বাৰে মোৰ মনলৈ আহিব ধৰিলে। তেওঁলোক যোৱাৰ আগতে মায়ে মোক মুনক চাবলৈ কোৱাৰ কথা তাৰ লগতে দেউতাই গহীন ভাবে কোৱা কথাষাৰ "বাহিৰত বেছি ৰাতিলৈকে নুফুৰিবা....." ইত্যাদি মনলৈ আহিল। মই ভাবি পোৱা নাছিলো মোৰ মা-দেউতাই বাৰু কি অপৰাধ কৰিছিল ? দেউতাৰ দৰে গাৱঁৰ সেই সহজ সৰল মানুহবোৰেনো কাৰ কি দোষ কৰিব পাৰে ই মোৰ সপোনৰো অগোচৰ। মা-দেউতাৰ মৃত্যুৰ লগে লগে মোৰো পঢ়া জীৱন সিমানতে শেষ হৈ গৈছিল চিৰ দিনৰ বাবে। মোৰ নিজৰ চিন্তা বাদ দি মোৰ ভাইটি মুনৰ পঢ়া শুনাৰ চিন্তাই মোক বৰ আমনি কৰিছিল। মই মুনক কেনেদৰে পঢ়ুৱাম সেই কথা ভাবি পোৱা নাছিলো। মুনৰ পঢ়া শুনা চোৱা-চিটা কৰাৰ লগতে প্ৰান দুটা বাচি থাকিবলৈ টকাৰ প্ৰয়োজন হৈছিল। লাহে লাহে দেউতাৰ সাচতীয়া সামান্য টকা-পইচাও শেষ হব ধৰিছিল। মই উপায়ন্তৰ হৈ চাকৰি বিচাৰি চহৰলৈ গৈছিলো। তাত গৈ বহুতো অফিচে অফিচে ঘুৰি একো উপায় উলিয়াব পৰা নাছিলো। এনেদৰে মই চহৰৰ অফিচবোৰত বহু মাহ চাকৰি বিচৰাৰ নামত পাৰ কৰি দিছিলো। কিন্তু কতো একো সংস্থাপন হোৱা নাছিল। মই বিৰক্ত হৈ পৰিছিলো।

এই বোৰ কথাকে ভাবি থাকোতে এদিন গধুলি চমক দাদাই এটা বৰ আচৰিত কথা কৈছিল। তেওঁ কৈছিল যে গাওঁ খনৰে গৌতম বৈশ্যৰ ডাঙৰ লৰা সুনীল ঘৰৰ পৰা নোহোৱা হৈছে। সুনীলে ইমান দিনে বি. এ. পাছ কৰি ঘৰতে বহি আছিল, হয়তো চাকৰিৰ আশাত ! কিন্তু কতো একো হোৱা নাছিল। আকৌ গাৱঁখনৰে সিটো মুৰৰ ৰঞ্জন মণ্ডলৰ ডাঙৰ লৰা বিপ্লৱৰো আজি ৪ দিন মানৰ পৰা কোনো খবৰ নাই। এইবোৰ কথা শুনাৰ লগে লগে মোৰ হৃদয়খন কপি উঠিছিল। লগে লগে মোৰ মনলৈ মুনৰ কথা আহিব ধৰিছিল। আমাৰ গাৱঁখনতো লাহে লাহে শান্তিৰ পৰিবেশ নোহোৱা হৈছিল। গাৱঁৰ ডেকা সকলে কোনোৱে কাৰো কথা নুশুনা হৈছিল। শুনিও বা কি কাম সেইবোৰ উপদেশ শুনি আজি কাৰো একো এটা হোৱা নাই। কিমান বিৰক্তি অনুভব কৰিছে সিহঁতবোৰে নিজে নিজে হে গম পায়। সকলোৰে মাথোন কেৱল হাহাকাৰ। এইবোৰ কথাকে ভাবি হয়তো সিহতে কোনো সংগঠনত ভৰ্ত্তি হৈছে। একগোট হৈ সিহতে হয়তো তাৰ প্ৰতিবাদ কৰিব পাৰিব বুলি ভাবি লৈছে।

এই বোৰ কথা শুনাৰ লগে লগে মোৰ মনটোও চাকৰি নোপোৱাৰ বিৰক্তিত আৰু ঘৰখনৰ হাহাকাৰৰ কথা ভাবি কোনো এক নতুন পথৰ সন্ধানত বহু দুৰ আগুৱাই গৈছিল। এনে অনিশ্চয়তা আৰু কিমান দিনলৈ চলিব তাৰ এটা সঠিক ঠিকনা কোনোৱাই দিব পাৰিবনে ..........?

উচ্চাকাংশা মাৰ গলে জীৱনটো নিৰস হৈ পৰে —— লৰ্ড বাকেট

ভ্ৰমণ কাহিনী

# সমুদ্ৰ পাৰৰ মধুৰ স্মৃতি

**বাণীকান্ত বনিয়া**
স্নাতক ৩য় বৰ্ষ

"সাগৰ দেখিছা! নাই দেখা কেতিয়াওঁ?
মযো দেখা নাই শুনিছোঁ তথাপি
নীলিম সলিল ৰাশি
বাধাহীন উৰ্মিমালা, আছে দূৰদিগন্ত বিয়পি।"

কবি দেৱকান্ত বৰুৱাৰ কবিতাৰ পঙক্তি পঢ়ি মনে মনে তীব্ৰ হেঁপাহ হৈছিল এবাৰ এখন সাগৰ দেখিলে চাই লৰ্লোহেঁতেন নীলিম সলিল ৰাশি চাক্ষুস বৰ্ণনা, দূৰ দিগন্ত বিয়পি থকা বাধাহীন উৰ্মি মালাৰ ৰেহৰূপ কেনেকুৱা! অসম্ভৱ ধৰণে শিহৰণ জাগি উঠে সাগৰৰ কথা মনলৈ আহিলেই। কিয় জানো ইমান দুৰ্বলতা মোৰ বহু দিগন্ত বিয়পি থকা সাগৰ দেখিবলৈ। শৈশৱআৰু কৈশোৰৰ দিনকেইটাত অৱশ্যে তেনেকুৱা অলেখ স্বপ্নই ভিৰ কৰেহি প্ৰত্যেক সংহৃবেদনশীল ব্যক্তিৰে। বোধহয় মযো তাৰ পৰা হাত সাৰিব পৰা নাছিলোঁ।

সিদিনা আছিল ১৯৯৮ চনৰ সোঁতৰ অক্টোবৰ; শনিবাৰ। পূৰ্বৰ সিদ্ধান্ত মতে আমাৰ এক্সকাশ্যনৰ দলটি ওঁঠৰ তাৰিখ ৰবিবাৰে প্ৰত্যুষতে আমি যাত্ৰা কৰিলোঁ 'কাপৰূপ এক্সপ্ৰেছ'ত গুৱাহাটীৰ পৰা। এক বুজাব নোৱাৰা উৎকণ্ঠা, এক অহৈতুক উত্তেজনা আৰু এক শীতল আনন্দানুভৱে নীৰৱে জোকাৰণি দিছিল। অধ্যক্ষ এল. এন. ছাৰ, অধ্যাপক এম. আৰ. মেধী ছাৰ, অধ্যাপক পি. এন. ছাৰ আৰু আমাৰ বাকী সকল বন্ধু-বান্ধৱীৰ মুঠ ২৮ জনীয়া দলটি।

বিভিন্ন দবাত বিভিন্ন জনে আসন ললে। আমাৰ কেইজনমানে ললো $S_5$ নামৰ দবাটিত।

জীৱনৰ প্ৰথম ৰেল যাত্ৰা। ইয়াৰ আগতে কল্পনাৰ বাহিৰে অনুভৱ কৰিব পৰা নাছিলোঁ। মই খিৰিকিৰে বাহিৰৰ সেউজীয়া বোৰলৈ চাই পঠিয়াইছিলো। ৰেলে তেতিয়া গতি বঢ়াইছিল ডবাটোৰ অন্যবোৰ যাত্ৰীৰ সতে সৌজন্যতাৰ খাতিৰতে চিনাকি হৈছিলো, কথা হৈছিলো। ক্ৰমান্বয়ে আমি অসমৰ মাটিৰ গোন্ধ নোপোৱা হৈ যাব ধৰিছিলো আৰু ১৯ অক্টোবৰ তাৰিখে প্ৰত্যুষতে কোচবিহাৰ পাইছিলো গৈ ....।

ঊনৈশ অক্টোবৰ সোমবাৰ। ৰেল যাত্ৰাৰ সিদিনা দ্বিতীয় দিন আছিল। চিৰসেউজ আজিও মোৰ সেই দিনতো এক অপ্যতাশিত ঘটনা। ছালাৰ ৰেল ষ্টেচন কোচবিহাৰ। প্ৰায় এটা দিনৰ মূৰত ৰেলৰ পৰা পানী আনিবৰ মানসেৰে বাহিৰ ওলালো। লগত নিয়া ফ্লাক্স কেইটাত পানী ভৰোৱা সম্পূৰ্ণ নহওঁতেই ৰেলখনে ষ্টেচন এৰিলে। মই যেতিয়া দৌৰ দিব ধৰিছিলো তেতিয়া ৰেলখনৰ গতিবেগ তীব্ৰৰ পৰা তীব্ৰতৰ হৈছিল। প্ৰিয়বন্ধু বিনোদ আৰু পি. এম. ছাৰে মোক তেওঁলোকৰ সাধ্যানুসাৰে চিঞৰিছিল মোৰ নাম ধৰি। কিন্তু উপায় আৰু নাছিল। তেতিয়া মই ৰৈ গলো। কিছুমান নিৰ্মোহ চিন্তাই আৰু এক অজান সংশয়ে ভিৰ কৰিলেহি মোক। কিংকৰ্ত্তব্যবিমূঢ় হৈ পৰিলো মই। চকুপানী নিগৰিছিল দুগালে। "ভাইটি অকলে তই কোনো ষ্টেচনতে নামি নাযাবি দেই" দেউতাৰ কথাশাৰী বাৰে বাৰে বাজি উঠিব ধৰিলে মোৰ কাণত। মোৰ অসহায় অৱস্থাটি বহুজনে লক্ষ্য কৰিছিল ষ্টেচনতে। দুই এজনে কিবা সুবিধা লোৱাৰ চলেৰে দুই একাষাৰ কথাৰে প্ৰলোভন দেখুৱাব বিছাৰিছিল। অৱশ্যে তেওঁলোকৰ কথালৈ মই কোনো গুৰুত্ব দিয়া নাছিলো এই বাবেই মই কি কৰা উচিত ভাবি একো পোৱা নাছিলো। মোৰ অলপ দূৰত এজন হিন্দীভাষী মানুহক লগ পাই মোৰ সমস্ত কথা বিৱৰি কলো। প্ৰত্যুত্তৰত তেওঁ ক'লে "ভয় আৰু চিন্তা কৰাৰ কোনো কাৰণ নাই। অলপ পিছতে হাওৱা অভিমুখে লোকেল ট্ৰেইন আহিব। তাতে তুমি উঠি গ'লে ষ্টেচনৰ প্লেটফৰ্মত ছাৰসকলক লগ কৰিব পাৰিবা।" মোৰ ভয় কিছু পৰিমাণে উপশম হৈছিল যদিও সাহস তেতিয়াও অহা নাছিল।

ঠিক ছাৰে সাত বজাতেই সেই লোকেল ট্ৰেইনখন আহি ছালাৰ ষ্টেচন পাইছিল আৰু মই তাতেই উঠি খিৰিকিৰ ওচৰৰ এখন চকীত বহী পৰিছিলো। মাত বোল মোৰ হেৰাই গৈছিল। আঠমান বজাত আহি মই কাটোৱা নামৰ এটা জংচন পালো। হঠাৎ কণ্ঠস্বৰ ভাহি আহিল ইংৰাজীত, দ্বিতীয়বাৰ বঙালীত আৰু তৃতীয়বাৰ অসমীয়াত "মিঃ বাণীকান্ত বনিয়া তুমি যতেই নাথাকা কিয় তুমি অতি সোণকালে আমাৰ ওচৰলৈ আহিব লাগে আমি টিকট কাউণ্টাৰত আছো।" মনতো তেতিয়া কিছু ডাঠ হৈছিল আৰু কণ্ঠতো বন্ধু বিনোদৰ বুলি নিশ্চিত হৈছিলো। মই টিকট কাউণ্টাৰৰ ব্ৰীজৰ ফালে দৌৰিয়েই গলো আৰু তাতেই বিনোদ আৰু পি. এন. ছাৰক পাই মোৰ যে কেনেকুৱা লাগিছিল এতিয়া বুজাব নোৱাৰো। বিনোদক সাৱতি ধৰি কেৱল কান্দিছিলো ....।

সিদিনাখনেই আবেলি আমি কেইজনমানে হাওৱা ব্ৰীজ চাবলৈ গৈছিলো। 'হুগলী নদী'ৰ ওপৰত থকা এই ওলমা দলংখন যে কলিকতা আৰু হাওঁৰাক সংযোগ কৰিছে তেতিয়াহে জানিব পাৰিছো। সেই দিনাখনে সন্ধিয়া ৫-৫০ মিনিটত জগন্নাথ এক্সপ্ৰেছ নামৰ বৈদ্যুতিক শক্তিৰে চালিত ট্ৰেইনেৰে পুৰী অভিমুখে ৰাওঁনা হলো। ঊনৈশ অক্টোবৰ তাৰিখটো এইদৰেই অতিবাহিত হৈছিল।

যাত্ৰাৰ তৃতীয় দিনাখন আছিল ২০ অক্টোবৰ মঙ্গলবাৰ। ৰাতিপুৱা ছয়মান বজাতেই উঠিছিলো ট্ৰেইনত। তেতিয়া আমি উৰিষ্যাৰ মাটিত। গোদাবৰীকে ধৰি ছয়খন মান উল্লেখযোগ্য নদী আমি অতিক্ৰম কৰিছিলো। ৯-৩০ মান বজাত পুৰী ষ্টেচন পালোহি। তাৰ পৰা আমি তিনিখন জীপগাড়ী ভাড়া লৈ ছাৰ সকলে আগতে ঠিক কৰি থোৱা 'ভাৰত সেৱা আশ্ৰম সংঘ'

বিবাহ এই কাৰণেই জনপ্ৰিয় যে ই সৰ্বাধিক প্ৰলোভনৰ লগতে সুযোগো দিয়ে — জৰ্জ বাৰ্ণড শ্ব

পালোহি। 'Bay of Bengal' সাগৰৰ পাৰৰ ওচৰত। ওচৰৰে হোটেল এখনত সকলোৱে খোৱা-বোৱা কৰি সাগৰৰ পাৰৰ ফালে ফুৰিব গলো। জীৱনৰ প্ৰথম দিনৰ বাবে সিদিনাই সাগৰত গা ধোৱাৰ সৌভাগ্য হৈছিল। সেই সময়তেই বহুকেইটা স্লেপত আৰদ্ধ হৈ পৰিছিলো। তাতেই ছাৰসকলে আমাক Coast live, Shore live ইত্যাদিৰ বিষয়ে বেছ কিছু আভাষ দিয়ে। ইয়াৰ আগতে সেইবোৰ কিতাপৰ পাততহে পঢ়িবলৈ পাইছিলো।

সন্ধিয়া ৬ মান বজাতেই আমি আটাইয়ে ডেব কিঃমিঃ নিলগৰ জগন্নাথ মন্দিৰ দৰ্শন কৰিলো। সৰু ডাঙৰ বহুত মন্দিৰ আছে তাত। বৃহৎ আকাৰৰ এই মন্দিৰটিত কিমান যে মানুহে জীৱিকাৰ নামত কৌশল খটাই সঁচাই আচৰিত হৈ গৈছিলো। মন্দিৰতো এনেকুৱা কাৰবাৰ চলে। প্ৰায় ন মান বজাতহে তাৰ পৰা ওলটি পুনৰ ভাৰত সেৱা আশ্ৰম পাইছিলো।

একৈশ অক্টোবৰ বুধবাৰে ৰাতিপুৱাৰে পৰা 'Shree Ram' নামৰ Tourisr এখনত উঠি আটাইয়ে আমি পুৰীৰ বিখ্যাত বিখ্যাত মন্দিৰবোৰ দৰ্শন কৰিলো। শুক্লেশ্বৰ মন্দিৰ, কালীমন্দিৰ, লিংৰাজ মন্দিৰ, বৌদ্ধ মন্দিৰ, ঢৱলগিৰি পাহাৰৰ ওপৰত নন্দন কানন, লোকনাথ মন্দিৰ, কোণাৰ্ক মন্দিৰ, সূৰ্য্য মন্দিৰ, নৃত্যশালা আদি দৰ্শন কৰিছিলো। এইবোৰৰ দৰ্শনৰ মুহূৰ্ত্তৰ সময়বোৰ আজিও এক জীৱন্ত স্মৃতি হিচাপে চকুৰ আগত ভাহি আছে।

২২ তাৰিখ বৃস্পতিবাৰে আমাৰ মূল উদ্দেশ্য 'ভিলেজ ছাৰভে' আৰম্ভ হৈছিল। পুৰী মূল চহৰখনৰ পশ্চিমে 'খাৰিপদা' নামৰ এখন পিছপৰা গাওঁত আমি 'ছাৰ্ভে ৰিপোৰ্ট সজাইছিলো। গাওঁখনৰ লোকসকলৰ উৰিয়া ভাষাতো বুজাত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিলো যদিও তেওঁলোকৰেই কেইজনমান গণ্যমান্য ব্যক্তিৰ সহায় লৈ তাৰ পৰা ৰক্ষা পাবলৈ সক্ষম হৈছিলো। ভদ্ৰ, বিনয়ী আৰু পৰোপকাৰী মানুহখিনিৰ সান্নিধ্য পাই সঁচাই খুব ভাল লাগিছিল। এক অনিৰ্বচনীয় আনন্দ অনুভৱ কৰিছিলো।

২৩ অক্টোবৰ দিনতো আছিল আমাৰ জীৱনত সাগৰ দেখা পোৱাৰ প্ৰথম ৰোমাঞ্চকৰ শেষ দিন। ৰাতিপুৱাতে আমি ভাৰত সেৱা আশ্ৰম এৰি পুনৰ কলিকতালৈ ওভতি অহাৰ হেঁপাহেৰে জগন্নাথ এক্সপ্ৰেছত উঠিছিলো। এক বুজাব নোৱাৰা বেদনাই মাথো মনতোক দমন কৰি ৰাখিছিল। কিছুমান বসাল জীৱন্ত স্মৃতি তাৰ পৰা বুটলি আনিছিলো। সেইবোৰ আজিও যুগমীয়া।

২৪ অক্টোবৰত আমি হাওৰা পালোহি। জীপগাড়ীৰে ছাৰসকলৰ পূৰ্বৰ সিদ্ধান্ত মতেই কলিকতাৰ অসম ভৱন পালোহি। তাতেই ৯০৭ নং কোঠাত আমি ল'ৰাবোৰ আৰু ৩০৯ নং কোঠাত ছোৱালীবোৰ থাকিব ললো। সন্ধিয়া সেইদিনাই কলিকতাৰ বিখ্যাতেই নহয়; বিশ্ববিখ্যাত B.L. Berala Planatorium, Victoria Memorial Hall দেখিবলৈ পালে। কি যে আনন্দ লাগিল সেইবোৰ চাই তাক এতিয়া ভাষাৰে বুজাব নোৱাৰিম।

কলিকতাত আমি Side-seeing ৰ বাবে সিদ্ধান্ত কৰি লৈছিলো। Chohan Travel নামে এখন আধুনিক বাছগাড়ীত উঠি। কলিকতা বৰ ব্যস্ত চহৰ ভাৰতবৰ্ষৰ। আধুনিক তথা ইয়াক Mega City বুলিয়েই কোৱা হয়। আমি সিদিনাই 'Balleir Mott' লগতে 'Ramkrishna Musium এটাও চালো। 'Victorial Memorial Hall' ত ৰাণী Victoria ৰ কিছুমান স্মৃতিও জীৱন্ত ৰূপত সজাই থোৱা দেখা পালো।

পুৰণা দিনৰ মানুহে জীৱন প্ৰণালী, যুদ্ধৰ সা-সঁজুলি তথা বহুত পুৰণা কৌশল আদি ইয়াত সজাই থোৱা আছে। তাৰ পিছত আমি কলিকতাৰ বিখ্যাত 'বিজ্ঞানাগাৰ (Science City) ত সোমালো। এই চহৰখনৰ সৌন্দৰ্য্য খুবেই স্মৰণীয় হৈ ৰ'ব আমাৰ বাবে। বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰত থকা বৰঙণি আৰু বিজ্ঞানে কি কি কৰিছে এতিয়ালৈ তাৰ উমান পাব পাৰি ইয়াৰ জৰিয়তে। এটি 'ৰবট' ৰ লগত কথা পাতিছিলো, ঠিক আমি যি কওঁ সি তাৰ উত্তৰ দিয়ে যেন এটি জীৱন্ত প্ৰাণীহে আচৰিত লাগে সেইবোৰ ভাৱিলে। সাগৰীয় মাছবোৰো বেছ সংৰক্ষণ কৰি থোৱা আছে। ককাইঁতৰ মুখৰ পৰা শুনিব পোৱা মাটিৰ তলেৰে যোৱা ৰেল গাড়ীতো উঠি আমি সৌভাগ্যবান হৈছিলো। যাক এতিয়া 'মেট্ৰো ট্ৰেইন' বুলিয়েই জনা যায়। এক দুঃসাহসিক মন লৈ আমি প্ৰায় একঘণ্টা সময় কটাইছিলো সেই মেট্ৰো ট্ৰেইনত। দিনতো সিদিনা কেনেকৈ পাৰ হৈছিল আমি গমকেই পোৱা নাছিলো। পিছদিনাখন কলিকতা চহৰৰ নিকতৱৰ্তী দক্ষিণ পৰাগণা জিলাৰ 'চাউথ জৰজা' নামৰ গাওঁখন সকলোৱে জৰিপ কৰিলো।

২৬ অক্টোবৰ সোমাবাৰ। উভতি অহাৰ তাৰিখ আমাৰ। পুৱাৰে পৰা এক উৎফুল্লিত মন। সকলোৰে মুখত হাঁহি কাৰোবাৰ চকুত আকৌ শীতল অশ্ৰুও দেখিবলৈ পাইছিলো। অসম ভৱন এৰি আহি আমি সন্ধিয়া পূৰ্বৰ সিদ্ধান্তমতেই কামৰূপ এক্সপ্ৰেছত নিজৰ নিজৰ ঠাইত বহি অসম অভিমুখে ৰাওঁনা হৈছিলো। লগত থাকিল মাথোন কিছুমান বসাল স্মৃতি।

২৭ অক্টোবৰৰ দিনা গোটেই দিন-ৰাতি ট্ৰেইনতেই কটালো। প্ৰায় ছাৰে আঠ মান বজাত গুৱাহাটীৰ পল্টন বজাৰৰ ট্ৰেইন টেচনত আমাৰ বেলে যাত্ৰাৰ শেষ ইংগিত দিলে। আমি আনন্দ পালো যদিও কিছু পৰিমাণে বেয়াও লাগিল। তাতেই ৰাতি এখন টুৰিষ্ট বিজাৰ্ভ কৰি দিনটোৰ শেষ সময়ছোৱাত মঙ্গলদৈ পালোহি। লগে লগে শেষ হৈছিল সাগৰ চোৱাৰ উৎকণ্ঠাৰ।

কোনো ধৰণৰ বিসংগতিয়ে দেখা নিদিলে আমাৰ ভ্ৰমণৰ সময়ছোৱাত। দুই এক মাজে সময়ে অসুস্থ হৈছিল যদিও বিশেষ কোনো অসুবিধা নহ'ল। অৱশ্যে কোচবিহাৰৰ ছালাৰ ষ্টেচনৰ ঘটনাটি মোৰ বাবে শ্ৰেষ্ঠ সোঁৱৰণী হিচাপে সদায়ে এক নীৰৱ কঁপনি তুলি থাকিব। সেয়াও জীৱনৰে এক আশীৰ্বাদ বুলি ধৰি লৈছো।

আমাৰ ভূগোল বিজ্ঞান বিভাগৰ দ্বাৰা আয়োজিত এক্সকাৰশ্যন এটি মোৰ জীৱনৰ শ্ৰেষ্ঠ অনুভৱ বুলি সদায়ে চিহ্নিত হৈ থাকিব। সঁচাই ভাৰতবৰ্ষ এখন অতি বৈচিত্ৰপূৰ্ণ দেশ। ঋষি-মুনিৰ, তপস্বী সাধকৰ, গীতা-ভাগৱতৰ দেশ। অনৈক্যৰ মাজত ঐক্য ইয়াত পোৱা যায়। এই উপমহাদেশখনত বিভিন্ন জাতি-উপজাতিয়ে বসবাস কৰিলেও সকলোৱে এক ভাৰতীয় জাতি হিচাপেহে যুগমীয়া গৌৰৱৰ যে অধিকাৰী হৈছে সেয়া অলমমান হলেও বুজিলো। □□

> পখিলাতকৈ পৰুৱাৰ লগত মানুহৰ মিল বেছি। বেছি সময় কাম নকৰাকৈ বহি থকাটো মানুহৰ পক্ষে সম্ভৱ নহয়।
>
> — জেৰাও ব্ৰেনান

আন সকলো কথাৰ দৰেই মৃত্যুও এক শিল্প — ছিলভিয়া প্লাথ

চুটিগল্প

# বৌ মাছৰ মোহিনী শক্তি

**জয় চন্দ্ৰ শৰ্মা**
ৰসায়ন বিভাগ

আহিন মাহৰ এটি ৰবিবাৰ। পূজাৰ বন্ধ শেষ হ'বলৈ আৰু চাৰিদিন মান আছে। ৰাতিপুৱাৰ পৰাই কিন্ কিনিয়া বৰষুণ দি আছে। আগদিনাখন আকৌ গোটেই ৰাতিটোৱেই বৰষুণ দি আছিল। শাক-পাচলিৰ বাৰীখনত এক আঠু পানী। তাত দুই এচাৰ কোৰ মাৰিবলৈ কমেও এমাহ ৰব লাগিব। গতিকে ঘৰত কৰিব লগীয়া বিশেষ কাম নাই। ভাবিলোঁ চহৰৰ পৰাই এপাক ফুৰি আহোঁ। মহাদেউ অৰ্থাৎ মোৰ পৰিবাৰ অলকাৰ সম্পৰ্কীয় মহাদেউৰ ঘৰ চহৰত। তেখেতে প্ৰায়েই শ্ৰীমতীৰ আগত মোক তেখেতসকলৰ ঘৰলৈ মাতি থাকে। সময়ৰ অভাৱৰ বাবে মইহে যাব পৰা নাছিলোঁ। যাহক চহৰলৈ যোৱাৰ কথা শ্ৰীমতীৰ আগত উলিয়ালোঁ। তেওঁ ভালেই পালে। কিন্তু পিছ মুহূৰ্ত্ততে অলপ গম্ভীৰ হ'ল। তেওঁৰ মানসিক পৰিবৰ্ত্তন তেওঁৰ কথাৰ পৰাই বুজিব পাৰিলোঁ।

"মহাদেউৰ ঘৰলৈ যাব ওলাইছে হয়, পিছে মহাদেউৰে হাতত একো নিনিলে খুব বেয়া পায়" তেওঁ ক'লে। মই অলপ অপ্ৰস্তুত হ'লোঁ। শ্ৰীমতীৰ মুখত এচেৰেঙা হাঁহি বিৰিঙিল। মই কি কথা একো বুজিব নোৱাৰি তেওঁৰ মুখলৈ চাই থাকিলোঁ। প্ৰাথমিক বিদ্যালয়ৰ মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে জটিল মৌখিকৰ উত্তৰ অতি সোনকালে দিয়াৰ দৰে তেওঁ ক'লে "পুখুৰীতে মাছ মাৰিব পাৰে দেখোন? আমিও খাব পাৰিম আৰু মহাদেউকো দিব পাৰিম। মহাদেউৰে আকৌ লোকেল মাছ খাবলৈ খুব ভাল পায়।"

শ্ৰীমতীৰ কথামতে মাছ ধৰিবলৈ মনস্থ কৰিলোঁ। জালখন নিগনিয়ে কুটিব নোৱাৰাকৈ টিনৰ বাকচ এটাত ভৰাই থৈছিলোঁ। বহু সময় বিচাৰিও নাপাই অলপ খং উঠিয়েই গ'ল। কি হ'ল জানো জালখন? এনেতে শ্ৰীমতীয়ে ক'লে যে একে চুবুৰীৰে নৰেশ্বৰ ভিনদেউয়েকে পূজাৰ আগতেই জালখন নিছিল। এঃ কিযে মানুহ এইবোৰ! বস্তু এটা নি সময়মতে গৃহস্থক নিদিয়ে। ডাঙৰ ল'ৰাটো পঠিয়াই জালখন আনাব খুজিলোঁ। বৰষুণৰ বাবে সি প্ৰথমতে যাবলৈ অনিচ্ছা প্ৰকাশ কৰিছিল। পিছে যাওঁতে বাটতে পোৱা মনেশ্বৰৰ গুমটিৰ পৰা চানাচুৰ খোৱাৰ আশাত সি গ'ল। প্ৰায় আধাঘণ্টা মান পিছত চানাচুৰ চোবাই চোবাই সি জালখন লৈ আহিল। নিগনিয়ে কুটা চাৰিঠাই মানত সূতাৰে গাঁঠি দি মাছ ধৰা কাম আৰম্ভ কৰিলোঁ। মাছ জালত কোনো পধ্যে নুঠে। কোনোবাই ৰাতিয়েই মাছবোৰ লৈ যোৱা নাইতো? অৱশ্যে বৰষুণৰ বাবে পুখুৰীত পানীও বেছি আছিল। অশেষ কষ্টৰ মূৰত প্ৰায় এক কিলোমান সৰুমাছ আৰু প্ৰায় তিনি কিলোমান ওজনৰ এটা বৌ মাছ পোৱা গ'ল। ল'ৰা-ছোৱালী দুটাই ডাঙৰ মাছটো দেখি জপিয়াবলৈ ধৰিলে। সৰু মাছখিনি আৰু বৌ মাছটোৰ অলপ ৰাখি বাকীখিনি মহাদেউৰ ঘৰলৈ লৈ যোৱাৰ প্ৰস্তাৱ দিলোঁ। প্ৰস্তাৱটো শ্ৰীমতীয়ে ভাল নেপালে। "ইমান ডাঙৰ মানুহ এজনৰ ঘৰলৈ কটা মাছ কেইটুকুৰা লৈ যাবলৈ আপোনাৰ লাজ নেলাগে? আৰু মোৰ লাজ-অপমানৰ কথাওতো আছে।" মুখখন আঁউসীৰ এন্ধাৰৰ দৰে কৰি শ্ৰীমতীয়ে কথাখিনি ক'লে। লাহে লাহে দহ বাজিল। ভাত কেইটামান খাই যোৱাই ভাল হ'ব বুলি তেওঁক কলো। "মাহীদেউৰ ঘৰলৈ যাওঁতে ঘৰতে ভাত খাই যোৱা বুলি শুনিলে তেওঁ খুব বেয়া পাব। বহুদিনৰ মূৰত যোৱা বাবে আপোনাক আজি জানো আহিবলৈ দিব? অহাকালি লৈ খুৱাই-বুৱাইহে পঠাব চাগে?" শ্ৰীমতীয়ে ক'লে। মাহীদেউৰ ৰন্ধা-বঢ়াৰ শলাগ লবলৈ তেওঁ এটি চুটি বক্তৃতাই প্ৰদান কৰিলে।

মহাদেউ চৰকাৰী অফিচৰ ডাঙৰ চাকৰিয়াল। বহু ধনী মানুহৰ লগত তেখেতৰ সম্পৰ্ক। আৰ্জে যিমান, খৰছ কৰেও সিমান। ধুনীয়া ঘৰ-দুৱাৰ, গাড়ীৰে পদূলি শুৱনি ঘৰ। তেখেতৰ ল'ৰা জনেও চহৰত ব্যৱসায় কৰে। ডাঙৰ ছোৱালী মমীক বিয়া দিয়াৰ পিছত সৰু ছোৱালীজনীয়েহে কলেজত পঢ়ি আছে। অৱশ্যে একমাত্ৰ ল'ৰা জয়ন্তলৈ মল্লিকাক বোৱাৰী হিচাপে আনিবলৈ সাত-আঠবছৰ মানেই হ'ল। জয়ন্তৰ ফালৰ পৰা ৬ বছৰমান বয়সৰ নাতি ল'ৰা এটিও আছে। বিয়া দিয়া ছোৱালীজনীৰো ৪ বছৰীয়া ছোৱালী এজনী আছে বুলি শ্ৰীমতীয়ে কৈছিল। মুঠতে নাতি-নাতিনী আৰু লগুৱা-লিকটৌৰে ঘৰ ভৰ-পূৰ। নিজে কুটা এগছকো লৰচৰ কৰিব নেলাগে।

এঘাৰ বজাৰ কিছু পিছতেই মহাদেউৰ ঘৰ পালোঁগৈ। পদূলি মূৰত থকা লোহাৰ ডাঙৰ জপনাখন খুলিবলৈ সাজু হওঁ নৌহওঁতেই প্ৰায়বোৰ ধনীমানুহৰ ঘৰতেই অভ্যৰ্থনা জনোৱাৰ নিচিনাকৈ এলচেচিয়ান কুকুৰ এটাই ভুক্ ভুকাই মোলৈ খেদি আহিল। জপনাখন খুলিলেই মোক কামুৰি ধৰাশায়ী কৰিলেহেঁতেন। পিছে ব্যক্তিগত অভিজ্ঞতাৰ বাবে কিছুসময় অপেক্ষা

অপৈনত কবিয়ে আনক নকল কৰে, পৈণত কবিয়ে আনৰ পৰা চুৰি কৰে — টি. এছ. এলিয়ট

কৰাতহে দুৰ্ঘটনাটো সংঘটিত নহ'ল। কাম কৰা ছোৱালী এজনীয়ে "টম টম" বুলি কোৱাৰ লগে লগে সি বৈ গ'ল। ছোৱালী জনীয়ে জপনাখন খুলি দি মোক একেবাৰে ঘৰৰ বাৰন্দালৈ লৈ গ'ল। কুকুৰটোৰ ফালে এবাৰ ভয়ে ভয়ে চাই বাৰন্দাত পাৰি থোৱা মুঢ়া এটিত বহি ছোৱালীজনীৰ হাতত মাছৰ মোনাটো দিলোঁ। কেইখনমান অচিনাকি মুখে ভুমুকি মাৰিলে। মহাদেউ বা মাহীদেউৰ এগৰাকীকো দেখাৰ সৌভাগ্য নহ'ল। চাহ এপিয়লা আৰু কেইখন মান বিস্কুটেৰে ছোৱালীজনীয়ে মোক আপ্যায়িত কৰিলে। মই মহাদেউ আৰু মাহীদেউৰ বাবে অপেক্ষা কৰিলোঁ। এঘণ্টামানৰ মূৰত মহাদেউ আহি মোৰ ওচৰতে চকী এখনত বহিল। "আজি মানুহৰ বাবে আজৰি পোৱা নাই বুজিছা। তাতে জী-জোঁৱাইহঁতো নাতিনীজনীক লৈ বহুদিনৰ মূৰত আহিছে। মাহীদেউয়েৰা ৰান্ধনিঘৰতেই ব্যস্ত হৈ আছে। তোমাক লগ ধৰিবলৈ ক'ত সময় পাব হবলা? বহাচোন বাৰু অলপ" মহাদেউৱে ক'লে। অলপ পিছতেই তেখেত ড্ৰয়িংৰুমত সোমাল। মই মাহীদেউৰ বাবে পুনৰ অপেক্ষা কৰিব ধৰিলোঁ।

ইমান দিনৰ মূৰত জী-জোঁৱাই আহিছে। মাহীদেউৱে নিজে পাকঘৰ চম্ভালিবই। ডাঙৰ মানুহৰ কথাই বেলেগ। তেওঁলোকে নিজে যেনেকৈ খায়, আনকো তেনেকৈ খুৱায়। আমাৰ নিচিনাকৈ শাকে-শোকোতাৰে খুৱাই নপঠিয়াই নহয়। "মল্লিকা, তুমি বৌ মাছৰ মূৰিঘণ্ট খন ভালকৈ ৰান্ধিবা দেই। মমীয়ে মাংসৰ জোলখনকে ৰান্ধিবা। মই মাছৰ জোল, অনাৰসৰ অম্বল আৰু বেচনত বেঙেনাখিনিকে ভাজোঁ। দেউতাই আকৌ মই বন্ধা মাছৰ জোলখনহে ভাল পায়।" পাকঘৰৰ খিৰিকিৰে অহা মাহীদেউৰ কথাবোৰে মোৰ কাণত খুন্দিয়াবলৈ ধৰিলে। জী আৰু বোৱাৰী দুয়োজনীয়ে বন্ধা-বঢ়াত বেচ পাকৈত। নহবই বা কিয়? মাহীদেউ জানো বন্ধা-বঢ়াত পাকৈত নহয়! ভজা মাছ আৰু মাংসৰ জোলৰ গোন্ধে গোটেইখিনি ঠাই আমোল মোলাই গ'ল। মোৰ ভোকটোৱে উজান দিব ধৰিলে। পুৱা ঘৰতো একো খাব নহ'ল। অলপ পিছতেই মাহীদেউৰ ঘৰতেই এসাজ ভালকৈ খাবলৈ পাম যেতিয়া পেটটোক সদ্যহতে শান্ত কৰিবলৈ এগিলাছ পানী খোৱাৰ প্ৰবল ইচ্ছা হ'ল। পিছে দ্বিতীয় এটি প্ৰাণীহে মোৰ চকুত নপৰিল। বাৰান্দাৰ ফালে কাৰো একো দৰকাৰ নাইয়েই নে? আলহী থকা ঘৰত ভিতৰলৈ সোমাইতো পানী খুজি খাব নোৱাৰি। হঠাৎ এজোৰ চেণ্ডেলৰ শব্দত মোৰ ভাবত যতি পৰিল। ৬ বছৰ মান বয়সৰ ল'ৰা এটি দৌৰি মোৰ কাষেৰে পাৰ হৈ যাব খুজিছিল। মই বহি থকা মুঢ়াটোৰ তলত থকা প্লাষ্টিকৰ ৰচিত ভৰি সোমাই সি পৰি গ'ল। হাতত থকা নাৰিকলৰ লাডু চাৰিটামান বাগৰি বাগৰি বাৰান্দাৰ তলত পৰিল। ভাগ্যে বেচেৰাই দুখ নেপালে। পুনৰ উঠি নাৰিকলৰ লাডু কেইটাৰ ফালে দুখমনেৰে চাই অন্যপাকে দৌৰি গুচি গ'ল। পিছে পিছে হাতত এচাৰি এডাল লৈ মাহীদেউ বেগাই আহিল। মোৰ ভাগ্য সুপ্ৰসন্ন হ'ল। মাহীদেউক খুজি পানী এগিলাচ খোৱাৰ বাবে মুখ মেলিব ধৰোঁতেই মাহীদেউৱে ক'লে "অ তুমি বহিয়েই আছা? মই অথনিয়েই মহাদেউৰেৰাৰ মুখে তুমি অহা বুলি গম পাইছোঁ। পিছে ওলাইহে আহিব পৰা নাই। আমাৰ জী-জোঁৱাই বহু দিনৰ মূৰত আজি আহিছে। পাকঘৰত অলপ লাগি নিদিলে বোৱাৰীয়ে একোৱেই কৰিব নোৱাৰে। বেলেগ এদিন আহিবাচোন? খুব কথা হ'ম। অলকা আৰু ল'ৰা-ছোৱালীকেইটাৰ ভাল নহয়। তুমি যোৱাগৈ দেই। মই জী-জোঁৱাই আৰু দেউতাকক ভাত দিও। মহাদেউয়েৰাৰ আকৌ সময়মতে ভাত খোৱাৰ অভ্যাস, বুজিছা।" কথাখিনি কৈয়েই মাহীদেউ মোৰ ওচৰৰ পৰা আঁতৰি গ'ল আৰু মইও ভজা মাছ আৰু মাংসৰ জোলৰ গোন্ধত পেটৰ পোৱণি আৰু বেছি নৌ হওঁতেই মহাদেউৰ ঘৰৰ পৰা গুচি আহিলোঁ।

বাটত গাড়ী বেয়া হ'ল। গাড়ী ভাল কৰোঁতে কৰোঁতে ক্ৰমান্বয়ে ৰাতি হ'ল। ঘৰত ল'ৰা-ছোৱালী আৰু শ্ৰীমতীয়ে মই মহাদেউৰ ঘৰতেই ৰাতিথাকি যোৱা বুলি নাভাবেতো? সোণকালে খোৱা-লোৱা কৰি তেওঁলোক শুলেই নেকি? গাড়ীৰ পৰা নামি মূৰিঘণ্টৰ সলনি শুদা ভাত কেইটামানকে পোৱাৰ আশাত খোজ দিলোঁ বেগাই আৰু বেগাই। ▢▢

> "আজি যায়, যায়, যায়,
> সকলোখিনি দেখো যায়, যায়
> বহুখিনি গৈ যিখিনি ৰ'ল
> সিওখিনি দেখো যায়, যায়
> তথাপি কিয় তোৰ চেতনা নাই?"
>
> — অম্বিকাগিৰি।
>
> "নোবোলোঁ তোক সোণৰ অসম
> মাটিৰ অসম আই
> সোণতকৈয়ে যে চৰা এই মাটি
> এয়ে মোৰওপজা ঠাই"
>
> — পাৰ্বতি প্ৰসাদ

> "এতিয়া আমাৰ দেশত অসমীয়া, বামুণ, শূদিৰ, হৰিজন, সনাতন বোলা কথা নাই। এতিয়া সকলো ভাৰত মাতৃৰ সন্তান। সকলো মানুহ। মানুহ হিচাপে যি থাকিবলৈ চেষ্টা কৰে তেৱেঁই সৎ। মানুহ হৈ বাছ-বিচাৰ, জাতি-অজাতি, সৰু-বৰ আদি সৰু কথাবোৰত লাগি থাকিলে আমি সমূহীয়া উন্নতি কৰিব নোৱাৰিম। আমাৰ ধৰ্ম হ'ব সেৱা আৰু কৰ্ম। সেৱা আৰু কৰ্ম কৰিবলৈ লাগিব চৰিত্ৰ, একাগ্ৰতা আৰু সততা। এইদৰে চলিলে ভাৰতৰ মানুহবোৰ বহুত আগবাঢ়িব - দেশখনো আৰু জাকত জিলিকা হৈ উঠিব।"
>
> — লোকপ্ৰিয় গোপীনাথ বৰদলৈ

প্ৰলোভনৰ পৰা আত্মৰক্ষা কৰাৰ বহুতো উপায় আছে। আটাইতকৈ নিৰ্ভৰযোগ্য উপায় হ'ল কাপুৰুষতা — মাৰ্ক টোৱেইন

# একাঁজলি কবিতা

উজাগৰ ৰাতি
সপোন দেখিছো মই
ফুল-আলসুৱা তোমাৰ মুখৰ
শইছ সোণোৱালী হাঁহি।
অযুত তৰাৰ ঘুমতি ভাঙি যেন
সূৰ্য্য আহিছে নামি।

— হীৰেন ভট্টাচাৰ্য্য

# কলমৰ প্ৰতিধ্বনি

হিতেশ কুমাৰ ডেকা
স্নাতক ২য় বৰ্ষ (কলা)


কলমৰ সংজ্ঞা কিদৰে দিওঁ
যিয়ে লিখি যায় অবিৰামভাৱে
বুৰ্জোৱাসকলৰ বিপৰীতে
নিপীড়িত দলিত আৰু পতিতৰ
দাসত্ব বন্ধনৰ মুক্তিৰ বাবে ।।

তাকে কয় নেকি কলম ??
চিয়াহীৰ সলনি তেজ বয়
উকা কাগজত নীলা ৰঙৰ বিপৰীতে
বাজআলিত চিটিকি পৰে
কলমৰ তেজৰ চিটিকনি ........ ।।

এতিয়া কলমৰ সংজ্ঞা কিদৰে দিওঁ
বাজআলিৰ তেজৰ চেকুঁৰাবোৰ
এতিয়াৰ কলমেৰে কিদৰে মচিম !!

এবা ! কলমৰ সংজ্ঞা লিখনিৰে দিম
বাজআলিৰ তেজৰ চেকুঁৰাবোৰ
বান্ধোনৰ সংগ্ৰামেৰে মচিম,
হয়তো আৰু এটি কলম হেৰাই যাব
কিন্তু !!
হেজাৰ কল্লোলিত কলমৰ সৃষ্টি হ'ব । □





## দাপোনত কুৰি শতিকাৰ প্ৰতিবিম্ব

ফজলুল কৰিম
স্নাতক ১ম বৰ্ষ

আমাৰ হাতত আজি দুখৰ কেঁকটাছ গধূলি,
দুঃস্বপ্নৰ চিঞৰত কঁপা এন্ধাৰ ঘন ৰাতি ।
একাপ বিষৰ সমুজ্জ্বল চাৱনি, প্ৰতিটো প্ৰভাতৰ ৰাঙলী বেলি
একবিংশ শতিকাৰ অক্টোপাছৰ সজোৰ আলিংগন
যেন জুইৰ কুণ্ডত পৰুৱাৰ আত্মজাহৰ কাহিনী ।
হাতে হাতে জোনাকী পৰুৱাৰ দৰে বিষাক্ত বিজুলী
কাউৰীৰ ৰঙৰ বসন্তৰ চলাহি কুলি
নৈখনৰ সিপাৰৰ চিন্তাৰে যেন ঘন কুঁৱলী জীৱন নদীৰ ।
গৰু গাড়ীৰ ঘণ্টাৰ টং টং ধ্বনি
এগাড়ী হালধীয়া আবেলি বিচৰা, শীতৰ গধূলি
কুৰি শতিকাৰ এই আতংকৰ শীতৰ গধূলি ।
দেহ পোন্দোৰা সভ্যতাৰ তীৰ্য্যক চাৱনি ।
গাডৰু বিজ্ঞানৰ ওঁঠৰ চিকিমিকি লিপষ্টিক
উত্তেজনাৰ ৰোল তুলি সুস্থিৰতাক বিদায় দিয়া পোন্দোৰা দুপৰীয়া
কেঁচা মঙহৰ গোন্ধত আজি মোৰ ল'ৰালিৰ নাগতি
হাঁহিৰ নদী বয় গুণ্ডাৰ অট্টহাঁসৰ ঢেৰেকনি ।
পাণ সৰা গছত উঠো পাণ পাৰা খোসা লৈ
জখলা বগাওঁ বীৰত্বৰে থৰথৰকৈ কঁপি
কুৰি শতিকাৰ এই গেন্ধেলা গধূলি !
আৰু মাত্ৰ ৩৪টা পুৱা আৰু ৩৪ টা গধূলিৰ
নিশাৰ অন্ধকাৰৰ কুৎসিৎ মিঠাত পোত যোৱা
দিনৰ নৃশংস পোহৰ
মোৰ জীৱন ডায়েৰীৰ অন্ধকাৰ পৃষ্ঠা !!!
মই এটি সুগন্ধি পখিলাৰ অপেক্ষাত । □

## উৎকণ্ঠাৰ পঞ্জী

চৈয়দা জেছ্মিন মেৰী



দোপালপিতা বৰষুণেও
মোৰ দুঃখবোৰ
অকণো ধুই নিয়া নাই,
মেঘবো চকুলোবোৰ
আজি বৰষুণৰ ৰূপত
পৃথিৱীৰ বুকুত পৰে,
ফুটা ছালখনেৰে
মোৰ শোৱনী কোঠাত
দুখহে সৰে ;

গ্ৰীষ্মৰ তেলেতীয়া দেহ
শীতত ঠৰঙা লাগে
এনেদৰেই দুখ আহে
তুঁহ জুই উমি উমি জ্বলে । □

## অস্থায়ী ক্ষণ

কবিতা ৰায়
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (কলা)



যদিহে তুমি কৰিব খুজিছা
এখনি যুদ্ধ জয় ।
হাতত বন্দুক তুলি লৈছা
সাহস হৈছে উদয় ।
পাৰিবা নিশ্চয় লবলৈ তুমি
শত সহস্ৰৰ প্ৰাণ ।
কিন্তু নোহোৱা আত্মা জয়ী
চেষ্টা কৰিও আপ্ৰাণ ।
নিয়তিৰ গৰ্ভত হ'ব যিদিনা
তোমাৰ শক্তিৰ অৱক্ষয় ।
সকলোৱে মাথোন ইয়াকে ক'ব
কাপুৰুষৰ মৃত্যু আৰু
মানুহৰ জয় । □


## প্ৰশ্ন

ছাহজাহান আলি
স্নাতক ১ম বৰ্ষ (কলা)

এপিয়লা বিষৰ দৰেই
তুমি হাঁহিছিলা ।
তোমাৰ চকুজুৰিয়ে হাঁহিছিল
পোহৰ বিচৰাৰ দৰেই
ওঁঠৰ ফাকেৰে
নিগৰি পৰিছিল
দুটোপাল বিষ
খবৰ ভালনে ?
আৰু হাঁহিছিলা
উলংগ যৌৱনৰ দৰে ।
শৃংখলাবদ্ধ সংগ্ৰামৰ বাবে
হেৰাই গৈছিল জীৱনৰ বাট
তথাপি হাঁহিছিলা
এটি কাঁইটীয়া গোলাপৰ দৰে । □



আইনৰ শাসন য'ত শেষ হয়, স্বেচ্ছাচাৰিতা ত'তেই আৰম্ভ হয় — উইলিয়ামপিট



# এজন বিপ্লবীৰ মৃত্যু

মৃণাল কুমাৰ শৰ্মা
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)

১

সিহঁতৰ বৰ্বৰতাৰ
চূড়ান্ত অগ্ৰগতি হ'ল ......।
জীয়াই থকাৰ প্ৰবল আস্ফালনত
এটি প্ৰাণী হাৰি গ'ল ......।
সেয়ে ...... এজন বিপ্লবীৰ মৃত্যু হ'ল।


২

বৰ্বৰ শাসকগোষ্ঠীৰ
ভেৰোণীয়া সৈন্যজাক উৎফুল্লিত হ'ল।
কিন্তু ..........
এজনীৰ বুকু শুদা হ'ল
এজনীৰ সাজযোৰ শুকুলা হৈ ৰ'ল ......।
আই অসমীৰ নামত
আন এজন বীৰপুত্ৰৰ নাম অংকিত হ'ল।
সেয়ে ...... এজন বিপ্লবীৰ মৃত্যু হ'ল। □

# নতুন সমাজ

প্ৰেমলতা কলিতা
স্নাতক ৩য় বৰ্ষ

এয়াই নতুন সমাজ
য'ত ...........
সমস্যা আছে সমাধান নাই
বৰ্বৰতা আছে ভাতৃত্ব নাই
মানুহ আছে মনুষ্যত্ব নাই
এয়াই নতুন সমাজ।
হে ইতিহাস তুমি ওভতি আহা —
তোমাৰ তেজৰ চেকুৰাবোৰ
শুকাই যোৱা ঘা বোৰ
আৰু ...........
আৰু উদং দেহবোৰ
সিহতক দেখুৱাই দে ... ;
পিতৃ-মাতৃৰ উলংগতাই
সিহঁতক সোঁৱৰাব
এখন সমাজ আছিল
আৰু এখন নতুন সমাজ হওঁক
য'ত ভাতৃত্ব থাকিব
বৰ্বৰতা নহয়
সমাধান থাকিব
শান্তি নহয়,
শান্তি থাকিব
সমস্যা নহয়,
মোহ থাকিব
লোভ নহয়
বাৰ্দ্ধক্য থাকিব
অকাল মৃত্যু নহয়। □




য'তেই জীৱন ত'তেই আশা —— টেৰেঁচ

## অন্বেষণ

জুলফিকাৰ আলি
স্নাতক ২য় বৰ্ষ

এনিশা নিৰৱতা,
এবুকু শংকা,
তথাপি,
এজাক শীতলতাই কঢ়িয়াই আনে
এসাগৰ আশা।
শিকায় আকাশৰ বিশালতা,
সমুদ্ৰৰ গভীৰতা,
বতাহৰ চঞ্চলতা।
দ্যুতিময় মনক পাখি পিন্ধাই
জগায় দুৰ্বাৰ গতিত উৰাৰ প্ৰৱণতা।
সমুদ্ৰৰ বুকুত লংগৰ পেলাই
মনৰ বঢ়ায় দৃঢ়তা
ডুব মাৰে তাত
লুকাই থকা অমূল্য বস্ত্ৰ পোৱাৰ সন্ধানত। □



## আৰ্তনাদ

পৰেশ কুমাৰ বড়া
স্নাতক ১ম বৰ্ষ (কলা)

কাৰ আৰ্তনাদ সেয়া?
মানুহৰ।
হয়, মানুহৰেই।
কোনে কৰিছে অত্যাচাৰ?
হিংস্ৰ জন্তুৱে!
নহয়, হ'ব নোৱাৰে।
এয়া — কুৰি শতিকাৰ
সভ্য মানুহৰ অত্যাচাৰ।
কাৰ ক্ৰন্দন সেয়া?
ক্ৰন্দনৰ মূৰ্চ্ছনাত বাজি উঠিছে
সা ৰে গা মা পা ধা নি সা!
সেই ক্ৰন্দন মানুহৰেই।
কোনো বুকু সুদা মাতৃ,
পিতৃ বা প্ৰেয়সীৰ। □

## কিছু নাম দিন....

মঞ্জুলা শৰ্মা
স্নাতক ১ম বৰ্ষ (কলা)

অতীত হ'ব নোৱাৰা তুমি
তুমিটো থাকা মোৰ হৃদয়ত
স্মৃতি হ'ব নোৱাৰা তুমি
তুমি আছা মোৰ উশাহত,
বিলীন হ'ব নোৱাৰা তুমি সময়ৰ বুকুত
তুমি বিয়পি আছা মোৰ তেজত,
পাহৰিব নোৱাৰা তুমি মোক
বন্ধুত্বৰ শিকলিৰে মই বান্ধিছো তোমাক,
মৃত্যু হ'ব নোৱাৰে তোমাৰ
জ্যোতিৰটো মৃত্যু নাই কাহানিও। □

( মৰমৰ বন্ধু জ্যোতি ৰঞ্জন শৰ্মাৰ স্মৃতিত )



দুৰ্বল মনৰ ধৰ্ম হৈছে কুসংস্কাৰ — এডমাণ্ড বাৰ্ক



## সংগ্ৰাম

ওৱাহিদা আখতাৰ খানুম
স্নাতক ২য় বৰ্ষ

হে' দিশহাৰা পথিক বন্ধু
যদিও লক্ষ্য আজি দূৰত,
বাহুত তোমাৰ অসীম বল
দেহত সংগ্ৰামীৰ তেজ ।
..............................
..............................
ধৈৰ্য্য ধৰা, সাহস গোটোৱা
মানৱ তোমাৰ নাম,
সন্মুখলৈ কদম তুলি চলাই যোৱা
জীৱন যোৱা সংগ্ৰাম ।
..............................
..............................
পিছুৱাই নাযাবা, ভয় নাখাবা
নুটুকিবা চকুলো, নহ'বা হতাশ,
শান্তি আৰু প্ৰগতিৰ বাবে সংগ্ৰাম কৰা
নোহোৱা যে তুমি কাপুৰুষ । □



## কাৰ্গিলৰ পৰা... তোমালৈ

বৰুণ চন্দ্ৰ কলিতা
স্নাতক ২য় বৰ্ষ


মই এতিয়া সীমান্তত
মৰণৰ সীমান্তত ;
নিজকে অৰ্পিছো
মোৰ আইৰ বাবে
মোৰ দেশৰ হকে
মোৰ স্বজাতিৰ বাবে ।
মৃত্যু মোৰ পলে পলে
ক্ষণে ক্ষণে
প্ৰতিটোপাল ৰক্ত কণিকাৰ
ৰন্ধ্ৰে ৰন্ধ্ৰে
জীৱনৰ প্ৰতিটো খোজতে ।
প্ৰতিজ্ঞা কৰিছো
শপত খাইছো
'তেজ দিম দেশ নিদিম'
অন্যায়ৰ প্ৰতিবাদ কৰি
হাতত আগ্নেয়াস্ত্ৰ তুলি
যুদ্ধ কৰিম শান্তি বিছাৰি ।
মই পাহৰি আছো
মোৰ নিজৰ কথা
মোৰ শুভাকাংক্ষী সকলৰ কথা
মোৰ মৰমীৰ কথা,
হৃদয়ত যে মোৰ
জয়ৰ বাসনা ।
সোণ,
সেন্দুৰ আৰু তেজ
দুয়োটাৰে ৰং ৰঙা
সেন্দুৰে আনে আনন্দ
তেজে কঢ়িয়াই মৰণ মন্ত্ৰ ।
তথাপি ........
মই বিছাৰিছো তেজ
কাৰণ .... সেই তেজেৰে মই
লুকাভাকু খেলিছো ।
সেয়ে মৰণৰ আগমুহূৰ্ত্তত
সীমান্তৰ পৰা তোমালৈ
মৰমেৰে লিখিছো ।
মনত ৰাখিবা সোণ,
গোলা বাৰুদৰ গুম গুমনিত
তপত শিলা গহ্বৰত
মই এতিয়াও জীয়াই আছো ।
মৃত্যুক ভৰিৰে গছকি
আশাৰ অটল গহ্বৰত
মই জীয়াই থাকিম
কেৱল .....
তোমাৰ বাবে । □

জ্ঞানতকৈ ন্যায়পৰায়ণতা উৎকৃষ্টতৰ —— চক্ৰেটিছ

## স্মৃতিৰ তিক্তমধুৰ অনুৰাগ

সৈব্যা ৰাভা
স্নাতক ২য় বৰ্ষ

যেতিয়াই মই অতীতবোৰ খেপিয়াই চাওঁ
তেতিয়াই উথলি আহে কিছু
তিক্ত স্মৃতি আৰু —
কেইটোপালমান তপত অশ্রু ।
সেয়েহে —
সময় নদীৰ সোঁতত ভাহি অহা
বাস্তৱবোৰক
সন্তৰ্পণে জুকিয়াই চাওঁ ।
লিখি চাব খোজো
তপত অশ্রু কণাবোৰেৰে
মোৰ তিক্ত স্মৃতিৰ ইতিহাস ।
ইতিহাসৰ পাতে পাতে থাকিব
পিছৰ প্ৰজন্মলৈ সকিয়নিৰ অনুৰাগ ।
ফুলেও কথা কয়, পাতেও কথা ক'ব
যদিহে হৃদয়ৰ মণিকোঠা
বক্তাভ হয় ।
যেতিয়াই ঋতুৰ বা-মাৰলি আহে
মনৰ মাজত হুমুনিয়াহ বাঢ়ে
সেয়েহে মোৰ পোহৰলৈ
বৰ ভয় লাগে
জানোচা তিক্ত স্মৃতিয়ে
আকৌ গ্ৰাস কৰে ! □





## সমীক্ষা

গীতিকা শইকীয়া
স্নাতক ২য় বৰ্ষ

গধূলিৰ আকাশ মঞ্চত তেতিয়া
বেলিটোৰ অভিনয় শেষ হওঁ হওঁ,
ৰাতিৰ আঁৰালত লুকাব খোজা
পোহৰবোৰ বাঙী হৈছে,
এবাৰ নীলা
এবাৰ নিকা হৈছে
গধূৰ আবেগত
মোৰ বুকুৰ মাজৰ
বহু প্ৰত্যাশিত আশাবোৰ
খেপিয়াই চালো — ভাবিলো —
সিহঁতেও ৰূপ সলায় যদি —
পানী হ'ব ;
মাটি হ'ব ;
নে ধোঁৱা হ'ব ?
'আশাৰ'তো আবৰ্ত্তন নাই
এবাৰ দিনৰ দৰে পোহৰ হ'ব
আকৌ সিবাৰ ৰাতিৰ দৰে আন্ধাৰ হ'ব
যে — বাট চাই ৰ'ম মই
'আশা'বোৰ এদিন জিলিকিব
সোণ হ'ব
মই চুব পাবিম
স্বচ্ছ হ'ব । □

কাম কৰি যোৱা — জিম কৰবেট

# হে মঙলদৈ মহাবিদ্যালয়



মৃদুল কুমাৰ হাজৰিকা
উঃ মাঃ ২য় বৰ্ষ (কলা)

"হে মঙলদৈ মহাবিদ্যালয়
তুমি আমাৰ জ্ঞানৰ আলয়।
লভিম ইয়াতেই নানা অভিজ্ঞতা,
জগাম অন্তৰত মানৱতা ॥
ভৱিষ্যতৰ ভেঁটি ইয়াতেই গঢ়িম।
ইয়েই আমাৰ পৱিত্ৰ ধাম।
হিন্দু, মুছলমান, জৈন, খৃষ্টান,
ইয়াতে আমি সকলো সমান ॥
বিচাৰিম ইয়াতেই নতুনৰ সন্ধান
ভেদাভেদ পাহৰি হৈ মহীয়ান
আহা সবে গাঁও মহামিলনৰ গান
পিন্ধো ইয়াতেই জ্ঞান মুকুতা হাৰ
যাচিছোঁ হে মঙলদৈ মহাবিদ্যালয়,
তোমাক নমস্কাৰ ॥" ☐

# ধুমুহাৰ চাকনৈয়া



ৰানা বশিষ্ঠ
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

নিৰাশাৰ চকুলো
আশাৰ হেঙুলী সুৰুয
আঁতৰি যায় দূৰ দিগন্তলৈ
সেউজী পাতৰ আঁৰে আঁৰে
বিচাৰি পাওঁ হতাশা বাৰে বাৰে
সেই যে লুইতৰ বালিত
বালিচন্দাৰ চিক্‌মিকনি
তাকেইতো বুলিছিলো মুকুতা
মৰহা গোলাপৰ সুগন্ধি বিচাৰি
মহাকালৰ অটল গৰ্ভত
হেৰোৱা অতীতক বিচাৰি
আছে জানো কিবা লাভ ?
সুপ্ত মনৰ ৰঙীন সপোন
মানৱতাৰ মূল্যবোধ
হেৰাই গ'ল কেনিবা
কাল ধুমুহাৰ চাকনৈয়াত। ☐

# ক্লান্তিহীন অপেক্ষা

অনামিকা নাথ
স্নাতক ৩য় বৰ্ষ (কলা)

তুমি জানানে ?
মই এতিয়াও আছো ......
নীৰৱতাক আশ্ৰয় কৰি
এটিৰ পিছত এটি ক্ষণ গণিছো।
বৈ আছো তোমাৰ বাবে
এতিয়াও ......
পাৰহৈ গ'ল বহুদিন ......
বহুক্ষণ, বহুসন্ধিয়া, বহু ধুমুহা
বহুৰাতি উজাগৰে গ'ল,
তুমি যে কৈছিলা — আকৌ আহিবা বুলি
সেইবাবে ......
কেৱল তোমাৰ বাবেই ......
তুমিটো নাজানা ??
মই কিমান অধীৰ হৈছো ;
শীতল বতাহজাকে মোক চুমি চুমি যায়
ধুমুহাই লৈ যাব খোজে,
কিন্তু মই ! তোমা-ৰে-ই অধীৰ অপেক্ষাত ......
ভৱিৰ ফালৰ পৰা
বৰফহৈ আহিব ধৰিছো ,
কিন্তু মই !
বৈ আছো থৰ লাগি ......
দৃষ্টি তোমাৰ বাটত ......
কিজানিবা আহিয়ে পোৱা
কোনোবা ক্ষ-ণ-ত !!!
মই কেৱল তে-মা-ৰে-ই অপেক্ষাত ...... ☐

যিটো কথা আমি মনেৰে শিকোঁ, সেয়া আমি কেতিয়াও নাপাহৰো — আলফেজ মাৰ্চিয়াৰ





নিতু কুমাৰ কলিতা
স্নাতক ২য় বৰ্ষ (কলা)

সিদিনাখন তোমাক যে দিছিলো সেই কাঁচুলিযোৰ
তাত তুমি গজপ নকৰিবা
তুমি হয়তু মোৰ পৰা বিচাৰিছিলা শ্ৰীপেচ্
কিন্তু তাৰ বাবে মই যে দাতব্য নহয়
তুমি নিশ্চয় মোৰ মিজাজ বুজি পোৱা
আৰু সেয়ে মই ভালদৰে জানো তুমি গজপ নকৰা ।
(এইবাৰ সোণালী ফৰ্মা আনিবলৈ যাওঁতে
তুমি মোলৈ অপেক্ষা কৰিবা )
সেই যে পুৰণি দিনৰ নেলুকাডাল
তাতে তুমি বৈ থাকিবা, মই সেই বাটেৰে
ফৰ্মা আনিবলৈ যাম,
তাতে তোমাক লগ ধৰি তোমালৈ বুলি চহৰৰপৰা অনা
সেই মৃগাবৰণৰ লহঙ্গাযোৰ দিম ।
(শ্ৰীপেচ্ নিদিয়াৰ বাবে তুমি মাথো গজপ নকৰিবা)
মই যেতিয়া চহৰত বণিজ কৰিম, তেতিয়া
তুমি সিহতঁৰ লগত বাজি মাৰিব পাৰিবা,
তোমাক মই বহুত শ্ৰীপেচ্ আনি দিম
সেইবোৰ সিহতঁক দেখুৱাই তুমি দম্ভ কৰিব পাৰিবা
মাথো তুমি মধুন্বিষৰ ওচৰত বিশ্বাস ৰাখা
(এতিয়া সিহতঁৰ কথা শুনি তুমি গজপ নকৰিবা) □

## প্ৰতিচ্ছবি

নৱ কুমাৰ ডেকা
স্নাতক ২য় বৰ্ষ (কলা)

এটি ৰূপ বিশালতাৰ
প্ৰজ্বলিত নতুনত্বৰ
দাসত্বৰ বান্ধোন মোচনৰ বাবে
গুলি বাৰুদৰ গোন্ধেই প্ৰিয় ।
পোহৰক উদঙাই,
আন্ধাৰৰ সমাৰেশ ।
অতীতৰ করুণ হাঁহি
দুৰ্গম পথৰ কঠিন যাত্ৰা অতিক্ৰমৰ বাবে ।
বৰ্তমান স্বাৰ্থৰ প্ৰতীক,
নিজক প্ৰতিস্থিত কৰাৰ বহুল চেষ্টা
সত্য নিৰ্মম ধ্বংসৰ পথত,
আকৃষ্ট অনাগত ভৱিষ্যত ।
চাৰিওফালে আত্মাৰ কল্লোল,
বিভৎস আৰ্তনাদ ।
নগ্ন ধৰিত্ৰীৰ প্ৰতিচ্ছৱিত,
আদিত্যও ডাৱৰৰ মাজত ।
প্ৰকৃতিও নিৰ্লজভাৱে বৈ আছে
কৃষ্টিয়েও পাহৰিবলৈ বাধ্য ॥
বিঙিয়াই আছে সময়ে,
কিবা এটা পোৱাৰ আশাত । □



যিয়ে আনক অসন্তুষ্ট কৰিবলৈ নিবিচাৰে, তেঁৱেই তোষামোদৰ ক্ষেত্ৰত প্ৰথম খোচটো দিয়ে — চিবাৰ

# অহিংসা

জয়ন্ত ৰায়
স্নাতক ২য় বৰ্ষ

সিহঁতে কৰিছে যুদ্ধ
হাতে হাতে সিহঁতৰ অস্ত্ৰ
বিচাৰি এক নতুন সূৰ্য্য
সৃষ্টি কৰিছে এক বীভৎস দৃশ্য ।
সিহঁতৰ ধাৰণা
ৰণেই মুক্তিৰ উৎস
কেঁচা তেজৰে, মাতৃক ধুৱাব
কিম্বা শোষকক শাস্তি দিয়া
এয়া জানো সত্য ।
ইতিহাসে সোঁৱৰাই কি ?
ন্যায় অন্যায়ৰ যুদ্ধত
ন্যায়ৰ প্ৰতিষ্ঠাত অন্যায় হৈছিল বিধ্বস্ত
কুৰি শতিকাতো সেই মন্ত্ৰ
য'ত নেকি অহিংসাই শক্তিশালী অস্ত্ৰ ।
যাৰ প্ৰয়োগত
শোষকে পাব শাস্তি
শাসিতই পাব অধিকাৰ ।
অশ্ৰুসিক্ত নয়নেৰে মাতৃয়ে চায়
কেতিয়া বাৰু জাগ্ৰত হ'ব
তেওঁৰ অবিনাশ সন্তান ??? ☐





# দুঃসময়

মুনিন্দ্ৰ বৈশ্য
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

মৰমৰ,
তোমাক মই মৰম দিব নোৱাৰো ।
যেতিয়া বাৰুদৰ ধোঁৱাই আকাশ চানি ধৰে,
শত সহস্ৰ নাৰীৰ সতীত্ব নাশৰ
করুণ আৰ্তনাদে হিয়া চুৰমাৰ কৰে,
আৰু পুত্ৰহীনা মাতৃৰ কান্দোনে
আকাশ ভেদ কৰে,
তেতিয়া কেৱল জানো মোৰ মৰমে
তোমাক আনন্দত উৎফুল্লিত কৰিব ?

শুনা মোৰ মৰমৰ ... ,
সেয়ে তোমাক মনৰ কথা কওঁ
মোৰ অন্তৰত এতিয়া তোমাৰ বাবে
থকা মৰম, চেনেহৰ টোপোলাটো বান্ধি থৈছো ।
এতিয়া সংগ্ৰামৰ বাবে টঙালী বান্ধিবই লাগিব
এয়া যে সময়ৰ এক দুৰ্বাৰ আহ্বান । ☐

জ্ঞান মানুহক দিব নোৱাৰি, উপলব্ধিহে কৰিব পাৰি —— চক্ৰেটিছ



## ধৰ্ষিত সময়

অনামিকা চহৰীয়া
স্নাতক ১ম বৰ্ষ (কলা)

কোনো কথাৰ অৱতাৰণা নকৰাকৈয়ে
সিহঁতে
মানুহবোৰৰ শিৰচ্ছেদ কৰে।
এতিয়া প্ৰতিঘৰৰ মুধচত ওলমি ৰয়
একোটা মুণ্ডহীন শৰীৰ।
ইয়াত,
প্ৰতিদিনে অভিমন্যু বধ হয়।
'বিদুৰৰ উপস্থিতি অনিয়মীয়া'।
কোনো কথাৰ অৱতাৰণা নকৰাকৈয়ে
সিহঁতে,
সহস্ৰ দ্ৰৌপদীক লাঞ্ছিতা কৰে
আঃ সময় কি নিৰ্মম
এতিয়া ইয়াত কৃষ্ণ নাই।
মাথোন,
স্থিতিহীন জনতাৰ বিভৎস আৰ্তনাদ।
কোনো কথাৰ অৱতাৰণা নকৰাকৈয়ে
সিহঁতে,
মানুহ হত্যা কৰে
কাৰণ —
সময় সিহঁতৰ একচেতীয়া সম্পত্তি। ☐

## তেজীমলাৰ সপোন ইত্যাদি

মহাদেৱন বৰুৱা
প্ৰাক্তন ছাত্ৰ

ঘাটত বৈ থাকে সময়
বুকুত গুজি তেজীমলাৰ বতৰা!
সাউদৰ ডিঙৰাত প্ৰৱঞ্চনাৰ কি (?) গধূৰ বোজা।
সম্ভৱত শিলভঙা হাতুৰীৰ সমান গধূৰ।
কুকুৰা বতাহে অনা শেন-কপৌৰ কুৰুলীত
হেৰাই যাব খোজে তেজীমলাৰ সপোন।
বুকুৰ সতে বুকুগুজি ৰখা আটোমটোকাৰী সপোন।
মাছমৰীয়াৰ সতে খুচুৰা আলাপ কৰে তাই
বুকুত গোপনে টুকি থয়
মাছমৰীয়াৰ ঘাম আৰু চকুলোৰ ভাষা।
নিষিদ্ধ ঘোষিত তেজীমলাৰ যৌৱন
জীৱন নিস্তব্ধ হয় মাহীমাৰ হাতৰ বাঘজৰীত।
তথাপি জীয়াই থাকে জীৱন
সপোনৰ সতে, সপোনৰ বাবে
তোমাৰ
মোৰ
তেজীমলাবো
জেংখবিৰ জোৰ লৈ তেজীমলা আগুৱাই
সাউদৰ ঘাট কিমান যে দূৰ ...... ? ☐



তৰল মনা মানুহে ভাগ্যক বিশ্বাস কৰে — এমাৰ্চন



# দুঃসময়

ভূপেন ডেকা
প্ৰাক্তন ছাত্ৰ

সকলোৰে মনত মাথোন
একেই প্ৰশ্ন,
আমি জীয়াই থাকিম কিমান দিন ?
এক অজান ভয়ে, অজানিত শংকাই
প্ৰত্যেককে ত্ৰাসিত কৰি তুলিছে ।
প্ৰতিযোগিতা চলিছে হত্যা, শোষণ,
ধৰ্ষণ আৰু লুণ্ঠনৰ ।
সময়ে আজি আৰু কাকো চিনি নাপায় ।
দেশৰ বাই-ভনীৰ দুচকুত অশ্ৰুৰ বন্যা ।
ককাদেউতাৰ ভোগালী পাৰ হ'ল
ভগ্ন হৃদয়ৰ কৰুণ আৰ্ত্তনাদেৰে,
ভেলাঘৰত বাৰুদৰ শব্দ ।
কুলিৰ শুৱলা মাতত এতিয়া বহাগ নাহে
আহে কাউৰীৰ কা-কা কোলাহলত ।
এইবাৰ ৰঙালী হেনো আহিব
তেজাল ঘোঁৰাৰ বেশেৰে
বিহুতলিত বাজিব ৰণশিঙা,
আইতাই যতনাই থোৱা গামোচাত
তেজৰ ফুল ।
এয়াই জানো কুৰি শতিকা ?
চৌদিশে মাথোন গভীৰ তমসা । □



# মোনিকৰ স্মৃতিৰে

ক্ষীৰোদ চহৰীয়া
স্নাতক ১ম বৰ্ষ (কলা)


ডাকোৱাল জন আহিছিল বেৰেকলৈ,
কিণকিণিয়া বৰষুণ,
শীতৰ শেতা শেতেলীত
মূৰ থৈ নানা ভাৱনাৰ কলমলনি তাৰ,
ডাকোৱালক দেখি উগুল-থুগুল মন
নীলা খামৰ মেজিকৰ বাবে ......
নীল খাম নহয়,
এটি শেতা টিকটবিহীন খাম ।
গৰম হৈ যায় শেতেলী ।
ঘৰৰ ধনবৰ দোকানীৰ হিচাপ,
উদণ্ডীয়া ভায়েকটোৰ হাতৰ চাপ ।
এনেকৈ বহু আবেলিৰ বৰষুণ গ'ল,
এদিন পিছে সঁচাকে আহিল
এটি নীলা খাম ।
বুকুৰ ধপ ধপনি বাঢ়িল,
চিঙি চালে
লিখাৰ উৎপাতত খামে আলিংগণ কৰিছিল,
দলিলখনৰ লগত,
খামত চিঙি বৈ গ'ল
এটুকুৰা দলিল !
সি আলফুলে জোৰা তাপলি মাৰিলে ।
পঢ়িম পঢ়িম ...... উৎকণ্ঠিত হৃদয়,
কিউট কিউট, বেতাৰৰ কৰ্কশ শব্দত
স্তব্ধ হ'ল উৎকণ্ঠিত হৃদয় ।
নীলা খামৰ ঠাই অধিকাৰ কৰিলে বুলেটবোৰে,
ধপ-ধপ দৌৰিল .....
যেন চিঠি পাই দৌৰিছে, চিত্ৰলেখা উষাৰ কাষলৈ,
কিছুদিন পিছত, নীলাখামৰ গৰাকীয়ে উপহাৰ পালে,
এক উকা কাগজত ৰঙা দাগ ! □


এজন ভাল মানুহ ভাল হৈয়ো নিৰ্বোধ হ'ব পাৰে ; কিন্তু বেয়া হ'বলৈ এজন মানুহৰ মগজু থাকিবই লাগিব —— মেক্সিম গৰ্কী

# আবেগ

সোণ মণি দাস

অফুৰন্ত হৃদয় তোমাৰ
সাগৰৰ দৰে বিশাল,
ভাবিলে তোমাৰ কথা
হৃদয়ত কৰে হাহাঁকাৰ।
আধাফুলা নে প্ৰকৃত!
তোমাৰ মোহনীয়া যৌৱন,
যেতিয়া প্ৰতাৰিত হয় দৃষ্টি
তোমাৰ দৃষ্টিত!
কিয় জানো বলিয়া
হয় মোৰ মন।
মোহনীয়া তোমাৰ
কাজল সনা চকুজুৰি
লাজৰ সাগৰত বুৰি।
লাজেৰে আবৃত
কথাৰ সংমিশ্ৰণত
কোনোবা ফাকেৰে
মাৰি মিছিকিয়া হাঁহি
যেন কৰিলা জয়
মোৰ হৃদয় পৰশি।
কিন্তু নেজানে একোকে
মোৰ ক্লান্ত হৃদয়ে
তুমি উৰ্বশী
নে প্ৰেয়সী। ☐








# মোৰ ভাব হয়

হেমন্ত কুমাৰ বৰুৱা
স্নাতক মহলা (১ম বৰ্ষ)

মোৰ ভাব হয়,
মই অভিশপ্ত।
সাত সাগৰ তেৰ নদীৰ সিপাৰে
মোৰ ঘৰ;
আসক্ত হলেও সেয়েই
আলস্য তোমাৰ;
সেয়ে ভাব হয় ....
মই অভিশপ্ত।
মোৰ উচুপনি ... উপাসনা নহয়
বাবেই উপেক্ষিত;
কৃষ্ণাঙ্গী বাবেই ক্লান্ত
তোমাক লগ কৰিবলৈ;
সেয়ে মোৰ ভাব হয়
..... মই অভিশপ্ত।
তোমাক দেখিও .....
...... 'নেদেখো',
ভয় লাগে গঞ্জনালৈ,
কিন্তু! চাকনৈয়াত চাটি-ফুটি যাওঁ।
তুমি কিন্তু জলগাৰেও নোচোৱা ....
..... যেন জলধাহে।
কিন্তু!!
জলাঞ্জলি দি তোমাক
টলকাও মাৰিব নোৱাৰো;
সেয়ে ......
মোৰ ......
ভাব ......
হয় ....... ?? ☐

বেছি অধিকাৰ দাবী কৰাও উচিত নহয়, কাৰণ শেষলৈ ইয়াৰ সীমা-সংখ্যা নোহোৱা হ'ব পাৰে — ৰুছো



## বন্ধুত্ব স্মৃতি

ভাস্কৰজ্যোতি শৰ্মা
স্নাতক ২য় বৰ্ষ


চাঁকি জ্বলিছে
ফুলো ফুলিছে
বৰ যত্নেৰে জীৱনত
দুয়ো বন্ধু মিলিছে।
কেতিয়াবা হয় জীৱনত
দুয়ো বন্ধু হেৰাই যায়
সঁচাই কৈছো তেতিয়া
বৰ দুখৰ বিষয় হৈ যায়।
থাকি যোৱা স্মৃতিবোৰে
অন্তৰত যেন ধনুকাঁড়হে চলায়।
যি বং ৰূপেৰে চোৱা
কেতিয়াও অহংকাৰ নকৰিবা
জীৱনো খোজে যদি বন্ধুৰে
হাঁহি হাঁহি তুমি দিয়া।
ধন সম্পত্তি আৰু যৌৱন
এদিনাখন হেৰাই যায়
সঁচাই কৈছো তেতিয়া
গোটেই জগৎ শত্ৰু আমাৰ হৈ যায়।
গোটেই জীৱন পাৰা গালি
তথাপিও উশাহহে লগত যায়। □



## মন ফুলৰ আশা

কাজল দাস
স্নাতক ২য় বৰ্ষ

এদিন পুৱতি নিশা এটি আশা বুকুতলৈ
বিছাৰিলো মনবৈই ফুল,
নাপালো মই সেই ফুল বিছাৰি ক'তো
জীৱন বাটত মাথো পালো বহু দুখ।
লাহে লাহে ৰঙা বেলি আগুৱাই আহিল
মেলিলে পদুমে পাহি,
নোৱাৰিলো সেই ফুলো চিঙিব বোকাৰ বাবে
সন্ধিয়াৰ অন্ধকাৰে হৰি নিলে তাক।
বহু ভাবিগুণি মই পিছদিনা
চাপিলোগৈ গোলাপৰ কাষ,
কিন্তু -
হাত দি গোলাপ ফুল চিঙিব খোজোতেই
গোলাপৰ কাইটে বিন্ধি মোৰ
ৰাঙলী কৰিলে দুয়ো হাত। □




## মোৰ প্ৰেম

দীপক শৰ্মা
স্নাতক ৩য় বৰ্ষ

" প্ৰেম যেন তৰংগৰ ধ্বজ,
মৰুভূমিৰ মৰিচিকা,
সদৃশ মাণিক
যেন সাগৰৰ।" □

বন্ধুত্ব যদি হেৰুৱাব খোজা, তেনেহলে ধন ধাৰলৈ দিয়া —— চোৱাং-জু


# নিহাৰিকালৈ আমন্ত্ৰণ



কুশল কলিতা
প্ৰাক্তন ছাত্ৰ

হেৰা নিহাৰিকা !
তুমি পূজাৰ ফুল হোৱা
মই পূজা কৰো সুন্দৰক
নমাই আনো শান্তি
বিশ্ব সমাজ আমাৰ মিলন স্বাক্ষৰেৰে
গঢ়ি তোলো শেষ নিশাৰ মেহফিল ।
আমি চৰিত্ৰ লম আদম আৰু ইভৰ
নিষিদ্ধ কৰিম যৌৱনৰ ৰস
আমি পূজা কৰিম আমাৰ সংশোধিত জ্ঞানেৰে ।
তুমি বেদীত মহামন্ত্ৰৰ ফুল হোৱা
মই পূজাৰী
উচ্চাৰণ কৰিম বেদমন্ত্ৰ "ওঁ ভূ ভূবঃ স্বঃ"
যদি পাৱো আমি নিষ্পাপ আদৰ্শ হও
বিশ্বসংস্কৃতিৰ এটি নৱজাতক শব্দ
যাৰ সৃষ্টি মহাসিন্ধুৰ সিপাৰে
যি ধৰালৈ কোনো কালেই অহা নাই
তেনে এক বেদীত মানৱ পূজা ।
আৰু শুনা নিহাৰিকা !
আমি গল্প গুজব কৰি সময় নাভাঙো
প্ৰয়োজন হ'লে আমি বিশ্লেষণ কৰিম
মোৰ ভনীজনীৰ অখ্যাত কবিতা
"ধুমুহা শিলাবৃষ্টিৰ মাজতো
প্ৰসৱকালৰ বেদনাৰে
সূৰ্য্যৰ পিনে মূৰ তুলি অপেক্ষা কৰিছো ---
এতিয়াৰ বহুতৰ মাজত তোমাক চাবলৈ", ইত্যাদি ।
ভনীজনী এটা শ্বহীদ প্ৰতিবাদী কণ্ঠৰ বাকদত্তা আছিল
যেনেদৰে পৰাগ দাস, প্ৰসন্ন কলিতা
চোৱা নিহাৰিকা,
পৃথিৱী বন্দী হৈছে পৰমানু নিউক্লীয় চেলেঞ্জত
যিকোনো মুহূৰ্ত্ততে আমিও ফচিল্ হ'ব পাৰো
মহাশূন্যৰ স'তে --- ।
সেয়ে এতিয়া প্ৰয়োজন এক বেদীত প্ৰেমৰ সহস্ৰ পূজা ।
নিহাৰিকা ! তোমালৈ এয়া হৃদয়ৰ আমন্ত্ৰণ
তুমি পূজাৰ ফুল হোৱা । ☐
( বিদ্যুৎ প্ৰভা বাইদেউৰ স্মৃতিত )





# প্ৰেমকথা

শশাংক হাজৰিকা
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

এটি সত্য মই আজি উপলব্ধি কৰিছো ।
তোমাৰ বুকুত মই এতিয়া
অমাৱশ্যাৰ আন্ধাৰ
তোমাৰ বুকুত জোনাকে বগলি বগা ফুল তোলাৰ বাবে
মই আজি ঘোষণা কৰিছো -
অমাৱশ্যাৰ ৰূপত মই আজি
মেলানি মাগিছো তোমাৰ বুকুৰ পৰা ।
তোমাৰ মোৰ প্ৰেম প্ৰক্ৰিয়াত (?) মই নিশ্চয় স্ৰষ্টা হৈছিলো
বহুতো হালধীয়াৰ ; অ' বহুতো হালধীয়াৰ
কচাই হৈ মই নিশ্চয় দলিয়াই দিছিলো
ছাগলীৰ ধূসৰ মাংসপিণ্ড
মই কোনো বেশ্যা ৰাতি হৈ
অসহায় চিৎকাৰেৰে তোমাৰ কাণ কৰিছিলো ঘোলা -
অ' তোমাৰ কাণ কৰিছিলো ঘোলা
অথবা -
কুৰিৰ সভ্যতাত মই হৈ গৈছিলো
ছোমালিয়াৰ দুৰ্ভিক্ষ, ইত্যাদি বহুতো
এই সকলোবোৰৰ বাবে তুমি হয়তো আৱিষ্কাৰ কৰিছা
তোমাৰ অমাৱশ্যা বুকুত (মোৰ সৃষ্ট) মই হয়তো
এক নৃশংস ঘাটক
আৰু এই সকলোবোৰৰ বাবে মই উপলব্ধি কৰিছো
তোমাৰ মোৰ প্ৰেম প্ৰক্ৰিয়া মোৰ বাবে
জীৱন পথৰ এক বিচ্যুতি ! ☐

নৈতিক সংযমেৰে নৈতিক বল পাব পাৰি —— মহাত্মা গান্ধী

# আকাশ



শৰৎ চন্দ্ৰ নাথ
স্নাতক ১ম বৰ্ষ (কলা)

চুচুঁমৈ হৈ পৰা শব্দৰ থুপত
বিচাৰি পাওঁ এখন আকাশ
দিশহাৰা পথিকৰ গছকত
থিয় হৈ থাকে শৈশৱ।
কবৰ খানাৰ দুৱাৰ মুকলি হয়
নি-সংগতাত।
হাতুৰিৰে পিত পিত সৃষ্টি কৰা হয় শব্দ
দুহাত মেলি চিঙিব খোজা বতাহ
দুহাত মেলি নমাব খোজা আকাশ
তোমালৈ
মোৰলৈ
পৃথিৱীলৈ। □

# বৰ্তমান মোৰ আই

বিনয় ভট্ট
স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)



(১)
মাতৃত্বৰ গৌৰৱত
মোৰ আই উন্মত্তা।
শুবাচোন কেতিয়াবা
আইৰ কোলাত এনিশা,
বিচাৰিবাচোন
বাৎসল্যৰ শিথিলতা,
পাবা মাথোন এমুঠি কজলা
আৰু বাৰুদৰ মুক্ত ধোঁৱা।

(২)
মোৰ আইৰ বৰ অসুখ
মোক তথাপিও নিচুকায়
তুমিয়েই উত্তৰ পুৰুষ।
মই, এইবাৰ অসুখ ভাল হ'লে
আইক সুধিম
বজাৰত হিংসাৰ কিমান দাম
নে ইও তোমাৰেই আন এটি নাম। □



# মৌনতা

অজিত ৰাজবংশী
স্নাতক ২য় বৰ্ষ (কলা)

মুনি-চুনি আবেলি পৰত
  এজাক বতাহ বলিছিল --
    বতাহ জাকে দিছিল
কাবোবাৰ অজান বাতৰি
কিন্তু, মইহে নাপালো বুজি
  সেইয়া বিৰহৰ নে মিলনৰ?
সপোন দেখিছিলো ----
  জীৱন ফাগুনৰ
    শ্যামলিমা সনা
সোণালী সপোন!
কল্পনাৰ কাৰেঙ
  গোপনে সাজিছিলো
মন সৰোবৰত
  চৰি ফুৰিছিল
    সহস্ৰ কলহংস
আৰু ফুলি আছিল
  সহস্ৰ কোকনদ।
কিন্তু ক'তা -
  আজিও তাৰ একো
  চিন চাব নাই - ?
নিসংগ মুহূৰ্ত্তত
  অশান্ত প্ৰহৰ লেখি
মাথো আদৰিছোঁ - মৌনতাক ---।
আৰু তাৰেই সাক্ষী
এইয়া
  উজাগৰী নিশাবোৰ। □

বিশ্ব ব্ৰহ্মাণ্ডৰ নিয়মবোৰ বুজিবলৈ আৰু বিশ্বৰ সৈতে তাল মিলাই গতি কৰিবলৈ শিকা উচিত —— কনফুচিয়াছ

# দুঃসময়


বিনীতা চলিহা
স্নাতক ২য় বৰ্ষ (কলা)

সৰুতে আইতাই
জোনাকৰ চোতালত কোৱা সাধুবোৰ
এতিয়াও মনত পৰে,
সেই যে দুঃশাসনহঁতৰ ৰক্ত পান
অভিমন্যু বধ
আঃ কি ভয় লগা সাধু!
এতিয়া বুজিছো
আইতাই কোৱা সাধুৰ অৰ্থ
আজিও সেইবোৰ একেই আছে।
নতুন যুগে হাতবাউলী দি
মাতিব লাগিছে পদুলিতে বৈ
আহা আমি যাওঁ আগুৱাই
এতিয়া, দুঃশাসনহঁতক বধ কৰাৰ সময়
অভিমন্যুক ৰক্ষা কৰাৰ সময়। □

# আলোকৰ বাটেৰে

মালবিকা নাথ
স্নাতক ২য় বৰ্ষ

আলোকৰ ৰেখা সানি
বৈ আছে নিৰবধি
এটি স্নিগ্ধ শীতলতা
ৰুদ্ধ কাৰাগাৰত বন্দী কবি
এই বসুমতীক,
আকৌ দিয়েহি দেখা
অন্তৰ, এক পক্ষৰ।
কেতিয়াবা নাও হৈ
আকৌ কেতিয়াবা কোনোবা বিৰহীৰ
ক্ষুধা হৰণকাৰী হৈ
কোনোবা
সুন্দৰীৰ মুখাবয়বত
বন্দী হোৱা। □



# আবেলিৰ কৰৱী

শশীন শৰ্মা
স্নাতক ৩য় বৰ্ষ (কলা)

তুমি চাইছিলা মোলৈ
মই তোমালৈ
পদুলিত ফুলিছিল এজোপা কৰবী
তুমি মাতিছিলা নৈৰ পাৰলৈ
নাছিব খুজিছিলা সোঁতৰ সতে
মই চুমিছিলো তোমাৰ দুবাহু।
আগুৱাই আহিছিল এখনি অৰণ্য
এতিয়া চকু মেলিলেই দেখা পাওঁ,
মৰহা কপৌ
হৃদয় আবৰি থাকে লঠঙা আহঁতে
মুখ থেকেচি পৰি থাকে বহাগৰ সন্ধিয়াত। □



যদি আনৰপৰা সন্মান পাব খোজা, নিজেও আনক সন্মান কৰিবা —— বেঞ্জামিন


# মহাবিদ্যালয় সপ্তাহৰ ৰেঙণি



মনোজ কুমাৰ শৰ্মা
বছৰৰ শ্ৰেষ্ঠ অন্তঃদ্বাৰ খেলুৱৈ



সংগীতা ঠাকুৰীয়া
বছৰৰ শ্ৰেষ্ঠ গায়িকা



হিতেশ কুমাৰ ডেকা
বছৰৰ শ্ৰেষ্ঠ সাহিত্যিক




আৰতি বৰুৱা
বছৰৰ শ্ৰেষ্ঠ অন্তঃদ্বাৰ খেলুৱৈ



পংকজ কুমাৰ শৰ্মা
বছৰৰ শ্ৰেষ্ঠ ৰচনা প্ৰতিযোগী



নৱনীতা ডেকা
বছৰৰ শ্ৰেষ্ঠ অভিনেত্ৰী



সঞ্জীৱ নায়ক
বছৰৰ শ্ৰেষ্ঠ দবা খেলুৱৈ




সুনীতি বৰুৱা
বছৰৰ শ্ৰেষ্ঠ বহিঃদ্বাৰ খেলুৱৈ




মৃগেন কুমাৰ শৰ্মা
বছৰৰ শ্ৰেষ্ঠ ক্যাবাটিয়ান


# মহাবিদ্যালয় সপ্তাহৰ ৰেঙণি



শ্বাহনাৱাজ আহমেদ
বছৰৰ শ্ৰেষ্ঠ তাৰ্কিক ও বক্তা



শ্ৰেষ্ঠ ভলীবল দল
বাওঁফালৰ পৰা থিয় হৈ ক্ৰমে ঃ লক্ষী কলিতা, দিগন্ত বৰুৱা, মুকুট ডেকা
বাওঁফালৰ পৰা বহি ক্ৰমে ঃ পৰেশ হাজৰিকা, প্ৰল্লৱ প্ৰাণ শাণ্ডিল্য, পুলক শৰ্মা



লৱ কুমাৰ শৰ্মা
বছৰৰ শ্ৰেষ্ঠ দেহশ্ৰী প্ৰতিযোগী



মনোজ কুমাৰ ডেকা
বছৰৰ শ্ৰেষ্ঠ অভিনেতা



ৰুক্ম বড়া
বছৰৰ শ্ৰেষ্ঠ সমাজ সেৱক



উপেন্দ্ৰজিৎ কলিতা
বছৰৰ শ্ৰেষ্ঠ নৱাগত

# মহাবিদ্যালয়ৰ গৌৰৱ



বিপুল চহৰীয়া

বছৰৰ শ্ৰেষ্ঠ বহিঃদ্বাৰ খেলুৱৈ লগতে আন্তঃমহাবিদ্যালয় যুৱ ক্ৰীড়া মহোৎসৱত ২৫০০ মি., ৩০০০ মি. আৰু ৪X৪০০ মি. ৰিলে বেছত সোণৰ পদক প্ৰাপ্ত



ভাস্বতী শৰ্মা

শিক্ষা বিষয়ত প্ৰথম বিভাগৰ ৬ষ্ঠ স্থান



মঙলদৈ মহাবিদ্যালয়ৰ পৰা চিলঙৰ শিবিৰলৈ যোৱা N.C.C.ৰ কেডেট সকল

বাওঁফালৰ পৰা থিয় হৈ ক্ৰমে ঃ কুলদা বড়া, আমিকুল ইছলাম, মৃদুল কুমাৰ শৰ্মা

বাওঁফালৰ পৰা বহি ক্ৰমে ঃ ইউ.ও. কৰুণা কান্ত ডেকা, যুগল কুমাৰ বৰুৱা, ইউ.ও. দ্বীপেন ডেকা



শেৱালী বড়ো


আন্তঃ মহাবিদ্যালয় যুৱ ক্ৰীড়া সমাৰোহত লং জাম্প, শ্বটপুটত সোণৰ আৰু ডিচকাচ থ্ৰ'ত ব্ৰঞ্জৰ পদক প্ৰাপ্ত

# মহাবিদ্যালয়ৰ গৌৰৱ



কুমাৰ ৰাজেন্দ্ৰ নাৰায়ণ দেৱ

আন্তঃ মহাবিদ্যালয় ক্ৰীড়া মহোৎসৱত ৪০০ মি., ৪০০ মি. হাৰ্ডল ৰেচ আৰু ৪X৪০০ মি ৰিলে ৰেচত সোণৰ পদক অৰ্জন কৰোঁতা



গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা ৪ৰ্থ বাৰ্ষিক সদৌ অসম আন্ত মহাবিদ্যালয় ক্যাৰাটে প্ৰতিযোগিতাত প্ৰথম আৰু দ্বিতীয় স্থান অধিকাৰ কৰোঁতা ক্ৰমে শ্ৰীচম্পক দাস (৫০-৫৫ কে.জি.) সোণৰ পদক ; শ্ৰীজয়ন্ত শৰ্মা (৪৫-৫০ কে.জি.) ৰূপৰ পদক



শশাংক হাজৰিকা

দৰং জিলা স্বাস্থ্য সেৱাৰ দ্বাৰা 'বিশ্ব এইড্‌চ দিৱস' উপলক্ষে আয়োজিত 'AIDS : ITS PREVENTION ' শীৰ্ষক প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত



আন্তঃ মহাবিদ্যালয় যুৱ ক্ৰীড়া মহোৎসৱত মুকাভিনয় আৰু ব্যংগ নাটত তৃতীয় শ্ৰেষ্ঠ দল ।

বাওঁফালৰ পৰা থিয় হৈ ক্ৰমে ঃ মনোজ ডেকা, মৃণাল ৰাজবংশী, চিন্ময় কটকী, বিনয় ভট্ট

বাওঁফালৰ পৰা বহি ক্ৰমে ঃ নৱনীতা ডেকা, বিশ্বজ্যোতি শৰ্মা, মৰমী বৰুৱা

# English Section

# Good manner change failures into success

*Manos Baruah*
T.D.C. 3rd year

Most human miseries could never have arisen if the people involved had treated each other with common courtesy, kindness and consideration. Are these not the common phrases heard all around : "If only my boss had shown a little genuine apprecition for my hard and sincere efforts......" "A little more courtesy, a little more understanding from my colleagues."

These are typical expression of a grim-faced office-goer and of a defeated individual arising out of situation devoid of common courtesies. Little tact, patience, understanding, kindness, courtesies and good manners could have turned the failures of indivuduals into success. Remember that how you say something often counts more than what you say. Courtesy or good manners is often a casualy when dealing with near and dear ones. Usually we go out of our way to show courtesy to strangers. The intensity of courtesy increase if the stranger happens to be an important person. But how sad and unfortunate that the better we get to know people and the closer they are to us, the less courteous we tend to be.

A man may treat abureaucrates or a M. L. A. or a minister with extreme politeness and courtesy, but when dealing with his own employee, neighbour, friends or parents, his attitude is that of careless rudeness. Their services are taken for granted. A little courteous behaviour is one of the excellant ways of winning willing co-operation and friendship. Why not try it ? Human beings everywhere huger for courtesies and are repelled by the lake of it— said Norman Vincent Peale. Said the well-known American poet and Essayist Rolph Waldo Emerson : "Good manners are the happy way of doing things. On the courtesy bad manners can ruin a day or wreak a freindship." Good manners or courtesy is not a sign of weakness but is the reflaction of a man's inner strength and self confidence. Rudeness is the weak man's imitation of strength.

How sad that in life people get so drunk about their self importance and egoism that they go around consciously or unconsciously hurting others through their action to behaviour without ever carring for other persons' feelings. Such people creat more problems in life than solve them.

If courtesy is such on asset, why is it so uncommon? the blunt reason is that we are all born selfcentered. Good manners require us to place other people's needs on a level with our own. Goods manners necessarily call for a heighly developed sense of justice an fairplay.

You might think it ridiculous to thank people for doing a job which they are normally supposed to do, or for which they are paid. But consider how much pleasure you will be able to give your mother by appreciating the meal she has cooked. Thanking your freinds, sister or brother for helping you on your work will make them fell better. A little appreciation of other's services is like grease in dry gears.

Courtesies do not cost you anything. Why not make people around you happy-it will make you happier yourself. Do not wait until some one does something big for you to show your gratitude and appreciation. Thank people for little thinks they do for you. Take a minute to say "Thank you." And say it sincerly and not just machanically. Say it with your lips, your eye-brows, your handshake, with a put on the back or with a bouquet of flowers.

Many a life's trickly situations can be saved by the use of a simple word 'Sorry'. If you unconsciously hurt anyone's fellings and sentiments a genuine expression of regret over your action can correct the situation much easier and faster if you turn round and say 'Sorry' instead of trying to explain situations and argue your case. How often in life we see a great may misunderstandings sorted out, a great many quarrels eliminated when the person at foult turns round and tenders his apologies. It cools the tempers and puts cheer in an otherwise tense situation. A wise man never hesitates to tender his apologies whenever he feels thatsomeone may have been hurt on his count. "Don't you like to become wise ?" Adopt 'Sorry' as an important word in your vocabulary and use it as frequently as nacessary to correct odd situations and you will make more friends.

But like 'Thank you', let your 'Sorry' be a sincere one and coming from the heart. Let it never be used as a tool to fool others after intentionally hurting them. Carlyle once said "A great man shows his greatness by the way he treats little men." (Source - "Wisdom")

God's great power is in the gentle breeze, not in the storm.—Rabindranath Togore

# ENGLISH AS AN INTERNATIONAL LANGUAGE

*Sri Kiran Devi*
T. D. C. First year (Arts)

English is the connecting language of India. In India English has also assumed an important place. About two centuries ago, people who spoke this language maintained a constant an intimate touch with this country. Naturally, it has a part of the educational set up in India. After independence, Hindi was declared as he national language and it was through that by 1965 English shall be replaced fully by Hindi. That situation has not yet been reached.

English language is an easy means of communication in the international sphere. It is the mother toungue of 250 million people in the world. The countries where English is mother toungue or first language are the U.K., U.S.A., Canada and Australia. Some other countries like India, Pakistan, France use English as a second language and number of peoples are nearly 200 million, thus English is spoken by 450 million people in the world, which is next only to the Chinese language, but there is a wide and significant difference in the distribution of the speakers of the two languages, where are Chinese is confined mostly to the Chinese sub continent - but English is used in all parts of the world. It is the language of international politics, trade, commerce and industry. If we want to recognise the wide world, we must read English. One out of 10 persons, in the world knowns english. 75% of world's mail, 50% of world's newspapers over 60% or world's radio stations and more than 50% of the world's scientific and technical periodicals, use English as medium of expression. It is one of the six official language of the U. N. O. In the world of F. G. French, "By accidents of history and the rapid spread of industrial development, science, techonology, international trade and by something like and explosion in he speed and ease of travel and by all the factors which have braken down frontiers and forced nations into closer interdependence. English has become a world language. It is means of international communication, there is no other".

**As an international language, English has created better understanding among the world and has been responsible for cultural give and take. It has faciliated mobility of teachers and students from one country to another.**

As an international language, English has created better understanding among the world and has been responsible for cultural give and take. It has faciliated mobility of teachers and students from one country to another.

In addition, English has to day become one of the major languages of the world and Indians can neglect its study only at the risk of loss to themselves. I am convinced that in the future as well, the standard of teaching English should be maintained as high level as possible.

From the point of view of literature, it is useful to study English. Indian language have borrowed a lot from English literature as well as other foreign literatures. In short, it can be said that English is useful and important for the people of this country.

Help books -
1), The Teaching of English - B. C. Roy.
2) Techniques of Teaching English - A. L. Kohli.
3) Rapidex English Speaking Course -R. K. Gupta.

No one who holds himself aloff from the activities of the world and who is insensitive to its woes can be really wise. — S. Radhakrishnan

Non-Co-operation with evil is sacred duty of man. — Mahatma Gandhi

# My Love To You

*Sri Ranjana Rani Dutta*
*T. D. C. 2nd Year*

How can I say ?
That you are nearest
to my heart ,
The sun of the day and
the moon of the night ,
In the darkest night and
in the freshest morning ,
In my dreams and
in my thoughts ,
I can see only you .
When you came to my life
the stream started to flow
the breeze started to blow
But , now everything stops
because of you .
Please don't disturb me again
and leave me alone ,
Because ,
I'm now trying to
control the feelings
of my own .
Though , I know that
I can't live without you ,
yet , I request you ,
Please go -------!

***





# In The Moonlight

*Mr. Tulashi Gopal Goswami*
*B. Sc. 2nd year*

In the moonlight
Looking for light
Oh ! no light for me
Lots of clouds overhead
Surrounding me
The clouds laugh
Out of sorts ! !
Why do they haste to come here
Where there is no peace , faith and love
Oh no ! it is the law of earth
That man doth come and go .

***

Education begins with life. — Franklin



# The Velentine Day

*Sofiqul Islam*
*T. D. C. 2nd Year (Sc)*

Do you remember the day ?
The fourteenth of February ,
When for the very first time ,
We meet each other .
It was not an occasion
But an accident .
We looked each other , without knowing why!
Your innocent look snatched my eyes ,
Towards you ,
Your unusual deeds attracted my mind ,
Towards you ,
I was just bound to keep my eyes
In yours
I felt - what I never felt before ,
I saw - what I had never seen before .
It is the word ' LOVE ' what I found
In your innocent eyes !
Today I admit
The day was the fourteenth of February
It was the day of the Velentine day

***

# It Burns This Heart Of Mine

*Sri Pranab Jyoti Sarmah.*
*T. D. C. 2nd Year .*

Every day, Every moment
I feel your presence near me ,
Cause I am in love .
Sometimes smile and laughter,
happy and gay,
Wonderful like a Sunny day .
Sometimes lonely, afraid and dull ,
Sad at the cruelties of the world .

At night you appear
In my sweet dreams to say something,
But brightness makes me feel alone,
Keep me far from you .
So I may come off the darkness and play in the sun .
At last I'll be free and have all the fun .
The joy so sweet and stronger than wine
And it will burn this heart of mine
And it is burning this heart of mine .

***




Kindness is noble ever than revenge. — Shakespeare

# Vain Hopes

*Alal Uddin Ahmed.*
*B. Sc. 3rd Year*

Why hopes in Vain
My life in pain
Alone in this world
Left to mourn.
Where's that Love gone ?
Those promises she made,
Never to separate.
To care and share our feelings
For each other,
Where's that promise gone ?
Why am I left alone ?
The hopes she had,
To build a home,
With pillars of love,
And a roof of understanding,
The walls of trust,
Where's that hope gone ?
Why am I left to mourn
Alone in this world ?

***





# Is it love ?

*Hussain Mohd. Ershad Alam.*
*T. D. C. 1st Year*

In the way of my life's journey,
Suddenly I saw her.
She smiled to see my eyes.
When I again met her,
She promised me
To meet me again.
At first she said about
her future, present and past.
After these, one day she said simply
That little word.
I wondered.
I began to see her face and eyes.
Still saying those words.
I found her as Venus.
And said to her "you are my all"

But suddenly she vanished.
My dreamland full of pleasure
Became a silent crematorium.
The light of my eyes is gone.
For what I fill the eyes with tear.
My love's house is destroyed.
The golden days of my life
Passed away in her memory.

***

Evrey man is the architect of his own fortune. — Madam Dorothy Kelusy

# 50 International Organisation

Collected by
**Kuladip Saikia**
T.D.C. 3rd year

| | Name | Date/ Year | Place | Members/ Parties | Purpose |
|---|---|---|---|---|---|
| 1. | League of Nations | 1920 | Geneva | - | * Aims to established world peace among the Nations. |
| 2. | United Nations Organisation ( U.N.O. ) | Oct. 24, 1945 | New York | 185 | * To Setup world peace and Co-operation among the Nathions. |
| 3. | International Labour Organisation (I.L.O ) | 1919 | Geneva | - | * Promoting social justice, improve condition and living standard of the workers of the world and promote economic stability. |
| 4. | International Atomic Energy Agency(I.A.E.A.) | July-29,1957 | Vienna | - | * To promote the peaceful uses of atomic energy and to ensure that assistance provided by it or its request or its supervision or control is not used in such a way as to furtherany military purpose . |
| 5. | Food and Agriculture Organisation(F.A.O.) | Oct.16,1945 | Rome | - | * It aims to raise nutrition levels and living standards, secure improvements in production and distribution of food and agricultural product. |
| 6. | United Nations Educational,Scientific and cultural Organisation. (U.N.E.S.C.O.) | Nov.4,1946 | Paris | - | * To contribute to peace and security by promoting collaboration among Nations through education,science, culture in order to further justice, rule of law and human rights and freedoms without distinction. |
| 7. | World Helth Organisation (W.H.O.) | April.7,1948 | Geneva | - | * It aims to aid the attainment by all people of the highest possible level of health. |
| 8. | International Bank for Reconstruction and Development. (I.B.R.D.) | July, 1944 | Washington D.C. | 149 countries | * It is to eliminate the long term disequilibrium in the balance of payment of members countries. |
| 9. | World Meterological Organisation (W.M.O.) | March, 23, 1950 | Geneva | - | * It aims to promote international exchange of weather reports and maximum standerdisation of observations to promote meterological investigations affecting jet aircraft, satellites, energy resources. |
| 10. | International Maritime Organisation (W.M.O.) | March,17, 1958 | London | - | * It aims to promote co-operation in technical problems of international shipping and to encourage the removal of discriminatory action by governments and restrictive practices by shippers. |

| Name | Date/ Year | Place | Members/ Parties | Purpose |
|---|---|---|---|---|
| 11. *General Agreement of Tariffs and Trade (G.A.T.T.)* | 1947 | Geneva | 108 Countries | * To raise standard of living, full employment, full use of the resourcs and expansion of production. |
| 12. United Nations Childrens Fund.(U.N.I.C.E.F.) | 1946 | New-York | 30 Parties | * It is only distinctive inter-government organisation concerned with children's welfare. |
| 13. United Nations Development Programme (U.N.D.P.) | - | New-york | - | * It helps developing countries to increase the wealth production capabilities of their natural and human resources by providing exports. |
| 14. United Nations Environment Programme (U.N.E.P.) | 1972 | Nairobi | - | * It provids machinary for international co-operation in matters relating to the human environment. |
| 15. United Nations Fund for Population Activties (U.N.F.P.A.) | 1962 | New-york | | * It aims to promote population programmes and in extending systematic and sustained population assistance to developing countries and helps them in dealing with their population problems. |
| 16. United Nations High Commissioner for (U.N.H.C.R.) | 1950 | Geneva | | * Aims at providing international protection for refugees and seeks permanent solution to their problems through Refugees voluntery repatriation, migration to other countries or local integration, besides undertaking special humanitarian tasks. |
| 17. United Nations Industrial Development Organisation (U.N.I.D.O.) | | Vienna | | * It aims at encouraging and extending assistance to developing countries for development, expansion and modernisation of industry. |
| 18. International Development Association (I.D.A.) | Sept.24, 1960 | Washington D.C. | 120 countries | * To help the undeveloped countries in the task of raising their living standards. |
| 19. International Finance Corporation (I.F.C.) | July,20 1956 | Washington D.C. | 110 countries | * It aims at further economic development by encouraging productive private enterpries in its member, particularly in the less developed areas. |
| 20. International Monetary Fund (I.M.F.) | Dec. 27, 1945 | Washington D.C. | 149 countries | * It aims to held the relation between monetary and financial delegations. It also establishes international economic relation mainly in the monetary field. |
| 21. Interntional Civil Aviation Organisaion (I.C.A.O.) | April, 4, 1947 | Montreal | - | * To study problems of international civil aviation and establish international standards and regulations. |
| 22. Universal Postal (U.P.U.) | Oct. 9, 1874 | Berne | - | * It aims to perfact various postal services and promote Union development of International collaboration. |
| 23. International Tele cmmunication Union (I.T.U.) | 1865 | Geneva | - | * It sets up international regulations for radio, telegraph, telephone and space radio-communications. |

| Name | Date/Year | Place | Members/ Parties | Purpose |
|---|---|---|---|---|
| 24. Economic and Social Commission for Asia and the Pacific (E.S.C.A.P.) | | Bankok | - | * To promote economic devaent of Asia and for east countries by promoting besocial, economic, education and health conditions. |
| 25. World Intellectual Property Organisation (W.I.P.O.) | 1970 | Geneva | – | * To promote worldwide proin of copyright materials in inventions trademarks, ds, literacy works, music, photographic and other artivorks. |
| 26. International Fund for Agricultural Developement (I.F.D.A.) | Dec. 1985 | Rome | | * For raising food production eveloping country, employing poor and landless farmand reducing malnutrition in the 3rd world countries. |
| 27. South Asian Association for Regional co-operation (SAARC) | Dec. 1985 | | India, Pakistan, Bhutan, Bangladesh, Nepal, Sri-Lanka, and Maldives | * To collect self reliance in t to over come problems of proverty, illiteracy, malnutriand disease in this area. |
| 28. Organisation of Economic Co-operation and Development (O. E. C. D.) | Sept. 30 1961 | Paris (France) | – | * It aims at encouraging wtrad and economic progress and aid under-developed na. |
| 29. The Commonwealth | – | London | 50 nations | * To independence from Britisnination in generaly smooth and orderly manner, these cies make up the family of commonwealth. |
| 30. The Non-Aligened Movement (N. A. M.) | Sept. 1961 | – | 120 countries | * It aims at keeping 3rd v countries away from the super power rivalry. Its basiust in favour of world peace, disarmaments, development freedom. |
| 31. North Atlantic Treaty Organisatin (NATO) | April, 4 1949 | Brussels, Belgium | 16 countries | * It aims to settle dispets by eful means. |
| 32. European Economic Community (EEC) | Jan. 1 1958 | Brussels | 12 countries | * To pool this economics.le retaining this separate national identities. This ulti goal is a complete customs union with free flow of goervices and labour among all members. |
| 33. Europian Free Tread Association (E. F. T. A.) | Jan. 1960 | – | – | * Its main goal is gradual rion of customs duties and quantitative restrictions on irial goods among members |
| 34. Organisation of American States (OAS) | 1948 | Washington D.C. (U.S.A.) | 32 | * |
| 35. Central Treaty Organisation (CENTO) | 1955 | Ankara, Turkey | – | * To provide a defence shien the northern tier of the middleast against soviet pelion. |
| 36. South-East Asia Treaty Organisation (SEATO) | Sept. 8 1954 | Bankok (Thiland) | – | * To provide for collective de and economic co-operation in South - East Asia. |

| Name | Date/ Year | Place | Members/ Parties | Purpose |
|---|---|---|---|---|
| 37. *Association of South-East Asian Nations ( ASEAN )* | Aug. 8 1967 | Jakarta, ( Indonesia) | – | * To promote active collaboraion and mutual assistance in matters of cammon interest in the economic, social, cultural, technical, scientific and administrative Asian Nations field . |
| 38. Organisation of Pretrolium Exporting countries (OPEC) | Nov. 1960 | Vienna (Austria) | – | * To control production and pricing of crude oil . |
| 39. International Committee of the Red Cross ( ICRC ) | 1863 | Geneva | – | * Care for the victims of war and to enforce the verious conventions on wartime practice . |
| 40. International Criminal Polic Organisaion (INTERPOL) | 1956 | Paris | 122 countries | * Ensures maximum co-operation between polic authorities, with the strict exclusion of political, military, religious and racial matters . |
| 41. Group of 77 | 1964 | – | – | * To protect and defend the economic and trade interests of the developing countries . |
| 42. South Commossion | – | Geneva | – | * Seeks to safeguard the interest of the mamber countries against the discriminatory practices and policies imposed by the international financial institutions and the editor governments . |
| 43. Colombo plan | July,1 1951 | Colombo | 20 | * Seeks to improve the living standards of the people of south and north Asia by reviceeing development plans and co-ordinating development assistance . |
| 44. Andean Group | Oct. 16 1969 | Lima (Peru) | – | * To end trade barriers among member nations and creat a common market . |
| 45. Council for Mutual Asistance (COMECON) | June, 25 1949 | Moscon | – | * Co-ordinating and integrating mambers economics Economic under U.S.S.R. |
| 46. Warsaw Treaty Organisation (Warsaw Pact) | May, 14 1955 | Mascon | – | * It provides for unifide military command with head querters in Moscon, if one member is attacked, the other will aid with necessary steps . |
| 47. League of Arab states Arab League) | March,22 1945 | Tunis | – | * To strengthen members this and further promote Arab (The aspirations . |
| 48. Organisation of African Unity (OAU) | May,1963 | Addis Ababa (Ethiopia) | 32 countries | * To preserve of its members independence ; the Colonialim in Africa and the development of common scientific, political and economic programe and policies . |
| 49. France Community | 1958 | Franch | – | * Aims to inprove agricultural production, health and education. |
| 50. G-7 | July,31 | Mascon 1991 | – | * To reduce nuclear arsenals by 30 percent and hailed as a signal dispelling five decades of mutual mistrust . ◻◻ |



# উপ সভাপতিৰ প্ৰতিবেদন

মঙলদৈ মহাবিদ্যালয় আজিৰ পৰা প্ৰায় পঞ্চাশ বছৰ আগতে প্ৰতিস্থিত। ২০০১ চনত ইয়াৰ সোনালী জয়ন্তী বৰ্ষ। মহাবিদ্যালয়খন প্ৰতিষ্ঠা হোৱাৰে পৰা সমগ্ৰ দৰং জিলাতে ইয়াক কেন্দ্ৰ কৰি এক সুস্থ পৰিবেশ গঢ় লবলৈ ধৰে। তথাপিও ভাৰতবৰ্ষৰ কোনো কোনো অঞ্চল শিক্ষা-দীক্ষাৰ ফালেৰে যেনেদৰে আগবাঢ়ি গৈছে তাৰ তুলনাত জিলাখন আজিও বহু পিছ পৰি থকাটো পৰিলক্ষিত নোহোৱা নহয়। মেধাসম্পন্ন দুই-চাৰি গৰাকী ছাত্ৰ-ছাত্ৰীয়ে জিলাখনৰ গৌৰব নবঢ়োৱাও নহয়।

মহাবিদ্যালয়খন  সম্পূৰ্ণ হবলৈ এতিয়াও বহু বাকী থকাটো দৃষ্টিগোচৰ হয়। ৰাইজ তথা ছাত্ৰ-ছাত্ৰীৰ সহযোগত নিশ্চয় কম দিনত মহাবিদ্যালয় খন সম্পূৰ্ণ হব।

মই ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে নিৰ্বাচিত হোৱাৰ সুযোগ দিয়াৰ বাবে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ সুযোগ বুজি এইখিনিতেই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ছাত্ৰ একতা সভাৰ বিষয় ববীয়া সকলৰ লগত আলোচনা মৰ্ম্মে মহাবিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ উন্নতিৰ কাৰণে বিভাগীয় ভাবে যৎপৰোনাস্তি চেষ্টা কৰা হৈছে। তথাপি বিভিন্ন কাৰণত আমাৰ বহু সমস্যা, সমস্যা হৈয়েই আছে।

জিলাখনৰ লগত আমাৰ মহাবিদ্যালয় খনৰ যোগাযোগৰ সম্পূৰ্ণ সুবিধা থকা বাবে শিক্ষা বিভাগৰ কাম কাজ তথা প্ৰশাসনীয় বা সামাজিক আদি কাৰণত প্ৰায়ে মহাবিদ্যালয় খনি ব্যৱহাৰ কৰা হয় বাবে আমিবোৰে কিছু অসুবিধা নোপোৱা নহয়। মহাবিদ্যালয় কতৃপক্ষই এই ক্ষেত্ৰত নজৰ দিব বুলি আশা কৰিলোঁ। ইয়াৰোপৰি মহাবিদ্যালয়ৰ শৃংখলালৈ লক্ষ্য ৰাখি চৌহদত সকলো প্ৰকাৰৰ যান-বাহন যেনি-তেনি সিঁচৰিত কৰি ৰখোৱাতো বন্ধকৰি এক নিৰ্দিষ্ট স্থানত ৰখোৱা কৰিলে ভাল হয়। এইখিনিতেই অন্য এটা কথা উত্থাপন কৰিব বিচাৰিছোঁ। শোচনীয় বিপৰ্যয়ৰ মুখলৈ ধাৱমান হোৱা মহাবিদ্যালয়ৰ হোষ্টেল দুখনৰ প্ৰধানকৈ Boy's Hostel খনৰ প্ৰতি কৰ্তৃপক্ষই তৎকালীন ভাবে ব্যৱস্থা লোৱাটো প্ৰয়োজনীয় হৈ পৰিছে। বিভিন্ন অভাব অভিযোগৰ লগতে কিছুমান আসোঁৱাহ আবাসী হিচাপে মই উপলব্ধি কৰাটো স্বীকাৰ কৰিছোঁ।

আমাৰ কাৰ্য্যকালত আমি অপ্ৰত্যাশিত ভাবে হেৰুওৱা শ্ৰদ্ধাৰ নেচা বাইদেউ, বিদ্যুত বাইদেউ, লগতে কেইজনমান ছাত্ৰ সতীৰ্থক এই ক্ষণত সোঁৱৰণ নকৰি নোৱাৰিলোঁ। তেখেত সকলৰ আত্মাৰ সদ্‌গতি কামনা কৰিছোঁ।

এই সুযোগতে অন্য এটা কথা উত্থাপন কৰিব খুজিছো যে Hostel দুখনৰ ক্ষেত্ৰত Boy's Hostel ৰ প্ৰতি কৰ্তৃপক্ষই তৎকালীন ভাবে ব্যৱস্থা ললে উচিৎ কাম হব বুলি মই ভাবো। এজন আবাসী হিচাপে মই নিজে বহু ক্ষেত্ৰত তত্বাবধানৰ গাফিলটিৰ কথা স্বীকাৰ কৰিছোঁ।

১৯৯৭-৯৮ বৰ্ষৰ খেল সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দীতাই জয়লাভ কৰাৰ পিছত ১৯৯৮-৯৯ বৰ্ষৰ বাবে উপসভাপতি পদত নিৰ্ব্বাচিত হওঁ। ১৯৯৮-৯৯ বৰ্ষৰ কাৰ্য্যকাল সুচাৰু ৰূপেই পৰিচালনা হৈ যায় যদিও আমি কলেজৰ অধ্যাপিকা নেচা বাইদেউক আৰু কেইজনমান ছাত্ৰক হেৰুৱাও। এই প্ৰতিবেদনৰ যোগেদিয়েই তেখেত সকলৰ চিৰশান্তি কামনা কৰিছো।

ছাত্ৰ একতা সভাৰ ভাৰপ্ৰাপ্ত অধ্যাপক ড° আমানুল হক চাৰ, অধ্যক্ষ লোকেশ্বৰ নাথ চাৰ, অধ্যক্ষৰ দায়িত্বত থকা ড° অমিয়া দেৱী বাইদেউলৈ, আমাৰ কাৰ্য্যকালত যি সহায় আগবঢ়ালে তাৰ বাবে তেখেত সকলক কৃতজ্ঞতাৰে সোঁৱৰিছো। আৰু ছাত্ৰ একতা সভাৰ বিষয় ববীয়াকে ধৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে আমাৰ কাৰ্য্যসূচীত সম্পূৰ্ণ সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে তেখেত সকলক ধন্যবাদ জ্ঞাপন কৰিছো।

"জয়তু মঙলদৈ মহাবিদ্যালয়"

শ্ৰীদীপক শৰ্ম্মা
উপ সভাপতি
ছাত্ৰ একতা সভা।



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

মহাজীৱনৰ মহাসাধনাৰ
অশাৰ গজালি তুমি
জ্ঞান গৰিমাৰ ধ্যান ধাৰণাৰ
মহান পূণ্য ভূমি ॥

দৰঙৰ চাৰিওদিশ জিলিকাই তোলাৰ মানসেৰে, ডেকা গাভৰু সকলক প্ৰজ্ঞাৰ পোহৰেৰে দীপ্ত কৰি তুলিবলৈ গঢ়ি উঠা মঙলদৈ মহাবিদ্যালয় হৈছে সমগ্ৰ দৰং জিলাৰ শৈক্ষিক তথা বৌদ্ধিক জগতৰ প্ৰাণকেন্দ্ৰ।

সাধাৰণ সম্পাদকৰ প্ৰতিবেদনৰ আৰম্ভনিতে মই অতি সংক্ষেপে মহাবিদ্যালয় খনৰ প্ৰসব বেদনাৰ সেই দিন কেইটালৈ উভতি যাব খুজিছো। এখন অনুষ্ঠান সবল কৰি অনাত বহুত সময় লাগে। উপযুক্ত নেতৃত্ব, ত্যাগ আৰু প্ৰচেষ্টাৰ দৰকাৰ, এই মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাত ঐকান্তিক নেৰানেপেৰা প্ৰচেষ্টাত লাগি থকা মহাবিদ্যালয়ৰ উক্ত পুৰুষ সকলক স্মৰণ নকৰি থাকিব নোৱাৰি। যি সকলে মহাবিদ্যালয় খনি প্ৰতিষ্ঠা কৰাত অগ্ৰনি ভূমিকা ললে তেখেত সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু প্ৰয়াত সকলৰ আত্মাৰ চিৰশান্তি কামনা কৰিছো। ডাইনীয়ে মতা ভূতৰ ৰাজত্ব চলা হাবি বননি গছলতাৰে ভৰা এখন শ্মশানত এনে এখন বিদ্যা মন্দিৰ প্ৰতিষ্ঠা হব এই আশা উত্তৰ পুৰুষৰ অবিৰত শংখ, ঘন্টা, ধুপ-ধুনাৰ আমোলমোলত এগছি বন্তি জ্বলিল। ইং ১৯৫১ চনত এই অনুষ্ঠান খনে দৰং জিলা তথা সমগ্ৰ অসমতে সুবাস বিলাবলৈ সক্ষম হ'ল। পঞ্চাশৰ দশকৰ পৰা আৰম্ভ কৰি বৰ্ত্তমান একবিংশ শতিকাৰ দুৱাৰ দলিত থিয় দি আজি মঙলদৈ মহাবিদ্যালয়ে বহুতো হতাশাত ভুগিব লগাত পৰিছে। নিঃসন্দেহে সোনালী জয়ন্তী বৰ্ষৰ দুৱাৰ গৰকা দৰঙ বাসীৰ হিয়াৰ আমঠু স্বৰূপ মঙলদৈ মহাবিদ্যালয়ে অসমৰ শিক্ষা, ভাষা, সংস্কৃতি, জাতীয় চৰিত্ৰ আৰু সমাজ গঠনৰ প্ৰতিটো স্তৰতে যোগাই আহিছে অনাদ্য অৰিহনা। অৰ্দ্ধ শতাব্দীৰ গৰিমাৰে প্ৰোজ্বল হোৱা এই মঙলদৈ মহাবিদ্যালয়ৰ মূল চালিকা শক্তি ইয়াৰ ছাত্ৰ সমাজ। এই ছাত্ৰ সমাজৰ মূল্য দায়িত্বৰ সৈতে জড়িত হৈ পৰিব পৰাটো যথাৰ্থতে এক গৌৰৱৰ বিষয়। এই গৌৰৱে মনলৈ কঢ়িয়াই আনে এক আনন্দৰ ফল্গুধাৰা।

**'সাম্প্ৰতিক':**

কেউপিনে হত্যা, মৃত্যু সন্ত্ৰাস। অগ্নিগৰ্ভা অসমৰ এয়া ভয়ংকৰ ছবি। মানবতা বধ্যভূমিত পৰিনত হৈছে আজিৰ অসমত। ইতিহাসৰ পাততো হয়তো এনে দিনৰ ছবি আছে কিন্তু আমাৰ জীৱন কালত এনে গভীৰ সংকটৰ দিন কেতিয়াও পূৰ্বতে কোনেও হয়তো পাৰ কৰা নাছিল। কিহৰ পৰা কি হ'ল কোনেও উৱাদিহ নাপায়। সকলোতে মাথো আউল লাগে। অংকবোৰ খেলিমেলি।

কোনে কাক ক'ত হত্যা কৰিছে, কাৰ ক'ত কেতিয়া মৃত্যু ঘটিব তাৰ কোনো নিৰ্দিষ্ট কাৰণ নাই, নিৰ্দিষ্ট কাৰণৰ, বা কাৰোবাৰ ওচৰত কৈফিয়ৎ দিয়াৰো প্ৰয়োজন নাই। হত্যা স্বাভাৱিক মৃত্যু স্বাভাৱিক আদি জনসাধাৰণৰ বিভ্ৰান্ত। জনসাধাৰণে শান্তি বিচাৰে, শান্তিত থাকিবলৈ বিচাৰে, তথাপিও এই জনসাধাৰণৰ ওপৰত জাপি দিয়া হয় অশান্তি, আতংক, অনিশ্চয়তা আৰু সৰ্বোপৰি সন্ত্ৰাস। যাৰ কোনো অতীত নাই, বৰ্ত্তমান নাই তাৰ আকৌ ভৱিষ্যতনো কি? ভৱিষ্যতো দেখো অন্ধকাৰ। অসমীয়া জাতিৰ ভৱিষ্যত কি? অসমীয়া এটা জাতি হিচাপে থকাৰ সম্ভাৱনা আছেনে? গণতান্ত্ৰিক সমাজ ব্যৱস্থাত আইনৰ দৃষ্টিত সকলো সমান কিন্তু লেতেৰা ৰাজনীতিৰে পূৰ্ণ কেইখন দেশত নাগৰিক আইনৰ সমঅধিকাৰ পাইছে ভূমি সংস্কাৰ নীতি ৰঙা ফিটাৰ মেৰ পাকত আবদ্ধ থাকিল। শোষণৰ বলি হৈ দুখীয়া কৃষক শ্ৰেণীটোৱে ত্ৰাহি মধুসুদন শুৱৰিছে। তোষামোদ কাৰীৰ পৰিণতিত তথাকথিত নেতা সকল ব্যস্ত থাকে।

নিৰীহ জনসাধাৰণৰ জীৱনক লৈ খেলা কৰা এনেবোৰ জাতিদ্ৰোহীক ইতিহাসে ক্ষমা নকৰে সচাঁ। কিন্তু অনুমান হয় আজিৰ দিনটোত যেন তেওঁলোকেই জয়ী। তেওঁলোকৰ দপদপনিত যেন সকলো সন্ত্ৰস্ত। নেতৃত্ব দিয়াৰ নামত বীৰৰ আসন লভাৰ নামত তেওঁলোকে এপিনৰ পৰা নিঃশেষ কৰি আনিব লাগিছে মানবীয় মূল্যবোধৰ সেই ভেটিতো য'ত ঠিয়হৈ জন সাধাৰণে নানান ক্লেশ আৰু যন্ত্ৰনাৰ মাজতো শান্তিৰ উশাহ লৈছিল। দিনান্তৰ ক্লান্তিৰ শেষত ভগা পৰ্জাটোৰ তলতো সুখৰ নিদ্ৰাত ৰাতিতো পাৰ কৰিছিল। নিৰীহ জনসাধাৰণৰ সেই শান্তি, সেই সুখকনো হৰণ কৰি নিছে সেই দুষ্ট চক্ৰই। পুলিচ মিলিটাৰীৰ ভয়ত গাৱঁৰ ভগা পৰ্জাটোৰ ভিতৰতো শান্তিৰে শুব নোৱাৰে।

এয়া নিৰস সময়। অসমীয়া জাতিৰ জীৱনত এয়া অতি দুঃসময়। দুঃসময় পাৰ হৈ যাওক, সাহসেৰে থিয় হৈ যোৱাটোহে প্ৰয়োজন। জাৰ্মান দাৰ্শনিক সপেনহাৱাৰে এখন বচনাত লিখা এষাৰ কথা শুনিবলৈ যোগ্য: "ইতিহাসে এটা জাতিৰ জীৱন আমাৰ সন্মুখত দাঙি ধৰে সঁচা কিন্তু যুদ্ধ আৰু সংঘৰ্ষৰ বাহিৰে আন একোৱে যেন বৰ্ণনা নকৰে, শান্তিৰ সময়বোৰ বিশ্ৰাম আৰু বিৰতিৰ দুই এটা ক্ষণৰ বাহিৰে যেন একো নহয়। ঠিক একেদৰে জীৱনো হ'ল এক বিৰামহীন সংগ্ৰাম।"

জীয়াই থাকিবলৈ মানুহক অকল ভাত, কাপোৰেই যথেষ্ঠ নহয় , মানুহক লাগে বিশ্বাস, আস্থা আৰু সাহস । এই বিশ্বাস আৰু সাহস পুনৰ ঘূৰি আহক তাৰে কামনা কৰিছোঁ ।

**যুৱ শক্তি / যুৱ মানসিকতা ঃ**

বৰ্ত্তমান যুৱক-যুৱতী সকলক লৈ বিভিন্ন জনে বিভিন্ন সময়ত চিন্তা চৰ্চ্চা কৰিছে । কিন্তু সেই সকলৰ আলোচনাত যুৱ মানসিকতাৰ অধঃপতনৰ বাবে অকল যুৱক-যুৱতী সকলক দায়ী কৰিবলৈ চেষ্টা কৰিয়ে নিজৰ দায়িত্ব শেষ কৰে । যুৱ সমাজৰ প্ৰকৃত অৱস্থা, হতাশা, নিৰাশা আদিৰ বিষয়ে সাময়িক ভাবে চিন্তা কৰা হৈছে বুলি আমাৰ মনে নধৰে । গতিকে সমাজ বিজ্ঞানী সকলে যুৱ সমাজৰ হা-হুতাশাৰ বিষয়ে হৃদয়ঙ্গম কৰিবলৈ চেষ্টা কৰক আৰু সমস্যা সমাধান কৰিবলৈ আগবাঢ়ি আহক । নহলে যি যুৱ শক্তিক লৈ ভৱিষ্যতৰ ৰঙীন সপোন ৰচনা কৰা হয় সেই যুৱ শক্তিয়ে সমাজলৈ কঢ়িয়াই আনিব নিৰাশা-অনিশ্চয়তাৰে ভৰা এখনি ভয়াবহ ছবি । যুৱ শক্তিক অবজ্ঞা কৰি সামাজিক প্ৰগতি কেতিয়াও সম্ভৱ নহয় । সেই বাবেই স্বামী বিবেকানন্দই কৈছিল 'যি শক্তি অপচয় কৰিব পাৰি সেই শক্তিৰ উচিত প্ৰয়োগেৰে মানৱ কল্যানো কৰিব পাৰি ' আকৌ বাইবেলত কৈছে যে 'কোনো লোকেই যুবকক অবজ্ঞা কৰা উচিত নহয়' । আজি কালি তথাকথিত বহুতো যুৱক যুৱতীৰ শিক্ষা দিক্ষা আছে, অধ্যয়নৰ ডিগ্ৰী আছে কিন্তু জ্ঞান নাই । নৈতিকতা আচাৰ বিচাৰ, ব্যবহাৰিক জ্ঞান, কথা বাৰ্তা আদি বহুত দিশতে তেওঁলোক পিছ পৰা । এইটো 'প্ৰকৃত অধ্যয়নৰ যে ফল সি ধুৰুপ' পঢ়াৰ পৰা বিৰত থাকি যুব বুদ্ধিমান যে হব সেইটো মুঠেই হব নোৱাৰে । সেই কাৰণে প্ৰাচ্যৰ মানুহে কয় যে একমাত্ৰ সময় আৰু ধৈৰ্য্যইহে মুগা পলুক মহামুল্যবান মুগাকাপোৰলৈ ৰূপান্তৰিত কৰে । সেয়েহে যুৱ শক্তি হতাশাগ্ৰস্ত নহৈ সংগ্ৰাম আৰু সংঘাটক প্ৰত্যাহান হিচাপে লৈ অধ্যয়নৰ অমৃতময় ফল ভক্ষণ কৰিয়েই যুব শক্তি হব পাৰিব এক মহান জীৱনৰ অধিকাৰী । যুবক যুৱতি সকলে মৰ্মে মৰ্মে উপলব্ধি কৰক যে তেওঁলোক যমৰ শিখা নহয় এক অগ্নি শিখাহে আৰু সমগ্ৰ বিশ্বক আলোকিত কৰিবলৈ অগ্নিশিখাৰ জন্ম ।

**কাৰ্য্যকাল, মঙলদৈ মহাবিদ্যালয়ৰ সমস্যা আমাৰ পদক্ষেপ আৰু কৰ্তৃপক্ষৰ আশ্বাস ঃ**

১) আমি ১৯৯৮-৯৯ বৰ্ষৰ নব নিৰ্বাচিত ছাত্ৰ একতা সভাই যোৱা ২৩/১২/৯৮ তাৰিখে আনুষ্ঠানিক ভাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ ওচৰত কাৰ্য্যভাৱ গ্ৰহন কৰো আৰু শপত বাক্য পাঠ কৰো ।

২) শপত গ্ৰহনৰ পাছত মহাবিদ্যালয়ৰ সপ্তাহৰ কাৰ্য্যসূচী লোৱা হয়, ৬ তাৰিখৰ পৰা ১১ জানুৱাৰীলৈ ছয় দিনীয়াকৈ । বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হয় । অন্তিম দিনা এখনি মুকলি সভা আৰু সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হয় । মুকলি সভাত অংশগ্ৰহন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি বিভাগৰ মুৰব্বী অধ্যাপক ড° নবীন শৰ্ম্মা, ড° শৈলেন ভড়ালী, ড° আনন্দ মোহন বৰবৰা, আৰু ড° উমেশ ডেকা দেৱে । সাংস্কৃতিক সন্ধিয়া অনুষ্ঠানত অংশ গ্ৰহন কৰে বিশিষ্ট গায়ক অনাতাৰ শিল্পী শ্ৰীমনিন বৰুৱা, শ্ৰীদিলীপ বৰুৱা আৰু কুমাৰ ভাস্কৰে । আৰু মহাবিদ্যালয়ৰ অন্যান্য শিল্পী সকলে।

৩) ২২ জানুৱাৰী ঃ শ্ৰীশ্ৰী সৰস্বতী পূজা উদযাপন কৰা হয় ।

৪) ২৭ জুন ঃ ফাটেহা-ই-দোৱাজ দাহম উদযাপন কৰা হয় ।

৫) ৩১ আগষ্ট ঃ নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয় । সেই দিনাৰ মুকলি সভাত অংশগ্ৰহন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শ্ৰীযুত নীৰেন ডেকা , প্ৰখ্যাত বোলছবি অভিনেত্ৰী শ্ৰীযুতা সাগৰিকা গোস্বামী, দৰং জিলাৰ সাহিত্য সভাৰ সভাপতি ডা° অমৰেন্দ্ৰ নাৰায়ন দেৱ, প্ৰাক্তন শিক্ষা গুৰু শ্ৰীযুত ৰাজেন বৰুৱা, টংলা মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত বিনয় কুমাৰ মেধি, সভাপতিত্ব কৰে অধ্যক্ষা ড° অমিয়া দেৱীয়ে।

৬) ১০ চেপ্তেম্বৰ ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ তিথি উদযাপন কৰা হয় ।

ছাত্ৰ একতা সভাৰ সক্ৰিয়তা আৰু ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত নৱাগতা ছাত্ৰ-ছাত্ৰী সকলক ৰেগিংৰ পৰা যথেষ্ট পৰিমানে আতৰাই ৰাখিবলৈ সক্ষম হৈছিলো । আমি ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ বিভিন্ন সমস্যা সমাধানৰ হেতু বাৰদফীয়া দাবী কৰ্তৃপক্ষৰ ওচৰলৈ প্ৰেৰণ কৰিছিলো আৰু সেই দাবীসমূহৰ বহুকেইটা সমস্যা সমাধান বৰ্ত্তমানলৈ হোৱা পৰিলক্ষিত হৈছে । যেনে- এটি পূৰ্ণাঙ্গ পুথিভঁড়ালৰ বৰ্তমান কাম কৰে । ৰাস্তা-ঘাটৰ মেৰামতি, এখন মহাবিদ্যালয়ৰ নামফলক, এখন উদ্ভিদ বিজ্ঞান বিভাগত (Botanical garden), লাইব্ৰেৰীত নতুন কিতাপ যোগান উল্লেখযোগ্য । আৰু বৰ্তমান নোহোৱাবোৰ অনতিপলমে সমাধান কৰা হব বুলি কৰ্তৃপক্ষই আশ্বাস দিয়ে । এটি অপ্ৰিয় হলেও সত্য যে মহাবিদ্যালয় প্ৰেক্ষাগৃহটো বাবস্থাৰ দাবী জনাই অহাৰ পিছতো কতৃপক্ষই কোনো কামেই এই বৰ্ষত আৰম্ভ নকৰিলে ।

**মঙলদৈ মহাবিদ্যালয়ৰ ইতিহাসত দুষ্ট স্বাৰ্থন্বেষী নীলা সাংবাদিকৰ ভুৱা বাতৰি প্ৰকাশ আৰু প্ৰতিবাদী দৃঢ়তা ঃ**

যোৱা ৩ ডিচেম্বৰ / ৯৯ তাৰিখটো মঙলদৈ মহাবিদ্যালয়ৰ এটি কলংকিত দিন, উক্ত দিনটোত এজন দুষ্ট স্বাৰ্থন্বেষী নীলা সাংবাদিক গীৰিশ শৰ্ম্মাই সমগ্ৰ অসমবাসীৰ মাজত মঙলদৈ মহাবিদ্যালয়ত কলংকৃত কৰিলে । আমি তাৰ প্ৰতিবাদ লগে লগেই কৰিছিলো । নীলা সাংবাদিক গৰাকীয়ে এইড়ছৰ নিচিনা অনাকাংখিত ভয়াবহ ৰোগৰ ঢৌ বিয়পাই হোষ্টেল আবাস বাসিন্দাযুক্ত কৰিব খোজা বিষয়বস্তু যে গোকাত মিছা তাক শান্তি-শৃংখলাৰে, সাহসেৰে প্ৰতিবাদ জনাই ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিলো । মানৱীয় দিশত প্ৰশংসনীয় কাৰ্য্য বুলি মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাক দৰং জিলাৰ মানৱ অধিকাৰ সংগ্ৰাম সমিতি, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, সদৌ দৰং জিলা ছাত্ৰ সন্থা , উপায়ুক্ত মহোদয় দৰং জিলা আৰু যুটীয়া সঞ্চালক স্বাস্থ্য সেৱা দৰং জিলাই মত পোষন কৰে ।

**কৃতজ্ঞতা জ্ঞাপন ঃ**

সাধাৰণতে উপকাৰৰ বিনিময় নাথাকে । তদুপৰি আদিৰ পৰা আমাৰ বিভিন্ন কাম কাজৰ লগত জড়িত থকা বা প্ৰয়োজনৰ দিহা পৰামৰ্শ আদিৰে

উপকৃত কৰোতা সকলৰ ভিতৰত প্ৰধানকৈ অৱসৰ প্ৰাপ্ত অধ্যক্ষ ড°লোকেশ্বৰ নাথ, বৰ্তমানৰ অধ্যক্ষা ড°অমিয়া দেৱী, অধ্যাপক ড°আমানুল হক, অধ্যাপক শশীন চহৰীয়া, অধ্যাপক হৰিমন ডেকা, অধ্যাপক ড°গিৰীশ গোস্বামী, অধ্যাপক ড°হৰিশ ডেকা, অধ্যাপক কুমুদ চন্দ্ৰ শৰ্ম্মা,অধ্যাপক ড°বিজয় শৰ্ম্মা, অধ্যাপিকা প্ৰয়াত বিদ্যুত প্ৰভা দাস, অধ্যাপক ডিম্বেশ্বৰ বৰুৱা, আৰু উচ্চ বৰ্গৰ সহায়ক সাধিৰাম বৰা দেৱৰ পৰামৰ্শই মোৰ কাৰ্য্যকালত যি অৰিহনা যোগালে সেইয়া মোৰ চিৰস্মৰণীয় হৈ ৰব। মঙলদৈয়ান সকলৰ ভিতৰত শ্ৰীকিশোৰ চহৰীয়া, মৃণাল ডেকা, পিংকী কলিতা, দিপীকা চহৰীয়া, চাৰুস্মিতা মহন্ত, জোৎস্না দেৱী, বিশ্বজ্যোতি শৰ্ম্মা, অচিন্ত শৰ্ম্মা, হিমাংশু দাস, বিপুল বৰা, হৰমোহন চহৰীয়া, ফটিক শৰ্ম্মা, গিৰীশ শইকীয়া, অজন্তা বৰুৱা, অৰূপ চহৰীয়া, অপূৰ্ব শৰ্ম্মা, উমেশ নাথ, ধীৰেন ডেকা, হিৰনময়ী ডেকা, মালবিকা দেৱী, মানস প্ৰতীম বৰুৱা, গনেশ ডেকা, নিৰ্মল নাথ, অভিজিৎ কুমাৰ, ৰয়েল বসুমতাৰী, মৃনাল ৰাজবংশী, বিনয়কৃষ্ণ ভট্ট, সুকন্যা দেৱী, ৱাচিম ৰাজা, প্ৰনতি হাজৰিকা, আৰু গনেশ ইংতিৰ নাম মোৰ কাৰ্য্যকালত আগবঢ়োৱা সহায় সহযোগিতা উল্লেখযোগ্য ।

সামৰণি ঃ

আমাৰ কথাতে কয় ''কাৰ্য্যৰ বুজিবা ভাওঁ, ছাগৰ পখালিবা পাওঁ''। এতিয়া কাৰ্য্যৰ ভাওঁ বুজিবলৈ নামঘৰৰ বাট চৰাত সোমোৱাহে হৈছে। আহ্বান-বিসৰ্জন বা পূজা মন্ত্ৰ কিঞ্চিত জনা হোৱা নাই। খোলত ছাপৰ পৰিছেহে, মনিকূট পোৱাৰ সময় নৌ এথোন। দিনে দিনে লাভ কৰাৰ অভিজ্ঞতাইহে জ্ঞান পূৰ্ঠ কৰাত অৰিহনা যোগায়। এনেকৈয়ে নল মৰিব গজালি উঠিব। সদৌ শেষত মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীসকললৈ ব'ল হেজাৰ শুভেচ্ছা। কিম্ অধিকম্ ।

শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান।
তোমাৰ আভাও হওঁক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি ।

শ্ৰদ্ধাৰে -
শ্ৰীদিব্যজ্যোতি বৰা
সাধাৰণ সম্পাদক
১৯৯৮-১৯৯৯ বৰ্ষ।



## খেল সম্পাদিকাৰ প্ৰতিবেদন

ভাৰতৰ পূব প্ৰান্তত অৱস্থিত, প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপুৰ, মনোমোহা এই ৰাজ্য অসম। কোচ-কচাৰী, কেওঁট-কলিতা আদি জনগোষ্ঠীৰ সমন্বয়ত গঠিত মনোৰম দেশ অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰান আহুতি দিয়া বীৰ শ্বহীদ সকলৰ প্ৰতি মোৰ এই প্ৰতিবেদনৰ আদিতেই শ্ৰদ্ধা নিবেদিছো। কৃতজ্ঞতা জ্ঞাপন কৰিছো এই সকল ছাত্ৰ ছাত্ৰীৰ প্ৰতি যি সকলে মঙলদৈ মহাবিদ্যালয়ৰ দৰে এখন সন্মানীয় মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ খেল সম্পাদিকাৰ পদত মোক নিৰ্ব্বাচিত কৰিলে।

মানুহৰ সফলতা আৰু বিফলতা নিৰূপন কৰা হয় কামৰ ওপৰত ভিত্তি কৰি। এগৰাকী সম্পাদিকা হিচাপে মই কেনেদৰে সেৱা আগবঢ়ালো সেয়া বিচাৰৰ ভাৰ ছাত্ৰ-ছাত্ৰী সকলৰ। কাৰ্য্যভাৰ গ্ৰহনৰ দিনাৰ পৰাই মই মোৰ দায়িত্ব পালনত কেতিয়াও হেমাহি কৰা নাছিলো। এই লিখনিৰ যোগেদি মই মোৰ কাৰ্য্যকালত সমাধা কৰা কামবোৰৰ চমু আলোকপাত কৰিব বিচাৰিছো।

মহাবিদ্যালয় সপ্তাহ ঃ কাৰ্য্যভাৰ গ্ৰহন কৰাৰ কিছুদিন পাছতেই মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া প্ৰতিযোগিতা আৰম্ভ কৰা হয়। এটা মনোমোহা

পৰিবেশত বহুতো ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত প্ৰতিযোগিতাৰ দ্বাৰ উন্মোচন কৰে খেলবিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীশশীন্দ্ৰ চহৰীয়াদেৱে। ইয়াৰ লগে লগে অলিম্পিক শিখা প্ৰজ্বলন কৰে ৰাজ্যিক ফুটবল এথলেটিকচ খেলুৱৈ কুমাৰ ৰাজেন্দ্ৰ নাৰায়ন দেৱে। পাঁচদিন ধৰি চলা এই প্ৰতিযোগিতা খনৰ বিভিন্ন বিভাগত বৃহৎ সংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহন কৰাটো মোৰ কাৰ্য্যকালৰ এটা উল্লেখযোগ্য দিশ হিচাপে বিবেচনা কৰিব পাৰি। বিশেষকৈ বিভিন্ন প্ৰতিযোগিতাত ছোৱালী প্ৰতিযোগীয়ে অংশগ্ৰহন কৰিবলৈ আগবাঢ়ি অহাতো আমাৰ মহাবিদ্যালয় খনৰ বাবে শুভলক্ষণ বুলিব লাগিব। বিভিন্ন প্ৰতিযোগিতাত খেলুৱৈ সকলে তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছিল। প্ৰতিযোগীতাৰ সামৰনিত লৰাৰ শাখাত শ্ৰেষ্ঠ খেলুৱৈ সন্মান লাভ কৰে মঙলদৈৰ এগৰাকী উদীয়মান এথলিট বিপুল চহৰীয়াই। আনহাতে ছোৱালীৰ শাখাত শ্ৰেষ্ঠ বিবেচিত হয় সুনীতি বৰুৱা।

দলগত শাখাৰ খেল সমূহত শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে - কাবাডীৰ লৰাৰ শাখাত শোভন নাথ আৰু ছোৱালীৰ শাখাত গীতাঞ্জলী শৰ্ম্মাৰ দলে। ভলীবলত পৰেশ হাজৰিকাৰ দল শ্ৰেষ্ঠ বিবেচিত হয়। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি অনুস্থিত কৰা মাৰাথান দৌৰত বিপুল চহৰীয়াই শ্ৰেষ্ঠত্ব অৰ্জন কৰে।

উক্ত প্ৰতিযোগিতাত কেবাগৰাকী খেলুৱৈয়ে আমাৰ দৃষ্টি আকৰ্ষন কৰিছিল। আমি নিঃসন্দেহে কব পাৰো যে উপযুক্ত প্ৰশিক্ষণ আৰু কঠোৰ অনুশীলন কৰিলে তেওঁলোকে ৰাজ্যিক পৰ্য্যায়ত নিজকে প্ৰতিস্থিত কৰিব পাৰিব।

<u>আন্তঃশ্ৰেণী ফুটবল</u>ঃ যোৱা ৮ অক্টোবৰ তাৰিখৰ পৰা ২০ অক্টোবৰ তাৰিখলৈ আন্তঃশ্ৰেণী ফুটবল প্ৰতিযোগীতা খনি অনুস্থিত হৈ যায়। উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক কলা শাখা আৰু স্নাতক প্ৰথম বাৰ্ষিক কলা শখাৰ মাজত অনুস্থিত হোৱা উদ্বোধনী খেলখন আনুস্থানিক ভাবে উদ্বোধন কৰে ভাৰপ্ৰাপ্ত অধ্যাপক শশীন্দ্ৰ চহৰীয়া দেৱে। মুঠ এঘাৰটা দলে অংশগ্ৰহন কৰা এই প্ৰতিযোগীতা খনৰ চূড়ান্ত খেল অনুস্থিত হৈছিল বিশ অক্টোবৰ তাৰিখে খেল খনত অংশ লোৱা স্নাতক তৃতীয় বাৰ্ষিক আৰু ছাত্ৰ একতা সভাৰ দল দুটাৰ লগত চিনাকি কৰাই দিয়া হয় প্ৰাক্তন খেল সম্পাদক ৰাজেন্দ্ৰ নাৰায়ন দেৱক। তীব্ৰ প্ৰতিদ্বন্দীতা মুলক খেলখনত ছাত্ৰ একতা সভাই এটা গলৰ ব্যৱধানত স্নাতক তৃতীয় বৰ্ষৰ (কলা) দলক পৰাজিত কৰি চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে। খেলৰ শেষত দুয়ো দলক বঁটা সমূহ প্ৰদান কৰে ড° বিজয় কুমাৰ শৰ্ম্মা দেৱে। শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে ছাত্ৰ একতা সভাৰ শ্ৰীপংকজ চহৰীয়াই। প্ৰতিযোগিতাৰ খেলসমূহ পৰিচালনা কৰিছিল তপনদা, ৰবীনদা আৰু খগেন দাই। আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ প্ৰতি লক্ষ্য ৰাখি এই প্ৰতিযোগীতা খনৰ পৰাই এটা দল বাচনি কৰি ৰখা হৈছিল যদিও কেইবাবছৰো ধৰি প্ৰতিযোগীতা খনত অংশগ্ৰহন নকৰাৰ বাবে আদায় দিব লগা হোৱা জৰিমনাৰ বাবে আমাৰ দলে অংশগ্ৰহন কৰিব নোৱাৰিলে। এই খিনিতে মই খেলুৱৈ সকলৰ ওচৰত ক্ষমা বিচাৰিছো।

<u>কৃতজ্ঞতা</u>ঃ মোৰ যোৱা এবছৰীয়া কাৰ্য্যকালত প্ৰতিতো পদক্ষেপতে সহায় সহযোগিতা আগবঢ়াই অহা সতীৰ্থ সকললৈ মই মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ সুখ-দুখৰ সমভাগী হৈ মোৰ কাৰ্য্যকালৰ প্ৰতিটো কাৰ্য্যসূচীত দিহা পৰামৰ্শ দি সহায় সহযোগিতা কৰাৰ বাবে ভাৰপ্ৰাপ্ত অধ্যাপক শশীন চহৰীয়া দেৱলৈ মোৰ কৃতজ্ঞতা আগবঢ়াইছো। ছাত্ৰ একতা সভাৰ সমূহ সদস্যৰ লগতে ভাৰপ্ৰাপ্ত অধ্যাপক ড°আমানুল হক চাৰ দেৱলৈও মই মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সামৰণিত মোৰ কাৰ্য্যকালত হোৱা জ্ঞাত - অজ্ঞাত ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"জয়তু মঙলদৈ মহাবিদ্যালয়"

"জয় আই অসম"

ধন্যবাদেৰে

শ্ৰীশেৱালী বড়ো

সম্পাদিকা খেল বিভাগ

১৯৯৮-৯৯ বৰ্ষ।



# সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

নতুনকৈ আৰম্ভহোৱা সহস্ৰাব্দৰ প্ৰাতকালতে সুবিধাকন পাই আমাৰ মহাবিদ্যালয়ৰ সমুহ ছাত্ৰ-ছাত্ৰীলৈ শতিকাৰ লগতে পলমকৈ হলেও নৱবৰ্ষৰ ওলগ যাচিলোঁ। ছাত্ৰ একতা সভাৰ নিৰ্ব্বাচনত বিজয়ৰ মালা পিন্ধাই ছাত্ৰ-ছাত্ৰীৰ সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকললৈ এইখিনিতেই সুযোগবুজি হৃদয়ৰ নিভৃত কোন উজাৰি এসোপামান কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ, আৰু শ্ৰদ্ধা নিবেদিছোঁ সেই সকল মনিসীলৈ যি সকলে অসমীয়া ভাষা সাহিত্যৰ ভঁড়াল চহকী হোৱাত অৰিহনা যোগাইছে।

সাহিত্যৰ পৰিসৰ বহু বিশাল। ই কোনো বাধা নামানে। ই নামানে কোনো ভেদা-ভেদ। পবিত্ৰ মনৰ গৱাকীৰ নিৰ্মল হৃদয়ৰ পৰা সৃষ্টি হয় সাহিত্য। ইয়াত নাথাকে কোনো কলুষতা। সাহিত্য এক সৃষ্টিকামী সৃষ্টি। ই কেতিয়াও ধ্বংসৰ ফালে নাচায়। মই সাহিত্যৰ বিজ্ঞাপন দিব বিচৰা নাই। মই মাথো মোৰ মনত সাহিত্য বুলিলে সততে উদয় হোৱা ধাৰণা খিনিহে ব্যক্ত কৰিব বিচাৰিছোঁ। মই জানো মানুহৰ অভিজ্ঞতাৰ স্মৃতিৰ পৰা সাহিত্যৰ সৃষ্টি হয়। আৰু এই স্মৃতি কেতিয়াওতো মিছাঁ হব নোৱাৰে! গতিকেই সাহিত্য হৈছে সত্যৰ সঁফুৰা। সত্যই হৈছে সুন্দৰ। সুন্দৰ সত্যতেই জানো ঈশ্বৰৰ বসতি নহয় ?? অৰ্থাৎ সাহিত্যৰ যোগেদি আমি ঈশ্বৰক পাব পাৰোঁ আৰু তাতেই আমি বিচাৰি পাম শান্তি, পোহৰ.....।


কাৰ্য্যভাৰ গ্ৰহনৰ পিছতেই আহিল মহাবিদ্যালয় সপ্তাহ। সকলোৱে সহযোগ তথা শিক্ষাগুৰু সকলৰ আশিষ ভৰা দিহা পৰামৰ্শৰে সুকলমে সেইটো পৰ্ব শেষ হ'ল। মানুহ আশাবাদী; উচ্চাকাংক্ষা কৰাতো মানুহৰ এক সহজাত প্ৰবৃতি। অধিক কৰাৰ মানসিকতা সকলোৰে আছে। ময়ো তাৰ ব্যতিক্ৰম নহওঁ। ময়ো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ হকে অধিক কৰাৰ তথা ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা প্ৰস্ফূতিত কৰাৰ মানস বুকুত বান্ধি মহাবিদ্যালয় সপ্তাহত কেইটিমান নতুন বিষয়ক লৈ প্ৰতিযোগীতা পাতিছিলোঁ। ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ অধিক উৎকৰ্ষ সাধন হৈছে বুলি মোৰ বিশ্বাস ! কিন্তু ইয়াৰ বিচাৰ আপোনাসবৰ হাতত। মোৰ কাৰ্যকালত মই আৰু বহুত কিবা কিবি কৰি ছাত্ৰ-ছাত্ৰীৰ উৎকৰ্ষ সাধন কৰাই মোৰ প্ৰধান লক্ষ্য আছিল। কিন্তু মোৰ আশাই সম্পূৰ্ণ ৰূপে ফল নধৰিলে। আজিও সেয়ে মোৰ মন অশান্ত হৈ উঠে। কিন্তু উপায় মোৰ হাতত নাছিল। 'আঠুৱা চাই ঠেং মেলিবা' বুলি এষাৰ কথা আছে। আমাৰো সেয়া হ'ল। আৰ্থিক অনাটন। যিমানখিনি কৰাৰ কথা ভবা হৈছিল সেই অনুপাতে টকাৰ অভাৱ। গতিকেই কামত বাধা আহি পৰিল। অৱশ্যে সময়েও অলপ যতি পেলাইছিল। প্ৰচীৰ পত্ৰিকাৰ 'বঙালী সংখ্যা' প্ৰকাশ কৰিব পৰা নগ'ল এই কাৰণেই যে সেই সময়ত মহাবিদ্যালয় প্ৰায়েই বন্ধ হৈ থাকিল আৰু পৰীক্ষাৰ আগ পিছৰ সময় হোৱা বাবে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিও নগণ্য আছিল। তেনে এক পৰিস্থিতিত কোনো সুফল নধৰাৰ আশংকাতেই সেই সংখ্যা প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰা নহ'ল।

ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ দ্বাৰা প্ৰকাশ কৰা কবিতা সংকলন 'প্ৰেৰণা'ৰ আমাৰ বৰ্ষ সংখ্যা প্ৰকাশৰ হেতু মই যথেষ্ট চেষ্টা কৰিছিলোঁ। তাত ছাত্ৰ-ছাত্ৰীৰ পৰা সহায়ো পাইছিলোঁ। কিন্তু প্ৰয়োজন অনুপাতে টকা নথকা বাবে অত্যন্ত হেপাহ থকা স্বত্বেও 'প্ৰেৰণা' প্ৰকাশ কৰিব পৰা নগ'ল বুলি নতশিৰে স্বীকাৰ কৰিছোঁ। এই খিনিতে ছাত্ৰ-ছাত্ৰীৰ জ্ঞাতাৰ্থে জনাওঁ যে 'প্ৰেৰণা' প্ৰকাশৰ বাবে প্ৰয়োজনীয় ধনৰ এক বুজন অংশ অনা হয় ব্যৱসায়িক প্ৰতিস্থানৰ পৰা বিজ্ঞাপন প্ৰকাশৰ দ্বাৰা অনুদান ৰূপে। কিন্তু আমাৰ বেলিকা প্ৰাকৃতিক প্ৰত্যাহ্বানত বাৰুকৈয়ে বিধ্বস্ত ব্যৱসায়ী সকলে বিজ্ঞাপন প্ৰকাশত বা অনুদান প্ৰদানত অপাৰগতা দেখুৱাটোও প্ৰেৰণা স্তব্ধ হোৱাৰ আন এটা কাৰণ। এই সম্পৰ্কে আন এটা কথা জনাও যে বৰ্ষৰ আৰম্ভনিতে 'প্ৰেৰণা' প্ৰকাশৰ হেতু বিভাগীয় পুজিঁৰ এক অংশ আচুতীয়াকৈ ৰখা হৈছিল। কিন্তু সময়ত দেখা গল যে সেই ধন সাহিত্য বিভাগৰ অজ্ঞাততেই আন উদ্দেশ্যত ব্যয় কৰা হ'ল। গতিকেই পুজিঁৰ ধন নোহোৱাৰ বাবেই সংশ্লিষ্ট কামত আগবাঢ়িও ৰৈ যাব লগা হ'ল। ভবিষ্যতে এনে নহব বুলি আশা কৰিলোঁ।

শেষত নতুন সহস্ৰাব্দত সমস্ত ধৰনীত শান্তিৰ ফুল ফুলক তথা মানুহৰ মনবোৰ পবিত্ৰ হওঁক তাকে কামনা কৰিছোঁ। মঙলদৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ মঙ্গল কামনাৰে সামৰণি মাৰিছোঁ।

"জয় আই অসম"

শ্ৰীলৰ কুমাৰ শৰ্ম্মা
সম্পাদক, সাহিত্য বিভাগ



# সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

কলা আৰু জীৱন গভীৰ ভাবে সংপিক্ত। জীৱনৰ অসহায়তা, অক্ষমতা কিম্বা আশাৰ পূৰ্ণ প্ৰকাশ ঘটে কলাৰ মাজেৰে। সংগীতো এবিধ শ্ৰৱনীয় কলা। আপাততঃ কলা আৰু জীৱন গভীৰ ভাবে একাত্ম যেন বোধ হলেও মূলতঃ কলা আৰু জীৱনৰ মাজত এডাল নেদেখা সীমাৰেখা বিৰাজমান। কলা এবিধ স্বতন্ত্ৰ শিল্প আনহাতে জীৱন এক বিস্তৃত অভিজ্ঞতাৰে পুষ্ট স্বয়ং সম্পূৰ্ণ কলা। তথাপিও জীৱনৰ পৰিপূৰ্ণতাৰ তাগিদাত কেতিয়াবা আমি কলা আৰু জীৱনৰ এই সীমাৰেখা নামানি নখচি পাৰ হব খোজো। কিজানি জীৱনৰ সেয়াই ধৰ্ম।

আমি সেইবোৰ নোসোধো.........! কোন কাৰ বাবে মৃত্যু হ'ল ? প্ৰতিটো জীৱন এটি কলাত্মক শিল্প। আমি শ্ৰদ্ধাৰে সুঁৱৰিছোঁ চিনা নিচিনা সেই সকলোকে যি সকলে বিগত সময়ত প্ৰান দিলে মানুহৰ কাপুৰুষালিতাৰ হাতত। আমি সুঁৱৰিছোঁ বিগত কালৰ প্ৰতিটো মৃত্যু আৰু গভীৰ শ্ৰদ্ধাঞ্জলী জনাইছো, কিয়নো আমি মুলতঃ জীৱনৰ সপক্ষে।

মঙলদৈ মহাবিদ্যালয় এটি সুকীয়া ঐতিহ্যৰে মহীয়ান, ১৯৯৯ চনত এই মহাবিদ্যালয়ৰে সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে নিৰ্ব্বাচিত হোৱাৰ সুযোগ লাভ কৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক সেৱা আগবঢ়াবলৈ মোক সুযোগ দিয়াত তেওঁলোকক শ্ৰদ্ধা আৰু মৰম নিবেদিলোঁ।

প্ৰথমেই মই মহাবিদ্যালয় সপ্তাহৰ মাজেৰে নিজৰ দায়িত্ব প্ৰত্যক্ষভাৱে সম্পন্ন কৰিবলৈ সুযোগ পাওঁ। বিগত বছৰত মহাবিদ্যালয় সপ্তাহত - আধুনিক গীত, জ্যোতি সংগীত, ৰাভা সংগীত, লোকগীত, বৰগীত, গজল, ভজন, খেয়াল, অসমীয়া বোলছবিৰ গীত, পাৰ্ব্বতী প্ৰসাদৰ গীত, আইনাম, বিয়ানাম আদি অনুস্থিত হয়। প্ৰতিযোগীৰ অভাবহেতু সকলো সুবিধা থকা স্বত্বেও আধুনিক নৃত্য আৰু বিহু নৃত্যৰ বাহিৰে অন্য কোনো নৃত্য অনুস্থিত কৰিব পৰা নগল। আমি অতি দুখেৰে উল্লেখ কৰি কও যে - মহাবিদ্যালয় খনিত সকলো সুবিধা থকা স্বতেও বিগত বছৰত বাদ্যশিল্পী প্ৰতিযোগীৰ আংমৰা অবস্থালৈ লক্ষ্য কৰি প্ৰতিযোগিতা অনুস্থিত কৰিবপৰা নগল। অৱশ্যে মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি লক্ষণীয় আছিল।

নাটকৰ ক্ষেত্ৰত মঙলদৈৰ এক 'উচ্চ আসন' আছে। সেই ঐতিহ্য মহাবিদ্যালয়খনেও ৰক্ষা কৰি একাঙ্কিকা নাট, মুকাভিনয়, ব্যঙ্গাত্মক নাট আদি অনুস্থিত কৰা হয়। প্ৰতিযোগিতাৰ শেষৰ দিনা স্থানীয় আমন্ত্ৰিত শিল্পীৰ দ্বাৰা গীত পৰিবেশন কৰি প্ৰতিযোগিতাৰ অন্ত পেলোৱা হয়। আন সকলো কলা কৃষ্টিৰ দৰে দৰঙী কলা-কৃষ্টিৰ এটা সুকীয়া ঐতিহ্য আছে। মহাবিদ্যালয় সপ্তাহৰ যোগেদি এইবোৰৰ সংৰক্ষণ আৰু অধ্যয়নৰ এটি সুস্থ কেন্দ্ৰ গঢ়ি উঠিলে আমাৰ জাতীয় চেতনাৰ পুনঃ আবিস্কাৰত সহায়ক হব।

মঙলদৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগটোৰ অৱস্থা বৰ্ত্তমান অতি পয়ালগা। মহাবিদ্যালয়ত কোনো ধৰনৰ বাদ্যযন্ত্ৰ নথকাত আমি প্ৰতিযোগিতা অনুষ্ঠিত কৰিব খুজিলেও বেলেগৰ পৰা খুজি-মাগি নাইবা ভাড়া কৰি আনিব লগীয়া হয়। এই ক্ষেত্ৰত বিগত বছৰৰ প্ৰতিবেদনতো অনুৰূপ কথাই উল্লেখ কৰিছিল। কিন্তু আজিও কতৃপক্ষৰ অমনোযোগিতাৰ বাবে ই সফল ৰূপায়ন হৈ নুঠিল। আমি এই ক্ষেত্ৰত কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলো।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্য্যকালৰ সময়ছোৱাত প্ৰতিটো দিশত সকলো সময়ত সহায় সহযোগিতা তথা দিহা পৰামৰ্শ আগবঢ়োৱা তত্ত্বাবধায়ক অধ্যাপক শ্ৰীহৰিমন ডেকা ছাৰ দেৱক মোৰ শ্ৰদ্ধাপূৰ্ণ কৃতজ্ঞতা নজনালে অন্যায় কৰা হব। মোৰ প্ৰতিটো কামতে নিজৰ সহযোগিতা আগবঢ়োৱাৰ বাবে সহঃ সম্পাদক শ্ৰীসুমন দে'ক ধন্যবাদ জনাইছো। লগতে বন্ধুবৰ্গ - কুমাৰেশ, মৃনাল, পংকজ, মানসলৈ মোৰ কাৰ্য্যকালৰ সময়ত বিশেষ ভাবে সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে এই সুযোগতে ধন্যবাদ জনালোঁ। জনা-নজনাকৈ হয়তো মই অনেক ভুল-ভ্ৰান্তি কৰিব পাৰো আৰু ভুল হোৱাটো স্বাভাবিকো। কৰ্তব্যৰত অৱস্থাতেই হওঁক বা অজানিতেই অনিশ্চাকৃত ভাবে হওঁক প্ৰতিটো ভুলৰ বাবে ক্ষমা বিচাৰিলো।

সামৰণিত সময় বিষয়ববীয়া তথা সতীৰ্থ সকলে মোক যি দিহাপৰামৰ্শৰে সহযোগিতা কৰিলে তাৰবাবে তেওঁলোকক ধন্যবাদ জনালোঁ।

মঙলদৈ মহাবিদ্যালয়ৰ বৌদ্ধিক, সাংস্কৃতিক, শৈক্ষিক সকলো দিশৰে উন্নতিৰ কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয়তু মঙলদৈ মহাবিদ্যালয়'

শ্ৰদ্ধাৰে-

**শ্ৰীনৰ কুমাৰ শৰ্ম্মা**

সম্পাদক, সংগীত আৰু সাংস্কৃতিক বিভাগ।



# চাৰু কলা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

"ধ্বংসৰ মাজেদি
ৰূপান্তৰেদি ৰূপ পাই
নৱতম সৃষ্টিৰ শলিতা জ্বলাওঁ"

চাৰুকলাৰ প্ৰচেষ্টা হৈছে বিভিন্ন সৃষ্টিৰ জৰিয়তে সৃজনাত্মক প্ৰতিভা কৰা। কলাৰ মাজেদিয়েই মানুহৰ মানবীয় অনুভূতি, সৌন্দৰ্য্য সমূহে প্ৰাণ পাই উঠি নৱতম ৰূপৰ সৃষ্টি কৰে।

মই মোৰ কাৰ্য্যকালত কিমান দুৰ সফল হব পাৰিলো সেই বিষয়ে সঠিক নেজানিলো যদিও নানা ভুল ত্ৰুটিৰ মাজেৰে মোৰ কাৰ্য্যকাল অতিবাহিত হৈ গ'ল।

আমাৰ মাজত থকা অজ্ঞাত শিল্পী সকলৰ সৃজনী বিকাশৰ বাবে প্ৰতিবছৰে মহাবিদ্যালয় সপ্তাহত সুকুমাৰ কলা বিভাগৰ দ্বাৰা বিভিন্ন প্ৰতিযোগিতা আয়োজন কৰা হয়। ১৯৯৮-৯৯ চনত মোৰ কাৰ্য্যকালৰ ভিতৰতো বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰিছিলো। প্ৰতিজন শিল্পীকে নিজৰ বিষয়ৰ প্ৰতিযোগিতাত নিজৰ নিজৰ কাৰু কাৰ্য্য সমূহ বিকশিত কৰাৰ ক্ষেত্ৰত সুবিধা প্ৰদান কৰা হৈছিল। এই বছৰৰ শ্ৰেষ্ঠ সুকুমাৰ শিল্পী হিচাপে প্ৰতিযোগী সকলৰ পৰা শ্ৰীগণেশ প্ৰধান নিৰ্ব্বাচিত হয়। ইয়াৰ উপৰিও শ্ৰেষ্ঠ ভাস্কৰ্য্য শিল্পী শ্ৰীকৃষ্ণ শইকীয়াক সুকুমাৰ কলা বিভাগৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়।

বৰ্ত্তমান যুগত শিল্প কলা হৈছে শিক্ষাৰ এক অবিচ্ছেদ্য অংগ। সেয়েহে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত মহাবিদ্যালয়ত চাৰু কলা বিভাগটো থকা অতি প্ৰয়োজন।

কাৰ্য্যকালত সকলো ক্ষেত্ৰতে সুপৰামৰ্শ দি সহায় আগবঢ়োৱা চাৰু-কলা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক জামালুদ্দিন আহমেদ চাৰলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ। মোৰ কাৰ্য্যকালৰ সময়ছোৱাত বিভিন্ন দিহা-পৰামৰ্শৰ লগতে কৰ্মৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰী আৰু মোৰ সতীৰ্থলৈ আন্তৰিক কৃতজ্ঞতা আৰু হিয়া ভৰা মৰম যাচিলোঁ।

ধন্যবাদেৰে
শ্ৰীমৃত্যুঞ্জয় কুমাৰ দেৱ শৰ্ম্মা
সম্পাদক, চাৰু কলা বিভাগ।



# সম্পাদকীয় প্ৰতিবেদন ঃ সমাজ সেৱা বিভাগ

জয় জয়তে মই সেই সকল ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলী নিবেদিছোঁ, যি সকল মহান ব্যক্তিয়ে ঐতিহ্যপূৰ্ণ এই মহান শিক্ষানুষ্ঠানটিৰ জন্ম দি বৃহত্তৰ দৰংবাসীৰ মহান উপকাৰ সাধন কৰিলে। লগতে মই সেই সকল ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰনিপাত জনাইছোঁ যি সকল বীৰ-বীৰংগনাই দেশ মাতৃৰ হকে প্ৰাণ বলি দি শ্বহীদ হ'ল।

এই সুযোগতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক এই মহান শিক্ষানুষ্ঠানটিৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে নিৰ্ব্বাচন কৰি সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিলে সেই সকললৈও মই আন্তৰিক মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সমাজ, সমাজ সেৱা বুলিলে আমি নিস্বাৰ্থ ভাবে সমাজৰ হকে সেৱা আগবঢ়োৱাকে বুজোঁ। বৰ্ত্তমান সময়ত পুথিগত শিক্ষাই যথেষ্ঠ শিক্ষা


নহয়। কিয়নো আমি আমাক শিক্ষিত কৰি তুলিবলৈ হলে সকলো দিশবে জ্ঞানৰ প্ৰয়োজন। যিহেতু 'কৰ্মই ধৰ্ম' গতিকে কৰ্মৰ জৰিয়তে আগুৱাই গলেহে এখন সুস্থ সমাজ আৰু এখন দেশক উন্নতিৰ পথত আগবঢ়াই নিব পাৰিম। সেই উদ্দেশ্যকে শিৰোগত কৰি ময়ো মহাবিদ্যালয়খনৰ উন্নতিৰ হকে যৎপৰোনাস্তি চেষ্টা চলাইছো। অৱশ্যে ইয়াৰ বিচাৰ কৰিব একমাত্ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলেহে। মঙলদৈ মহাবিদ্যালয়খনৰ উন্নয়নৰ বাবে বহুতো কৰিম বুলি ভাবিছিলো, কিন্তু আশানুৰূপভাবে ফলপ্ৰসু হব নোৱাৰিলো।

মোৰ এই কালছোৱাত সকলো দিশতে থাকি মোক বিশেষ ভাবে সহায় আগবঢ়োৱা প্ৰাক্তন অধ্যক্ষ শ্ৰদ্ধাৰ ড°লোকেশ্বৰ নাথ, অধ্যক্ষা ড° অমিয়া দেৱী আৰু তত্বাবধায়ক শ্ৰীযুত দেৱজিৎ নাথ দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনালোঁ। লগতে মোৰ সমূহ শুভাকাংশীলৈ মোৰ মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ অজানিতে হোৱা ভুলবোৰৰ ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ সৰ্ব্বাংগীন উন্নতি কামনা কৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু মঙলদৈ মহাবিদ্যালয়"
"জয় আই অসম"

শ্ৰদ্ধা আৰু সেৱাৰে
**শ্ৰীতপন চন্দ্ৰ ৰাজবংশী**
সম্পাদক, সমাজ সেৱা বিভাগ।



## সম্পাদকীয় প্ৰতিবেদনঃ ছাত্ৰ জিৰণি কোঠা

সম্পাদকীয় কলমৰ আৰম্ভণিতেই মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক অধ্যাপিকা সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ১৯৯৮-৯৯ বৰ্ষৰ ছাত্ৰ জিৰনি কোঠাৰ সম্পাদক হিচাপে মোক জয়ী কৰি সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈও মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।

কাৰ্য্যভাৰ গ্ৰহন কৰাৰ পিছতেই মই মোৰ প্ৰথম পদক্ষেপ হিচাপে "মহাবিদ্যালয় সপ্তাহ"ত বেডমিন্টন, কেৰম, দবা আৰু টেবুল টেনিছ এই চাৰিবিধ খেলৰ প্ৰতিযোগিতা পৰিচালনা কৰা হয়। তলত খেল সমূহৰ চমু আভাষ দাঙি ধৰা হ'ল।

**বেডমিন্টনঃ** বেডমিন্টন খেলখন মুঠ দুটা বিভাগত অনুস্থিত কৰা হয়। প্ৰতিটো বিভাগতে যথেষ্ঠ খিনি প্ৰতিযোগীয়ে অংশগ্ৰহন কৰে।

একক শাখাত মৃত্যুঞ্জয় দেৱ শৰ্ম্মাই ধ্ৰুৱজ্যোতি কাশ্যপক পৰাজিত কৰি বিজয়ী খিতাপ অৰ্জন কৰে।

যুটিয়া শাখাত মৃত্যুঞ্জয় দেৱ শৰ্ম্মা আৰু চিন্ময় কটকীয়ে চনচল বুজৰবৰুৱা আৰু ধ্ৰুৱজ্যোতি কাশ্যপক পৰাজিত কৰে।

**কেৰমঃ** কেৰম খেল খন মুঠ তিনিটা শাখাত অনুস্থিত কৰা হয় - একক, যুটীয়া আৰু লৰা ছোৱালীৰ যুটীয়া।

একক শাখাত মনোজ শৰ্ম্মাই পুলিন কুমাৰ শৰ্ম্মাক পৰাজিত কৰি খিতাপ অৰ্জন কৰে।

যুটীয়া শাখাত মনোজ শৰ্ম্মা আৰু দীপক শৰ্ম্মাই শশীন্দ্ৰ বৰুৱা আৰু পুলিন কুমাৰ শৰ্ম্মাক পৰাজিত কৰি খিতাপ অৰ্জন কৰে।

সেইদৰে লৰা-ছোৱালীৰ যুটীয়া শাখাত মই নিজে কুশল ডেকা আৰু চেমিম আখতাৰে মনোজ শৰ্ম্মা আৰু প্ৰনিতা শইকীয়াক পৰাজিত কৰো।

**টেবুল-টেনিচঃ** মঙলদৈ মহাবিদ্যালয় ছাত্ৰ জিৰনি কোঠাৰ নিজস্ব টেবুল টেনিচ বৰ্ড নোহোৱো বাবে টেবুল টেনিচ খেল খন মহাবিদ্যালয় ছাত্ৰা বাসত অনুস্থিত কৰিব লগীয়া হয়। প্ৰতিযোগীতাত চনচল বুজৰবৰুৱাই শশীন্দ্ৰ বৰুৱাক পৰাজিত কৰি সন্মান অৰ্জন কৰে।

**দবাঃ** এই প্ৰতিযোগীতাত ৫০ জনতকৈও অধিক প্ৰতিযোগীয়ে অংশগ্ৰহন কৰে। প্ৰতিযোগিতাত সঞ্জীৱ কুমাৰ নায়কে অপুৰ্ব কুমাৰ শৰ্ম্মাক পৰাজিত কৰি খিতাপ অৰ্জন কৰে।

**কৃতজ্ঞতা স্বীকাৰঃ** যি গৰাকী শিক্ষাগুৰুৱে প্ৰতিটো পদক্ষেপতে মোক দিহা পৰামৰ্শ তথা প্ৰেৰণা দি আহিছে তেখেত শ্ৰদ্ধাৰ শ্ৰীযুত ডিম্বেশ্বৰ বৰুৱা ছাৰ দেৱ। তেখেতলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। আৰু প্ৰতিটো কাৰ্য্যসুচীতে উপস্থিত থকা - শশীন দা, সুশীল দা, ৰাজীৱ দা, নিপু,

কল্প, নব, লব, পুলিন , আৰতি, মন, প্ৰীতিশ্ৰী, নমিতা, চিন্ময়ী, প্ৰনামিকা আৰু মোৰ কমমেট ছেত্ৰীদা আৰু হিতেশৰ ওচৰত মই চিৰ কৃতজ্ঞ।

সামৰণি ঃ মোৰ কাৰ্য্যকালত অজানিতে হোৱা সকলো ভুল ত্ৰুটিৰ ক্ষমা বিচাৰিছো ।

সৰ্ব্বশেষত মহাবিদ্যালয়খনৰ সৰ্বতো প্ৰকাৰ উন্নতি কামনা কৰিলো ।

"জয়তু মঙলদৈ মহাবিদ্যালয়"

শ্ৰীকুশল ডেকা

সম্পাদক, ছাত্ৰ জিৰণি কোঠা।



## সম্পাদকীয় প্ৰতিবেদন ঃ ছাত্ৰী জিৰণি কোঠা

প্ৰতিবেদনৰ আৰম্ভনিতে নিজৰ মাতৃভূমিৰ কাৰনে জীৱন উছৰ্গা কৰা বীৰ শ্বহীদ সকলক মোৰ প্ৰনাম নিবেদিছো। কৃতজ্ঞতা যাচিছো সেই সকললৈ যি সকলে মোক এই ঐতিহ্য মণ্ডিত মহাবিদ্যালয়খনৰ ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদিকা পদত নিৰ্বাচিত কৰিলে।

মৰমৰ বন্ধু-বান্ধৱী, দাদা-বাইদেউ সকল , ইং ১৯৯৮-৯৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত আপোনালোকৰ বহুমূলীয়া ভোটেৰে মোক বিপুল ভোটত জয়ী কৰোৱাৰ বাবে এই শিক্ষানুষ্ঠান খনিৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ গধুৰ দায়িত্ব মই ললো । কাৰ্য্যভাৰ পোৱাৰ পিছতেই মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয় । মোৰ বিভাগৰ আন্তঃদ্বাৰ খেলসমূহ দবা, বেডমিণ্টন, লুডু, কেৰম, পুষ্পসজ্জা আদি আছিল । প্ৰতিযোগীৰ অভাৱত দবাখেল আৰু পুষ্পসজ্জা খেল দুখন অনুস্থিত নহল ।

আন্তঃদ্বাৰ শ্ৰেষ্ঠখেলুৱৈ হিচাপে সন্মান লাভ কৰে শ্ৰীআৰতি বৰুৱাই । প্ৰতিযোগিতা সমূহৰ পুৰস্কাৰ 'মহাবিদ্যালয় সপ্তাহ'ৰ মুকলি সভাত প্ৰদান কৰা হয় । ৰাতুল দা আৰু উমেশ মামালৈ কৃতজ্ঞতা যাচিলো ।

সম্পাদিকা হিচাপে মোৰ গধুৰ দায়িত্ব থকা স্বত্বেও বাকীখিনি পালন কৰিও মই মহাবিদ্যালয়ৰ ছাত্ৰী সকলক সকলো সুবিধা দিব নোৱাৰিলো। যিহেতু এই বিভাগৰ পুজি একেবাৰে কম । বহিৰৰ বাবে ঠাইৰ অসুবিধা যাৰ বাবে মহাবিদ্যালয়ৰ অ'ত ত'ত সিচৰিত হৈ ছাত্ৰীবোৰ বহি থাকি মহাবিদ্যালয়ৰ সৌন্দৰ্য্য ম্লান কৰে । সেয়েহে এই দিশত মাননীয়া অধ্যক্ষা মহোদয়াৰ দৃষ্টি নিক্ষেপৰ প্ৰয়োজন হৈ পৰিছে ।

কৃতজ্ঞতা স্বীকাৰ ঃ মোৰ কাৰ্য্যকালত বিভিন্ন দিশৰ পৰা সহায় আগবঢ়োৱাৰ বাবে শ্ৰীৰুনিমা শৰ্ম্মা,ভাৰপ্ৰাপ্ত অধ্যাপিকা ড° অমিয়া দেৱী, অধ্যক্ষা মহোদয়া, শ্ৰীঘনাকান্ত বৰুৱা, শ্ৰীসাধিৰাম বড়ালৈ কৃতজ্ঞতা যাচিলোঁ ।

বিশেষ ধৰণে সহায় কৰা ছাত্ৰী নিবাস, ছাত্ৰ নিবাস, লগতে বন্ধু জিতেন, গোবিন্দ, মিতালী, ভাগ্য, ৰবীতা, জয়া, কল্পনা, ধৰ্মেন্দ্ৰ, মনোজ, মৃনাল, টুলটুল, বুল, জিতু, কৃষ্ণ, ৰমেন, হৰমোহন আৰু যোগেন দালৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলো ।

মোৰ এই একবছৰীয়া কাৰ্য্যকালত কি কৰিলো বা নকৰিলো ইয়াৰ বিচাৰ আপোনালোকৰ নিশ্চয় মনত আছে । গতিকে মোৰ কাৰ্য্যকালত অজানিতে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে সকলো বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমা বিচাৰিছো । সদৌ শেষত মহাবিদ্যালয়ৰ লগতে সকলো বন্ধু-বান্ধৱীৰ উজ্জ্বল কামনা কৰি এই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ ।

" ধন্যবাদেৰে "

শ্ৰীবুলু শইকীয়া

সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা।



# সম্পাদকীয় প্ৰতিবেদন ঃ তৰ্ক আৰু বক্তৃতা বিভাগ

জীৱশ্ৰেষ্ঠ মানৱ জাতি। এই শ্ৰেষ্ঠ জীৱনকো তুচ্ছ জ্ঞান কৰি যি সকল বীৰ শ্বহীদে আইমাতৃৰ তথা নিপিড়িত মানৱ মুক্তিৰ বাবে নিজ প্ৰান বিষৰ্জন দি আজিও আমাৰ মাজত অমৰ হৈ ৰ'ল, তেখেত সকললৈ মই অশ্ৰুঅঞ্জলি নিবেদন কৰি মোৰ প্ৰতিবেদনৰ কলম মুকলি কৰিলোঁ। যি সকল বিদ্যাৰ্থীয়ে মোক বিপুল ভোটেৰে ২য় বাৰৰ বাবে জয়ী কৰাই দৰং জিলাৰ ভিতৰতে উচ্চ শিক্ষাৰ প্ৰানকেন্দ্ৰ স্বৰূপ মঙলদৈ মহাবিদ্যালয়ৰ হকে কাম কৰিবলৈ সুযোগ কন দিলে, তেখেত সকলৰ ওচৰত মই চিৰদিন ঋণী হৈ ৰলোঁ।

চাৰিওফালে হত্যা, লুণ্ঠন, ধৰ্ষন আদি সমস্যাই সমগ্ৰ মানৱ জাতিক মানুহ হিচাপে জীয়াই থাকিবলৈ চিন্তা কৰিব লগাত পেলাইছে। এনেবোৰ পৰিস্থিতিৰ মাজতেই যিখন দেশত আজি একাংশই নব শতিকাক আদৰনি জনাবলৈ ব্যাকুল হৈ পৰিছে সেইখন দেশতেই যে আন একাংশই এসাজ ভাতৰ বাবে চিন্তা কৰি পাৰ পোৱা নাই, এই কথা ভাবিবলৈ হয়তো আজৰি নোহোৱা হৈছে। মোৰ এই চিন্তা ধাৰাৰ হয়তো আন কোনোবা ব্যক্তিৰ চিন্তাধাৰাৰ মিল নাথাকিবও পাৰে। সত্যা-সত্য বিচাৰ হব কেৱল মাথো যুক্তিবাদী ভাব বিনিময় বা যুক্তিতৰ্কৰ মাধ্যমেৰেহে। সেইবাবে বিভিন্ন সময়ে সময়ে সময়ৰ প্ৰতি লক্ষ্য ৰাখি সময় উপযোগী বিষয়বস্তু আগত লৈ হয়তো তৰ্ক, বক্তৃতা, আলোজনা চক্ৰ আদিৰ আবিৰ্ভাব। এই বিষয়ত আমাৰ মহাবিদ্যালয়ো কোনো দিনে পিছ পৰি থকা নাই। এনেবোৰ বিষয়ৰ প্ৰতি লক্ষ্য ৰাখিয়েই 'তৰ্ক আৰু বক্তৃতা বিভাগ' নামেৰে আমাৰ মহাবিদ্যালয়ত এটি সুকীয়া বিভাগ ৰখা হৈচে আৰু ১৯৯৮-৯৯ বৰ্ষৰ বাবে এই বিভগৰে সম্পাদক হিচাপে মই নিয়ম-শৃংখলা বজাই ৰাখি এই মহাবিদ্যালয়ৰ সৰ্ব্বাংগীন উন্নতিৰ হকে কাম কৰি যাম বুলি ঈশ্বৰৰ নামত শপত ললো। আৰু কেইদিন মান পিছতেই মহাবিদ্যালয়ৰ সপ্তাহ উপলক্ষে ৭ আৰু ৮ জানুৱাৰী তাৰিখে দুদিনীয়া কাৰ্য্যসূচীৰে তৰ্ক, বক্তৃতা, আকস্মিক বক্তৃতা, কুইজ আদি প্ৰতিযোগিতা অনুস্থিত কৰো। বহুসংখ্যক প্ৰতিযোগী আৰু দৰ্শকৰ উপস্থিতিয়ে মোৰ লগতে আমাৰ ছাত্ৰ একতা সভাক উৎসাহ যোগোৱাৰ উপৰিও পঢ়াৰ লগে লগে অন্যান্য আনুসংগিক চিন্তা ধাৰাতো যে ছাত্ৰ হিচাপে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী কোনো ক্ষেত্ৰতেই পিছপৰি থকা নাই তাকেই প্ৰমান কৰি দেখুৱালে। অতি আদৰণীয় কুইজ প্ৰতিযোগিতা খনিৰ পৰিচালনা কৰিবলৈ আমন্ত্ৰন জনাই আনিছিলো মঙলদৈ নিবাসী ডঃমৃন্ময় নাথ দেৱক। তেখেতে সঁচাকৈয়ে অতি সুন্দৰ ভাবে প্ৰতিযোগিতা খনি চলাই নি আমাক আনন্দিত কৰিলে।

মোৰ এই কালচোৱাত সাধ্য অনুসৰি অসমৰ বিভিন্ন ঠাইত অনুস্থিত তৰ্ক প্ৰতিযোগিতা আৰু বক্তৃতা প্ৰতিযোগিতাত অংশগ্ৰহন কৰাৰ লগতে বহু ঠাইৰ পৰা আমাৰ দলটিয়ে পুৰস্কাৰ আনিবলৈ সমৰ্থবান হৈছে।

সকলোতকৈ উল্লেখনীয় তথা গৌৰৱান্বিত কাৰ্য্যসূচী আছিল ১৮ নবেম্বৰ তাৰিখে অনুস্থিত কৰা "সদৌ অসম শ্বহীদ সোঁৱৰণী আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা" আমাৰ মহাবিদ্যালয়ৰে অৱসৰ প্ৰাপ্ত শিক্ষাগুৰু ডঃ নগেন্দ্ৰ নাথ শৰ্ম্মাৰ অধক্ষ্যতাত অনুস্থিত হোৱা এই প্ৰতিযোগিতা খনিৰ বিষয় আছিল- "সদনৰ মতে, সাম্প্ৰতিক পৰিস্থিতিত অসমৰ সন্ত্ৰাসবাদী কাৰ্য্য কলাপতকৈয়ো প্ৰব্ৰজন কাৰী সমস্যা বেছি গুৰুত্ব পূৰ্ণ আৰু ভয়াবহ।"

সঁচাকৈয়ে বিভিন্ন প্ৰান্তৰপৰা অহা প্ৰতিযোগীৰ অংশগ্ৰহণেৰে উক্ত প্ৰতিযোগিতা খনিয়ে বিপুল দৰ্শকৰ মাজত যুক্তিৰ বৰষা বিলাই দিছিল। উক্ত প্ৰতিযোগিতাখনিত মমতাজ শৰ্ম্মা বৰুৱা, প্ৰনৱ প্ৰাণ শইকীয়া আৰু জয়ন্ত ডেকাই বিচাৰকৰ আসন গ্ৰহন কৰিছিল। প্ৰতিযোগিতাৰ অন্তত ফলাফল আছিল এনে ধৰণৰ - ১ম শ্ৰেষ্ঠ দল উত্তৰ গুৱাহাটী মহাবিদ্যালয়।

১ম শ্ৰেষ্ঠ তাৰ্কিক উত্তৰ গুৱাহাটী মহাবিদ্যালয়।

২য় শ্ৰেষ্ঠ তাৰ্কিক উত্তৰ গুৱাহাটী মহাবিদ্যালয়।

৩য় শ্ৰেষ্ঠ তাৰ্কিক গুৱাহাটী বাণিজ্য মহাবিদ্যালয়।

সেই সময়ত আমি অসমৰ প্ৰায়বোৰ মহাবিদ্যালয়ৰ লগত যোগাযোগ কৰা স্বত্বেও আশানুৰুপ প্ৰতিযোগীদলৰ উপস্থিতি নোহোৱা বাবে সচাঁকৈয়ে চিন্তাত পৰিছিলো। আশাকৰো আগলৈ অধিক প্ৰতিযোগীৰ সংখ্যাৰে প্ৰতিযোগিতাখনিৰ সৌন্দৰ্য্য বৃদ্ধি পাব।

মোৰ এই কালছোৱাত প্ৰতিতো খোজতে দিহা পৰামৰ্শৰে মোক আগুৱাই যাবলৈ সহায় কৰা তত্বাবধায়ক মাননীয় ডঃ হৰিশ চন্দ্ৰ ডেকা চাৰৰ লগতে পৰামৰ্শদাতা মাননীয়া অধ্যক্ষা বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত সমূহ শিক্ষাগুৰুৰ লগতে আমাৰ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ আন্তৰিক ধন্যবাদ জনোৱাৰ লগতে নব শতিকাৰ শুভেচ্ছা যাচিলোঁ আৰু পুনৰবাৰ বীৰ শ্বহীদ সকলৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি মোৰ প্ৰতিবেদনৰ কলম দাঙিলো।

"জয়তু মঙলদৈ মহাবিদ্যালয়"

বিশ্বজ্যোতি শৰ্ম্মা
সম্পাদক, তৰ্ক আৰু বক্তৃতা বিভাগ।



# সম্পাদকীয় প্ৰতিবেদন ঃ ব্যায়ামশালা বিভাগ

ব্যায়ামশালা বিভাগৰ সম্পাদক হিচাপে প্ৰতিবেদনৰ আৰম্ভনিতে বন্ধুবান্ধৱীলৈ মৰম আৰু শিক্ষক মণ্ডলীলৈ শ্ৰদ্ধা নিবেদন কৰিলোঁ।

কাৰ্য্যকালৰ আৰম্ভনিতে গতানুগতিক ভাবে মহাবিদ্যালয় সপ্তাহ উদযাপন কৰা হয়। আন বছৰৰ দৰে এই বছৰো ব্যায়াম শালা বিভাগৰ পৰা মুখ্যতঃ কাৰাটে, সাতোৰ, দেহশ্ৰী, পাঞ্জা, স্কীপিং, ভাৰোত্তোলন আদি খেল অনুষ্ঠিত কৰা হৈছিল। যদিও কিছু খেলত প্ৰতিযোগীৰ সংখ্যা কম আছিল তথাপি প্ৰত্যেকখন খেলৰ মান যাথেষ্ঠ উন্নত হোৱা বুলি বহুজনে প্ৰশংসা কৰিছে।

মহাবিদ্যালয় সপ্তাহৰ পাছত ব্যায়ামশালা বিভাগৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন মহাবিদ্যালয়ে অনুষ্ঠিত কৰা পাঞ্জা প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ দহজনীয়া দল এটাই যোগদান কৰে। এই প্ৰতিযোগিতাত মণ্ডলদৈ মহাবিদ্যালয়ৰ পৰা যোৱা খেলুৱৈ সকলে খেলুৱৈ সুলভ মনোভাবেৰে খেলি যথেষ্ঠ ভাল ফল দেখুৱাৰ লগতে অভিজ্ঞতাও আহৰণ কৰিছে। আশা কৰা যায় ভবিষ্যতে পাঞ্জা খেলুৱৈ সকলৰ বাবে ই যথেষ্ঠ সহায়ক হ'ব।

গুৱাহাটী বিশ্ববিদ্যালয়ে ৫ ৰ পৰা ৭ নবেম্বৰ ১৯৯৯ তাৰিখলৈকে বিশ্ববিদ্যালয়ৰ অন্তঃদ্বাৰত চতুৰ্থ সদৌ অসম আন্তঃ মহাবিদ্যালয় কাৰাটে প্ৰতিযোগিতাখন অনুষ্ঠিত কৰে। বহুতো অসুবিধাৰ মাজতো আমাৰ মহাবিদ্যালয়ৰ পৰা ১০ জনীয়া কাৰাটেৰ দলটিৰ সৈতে প্ৰশিক্ষক বিশ্বজিৎ বৰা দেৱক লৈ মই ৪/১১/৯৯ তাৰিখৰ দিনাখন উক্ত প্ৰতিযোগিতাত যোগদান কৰো। এই প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ খেলুৱৈ সকলে যথেষ্ঠ ভাল খেল প্ৰদৰ্শন কৰিলে। এই প্ৰতিযোগিতাত চমক দাসে প্ৰথম পুৰস্কাৰ (৫০-৫৫ কেজি)। জয়ন্ত শৰ্ম্মাই দ্বিতীয় পুৰস্কাৰ (৪৫-৫০) পোৱাৰ উপৰিও কেইবাজনো খেলুৱৈয়ে চতুৰ্থ আৰু পঞ্চম স্থান অধিকাৰ কৰে।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত সকলো ক্ষেত্ৰত বহুমূলীয়া পৰামৰ্শ তথা সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে মোৰ বিভাগৰ তত্বাবধায়ক শিক্ষাগুৰু শ্ৰীযুত পবেশ চন্দ্ৰ শৰ্ম্মা দেৱলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। তদুপৰি ব্যায়ামশালা বিভাগৰ খেল সমুহ হাতে কামে লাগি সাৰ্থক কৰাৰ বাবে প্ৰশিক্ষক ধ্ৰুব শৰ্ম্মা, বিশ্বজিৎ বৰা, শিৱ প্ৰসাদ শৰ্ম্মা, তপন ডেকা আৰু মুকুট কোচ দেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে কৃতজ্ঞতা জ্ঞাপন কৰিলো মোক সকলো ফালৰ পৰা সহায় সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱী তথা মহাবিদ্যালয়ৰ সমুহ ছাত্ৰ-ছাত্ৰী সকললৈ।

ব্যায়ামৰ প্ৰকৃত অৰ্থ সকলোৱে হৃদয়ংগম হওক, ব্যায়ামৰ প্ৰকৃত শক্তি তথা ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে সকলোৱে বুজি উঠক, তাৰে কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

**শ্ৰীজিতুমনি চহৰীয়া**
সম্পাদক, ব্যায়ামশালা বিভাগ।



# প্ৰতিবেদন ঃ অধিনায়ক ৰাষ্ট্ৰীয় সেৱা আঁচনি

প্ৰতিবেদনৰ আৰম্ভনিতে সেই সকল মহান ব্যক্তিলৈ শ্ৰদ্ধা নিবেদিছো যি সকলে এই মহান অনুষ্ঠানটি গঢ়ি থৈ গ'ল , লগতে এই সুযোগতে সেই সকল জাতীয় বীৰ শ্বহীদলৈ মোৰ অশ্ৰুঅঞ্জলি যাচিছো যি সকলে দেশৰ হকে নিজৰ জীৱন দান দি থৈ গ'ল ।

বৰ্ত্তমান পৰিস্থিতিত ৰাষ্ট্ৰীয় সেৱা আচঁনিৰ দৰে স্বেচ্ছাসেৱী অনুষ্ঠানৰ গুৰুত্ব কিমান তাক পুনৰবাৰ দোহৰাৰ প্ৰয়োজন নাই । সমস্যাৰে জৰ্জৰিত মঙলদৈ মহাবিদ্যালয়ত ১৯৭২ চনতে এই সেৱা বিভাগটো আৰম্ভ হয় যদিও মাজতে কেই বছৰ মান ইয়াৰ গতি মন্থৰ হয় । নকলেও হব এই অনুষ্ঠানটিৰ বাবেই মঙলদৈ কলেজ আজি নদীৰ গৰাহৰ পৰা ৰক্ষা পৰিছে যাৰ বাবে আজি আমি শংকাবিহীন ভাবে শিক্ষা গ্ৰহন কৰিব পাৰিছো আৰু ছাত্ৰী নিবাসটোও নদীৰ কবলৰ পৰা ৰক্ষা পৰিছে ।

মই অধিনায়ক হোৱা কাৰ্য্যকালৰ বুলি কৰ খোজা নাই, সহঃঅধিনায়ক হোৱাৰে পৰা ইয়াৰ কাৰ্য্যভাৰ মূৰ পাতি লৈছো । এই ছেগতে ১৯৯৮-৯৯ বৰ্ষত ৰাষ্ট্ৰীয় সেৱা আচঁনিয়ে কৰা কামৰ বিবৰণ দাঙি ধৰিব বিচাৰিছো ।

১৯৯৮ চনত মঙলদৈ সনাতন ধৰ্ম মন্দিৰত অনুস্থিত ৰাসোৎসৱত আমাৰ কলেজৰ পৰা ১৫ গৰাকী স্বেচ্ছাসেৱকে ৩ নবেম্বৰৰ পৰা ১১ নবেম্বৰলৈ সেৱা আগবঢ়ায় । মঙলদৈ মহাবিদ্যালয়ত অনুস্থিত স্বামী বিবেকানন্দ শিবিৰত ১০ গৰাকী কৰ্ম্মীয়ে সেৱা আগবঢ়ায় । ১৯৯৯ চনৰ ১৩ জানুৱাৰীৰ পৰা ১৭ জানুৱাৰীলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা আয়োজিত L.C.B. কলেজত অনুস্থিত ANNUAL ORIENTATION CAMP ত আমি চাৰি গৰাকী স্বেচ্ছাসেৱকে অংশগ্ৰহন কৰো । ১৯৯৯ জনৰ ১৭ জুলাইৰ পৰা ১ আগষ্টলৈ বিশেষ শিবিৰ Special camp অনুস্থিত কৰা হয় । ২৭ জুলাই তাৰিখে নাম পঞ্জীয়নেৰে শিবিৰ মুকলি কৰা হয় । শিবিৰত ৫০ গৰাকী কৰ্ম্মীয়ে নাম পঞ্জীয়ন কৰে । ২৮ জুলাই তাৰিখে ৰাতিপুৱা পতাকা উত্তোলন কৰা হয় । মহাবিদ্যালয় পতাকা উত্তোলন কৰে ৰাষ্ট্ৰীয় সেৱা আচনিৰ কাৰ্য্যসূচী বিষয়া শ্ৰীযুত ৰমনী কান্ত চহৰীয়াই আৰু ৰাষ্ট্ৰীয় সেৱা আচনিৰ পতাকা উত্তোলন কৰে মঙলদৈ কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শ্ৰীদিব্যজ্যোতি বড়াই । পতাকা উত্তোলনৰ পিছতেই মহাবিদ্যালয় চৌহদ, ছাত্ৰীনিবাস আৰু ছাত্ৰাবাসত চাফাই কৰা হয় । আবেলি প্ৰতিভা বিকাশ আৰু আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয় । ২৯ জুলাই অৰ্থাৎ শিবিৰৰ ৩ য় দিনা শ্ৰেণী কোঠা পৰিষ্কাৰ কৰা হয় । আবেলি প্ৰতিভা বিকাশ আৰু আলাচনা চক্ৰ অনুস্থিত কৰা হয় । ৩১ জুলাই আৰিখে মঙলদৈ চহৰৰ অন্তৰ্গত ৰাষ্ট্ৰীয় সেৱা আচনিৰ জৰিয়তে সৃষ্টি হোৱা ও ৰাষ্ট্ৰীয় সেৱা আচনিৰ ঐতিহাসিক ঠাই প্ৰফুল্ল নগৰত এটি পথ নিৰ্ম্মান কৰা হয় । আবেলি মঙলদৈ চহৰৰ ক্ষৌৰ কৰ্ম্মীসকলৰ মাজত এটি এইড্চ সচেতনতা আৰু প্ৰশিক্ষণ শিবিৰ অনুস্থিত কৰা হয় । উক্ত শিবিৰত প্ৰশিক্ষণ দিয়ে মঙ্গলদৈ চিভিল হস্পিতেলৰ চিকিৎসক ডাᵒ প্ৰশান্ত গোস্বামী আৰু ডাᵒ দেবেন শইকীয়া দেৱে । ১ আগষ্ট তাৰিখে বিশেষ শিবিৰৰ সামৰণি পৰে । সামৰণি অনুষ্ঠানত সভাপতিত্ব কৰে মঙলদৈ কলেজৰ প্ৰাক্তন অধ্যক্ষ ডᵒ লোকেশ্বৰ নাথ দেৱে আৰু বিশিষ্ট অতিথিৰ আসনত থাকে প্ৰাক্তন N.S.S ৰ কাৰ্য্যসূচী বিষয়া তথা আমাৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ পিতৃ স্বৰূপ শ্ৰীৰাজেন্দ্ৰ বৰুৱা চাৰে ।

৭/৯/৯৯ তাৰিখে ৰাষ্ট্ৰীয় সেৱা আচনিৰ নবাগতা আদৰনি সভাখন অনুস্থিত কৰা হয় । সভাত চা-চিনাকি আৰু প্ৰতিযোগিতামুলক প্ৰতিভা বিকাশ অনুষ্ঠান অনুস্থিত কৰা হয় । প্ৰতিযোগিতা খনিত ১ ম শ্ৰেষ্ঠ বটাঁ লাভ কৰে শ্ৰীভাগ্য বৰাই, ২ য় শ্ৰেষ্ঠ বটাঁ লাভ কৰে যুটীয়াভাবে শ্ৰীকবিতা কুমাৰী আৰু শ্ৰীবুলুৰানী ডেকাই আৰু ৩ য় শ্ৰেষ্ঠ বটাঁ লডে কৰে শ্ৰীৰাজীৱ কলিতাই ।

২ নবেম্বৰ'৯৯ ৰ পৰা ৫ নবেম্বৰ'৯৯ লৈ মঙলদৈ মহাবিদ্যালয়ত অনুষ্ঠিত ৭ম ৰাজ্যিক ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহত N.S.S ৰ প্ৰায় ৪০ গৰাকী কৰ্মীয়ে সেৱা আগবঢ়ায় ।

সমস্যাৰে জৰ্জৰিত মঙলদৈ কলেজত ৰাষ্ট্ৰীয় সেৱা আচনিৰো যথেষ্ঠ সমস্যা আছে । তাৰে সজুলিৰ সমস্যা কিছু পৰিমানে মোৰ কাৰ্য্যকালত দুৰ কৰা হয় । আগতকৈ ৰাষ্ট্ৰীয় সেৱা আচনিৰ সদস্য/সদস্যাৰ সংখ্যা কিছু বৃদ্ধি হোৱা দেখা গৈছে । সেয়ে এটি আহল-বহল কোঠাৰ বাবে কলেজ কৰ্তৃপক্ষৰ ওচৰত দাবী জনালো ।

মোৰ কাৰ্য্যকালত প্ৰয়োজনীয় দিহা পৰামৰ্শ আগবঢ়োৱা প্ৰাক্তন অধ্যক্ষ মাননীয় ডᵒলোকেশ্বৰ নাথ, ভাৰপ্ৰাপ্ত অধ্যক্ষা মাননীয়া ডᵒঅমিয়া দেৱী, ৰাষ্ট্ৰীয় সেৱা আচনিৰ কাৰ্য্যসূচী বিষয়া মাননীয় শ্ৰীৰমনী কান্ত চহৰীয়া চাৰ, প্ৰবক্তা শ্ৰীহৰিমন ডেকা চাৰ, অধ্যাপক ডᵒবিজয় কুমাৰ শৰ্মা চাৰলৈ কৃতজ্ঞতা জনোৱাৰ লগতে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সমূহ সতীৰ্থ আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকললৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ধন্যবাদেৰে

**শ্ৰীজন্টি কলিতা**

অধিনায়ক, ৰাষ্ট্ৰীয় সেৱা আচঁনি ।

## EDITOR AND PROF-IN-CHARGE OF MANGALDAI COLLEGE MAGAZINE DURING 1958-1999

| SESSION | EDITOR | PROF-IN-CHARGE |
|---|---|---|
| 1958-59 | Sri Bodheswar Deka | Sri P. Bora |
| 1960-61 | Sri Soneswar Sarma | Sri D. Neog |
| 1961-62 | Sri Hara Gauri Adhikari | Sri P. Bora |
| 1962-63 | Sri Maheswar Kalita | Sri D. Neog |
| 1963-64 | Sri Tuwa Ram Deka | Sri D. Neog |
| 1964-65 | Md. Fazlul Karim | Sri D. Neog |
| 1965-66 | Sri Bashab Ch. Sahariah | Sri D. Neog |
| 1966-67 | Sri Hema Kanta Deka | Sri J. C. Sarma |
| 1967-68 | Sri Arun Ch. Das | Sri J. C. Sarma |
| 1968-69 | Sri Naren Hazarika | Sri J. C. Sarma |
| 1969-70 | Sri Prabhat Nr. Choudhury | Sri J. C. Sarma |
| 1970-71 | SriDinabandhu Sarma | Sri J. C. Sarma |
| 1971-72 | Md. Mahiuddinn Jiaul Hoque | Sri B. Kakati |
| 1972-73 | Sri Premananda Nath | Sri B. Kakati |
| 1973-74 | Sri Babendra Ch. Deka | Sri B. Kakati |
| 1974-75 | Sri Juran Ch. Kalita | Sri B. Kakati |
| 1975-76 | Sri Debendra Kr. Sarma | Sri B. Kakati |
| 1976-77 | Sri Bhaba Kt. Hazarika | Sri B. Kakati |
| 1977-78 | Sri Parananda Rajbongshi | Miss Naharun Nesa |
| 1978-79 | Sri Sailendra Kr. Sarma Baruah | Sri M.P. Barua |
| 1979-81 | Sri Pankaj Kr. Goswami | Sri Bijay Goswami |
| 1981-82 | SriGajendra Baruah | Sri Bharat Ch. Sarma |
| 1982-83 | Sri Biswajit Goswami | Sri Bharat Ch. Sarma |
| 1983-84 | Sri Dulal Barua | Sri Bharat Ch. Sarma |
| 1985-86 | Sri Siba Prasad Baruah | Sri Mati Ram Medhi |
| 1986-87 | Sri Mina Ram Hazarika | Sri Mati Ram Medhi |
| 1987-88 | Sri Bhabesh Barua | Sri Mati Ram Medhi |
| 1988-89 | Sri Muktananda Sarma | Md. Idrish Ali |
| 1989-90 | Md. Mumtaz Khanam | Sri B. C. Hazarika |
| 1990-91 | Md. Mumtaz Khanam | Sri B. C. Hazarika |
| 1991-92 | Smt. Babita Kumari Majudeka | Md. Idrish Ali |
| 1992-93 | Md. Aminul Hoque | Md. Idrish Ali |
| 1993-94 | Sri Lakhyadhar Sarma | Sri Dimbeswar Barua |
| 1994-95 | Sri Jayanta Sarma | Sri Dimbeswar Barua |
| 1995-96 | Sri Pranab Bhatta | Md. Idrish Ali |
| 1996-97 | Sri Chandan Saikia | Sri Mati Ram Medhi |
| 1997-98 | Sri Arun Sarma | Sri Mati Ram Medhi |
| 1998-99 | Sri Dweep Kishore Saikia | Dr. Bijoy Kr. Sarma |